
# কটন কলেজ আলোচনী



সম্পাদক : ৰজনী কান্ত চুতীয়া

১৮৮৮ শক

— ডিব্ৰুগড় —

# কানৈ কলেজ আলোচনী

## ॥ বছেৰেকীয়া প্ৰকাশ ॥

২১শ বছৰ। বিংশ সংখ্যা। ১৮৮৮ শক।

সম্পাদক: ৰজনী কান্ত চুতীয়া।

সম্পাদক আৰু প্ৰকাশক :— ৰজনী কান্ত চুতীয়া।

সহায় কৰিছে :— অধ্যাপক—শ্ৰীযুত পৰীক্ষিত হাজৰিকা ( উপদেষ্টা )
অধ্যাপক—শ্ৰীযুত সুনিল কুমাৰ বৰ ঠাকুৰ ( পৰামৰ্শদাতা )
আৰু
শ্ৰীবিপিন চন্দ্ৰ গগৈ, শ্ৰীমিঠা বৰুৱা, শ্ৰীলক্ষেণ শইকীয়া, শ্ৰীমতী মনিকা দেৱী আৰু শ্ৰীমতী আৰাধনা দত্ত এই সম্পাদনা সমিতিৰ সভ্য সকলে।

বেটুপাতৰ শিল্পী :— অনুজ্ঞ দুবৰা ( মৰাণ )

ডিব্ৰুগড়ৰ মনপূৰ প্ৰেছত
শ্ৰীজীৱেশ্বৰ হাজৰিকাৰ দ্বাৰা মুদ্ৰিত।



১৯৬৬ চনত ‘ডক্টৰেট উপাধি’ লাভ কৰা আমাৰ
কানৈ কলেজৰ অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীযুত
যোগীৰাজ বসু।

# — আমাৰ শ্ৰদ্ধাঞ্জলি —

এই বছৰ খাদ্যৰ অনাটন হোৱাত কেতবোৰ কুট নৈতিক বেপাৰীয়ে তাৰে সুযোগ লৈ বয়-বস্তুৰ দাম ভুই ছাই বঢ়াৰ দৰে বঢ়াই দিছিল। ফল স্বৰূপে দুখীয়া ৰাইজে চাউল-দান কিনিব নোৱাৰি বহুতে খাবলৈ নেপাই পেটে ককালে এক হৈ গৈছিল। এই অৱস্থা দেখি আমাৰ শিক্ষিত ছাত্ৰ-সমাজে বয়-বস্তুৰ মূল্য হ্ৰাসৰ আন্দোলন চলাওঁতে শংকৰ পুৰকায়স্থকে আদি কৰি কেইবা জনো মেধাৱী ছাত্ৰই জীৱন আহুতি দিব লগীয়াত পৰিল। তেওঁলোকৰ শোকতাপীৰ পৰিয়ালৰ লগতে আমিও গভীৰ শোকত শোকান্বিত। তেওঁলোকৰ আত্মাই যাতে চিৰ শান্তিত বাস কৰিব পাৰে তাৰে আমাৰ শত কামনা।

তাৰোপৰি, যিজন প্ৰকৃত আৰু খাটি অসমৰ অসমীয়া, যিজনে নিজৰ দেশৰ হকে, নিজৰ মাতৃ ভাষাৰ হকে, নিজৰ কলা-কৃষ্টিৰ হকে আৰু নিজ জাতিটোৰ উন্নতিৰ হকে আজীৱন সংগ্ৰাম কৰি আহিছিল, যিজন আছিল একমাত্ৰ বিদ্ৰোহী কবি, সাহিত্যিক—সেই জন মহান ব্যক্তি শ্ৰীঅম্বিকা গিৰী ৰায় চৌধুৰী দেৱ যোৱা দুই জানুৱাৰী (১৯৬৭ চন) দিনা স্বৰ্গধামলৈ গতি কৰে। তেখেতৰ মৃত্যুত অসমীয়াৰ তথা অসমৰ এক অপূৰণীয় ক্ষতি হৈছে। সেয়েহে আমি আজি বেজাৰত কান্দিব লাগিছো। এই মৃতক মহান ব্যক্তিজনৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি যাচিলো।

# —এই সংখ্যাত আছে—


**প্ৰবন্ধ ঃ—**

| | | | |
|---|---|---|---|
| ১। | জীৱন চন্দ্ৰ বৰা | ১ | অসমীয়া গদ্য সাহিত্যত প্ৰাচীনত্ব |
| ২। | যতীন শইকীয়া | ১০ | শুক সৌৰভ |
| ৩। | আক্ৰামুল ইছলাম | ১৮ | অসমীয়া সাহিত্যত চুটি গল্প |
| ৪। | কুণ্ডিল কুমাৰ চুতীয়া | ২৫ | আদিম পৃথিবী আৰু জীৱৰ ক্ৰমোন্নতি |
| ৫। | অধ্যাপক ডিম্বেশ্বৰ চলিহা | ৩১ | ডাইনচাইৰ |
| ৬। | অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য | ৩৫ | তুচু পূজা |
| ৭। | জগন্নাথ বৰুৱা | ৪০ | চক্ |

**কবিতা ঃ—**

| | | | |
|---|---|---|---|
| ৮। | ৰমেশ ৰাজখোৱা | ৪৫ | অনাহুত |
| ৯। | গুণেশ্বৰ সোনোৱাল | ৪৬ | মৰত যাত্ৰাৰ গান ঃ অঘৰী দলৰ |
| ১০। | মিঠা বৰুৱা | ৪৭ | আবৰ্ত্ত |
| ১১। | প্ৰমীলা খাকলাৰী | ৪৮ | সংগোপন |
| ১২। | চন্দ্ৰকুমাৰ গগৈ | ৪৯ | পথ |
| ১৩। | মায়া গগৈ | ৫০ | স্নিগ্ধ পৰশ |
| ১৪। | ইফটিকাৰ বৰা | ৫১ | বলিয়ালি মোৰ ঃ ডুল, ফুল আৰু ৰঙৰ |
| ১৫। | অনিল কুমাৰ বৰুৱা | ৫২ | নতুন পৃথিবীত |
| ১৬। | তৰুণ শেনচোৱা | ৫৫ | আঘোনৰ ৰাতিপুৱা |
| ১৭। | ৰঞ্জিত সিংহ চৌধুৰী | ৫৬ | মেঘ-বন্যা |

**গল্প ঃ—**

| | | | |
|---|---|---|---|
| ১৮। | নগেন্দ্ৰ নাথ সোনোৱাল | ৫৮ | চক্ৰ বেহু |
| ১৯। | উত্তম কুমাৰ গগৈ | ৬৩ | মন-জাহ্নৱী |
| ২০। | ৰজনী কান্ত চুতীয়া | ৬৯ | অপাৰগ |
| ২১। | আৰাধনা দত্ত | ৭৬ | এন্ধাৰ দিগন্ত |
| ২২। | অলিউৰ ৰহমান | ৮৪ | মৌন জোৱাৰ |
| ২৩। | শামীম ৰাফিয়া বেগম | ৮৮ | বুজিও যেতিয়া নুবুজিলে |
| ২৪। | অন্নপূৰ্ণা গগৈ | ৯১ | জীৱন সংগ্ৰাম |

# সম্পাদকীয়

## বৰ্ত্তমান অসমীয়া সাহিত্য আৰু সমাজ—

"সাহিত্য সীমাবদ্ধ সৰোবৰ নহয়; ই বোৱতী সুঁতি। সমাজ পৰিবৰ্ত্তনৰ বুৰঞ্জীয়ে সাহিত্যৰ গতি নিৰ্ণয় কৰে। সমাজ কেতিয়াও স্থিতিশীল নহয়; ই চিৰ পৰিবৰ্ত্তনশীল। সময়ে নতুন সমাজ বস্তুৰ সৃষ্টি কৰে; লগতে সাহিত্যৰ বাবে নতুন বিষয় বস্তুৰ সৃষ্টি হয়"।

এই উক্তিটি সঁচা। যুগ আৰু সমাজ পৰিবৰ্ত্তনৰ লগে লগে সাহিত্যৰো পৰিবৰ্ত্তন ঘটে। গতিকে ইয়াৰ পৰা কব পাৰি সমাজ নহলে সাহিত্য সৃষ্টি হব নোৱাৰে; ইহঁতৰ সম্বন্ধ অবিচ্ছেদ্য। যুগ পৰিবৰ্ত্তনৰ লগত যে সাহিত্যৰো পৰিবৰ্ত্তন আহে তাৰ দৃষ্টান্ত অসমীয়া প্ৰাচীন সাহিত্য আৰু বৰ্ত্তমান আধুনিক সাহিত্যৰ মাজত চকু ফুৰালেই পৰিলক্ষিত হয়। প্ৰাচীন অসমীয়া সাহিত্য বুলিলে প্ৰাক্ শঙ্কৰী আৰু শঙ্কৰী যুগৰ বৈষ্ণৱ সাহিত্যকেই আঙুলিয়াব লাগিব। এই যুগৰ সাহিত্যই সৰ্ব্বভাৰতীয় আন্দোলন এটাৰ প্ৰেৰণা লৈ জনম লৈছিল যদিও — সেই সাহিত্যত বৰ্ত্তমান সাহিত্যৰ দৰে লিখক লিখিকাৰ সামাজিক পটভূমিৰ ওপৰত যথেষ্ট মূল্য আৰোপ কৰা নহৈছিল। কাৰণ সেই সময়ত দেশখনত দুই এটা সমস্যাই দেখা দিছিল যদিও অসমীয়া ৰাইজে সমাজত ভাত কাপোৰৰ বাবে হাহাকাৰ কৰিব নালাগিছিল। দেশখন স্বাধীন থকাৰ কাৰণে ৰাষ্ট্ৰীয় সমস্যা অথবা বৈদেশিক ৰাজনীতিৰ বাবে মানুহে মূৰ ঘমোৱাব লগা নহৈছিল। আজি কালিৰ দৰে তেতিয়া বিদেশী মানুহৰ ভীৰো নাছিল। গতিকে ৰাইজে সাহিত্যৰ প্ৰতি বিশেষ সময় খৰচ কৰিব পাৰিছিল। সেই বাবেই সেই প্ৰাচীন সাহিত্যত পৃথিবীত বাচি থকাৰ জীৱন যুদ্ধৰ ছায়া নাই, মাথো সেই সাহিত্য আছিল ভক্তি-ৰস, আদিৰস আদি নৱৰস আৰু ছন্দ, লয়, বিচিত্ৰ ভঙ্গিমাৰে পৰিপূৰ্ণ এক সুন্দৰ সাহিত্য। সেই বাবেই, সেইযুগৰ সাহিত্যই মানুহৰ প্ৰাণত এক ভক্তিৰস জন্মাই মানুহক বহুযুগ ধৰি বান্ধি ৰাখিব পাৰিছিল। কিন্তু যেতিয়াই যুগৰ দেহত পৰিবৰ্ত্তনৰ আচোৰ পৰিল, শাসনতান্ত্ৰিক বেমে-

জালি, বিপ্লৱ আৰু মানৰ আক্ৰমণে অসমীয়া ৰাইজৰ সামাজিক আৰু আৰ্থিক জীৱন পঙ্গু কৰি দিলে, দিনে দিনে বিদেশী আহি আমাৰ অসমীয়া ৰাইজৰ মুখৰ ভাতত কাউৰী পৰাদি পৰিলহি, তেতিয়াই অসমীয়া ৰাইজৰ জীৱন যাত্ৰাৰ পথ জটিল হৈ পৰিব ধৰিলে; আৰু তাৰ লগে লগে অসমীয়া সাহিত্যৰ গতি ধাৰাও পৰিবৰ্ত্তনৰ মাৰ্গত খোজ দিব লগীয়াত পৰিল। কাৰণ অসমীয়া ৰাইজৰ জীৱন-যাত্ৰাৰ পথ জটিল হোৱাত, এই জটিলতাৰ লগত যুজিব লগীয়া হোৱাত, তেওঁলোকৰ সাহিত্যৰ প্ৰতি যত্ন লবলৈ সময় নোহোৱা হ'ল;— প্ৰকৃতিৰ ৰূপত বিমুগ্ধ হৈ তাৰ ৰূপ অথবা কল্পনা প্ৰেয়সীৰ গ্লাচ-মিহি মূখ-মণ্ডলৰ সৌন্দৰ্য্য সাহিত্যত ৰহন সানিবলৈ সময় নোপোৱা হ'ল। অৱশেষত কেনেকৈ এই জীৱন-সংগ্ৰামৰ জটিলতাৰ পৰা উদ্ধাৰ পাব পাৰি বা কেনে সমস্যাৰ সন্মুখীন হৈ আজিৰ অসমীয়া ৰাইজ পঙ্গু হৈ পৰিছে— সেই জীৱন যুদ্ধৰ জটিলতা বোৰকে সাহিত্যৰ বুকুত ঠাই দিবলৈ ধৰিলে। কাব্য সাহিত্যত এই পৰিবৰ্ত্তনৰ আচোঁৰ ভালদৰেই পৰিল। যিবোৰ ক্লাচিকেল প্ৰাচীন অসমীয়া কাব্য আছিল — সেইবোৰ আছিল ছন্দৰীতি, সুৰ, লয়, ঝংকাৰ, মাত্ৰা আদিৰ মাজত সীমাবদ্ধ। কিন্তু বৰ্ত্তমানৰ কবি সকলে জীৱন সংগ্ৰামৰ চাকনৈয়াত পৰি ছন্দৰীতিৰ বাবে সময় কটাবলৈ অস্বীকাৰ কৰি — সামাজিক ব্যঞ্জনাৰে ব্যঞ্জিত কৰি 'কুকুৰ' 'মেকুৰী', 'বেশ্যা', 'এটম ব'ম', 'কাউৰী,' 'শগুন' আদিকে কবিতাৰ বিষয় বস্তু হিচাবে লৈ সামান্য ছন্দ সুৰ ৰাখি কথ্য ঠাচঁৰ অনুকৰণ কৰি ভাষা আৰু উপমাবিলাকত বৈচিত্ৰ দি লয়ৰ মাজেৰে কবিতা লিখিবলৈ আৰম্ভ কৰিলে। তাৰ বাবে জানো কবি সাহিত্যক দোষী ? দোষ সময় আৰু যুগ পৰিবৰ্ত্তনৰ আঁচোৰৰ।

কিন্তু দুখ আৰু পৰিতাপৰ বিষয়, এই সাহিত্যৰ যুগ পৰিবৰ্ত্তনৰ লগে লগে অসমীয়া সমাজৰ ৰীতি নীতিতো এক বিৰাট পৰিবৰ্ত্তনৰ চাব পৰিল যি চাবৰ হেচাত পৰি আজি অসমীয়াৰ অস্তিত্ব হেৰাই যাব লগীয়া হৈছে। কাৰণ, বৰ্ত্তমানৰ বৈজ্ঞানিক যুগৰ পদাপৰ্ণৰ লগে লগে আমাৰ অসমীয়া সমাজ খনত এনে ধৰণৰ এক পৰিবৰ্ত্তন আহি পৰিল, যাৰ সান্নিধ্যত অসমীয়াই পাহৰি পেলাবলৈ অনুবন্ধ হ'ল নিজৰ ৰীতি - নীতি, আচাৰ ব্যৱহাৰ, আৰু পাহৰি যাবলৈ বাধ্য হ'ল স্বীয় কৃষ্টি কলা, ভাষা সাংস্কৃতিক। তেওঁলোক আজি বিদেশীৰ আচাৰে ব্যৱহাৰ, ৰীতি নীতিৰে অনুপ্ৰাণিত হৈ এক অনাসমীয়া হৈ পৰিছে। সেয়েহে তেওঁলোকৰ হাতৰ গাম খাৰু, ডিঙিৰ মাদলী, কাণৰ বৰ থুৰিয়া, নাকৰ নাক ফুলি, গাৰ মুগা পাট মেখলাঙ্কৰী আদি হেৰাল, বহাগ বিহুৰ ঢোল, পেপা, গগনাৰ মাত জীণ গ'ল; নাচত ডুবৰিবন নমৰা হল আৰু তাতশাল, নাঙল ঢেকি ধোৱা চাঙত উঠিল। নিজৰ চিৰ চেনেহী মাত কথাত বিদেশী শব্দ প্ৰয়োগ কৰিবলৈ ধৰিলে; বিহু নাচৰ পৰিবৰ্ত্তে পশ্চিমীয়া 'ব'ল ডেন্স' 'টুইষ্ট' শিকিব ধৰিলে আৰু নিজৰ জাতীয় উৎসৱ বিহুক এৰি দূৰ্গা-

উৎসৱকহে নিজা উৎসৱ হিচাবে পালন কৰিবলৈ ধৰিলে। সেয়েহে অসমত বিহু সংক্ৰান্তিত চৰকাৰী অনুষ্ঠানবোৰ বন্ধ নাথাকিলেও দূৰ্গা পূজাৰ বাবে সপ্তাহ দহদিন বন্ধ ৰখাৰ নিয়ম কৰিলে। চুম্বককৈ কব লাগিলে অসমীয়াৰ সমাজত আজি যি পৰিবৰ্ত্তন আহি পৰিছে তাৰ পৰা ই অনুমেয় হয় যে সময়ত এনে এটা দিন আহি পৰিব যিটো দিনত অসমীয়াৰ অসমীয়াত্ব কি অসমীয়াই কব নোৱাৰিব। "পৃথিবীৰ ভিতৰত অসমীয়া জাতিটো বৰ অনুকৰণপ্ৰিয়" কথাষাৰ সঁচা। —দুখেৰে প্ৰকাশ কৰো 'টুইষ্ট,' 'ব'ল ডেন্স' আনি অসমীয়াৰ পবিত্ৰ জাতীয় বিহুটোৰ তথা অসমীয়া জাতিৰ মান-সন্মান হানি কৰাৰ দৰে— বৰ্ত্তমান কিছুমান উঠি অহা নতুন সাহিত্যিকে নগ্ন আৰু অপ্ৰয়োজনীয় গল্প প্ৰবন্ধ লিখি আৰু কেতবোৰ নৱ কবিয়ে আজিৰ কবিতাত প্ৰাচীন ক্লাচিকেল কবিতাৰ দৰে ছন্দ, লয়, সুৰ নথকাৰ সুযোগ লৈ—কেইটামান দাঁতভঙা শব্দ প্ৰয়োগ কৰি যিহকে তিহকে কবিতাৰ আকাৰে প্ৰকাশ কৰি টকা ঘটাৰ এটা পথ আদায় কৰি অসমীয়া সাহিত্যৰ যাতে মান দণ্ড হানি কৰিব নোৱাৰে— তাৰ প্ৰতি আমি শিক্ষিত সমাজ তথা বৰ্ত্তমান অসমীয়া সাহিত্য সভা সজাগ থাকিব লাগিব। আজিৰ কুৰি শতিকাৰ পৃথিবীত পেটৰ ভাত মুঠি আৰু গাৰ বস্ত্ৰ খনৰ বাবে জীৱন জুৰি সংগ্ৰাম দিব হোৱাত আগৰ কবিতাৰ যি ধৰ্ম্ম, যি গুণ আমি বৰ্ত্তমান কবিতাত দিবলৈ সময় নাপাব পাৰো তথাপি সেইয়া হলেও কবিতাৰ গাত কবিতাৰ যি গুণ, যি লক্ষণ সেইবোৰ অকণ নহয় অকণ থাকিব লাগিব। কাৰণ, সাহিত্য সীমাবদ্ধ সৰোবৰ নহৈ বোৱতী নদী হলেও যুগৰ পৰিবৰ্ত্তনৰ আঁচোৰত নতুনকৈ সৃষ্টি হোৱা ন-সুতিটোৰ গাতো সেই আগৰ প্ৰাচীন সুতিটোৰ লক্ষণ সমূহ থাকিব লাগিব। * * *

### ছাত্ৰ আৰু ৰাজনীতি–

ছাত্ৰ আৰু ৰাজনীতি দুটা বেলেগ বস্তু, ইহঁতক কোতিয়াও এক বুলি ধৰি লব নোৱাৰি। কাৰণ, ছাত্ৰ জীৱনত দ্বিতীয়টোৰ কিছু পৰিমানে আভাস আৰু বুজ লোৱা হয় আৰু ছাত্ৰ জীৱনৰ পাচতহে সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰা হয়। কিন্তু এতিয়া এনে এটা যুগ (সময়) আহি পৰিছেহি যি যুগত পদে পদে, সময়ে সময়ে ছাত্ৰই ৰাজনীতিত যোগ নিদিলেই নহয়। আমাৰ ৰাজনীতিত (মানে দেশ শাসন সভাত) যি সকল নেতা আছে তেওঁলোকে ৰাজ্যখনৰ গুৰি বঠা এতিয়াও ভালদৰে ধৰিবই পৰা নাই। ক'ত কিতো হৈছে, কোন ঠাইত ঘূনে ধৰি ৰাজনীতি, সমাজ-নীতিক অকামিলা কৰিছে তাৰ বুজও হয়তো এতিয়াও পোৱা নাই। (সঁচা কথা ইমান এখন ডাঙৰ দেশক এমুঠি ৰাজনেতাই জানো চম্ভালিব পাৰে?) সেয়েহে আমাৰ ছাত্ৰহঁতে অমুকত অমুকটো, তমুকত তমুকটো হৈছে বুলি চিঞৰি ফুৰিব লাগিছে। দৃষ্টান্ত স্বৰূপে কি স্বাধীনতা আন্দোলন, কি ভাষা আন্দোলন, কি খাদ্যান্দোলন এই সকলোবোৰ আন্দোলনতে ছাত্ৰই আগশাৰী লোৱা দেখা পোৱা যায়। নহলে আমি বিদেশৰ কবলত থাকি বিদেশৰ আচাৰ-ব্যৱহাৰ আৰু বিদেশীৰ

ভাষাৰে ভাষিত হৈ পুৰা বিদেশী হৈ যাব লগা হল হেঁতেন। (এজন নেতাইতো অসম দেশত বঙ্গ ভাষাকে হব লাগে বুলি প্রস্তাৱ তুলিছিল।) মুঠতে চমুকৈ কব পাৰি আজিৰ দিনত প্রত্যেকটো দেশৰ সমস্যাতে আমাৰ ছাত্র শক্তিয়ে আগ ভাগ নললেই নচলা হৈ পৰিছে।

কিন্তু এইখিনিতে এটা কথা, এইবোৰ ৰাজনীতিত আমি ছাত্রই যদি যোগ দিব লগা হয়, তাতেই যদি আমাৰ সৰহখিনি সময় কটাব লগীয়া হয়—আমি আমাৰ পাঠ আওৰাম কেতিয়া? 'ছাত্রানাং অধ্যয়নং তপঃ' গতিকে পাঠ অধ্যয়নেই হৈছে ছাত্রৰ মুখ্য কৰ্ত্তব্য। এইবোৰ ৰাজনৈতিক কাম আমাৰ নহয়। (অৱশ্যে প্রশ্নও উঠিব পাৰে "তোমালোককনো এইবোৰ ৰাজনীতিত আগভাগ লবলৈ কোনে কৈছে? আগ ভাগ নললে যে বিদেশীৰ আচাৰ ব্যৱহাৰে, মাত কথাৰে বিদেশী হব লগাত পৰে; শিলগুটি, মাটি আদি মিহলি খাদ্য খাই বেমাৰী হব লাগিব। এই বোৰ নিবাৰণৰ নিমিত্তে কেইজন নেতা সজাগ ??) যদি সজাগেই আছে তেনেহলে এইবোৰ আন্দোলনৰ কাৰণ ক'ত? আমাৰ ছাত্র সকলতো ইমান বুৰ্বক নহয় যে মিছা মিছি গন্দগোল কিছুমান কৰি দেশলৈ অশান্তি মাতি আনিব। সঁচা কথা কবলৈ গলে, আমি বৰ বিপদত পৰি গৈছো। দেশৰ কিবা এটা ভাল কামৰ বাবে আগ বাঢ়িলে দোষ, অপৰাধ হয় পোনেই ছাত্রৰ ওপৰতহে। কৰিও যে লাভ নাই। এইবোৰত যোগ দি পঢ়াত বাধা জন্মাৰ ওপৰিও আমি হেৰুৱাব লগাত পৰিছো এই আন্দোলন বোৰত বহুতো মেধাবী ছাত্র-ছাত্রীক। উদাহৰণ স্বৰূপে এতিয়ালৈকে যিবোৰ সৰু-বৰ আন্দোলন, গন্দগোল আদি পাৰ হৈ গৈছে— এই সকলোবোৰ আন্দোলন আমাৰ ছাত্র-ছাত্রীৰ বুকুৰ কেচা তেজৰ চেকুৰাবে ইতিহাসৰ পাত ৰাঙলি। ক'তা তাততো ৰাজনীতি খেলা ৰাজ নেতাসকলৰ বৰ বেছি তেজৰ কথা উল্লেখ নাই?

এই বছৰো খাদ্যৰ বিষয়ে যি সৰু সুৰাকৈ এটা খাদ্যান্দোলন হৈ গ'ল (অন্য দেশৰ কথা কোৱা নাই বাৰু আমাৰ অসম দেশতে চাওক) তাত কেইজন ৰাজনেতাই আগ ভাগ লৈ শেষত মিলিটেৰীৰ বন্দুকৰ গুলিত প্ৰাণ এৰিলে ?? দেশত, ৰাজ্যত বস্তুৰ দাম জুই ছাইৰ দৰে বাঢ়ি গল, বহুতো মানুহ ভেজাল বস্তু খাই ৰুগীয়া হৈ মৰো মৰো হ'ল, চাউলৰ অভাবত খাবলৈ নাপায় পেটে ককালে লাগি আধা মৰা হওঁ হওঁ হ'ল—তেনে অৱস্থাতো এই দৃশ্য কাৰো চকুত নপৰিল বা দৃষ্টিত নাভাহিল। কিন্তু যেতিয়া আমাৰ ছাত্র-ছাত্রী হঁতে এই দেশৰ সমস্যাবোৰ তেওঁলোকৰ দৃষ্টি গোচৰৰ বাবে আঙুলিয়াই দিলে বা দিবলৈ গৈছিল—তেতিয়া তাৰ পুৰস্কাৰ Reward স্বৰূপে আমাৰ ছাত্রই পালে মিলিটেৰীৰ ৰাইফলৰ বক্ষ ভেদা গুলী—যাৰ পৰশ পোৱাত আমি হেৰুৱাব লগীয়া হলো আমাৰ কেইজন মান মেধাবী ছাত্রক চিৰদিনৰ হেতু। কিন্তু নগা আদি আৰু দেশৰ সীমান্তৰ শত্রু বা উপদ্ৰৱ কাৰীহঁতে যেতিয়া আমাৰ নীৰিহ ৰাইজৰ

ওপৰত অমানুষিক অত্যাচাৰ চলাই তেতিয়া দেখোন হঠাতে মিলিটেৰীৰ ৰাইফলৰ গুলি নুফুটে ? এনে সন্দেহ জনক বিদ্ৰোহীক গ্ৰেপ্তাৰ কৰিলেও ওপৰৱালাৰ পৰা গ্ৰেপ্তাৰ কাৰীক 'চাচ পেণ্ড' কৰাৰ হুকুম হে আহে। আহ, এইয়া কি সুন্দৰ বিচাৰ ! কিন্তু এই সুন্দৰ বিচাৰ আমাক নালাগে, আৰু পুৰস্কাৰো আমাক নালাগে। আমি বিচাৰো দেশৰ শান্তি ৰাইজৰ শান্তি। সেয়েহে আমাৰ প্ৰাৰ্থনা দেশত যাতে পুনৰ এনেবোৰ অশান্তিৰ সৃষ্টি নহয়, আমাৰ ছাত্ৰই যাতে কোনো আন্দোলন চান্দোলন আদি কৰিবলৈ সুত্ৰ বিচাৰি নাপায়— তাৰে যত্ন নকৰাকৈ নেথাকে যেন দেশৰ শাসক সকলে। নহলে আমি আৰু মৰিছো।

কলেজৰ অভাব অভিযোগ বোৰ—

(ক) সাধাৰণতে কলেজ বোৰ ইংৰাজীৰ অনুষ্ঠান। ইয়াত অন্য ভাষা অধ্যয়ণ নকৰিলেও ইংৰাজী ভাষাটো অধ্যয়ণ কৰিবই লাগিব। গতিকে এখন কলেজত ইংৰাজী পঢ়োৱা অধ্যাপক নহলেই নচলে। আমাৰ কলেজখন কলা, বিজ্ঞান এই দুই বিষয়ৰ সমষ্টি, মানে দুই শাখাৰে ক্লাচ হয়। কিন্তু আমাৰ একে কেইজন অধ্যাপকেই সকলোৰে ক্লাচ লব লাগে। তাতে সংখ্যাত ইংৰাজীৰ অধ্যাপক পাঁচ গৰাকীহে। এই পাঁচজন অধ্যাপকে ৰাতিয়ে দিনে পঢ়োৱাতো জানো সহজ কথা ! অধ্যাপকৰ নাটনিত ইংৰাজীত অনাৰ্চ ( Honours ) লোৱা ছাত্ৰ-ছাত্ৰী সকলৰ Course কোনো বছৰেই শেষ নহয়। গতিকে আশা কৰো কলেজ কৰ্ত্তৃপক্ষই অনতি পলমে আৰু কেইজন মান ইংৰাজীৰ অধ্যাপক নিযুক্ত কৰি ছাত্ৰ সকলক জয় যুক্ত কৰে যেন।

(খ) খেল পথাৰ :—

কিতাপ পঢ়ি কিতাপৰ পোক হোৱা-তোৱেই ছাত্ৰৰ একমাত্ৰ কৰ্ত্তব্য নহয়। মন বিকাশৰ লগে লগে স্বাস্থ্য আৰু শৰীৰৰ বিকাশো ছাত্ৰই কৰিব লাগিব। কাৰণ স্বাস্থ্য সকলোৰ মূল। সেয়েহে লিখা পঢ়াৰ লগতে খেল-ধেমালি ব্যাম আদিক ছাত্ৰৰ এক অপৰিহাৰ্য্য অঙ্গ বুলি অভিহিত কৰা হৈছে। সেয়েহে প্ৰায়বোৰ স্কুল কলেজেই এই খেল-ধেমালি যাতে কৰিব পাৰে তাৰ কাৰণে নানা ধৰণৰ খেল-ধেমালিৰ সৰঞ্জাম আৰু খেল পথাৰ একোখন তৈয়াৰ কৰি ছাত্ৰ ছাত্ৰীহঁতক শৰীৰ চৰ্চ্চাৰ ক্ষেত্ৰত সহায় কৰিছে। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় অসমৰ এখন বিখ্যাত কলেজ কানৈ কলেজৰ এখন নিজা খেল পথাৰ নাই। আজি উনৈশ বিশ বছৰ ধৰি ছাত্ৰ ছাত্ৰীহঁতে এই খেল পথাৰৰ অভাৱৰ কথা কলেজ কৰ্ত্তৃপক্ষক জনাই জনাই আহি ভাগৰি পৰিল। আশা কৰো, এইবাৰ যাতে আমি হতাশ হব লগীয়া নহয়। কলেজৰ পিচফালে পৰি থকা মাটি ডৰাতে এখন খেল পথাৰ যুগুত কৰি আমাক যেন খেল-ধেমালি কৰিবলৈ সুবিধা যোগায়।

(গ) কলেজ কেণ্টিন :—

আজৰি সময়ত একাপ চাহকে খাবলৈ অথবা অকনমান সকাহ লবলৈকে কলেজত

একোখন কেন্টিন লাগে। সেয়েহে আজিকালি প্ৰায় কলেজেই নিজাকৈ একোখন কেন্টিন খুলি তাত কম বেচি পৰিমানে ছাত্ৰ ছাত্ৰীৰ উপযোগী বয়-বস্তু ৰখাৰ দিহা কৰা দেখা গৈছে। কিন্তু আমি দুৰ্কপলীয়া। কাৰণ আমাৰ যিওৰা ভগা চিগা অপৰিপক্ক এখন কেন্টিন আছিল কলেজ কৰ্তৃপক্ষৰ অৱহেলাতেই পৰি নে আন কিবা কাৰণৰ বাবেই তাক অৱশ্যে নাজানো এতিয়া ভাগি চিগি তাৰ একেবাৰে লাওখোলা টোহে আছেগৈ। সেয়েহে কলেজ কৰ্তৃপক্ষক পুনৰ এখন কেন্টিনৰ সু-ব্যৱস্থা কৰি দিবলৈ অনুৰোধ কৰিলো।

(ঘ) **কমন ৰূম :—** আন আন কলেজত থকাৰ দৰে আমাৰ কলেজৰ কিন্তু এটা সুকীয়া কমন ৰূম নাই। কলেজখনৰ প্ৰাৰম্ভনিৰ দিনৰে পৰা ছাত্ৰ-ছাত্ৰীহঁতে এই কমন ৰূমৰ বিষয়ে চিঞৰি চিঞৰি ভাগৰি পৰিল। কলেজ কৰ্তৃপক্ষৰ কোনো চেতনাৰ ইঙ্গিত নাপাই অৱশেষত ছাত্ৰ হঁতে কলেজ হল (Hall) টো আৰু ছাত্ৰীহঁতে ওপৰ মহলাত বিভিন্ন বিষয়ৰ অনাৰ্চ বহা কোঠা বোৰৰ কাষৰে এটা কোঠাক 'কমন ৰূম' হিচাবে ব্যৱহাৰ কৰিছে। ফলত হলটো আৰু ছোৱালীৰ কমন ৰূমটোৰ দুয়ো কাষে থকা ক্লাচ কেইটাত এদিনো ভালদৰে স্কুলস্কুলৰ বাবে ক্লাচ কৰিব পৰা নাই। গতিকে আমাৰ আশা, কলেজ কৰ্তৃপক্ষই বেলেগকৈ দুটা কমন ৰূম যোগাৰ কৰি এই অসুবিধাবোৰ দূৰ কৰিব অনতিপলমে।

(ঙ) **কলেজ হোষ্টেল :—**

কেতবোৰ কলেজৰ দৰে আমাৰ কলেজৰো যি দুখন ছাত্ৰ আৰু ছাত্ৰীৰ বাবে সুকীয়া হোষ্টেল আছে ইহঁতক একেবাৰে পৰিপক্ক অথবা পূৰ্ণাঙ্গ হোষ্টেল বুলি কব নোৱাৰি। যিহেতু ইয়াৰ বহুতো অভাৱ অভিযোগ পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে, ছাত্ৰাবাসত পানীৰ অভাৱ। 'বাথ ৰূমত' পানী আজি দুবছৰে নাই। ফলত একেটা দাম কলতে লৰা, চুইপাৰ, চকিদাৰ সকলোৱে গা ধুব লাগে। সেইদৰে লৰা চায় পায়খানাৰো সংখ্যা কম হৈছে। আন হাতেদি ৰান্ধনি ঘৰটো ( Dinning Hall ) লৰাৰ পঢ়া কোঠাৰ কাষতে হোৱাৰ বাবে পঢ়াত বহুতো ব্যাঘাত নজন্মাকৈ থকা নাই। লগতে কলেজৰ 'কমন ৰূমৰ' দৰে এই হোষ্টেলৰো এটা সুকীয়া কমন ৰূম নাই। ফল স্বৰূপে খেলা ধূলাৰ বাদ কথা, লৰাই আজৰি সময়ত বাতৰি কাকত এখনো পঢ়াৰ পৰা বিৰত হব লগা হৈছে। ঠিক এইদৰে ছোৱালী হোষ্টেলৰো একেই অৱস্থা। ছাত্ৰীবাসত একেটা ৰূমতে ছয় সাত জনী কৈ ছোৱালী থাকিব লগীয়া হোৱাত পঢ়াত যথেষ্ট ব্যাঘাত জন্মে। বিশেষকৈ কোঠাটোৰ ওপৰত দুটা বা তিনটা লাইট হোৱাৰ বাবে ছোৱালীহঁতে নিতৌ আঠুৱাবোৰ খোলা তৰা কৰিব লগাত পৰে। গতিকে কলেজ কৰ্তৃপক্ষই এই উল্লেখিত অসুবিধাবোৰ দূৰ কৰি ছাত্ৰ-ছাত্ৰীহঁতক এক সু পৰিবেশত ৰাখে যেন।

অন্য এক অভাৱ—

ই সকলোৰে বিদিত যে অসমীয়া ৰোমান্টিক সাহিত্যৰ শ্ৰেষ্ঠতম ৰোমান্তিক কবি যতীন্দ্ৰ নাথ

দুৱৰা দেৱ আমাৰ এই কানৈ কলেজতে জীৱনৰ শেষ কাল ছোৱাত অসমীয়া বিভাগত কেইবা বছৰো ধৰি অধ্যাপনা কৰি আছিল। তেখেত এগৰাকী শিক্ষক হলেও — আন হাতেদি অসমীয়া সাহিত্যৰ-যুগ পৰিবৰ্ত্তনকাৰী কবি, সাহিত্যিক। এনে এগৰাকী মহান কবিয়ে এই কলেজত বহু বছৰ ধৰি শিক্ষকতা কৰিছিল যদিও— তেখেতৰ স্মৃতি-চিহ্ন এতিয়া এই কলেজত নাই আৰু তেখেতৰ জন্ম কিম্বা মৃত্যু-তিথি এই কলেজে এবাৰো পালন কৰা নাই। আমি ভাবো, এনে এজন মহান কবি, সাহিত্যিকক যাৰ ঋণ জীৱনত সুজিব নোৱাৰো — আমি সুৰঁৰি থকা উচিত।

ব্যক্তি গত দুৱাষাৰ— "কানৈ কলেজৰ আলোচনীৰ সম্পাদক হোৱা মানে দেখা দেখিকৈ কিছুমান কষ্ট আৰু আপদ চপাই লোৱা" এই কথাষাৰ বহুতৰ মুখত শুনিও অৱশেষত এই বিপদকে হাতত ললো। এক হিচাবে বিপদ বুলিলেও বৰ বেচি বঢ়াই কোৱা নহয়! কাৰণ এই কলেজৰ ছাত্ৰ- ছাত্ৰী বিলাকৰ পৰা আলোচনীৰ বাবে প্ৰবন্ধ পাতি পোৱাতো বৰ দুৰূহ জনক। হাতে ভৰিয়ে ধৰি যি দুই এটা প্ৰবন্ধ পাতি পোৱা যায় সিও তেনেই হাই স্কুলৰ নিম্ন ছাত্ৰ-ছাত্ৰীতকৈ লিখাৰ দৰে নিম্ন স্তৰৰ। নিম্ন স্তৰৰ হলেও যে আলোচনী খন উলিয়াব লাগিবই? অনুপায়ত পৰি দুই এটা ইফাল সিফাল কৰি তাকে প্ৰকাশ কৰিবলৈ অনুবন্ধ হলো। ছাত্ৰ-ছাত্ৰাৰ কথা বাদেই, অধ্যাপক অধ্যাপিকা সকলকো একেই দেখিলো। খুজি খুজি তেওঁলোকৰ পৰা প্ৰবন্ধ পাতি সৰকাব নোৱাৰিলো। মোৰ বোধেৰে, গল্প, প্ৰবন্ধ আদি দিয়াত যদি ইমানেই গাফিলা দৰ্শাই তেতিয়া হলে আলোচনী খন প্ৰকাশ কৰা বন্ধ কৰি দিয়াই শ্ৰেয়। কাৰণ হাই স্কুলৰ মানত লিখা দুই এটা প্ৰবন্ধ পাতিয়েতো এখন কলেজৰ আলোচনী প্ৰকাশ কৰিব নোৱাৰি। মিচাতে এনেবোৰ প্ৰবন্ধ পাতিৰ পৰা সম্পাদকৰো বদনাম, লগতে কলেজ খনৰো বদনাম। আন হাতেদি কলেজ কৰ্ত্তৃপক্ষই অঙ্কৰ জোখ মাখেৰে যি টকা আলোচনী খনৰ বাবে মঞ্জুৰ কৰে সেই টকাই যিকোনো সম্পাদককে মূৰ ঘমোৱাই মাৰিব নিৰুপায়ত পৰি ফটা কঠাত বৰ টাপলি মৰাৰ দৰে অ'ৰ টকা ত'ত দিব লাগে, ত'ৰ টকা অ'ত দিব লগা হয় আৰু এইবোৰ কৰিবলৈ যাওঁতে মূৰ ঘমোৱাই মৰিব লাগে সম্পাদক। আলোচনীৰ সম্পাদক হোৱাতো যে বৰ ভাল কাম নহয় কথাষাৰ মিচা বুলিব নোৱাৰি।

কৃতজ্ঞতা —অনুক্ৰমনিকাতে সম্পাদনা সমিতিৰ উপদেষ্টা অধ্যাপক পৰীক্ষিত হাজৰীকা আৰু পৰামৰ্শদাতা অধ্যাপক সুনীল কুমাৰ বৰ ঠাকুৰ এই দুয়ো জনাই তেখেত সকলৰ যি বহুমুলীয়া উপদেশেৰে এই বিৰাট কাম সামৰাৰ শিতানত মোক অনুপ্ৰেৰণা যোগালে তাৰ বাবে মোৰ প্ৰথম আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰথমেই জ্ঞাপন কৰিলো।

দ্বিতীয়ত অধ্যাপক তফজুল আলি, অধ্যাপক ভূবন চুতীয়া, অধ্যাপক যাদব বৰুৱা আৰু

অধ্যাপক প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য দেৱে যেখেত সকলৰ বহুমূলীয়া সময়বোৰ খৰচ কৰি প্ৰবন্ধ পাতিবোৰ চাই মেলি নিদিয়া হলে, হয়তো এনে এখন আলোচনী মই প্ৰকাশ কৰিব নোৱাৰিলো হয়। সেই বাবেই তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ আৰু ঋণী।

তাৰ পাচত, সম্পাদনা সমিতিৰ সভ্য শ্ৰীমিঠা বৰুৱা, শ্ৰীবিপিন চন্দ্ৰ গগৈ, শ্ৰীলক্ষেণ শইকীয়া, শ্ৰীমতী আৰাধনা দত্ত আৰু শ্ৰীমতী মনিকা দেৱীয়ে ইটো সিটো কামত মোক সহায় কৰি দিয়াত মই বহুত সকাহ পালো। তাৰ বাবে তেওঁলোকলৈ মোৰ মৰম আৰু কৃতজ্ঞতা ৰ'ল। তাৰো পৰি যিসকল ছাত্ৰ ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া সময় নষ্ট কৰি প্ৰবন্ধ পাতি যোগান ধৰি ( যদিও বহুত খোচামতি কৰিছে পোৱা গল ) এনে এখন আলোচনী প্ৰকাশ, কৰিবলৈ মোক সক্ষম কৰি তুলিলে তাৰ বাবে মই তেওঁলাকলৈ চতুৰ্থ কৃতজ্ঞা আগ বঢ়ালো। তাৰোপৰি প্ৰবন্ধ পাতিবোৰৰ পাণ্ডুলিপি কৰি দিয়াৰ ওপৰিও মাজে সময়ে প্ৰুফবোৰ চাই মেলি দিয়াৰ বাবে বন্ধু ৰমেশ ৰাজখোৱা, ৰবীন্দ্ৰদেৱ, বান্ধৱী অন্নপূৰ্ণা গগৈ, ভনী স্বৰূপ পত্নমী শইকীয়া, টুটুমনি বৰকাকতি, কল্পনা আৰু নিৰু দত্তলৈ মোৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত নানান কামৰ মাজতো মোৰ এই আলোচনীখন বহু দায়িত্ব বহণ কৰি প্ৰকাশ কৰি দিয়াৰ বাবে মনপূৰ প্ৰেছৰ স্বত্বাধিকাৰ শ্ৰীজীবেশ্বৰ হাজৰীকা আৰু তেখেতৰ কৰ্ম্ম কৰ্ত্তা সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। আলোচনীৰ ব্লকবোৰ নানা কৰ্ম্মৰ মাজতো কৰি দিবলৈ গাতলোৱাৰ বাবে মোৰ ধন্যবাদ থাকিল ডিগবৈৰ প্ৰিণ্ট কে‌ৰ্ফত প্ৰেছৰ স্বত্বাধিকাৰলৈও।

ক্ষমা ভিক্ষাঃ— যি কোনো প্ৰকাশকৰে প্ৰকাশক জনৰ গাত বহুতো দোষ ত্ৰুটি আহি পৰে। এখন কলেজৰ আলোচনী এখন প্ৰকাশ কৰিবলৈ যাওঁতে মোৰো যে বহুখিনি দোষ আহি পৰিছে ই মোৰ বিদিত। মোৰ অনভিজ্ঞতা আৰু অজ্ঞানত বৰ্ণাশুদ্ধিকে আদি কৰি বহুখিনি ভুল ৰৈ নাই যোৱা বুলি মই নকওঁ। আন হাতেদি প্ৰবন্ধ পাতিবোৰ সময়ত নোপোৱাৰ বাবে আলোচনী খন সময়ত যুগুত কৰিব নোৱাৰিলো। এই সকলোবোৰ দোষৰে ক্ষমা বিচাৰি সদৌ শেষত কালৈ কলেজৰ আলোচনী তথা সৰ্ববাঙ্গীনৰ ভবিষ্যত উজ্জ্বল কামনা কৰি ইমানতে ৰলো।

সম্পাদক—

ৰজনী কান্ত চুতীয়া।

প্ৰৱন্ধ

# অসমীয়া গদ্য সাহিত্যৰ প্ৰাচীনত্ব

আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়।

[ আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়দেৱৰ এই প্ৰৱন্ধটিত অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু স্বতন্ত্ৰতাৰ দিশটো পৰিস্ফুট হৈ উঠিছে। আচাৰ্য্যৰায় বঙ্গভাষীয় লোক হলেও প্ৰৱন্ধটোত নিৰপেক্ষ ভাৱে অসমীয়া আৰু বঙ্গালী ভাষাত এটা সুবিচাৰ কৰিছে। পুৰণি "প্ৰবাসী" আলোচনীৰ পৰা শ্ৰীজীৱন বৰাই এই প্ৰৱন্ধটি সংগ্ৰহ কৰি আনি অনুবাদ কৰি অসমীয়া সাহিত্যৰ ছাত্ৰ-ছাত্ৰী সকলৰ যথেষ্ট উপকাৰ কৰিছে বুলি কব পাৰি। —সম্পাদক ]

আজি ঠিক ৩০ বছৰ হ'ল, ইণ্ডিয়ান মেচেঞ্জাৰ (INDIAN MESSENGER) প্ৰত্ৰিকাৰ এটি প্ৰৱন্ধত মই দেখুৱাবলৈ চেষ্টা কৰিছিলো যে শ্ৰীৰামপুৰৰ মিশনেৰী সকলৰ ওচৰত বঙালী জাতি আৰু বঙালীভাষা কি অপৰিশোধনীয় ভাবে ঋণী। ইয়াৰ বাহিৰেও ইংৰাজ ৰাজত্বৰ আৰম্ভনিতে ওৱাৰেন হেষ্টিংচৰ সময়ৰ পৰাই কেইজনমান প্ৰথিতযশা ৰাজপুৰুষে বৰ্ত্তমানৰ বঙালী ভাষা আৰু সাহিত্যৰ ভেটি স্থাপনৰ সূচনা কৰে। উইলিয়াম কেৰীয়ে বঙালী ভাষাত যি দৰে ব্যুৎপত্তি লাভ কৰিছিল তাক ভাবিলে এতিয়াও স্তম্ভিত হব লাগে। বঙালী জাতিৰ আত্মগৌৰৱত আঘাত লাগে সঁচা, যেতিয়া আমি ভাবো যে প্ৰথম বঙালী ভাষাৰ ব্যকৰণ হাল্‌হেড্‌ চাহাবেই প্ৰণয়ণ কৰে। এই ব্যাকৰণ ছপাবৰ কাৰণে চাৰ চাৰ্ল'স উইল্‌কিন্সয়ে সৰ্ব্বপ্ৰথমে বঙালী আখৰ তৈয়াৰ কৰে আৰু কৰিবলৈ শিকায়। শ্ৰীৰামপুৰৰ বিখ্যাত পঞ্চানন কৰ্ম্ম-

কাৰ তেওঁৰেই সৃষ্টি। উইল্‌কিন্স (Wilkins) বঙ্গ দেশত যে ক্যাসটন ( Cuxton ) নামেৰে অভিহিত হোৱাৰ যোগ্য—ইয়াক অস্বীকাৰ কৰিব নোৱাৰি। কেৰী চাহাব যেতিয়া ১৮০১ চনত ফোর্ট উইলিয়াম কলেজৰ অধ্যাপক নিযুক্ত হয়, তেতিয়া তেওঁ কেৱল নিজেই বহুতো গ্রন্থ বঙালী ভাষাত ৰচনা কৰিছিল তেনে নহয়, এদল কৃতবিদ্য বঙালী পণ্ডিতকো বঙালী সাহিত্যৰ প্রতি আকৃষ্ট কৰে। তেওঁবিলাককেই বর্ত্তমান বঙালী গদ্য সাহিত্যৰ আদিগুৰু বুলি কলেও অত্যুক্তি কৰা নহয়। কেৰী চাহাবৰ দ্বাৰা অনুপ্রাণিত হৈ ৰামৰাম বসুয়ে "প্রতাপ আদিত্য চৰিত" (১৮০৮) আৰু "লিপিমালা"; মৃতুঞ্জয় বিদ্যালঙ্কাৰে "ৰাজাবলী" (১৮০১) আৰু "প্রবোধচন্দ্রিকা" (১৮১৩); হৰ প্রসাদ ৰায়ে "পুৰুষ পৰীক্ষা" (১৮১৫); ৰাজীবলোচন মুখোপাধ্যায়ে "ৰাজা কৃষ্ণচন্দ্র ৰায়েৰ চৰিত্র" ৰচনা কৰে। কেৰী চাহাব যে কেৱল "খৃষ্টানী" বাংলা ভাষাত বাইবেল আদি ৰচনা কৰিছিল তেনে নহয়, তেওঁৰ গ্রাম্য বাংলা ভাষাৰ ওপৰতো অসামান্য অধিকাৰ আছিল। তেওঁৰ "কথোপকথনে" ইয়াৰ পৰিচয় দিয়ে। এইটো সত্য যে প্যাৰীচাঁদ মিত্রয়ে "আলালী" ভাষা সৃষ্টি কৰি বঙালী সাহিত্যক "পণ্ডিতী" ভাষাৰ পৰা উদ্ধাৰ কৰে; কিন্তু এক হিচাবে কবলৈ গলে কেৰী চাহাবেই "আলালী" ভাষাৰ পথ প্রদর্শক।

এই ক্ষেত্রত কোৱা বাহুল্য যে শ্রীৰাম পুৰৰ পৰাই ১৮১৮ খৃঃত "দিগ্‌দর্শন" আৰু "সমাচাৰ দর্পন" আলোচনী বঙালী ভাষাত সর্ব্বপ্রথম প্রকাশ হয়। আজি বিদ্যা সাগৰ মধুসূদন, বঙ্কিমচন্দ্র, ৰবীন্দ্রনাথ প্রভৃতিৰ অসাধাৰণ প্রতিভাৰ বলত বঙ্গভাষা মার্জিত, পৰিস্ফূট আৰু সমৃদ্ধিশালী হৈছে। সেয়েহে এতিয়া তাৰ গৌৰৱ কৰা সহজ। কিন্তু কবলৈ দুখ লাগে, এনেকি হৃদয়তো আঘাত লাগে যে সুহৃদয় মহামহোপাধ্যায় হৰপ্রসাদ শাস্ত্রীৰ নিচিনা প্রথিতযশ পণ্ডিতে "প্রতাপ আদিত্য চৰিত" খনক 'অপাঠ্য, "কদর্য্য" বুলি অভিহিত কৰিছে। মই সুধিব খোজো যে, সেই সময়ৰ গদ্য সাহিত্যক যিয়ে জন্ম দিছিল তেওঁলোকে যে পদে পদে কিমান অসুবিধা ভোগ কৰিব লগীয়া হৈছিল তাক জানো এবাৰো তেওঁ ভাবি চোৱা নাছিল? সেই সময়ত যি চলিত গদ্য আছিল সি হিন্দি পার্চী, প্রাকৃত প্রভৃতিৰ মিশ্রিত এক প্রকাৰ খিচিৰী ভাষা বুলি কলেই অত্যুক্ত কৰা নহয়। বঙালীৰ 'বাঙ্গালা" দূৰতে থাওক, ১৮০৩ খৃঃত ফোর্ট উইলিয়াম কলেজৰ চিভিলিয়ান ছাত্র জেমস্ হাণ্টাৰে হিন্দু সকলৰ মাজত জাতিভেদ প্রথা থকাৰ কাৰণে যি অনিস্ট সৃষ্টি হৈছে তাৰ বিষয়ে ৰচনা কৰা প্রৱন্ধৰ ৰচনানৈপুণ্য আৰু পাৰিপাট্য দেখিলে এতিয়াও তবধ মানিব লাগে; দৃষ্টান্ত স্বৰূপে তাৰ এটি অংশ তলত উদ্ধিত কৰা হল—

"অন্য শাস্ত্র যদি ভাষাতে তর্জ্জমা কৰে তবে সংস্কৃত শাস্ত্ৰৰ গৌৰৱহানিপ্রযুক্ত তাহাৰ অখ্যাতি হয়, যেমন মহাভাৰতেৰ তর্জ্জমা ভাষাতে কাশীদাস নামে এক শূদ্র কৰিয়াছিল, সেই দোষেই ব্রাহ্মনেৰা তাহাকে শাপ

দিয়াছিল, সেই ভয়েতে অন্য কেহ এখন সে কৰ্ম্ম কৰে না।”

*　*　*　*　*

“জাতিৰূপ হাপা কেবল বুদ্ধিবৃদ্ধিৰ হানি কৰে না, বৰং ভিন্নদেশে পৰস্পৰ গমনাগমনেৰ বাধক হয়, পৰোপকাৰক জ্ঞান সঞ্চয়েতে কৃপনতা প্ৰকাশ হয়। অন্য দেশীয় লোকেৰদেৰ সংসৰ্গ হইতে উৎপাদ্য যে জ্ঞান ও বিদ্যাৰূপ উনুই জাতিকৰ্ত্তৃক বন্ধ হইয়াছে, তাহাতে তাহাৰা অন্যদেশীয় বিশেষ বিবৰণ ও ভূগোলবিদ্যা ও মহানাবিকবিদ্যা ও অস্ত্ৰচিকিৎসাবিদ্যা ও প্ৰাণিবিদ্যা ও বৃক্ষাদিবিদ্যা ও জ্যোতিষবিদ্যা ও যুদ্ধবিদ্যা ইত্যাদি আৰ উত্তম বিদ্যাতে অজ্ঞ হইয়াছে। বিদ্বান লোক স্বদেশে উৎপন্ন না হইলে বিদ্যাবৃদ্ধি হইতে পাৰে না। নাবিক বিদ্যা দ্বাৰা আমাদেৰ প্ৰায় সকল ভাল হইল এবং সে নুতন বিদ্যাতে লোকেৰদেৰ উত্তৰ উত্তৰ সুখ বৃদ্ধি হয় তাহা প্ৰকাশকৰণেৰ দ্বাৰা সেই বিদ্যা লোকেৰদেৰ মনেৰ তেজকাৰি হয়। কিন্তু হিন্দুৰা সমুদ্ৰ গমন কৰে না, অতএব এ-সকল হইতে দূৰ থাকে।”

মই আকৌ শাস্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব খোজো যে, সেই সময়ৰ কেইজন বঙালীয়ে এনেকুৱা গদ্যৰচনা কৰিব পাৰিলেহেতেন ?

আজি কালি এক প্ৰকাৰ ধুম উঠিছে যে বঙালীৰ গদ্য সাহিত্য অতি প্ৰাচীন। আৰু ইয়াৰ বাবে “সহজিয়া” ভাষাকে টানিটুনি বঙালী গদ্যৰ উৎস বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হয়। কিন্তু প্ৰকৃত পক্ষে কবলৈ হলে সেই দুৰ্ব্বোধ্য কিম্ভুত কিমাকাৰ আৰু “কদৰ্য্য” বৈষ্ণৱ সম্প্ৰদায়ৰ সাধন-বিষয়ক অসংবদ্ধ সূত্ৰৰ লেখীয়া গদ্যৰ বৰ্ত্তমান কালৰ গদ্যৰ লগত কোনো প্ৰকাৰে পৈতৃক সম্বন্ধ আছে—নে নাই এই বিষয়ে বাদানুবাদ কৰা বৃথা মাথোন।

যি হওক এই আলোচনা ইয়াতেই সমাপন কৰা যাওঁক। আজি কেইবছৰমান ধৰি অসমীয়া ভাষাৰ প্ৰাচীনত্বলৈ এক তুমুল আন্দোলন চলি আহিছে। হাবাৰ্ট স্পেন্সাৰে এঠাইত কৈছে যে “bias of patriotism (অন্ধ স্বদেশানুৰাগ) অনুৰক্ত হলে প্ৰকৃত তথ্য নিৰ্ণয় কৰিবলৈ অসমৰ্থ হৈ পৰে। যি সকলে অসমীয়া ভাষাক বঙালী ভাষাৰ উপভাষা বুলি সিদ্ধান্ত কৰিছে তেওঁলোকে ইয়াক তলকি চাবলৈ অৱকাশ পোৱা নাই। তেওঁলোকে ভাবে ““চ্যেং” আকৌ মাছ,—আৰু অসমীয়া ভাষা আকৌ এটা স্বতন্ত্ৰ বস্তু ? প্ৰকৃততে কবলৈ গলে অসমীয়া সাহিত্যৰ গৌৰবৰ দিন ১২৭৮—১৬৩০ খৃঃ। অৰ্থাৎ যি সময়ক অসমীয়া প্ৰত্নতত্ববিদ হেমচন্দ্ৰ গোস্বামীয়ে “প্ৰাগ্-বৈষ্ণৱীয়” আৰু “বৈষ্ণৱীয়” যুগ আখ্যা দিছে। এই সময়তেই ৰুদ্ৰসৰস্বতী, হেমসৰস্বতী, মাধৱকন্দলী, শঙ্কৰদেৱ, মাধৱদেৱ, কংসাৰী, অনন্ত কন্দলী, পীতাম্বৰ, চক্ৰবৰ্ত্তী ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলী, ৰুচিনাথ কন্দলী, গোপীনাথ দ্বিজ, শ্ৰীনাথ দ্বিজ, ভবানন্দ মিশ্ৰ, ৰাম চৰণ ঠাকুৰ, গোবিন্দ্ৰ মিশ্ৰ, গোপাল মিশ্ৰ প্ৰভৃতি উজ্জ্বল তাৰকাৰাশি অসমৰ সাহিত্য নভো-

মণ্ডলত উদিত হয়। অৱশ্যে সত্য যে ইয়াৰ প্ৰায় সকলোৱেই পদ্য ৰচনা কৰিছিল, কিন্তু এই সময়ৰ অসমীয়া ভাষা গদ্যসাহিত্য দ্বাৰায়ো অলঙ্কৃত হৈছিল।

বঙ্গদেশত পৌৰাণিক শাস্ত্ৰৰ মূলীভূত বিষয় বিলাক জনসাধাৰণৰ বিশেষকৈ অশিক্ষিত লোকৰ মাজত প্ৰচাৰৰ কাৰণে ভাষা ৰামায়ণ, ভাষা মহাভাৰত প্ৰভৃতি ৰচিত হয়। কাশীৰাম দাসৰ সম্বন্ধে শ্ৰীমধু সুদনে কৈছে :—

"সেইৰূপে ভাষা-পথ খননি সবলে
ভাৰতৰসেৰ স্ৰোত আনিয়াছ তুমি
জুড়াতে গৌড়েৰ তৃষা সে বিমল জলে
নাৰিবে শোধিতে ধাৰ কভু গৌড়ভূমি।"

তেনেকৈ ভট্টদেৱে ( ১৪৮০—১৫৬০ শক ) দামোদৰ দেৱৰ আজ্ঞাত "কথাভাগৱত" "কথা-গীতা" পুথি সমূহ ৰচনা কৰে। অসমীয়া কবি ৰামৰামৰায় দাসে গাইছে :—

"প্ৰভুৰ আজ্ঞায়ে বাঁৰ কন্ধ ভাঙ্গি
কণা ৰূপ কৰিলন্ত।
গীতা ৰত্নাৱলী কথাৰূপে তাকে
কৰিলন্ত বিৰচন॥
স্ত্ৰী শূদ্ৰ শিশু সমস্তে বুঝয়
পঢ়ন্তে নাহি দূষণ।"

কবিয়ে আকৌ কৈছে—

"অবিৰোধে স্ত্ৰী শূদ্ৰ চন্দালে পঢ়য়।
সংক্ষেপিয়া কথা ৰূপ কৈলা মহাশয়॥"

অসমীয়া ভাষাৰ বিশেষত্ব আৰু অভিনৱত্ব ইয়াতে যে বঙ্গদেশত যেনেকৈ "ভাষা" ৰামায়ণ আৰু মহাভাৰত প্ৰভৃতিৰ আৱশ্যকতা উপলব্ধি হৈছিল, তেনেকৈ ভট্টদেৱ প্ৰমুখ্যে মনীষি সকলে বুজিছিল যে "কলাৰূপত" অৰ্থাৎ গদ্যত এইবোৰ তথা প্ৰচাৰ কৰিব পাৰিলেই জন-সাধাৰণৰ সহজে বোধগম্য হব। ভট্টদেৱৰ আন এটা বিশেষত্ব এই যে তেওঁ সংস্কৃত শাস্ত্ৰত অসাধাৰণ পাণ্ডিত্য লাভ কৰিও অতি সৰল, কোমল, প্ৰাঞ্জল আৰু মৃদু গদ্যত গীতাৰ আধ্যাত্মিক বিষয় বিলাক লিখি থৈ গৈছে। অৰ্থাৎ তেওঁ কেতিয়াও পাণ্ডিত্যপূৰ্ণ ভাষাক অৱলম্বন কৰা নাই। প্ৰমাণস্বৰূপে তাৰ চানেকি তলত উদ্ধৃত কৰা হ'ল—

"যেখন ধৰ্ম্মৰ হানি অধৰ্ম্মৰ উদ্ভৱ হয় তেখনে সাধুৰ ৰক্ষাৰ্থে দুৰ্জনৰ নাশ নিমিত্তে ধৰ্ম্ম প্ৰতিপালন পদে যুগে যুগে মঞি অৱতাৰ ধৰো।"

★ ★ ★ ★

"আসুৰী সম্পত্তি কহন্ত। দম্ভ দৰ্প অভিমান ক্ৰোধ পাৰুষ্য অজ্ঞান এই অসুৰী সম্পত্তিৰ ভাবি অকল্যাণ পুৰুষৰ হয়। দুই সম্পত্তিৰ কাৰ্য্য কহন্ত। দৈবীসম্পত্তি যুক্ত পুৰুষে তত্ত্বজ্ঞানত অধিকাৰী হয় অসুৰী সংসাৰী—সম্পত্তি যুক্ত পুৰুষ সংসাৰী হয়"

★ ★ ★ ★

'ইদানীক সংক্ষেপি যোগ কহন্ত। বিষয় চিন্তা নকৰি ভ্ৰুৱে মধ্যত চক্ষুৰাখি পানক অপানক সম কৰি ইন্দ্ৰিয় মন নিৰখি বুদ্ধিক নিৰখি মোক্ষক মাত্ৰ প্ৰাপ্যমানি কাম ক্ৰোধ

ভয় ত্যজি যি মুনি হয় তাক জীয়ন্তে মুক্ত বুলি ।”

বাহুল্যৰ ভয়ত আৰু উদ্ধৃত নকৰিলো। এইটো কলেই যথেষ্ট হব যে উদ্ধৃতাংশ বিলাক নিৰ্ব্বাচন কৰি লোৱা হোৱা নাই। যধে মধেহে তুলি দিয়া হৈছে।

আজিৰ পৰা প্ৰায় ৪০ বছৰ আগতে ৺অনাদৰ দাসে সৰ্ব্বপ্ৰথম “কথাগীতা” মুদ্ৰিত কৰে। কিন্তু ইয়াত পাঠৰ বহুতো অশুদ্ধি আছিল। সম্প্ৰতি বহুতো পুথি মিলাই পণ্ডিত-প্ৰৱৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী দেৱে ইয়াৰ এটি উৎকৃষ্ট সংস্কৰণ ছপাইছে। ইয়াৰ ভূমিকাও গভীৰ গৱেষণা পূৰ্ণ। ভট্টদেৱে ইয়াৰ বাহিৰেও সমগ্ৰ ভাগবত অসমীয়া গদ্যত ৰচনা কৰি গৈছে। এতিয়াও মুদ্ৰিত হোৱা নাই, কিন্তু গোস্বামীদেৱে ইয়াক সম্পাদনা কৰিবলৈ উদ্যত হৈছে। ইয়াৰ পৰাও কিছু উদ্ধৃত কৰা গল ঃ—

“নৈমিষাৰণ্যত শৌনিকাদি মুনিগণে বিষ্ণুপ্ৰাপ্তি অৰ্থে সহস্ৰ বৎসৰ যজ্ঞ কৰন্ত ঃ একদিনা প্ৰভাতে সৰ্ব্ব কৰ্ম্ম কৰি পুৰণা বক্তা সূতক আদৰি প্ৰশ্ন কৰন্ত— হে সূত, তুমি পুৰাণ ভাৰত ধৰ্ম্ম শাস্ত্ৰয়ে পঢ়ি ব্যাখ্যা কৰিছা আৰু ব্যাসাদি মুনিগণে কি জানন্তে তাকো জানা ঃ যাতো প্ৰিয় শিষ্যত গুৰুসবে গুহ্যক কহ ঃ সেই সেই শাস্ত্ৰত পুৰুষৰ একান্তিৰ শ্ৰেয়স তুমি নিশ্চয় কৰি সুগম মতে কহ ঃ বুলিবা।”

কোনো কোনোৱে হয়তো কব পাৰে যে কেৱল ধৰ্ম্মৰ বিষয়তহে গদ্য ৰচিত হৈছিল। কিন্তু সাধাৰণ সাহিত্য আনকি ইতিহাসো গদ্যত ৰচিত হৈছিল,—পুৰণি বুৰঞ্জী প্ৰভৃতিৰ পৰা নমুনাস্বৰূপ চুৰম্‌ফা ৰজাৰ ৰাজত্ব কালত লিখিত বুৰঞ্জীৰ পৰা কেইটামান অংশ তুলি দিয়া হ’ল ঃ—

“১৫৬৫ শকৰ শাওণৰ ১৩ দিন গতে শনিবাৰ ৰাতি ছয় দণ্ডত আই কুঞ্ৱৰীয়ে ৰাজা দেৱৰ ভায়েকক বুলিলে,— তোৰ পুতেৰেহে মোৰ পোক মাৰিলে তাকো মই মাৰো, উলিয়াই দে।”

এই বুৰঞ্জীৰেই আনঠাইত আছে ঃ— “ডাঙৰীয়া আৰু আন আন বিষয়া সকলৰ কথা এৰাব নোৱাৰি ১৫৬০ শকৰ ভাদৰ ১৩ দিন গতে শনিবাৰ প্ৰভাতে ভগনীয়া ৰাজা দেৱক ভাঙ্গি কুৱঁৰীয়া জন ৰজাদেও গল।” (চুৰম্‌ফা— ১৬৪৯–৫২ খৃঃ অঃ)

“অথ আহোম ৰজা ইন্দ্ৰবংশীৰ প্ৰস্তাব ভৈৰবী নদীৰে পৰা দিক্‌কৰবাসিনী অৰ্থাৎ সদিয়াৰ কেচাইখাইতী পৰ্য্যন্তে, সৌমাৰ পীঠ বোলে; এই সৌমাৰ পীঠৰ পূৰ্ব্বে হিৰকুট পৰ্ব্বতৰ দক্ষিণ স্বৰ্ণাদিৰ উত্তৰ এই সীমাৰ মধ্যতে বিহগাদ্ৰি নামক পৰ্ব্বতৰ উপৰি ৰত্ন ভূমি নামক স্থানতে সুন্দৰ স্থান দেখি, এক সময়ত সখীগণ সহিতে শচী ও ইন্দ্ৰ উভয়েই ক্ৰীয়া কৰি ফুৰিছিল।” (তামুলি ফুকনৰ আহোম বুৰঞ্জী ৬ পৃঃ)

“এনেতে বৰগোহাই ডাঙৰীয়াই চকৰি ফেটি নামে এখন বুৰঞ্জী উলিয়াই বকতিয়ালৰ ঘৰ জলমবটা বুলি কোৱা শুনি বৰবৰুৱাই নবাৰ

পৰা বঙ্গহৰ মানুহ আনি আচল অহম হই যেন বুজায় স্বৰ্গদেৱত জনাই কলে বন্দী প্ৰধান হৈ থাকোতে এই বেৱস্থা আগলৈ বা কাৰ ঘৰৰ কি লিখি মই আৰু ৰজা ঘৰৰ বা কেনে কথা কেনে দৰে লেখে এতেকে অহম ডাঙ্গৰীয়া কাকতী কটকী যাৰ যাৰ ঘৰত যত বুৰঞ্জী সকলো খিনি আনিব দিয়ক।" ( উক্ত বুৰঞ্জী ৪০ পৃঃ )

ৰাজেশ্বৰ সিংহৰ ( ১৭৫১—৬৯ খৃঃ অঃ ) ৰাজত্ব কালত এই বুৰঞ্জী ৰচিত হয়। তলত আহোম ৰজা সকলৰ দিনত লিখিত কেইথনমান পত্ৰৰ পৰা কিঞ্চিৎ উদ্ধৃত কৰা হ'ল ঃ—

"এথা কুশল। তোমাৰ কুশল সৰ্ব্বদা চাহি। পৰং তোমাৰ লেখন আছিল। সমাচাৰ পৰম প্ৰীতি জানিল। বিশেষ আপদে সম্পাদে যে সকলো বাঞ্ছে তাকেসে মিত্ৰ বুলি। এতেকে আপদ কালত তুমি আমাৰ কুশল বাঞ্ছা।"

১৫৮৫ শকত চক্ৰধ্বজ সিংহয়ে জয়ন্তী ৰজালৈ এই পত্ৰ লিখিছিল।

"তুমি যি উকিল পঠালা সিটো আসি বহালত পৰিল। তাৰ এক এক চাকৰ আসি আমাত তোমাৰ বাৰ্ত্তা জনালে, তাক শুনি আমি পৰম সন্তোষ লভিলো।"

১৫৮৪ শকত চক্ৰধ্বজ সিংহই জয়ন্তী ৰজালৈ এই পত্ৰ লিখিছিল।

"পৰং তোমাৰ আমাৰ প্ৰীতি আজিব নহয়। পূৰ্ব্বাবধি চলিয়া আহিতেছে।"

★ ★ ★

"পূৰ্ব্বে যে আছিল তাক ভাঙ্গিলায়, আমাৰ কটকীথানি বিদায় কৰিলায়। যদি কোনো ছিদ্ৰ থাকে তথাপিও লেথিবাৰ সে উচিত।"

১৫৮৭ শকত জয়ন্তী ৰজায়ে আহোম ৰজা চক্ৰধ্বজ সিংহলৈ এই পত্ৰ লিখে।

শঙ্কৰদেৱৰ ( ১৩৭৯—১৪৯০ শক ) "ৰুক্মিনী হৰণ" নাটকৰ পৰাও কিঞ্চিৎ উদ্ধৃত কৰা হল ঃ—

"ভিক্ষুক— হে স্বামী, হামো সুৰভি নামে ভাট, কুণ্ডিল নগৰী হন্তে তোহাক দৰশন নিমিত্তে আয়লো ঠিক! আঃ তোহাক ৰূপ সম্প্ৰতিক, মহিমা কি কহব। হে স্বামী, হামাৰ ৰাজনন্দিনী ৰুক্মিনী তোহাৰ গৃহিনী হয় তবে তব গৃহবাস সম্ফল হয়।"

প্ৰসঙ্গ ক্ৰমে এইখিনিতে কব পাৰি যে অসমীয়া বুৰঞ্জীৰ বিশেষত্ব এই যে ঘটনাৱলীৰ চন তাৰিখ দিয়া হৈছে। আনহাতে হিন্দু সাহিত্যত ইয়াৰ অভাৱ সকলোৱেই অনুভৱ কৰিছে।

অসমীয়া গদ্য সাহিত্যৰ আন এটি বিশেষত্ব এই যে খৃঃ যোড়শ শতাব্দীৰ প্ৰাৰম্ভৰ পৰা বৰ্ত্তমান কাল পৰ্য্যন্ত ইয়াৰ ঐতিহাসিক ধাৰা অব্যাহত কৰি ৰখা হৈছে। এনেকি ভট্টদেৱৰ "কথাগীতা" অৰ্ব্বাচীন বুলিও কব পাৰি। কাৰণ ভট্টদেৱৰ যি গদ্যৰ নমুনা উদ্ধৃত কৰা হল তাৰ ওচৰা-ওচৰি ৩০০ বছৰৰ পাচত

ৰচিত মৃত্যুঞ্জয় বিদ্যালঙ্কাৰৰ গদ্য স্থাপন কৰিলে উভয়ৰ পাৰ্থক্য পতীয়মান হব। যেনে—

"ঈদৃশ ৰূপে জাতমাত্ৰ বালকেৰ উত্তৰোত্তৰ বয়োবৃদ্ধি ক্ৰমে ক্ৰমশঃ প্ৰবৰ্ত্তমানা চতুৰ্দ্দশ ৰূপাভা পঅস্মদাদিতেযুগপ্য প্ৰবৰ্ত্তমানত্বৰূপে যদ্যপি প্ৰতীয়মানা হউন তথাপি পুৰ্ব্বোক্ত পৰা পশ্যন্ত মধ্যমা বৈখৰীৰূপে চতুৰ্ব্বিহ ৰূপে তেই প্ৰবৰ্ত্তমানা।"

সপ্তদশ খৃষ্টাব্দৰ অসমীয়া গদ্যৰ নমুনা স্বৰূপে আহোম ৰজা জয়ধ্বজ সিংহই কোচবিহাৰৰ ৰজা প্ৰাণনাৰায়ণ সিংহলৈ লিখা পত্ৰ আৰু তাৰ প্ৰত্যুত্তৰ তলত দিয়া হ'ল।

"পৰম সৌহাৰ্দ্দি পুৰ্ব্বক লেখনং কাৰ্য্যাঞ্চ। এথাত আমাৰ সমস্তে কুশল। তোমাৰ কুশল নিৰন্তৰে চাহি পৰং। উকীলত কৰি জি কহি পঠালা তাক আমি সমস্তে শুনিলো। অতপৰ বিশেষ কিন্তু বিপদ কালত আমাৰ বাৰ্ত্তা লৈলা ইহাক শুনি পৰম সন্তোষ লভিলো। আৰ দেখ বিপদ সম্পদ কালে জি কুশলক বাঞ্ছে তাকে মিত্ৰ বুলি। শক ১৫৮৪—১০ ই ফাগুন।"

প্ৰাণনাৰায়ণৰ উত্তৰ :—

"পৰঞ্চ। পুৰ্ব্বাপৰ ব্যৱহাৰ মতে তুমি জে আমাক লিখিবা ইহাতে তুমি মোক কিনিয়া আপনাৰ বশ কৰিলা : তুমি কৃষ্ণদেৱ। মঞি তোমাৰ বচস্কৰ অৰ্জ্জুন হেন জানিবা : বুজিয়া জেথন জে বোল তাক মঞি সৰ্ব্বথা কৰিল : ইহাতে তুমি অন্যথা নাজানিবা : আৰ জে লিখিচ বিপদ কালত জে কুশলকে বাঞ্ছে তাক সে মিত্ৰ বুলি সে মিত্ৰ হয় ; তোমাৰ আমাৰ আজিৰ মিত্ৰ এমে নহয় : আমাৰ প্ৰপিতামহক তোমাৰ বহু স্বৰ্গীয় স্বৰ্গনাৰায়ণ শপত কৰিয়া প্ৰীতি কৰিছে : তোমাৰ আমাৰ মন্দ না কৰিব আমাকো তোমাৰা মন্দ না কৰিব পৰস্পৰেৰ উপকাৰ পৰস্পৰেৰ কৰিব : এখন মোৰ চিত্তে আছে তোমাৰো এমত ৰখাহে উচিত হয়....... আৰ পূৰ্ব্বে লান্দা দেশ, পশ্চিমে গৌড়, ভোটান দক্ষিণে ওড়েযা। ইতিমধ্যত তোমাৰ তুল্য মহন্তৰ মহিমহেন্দ্ৰ মৰ্য্যদা পাৰাবাৰ কে আছে : মঞি তোমাৰ মিত্ৰ, কুশল বাঞ্ছিবাকে পাওঁ, আনো ৰাজা সকলো তোমাৰ কুশল বাঞ্ছে : আৰ তোমাৰ যে ৰাজ্যচ্যুত হৈবে ইহাৰ তোমাৰ কোনো মনে দুখ কৰিবাৰ উচিত নহয় : দেখ ৰাম চন্দ্ৰ সুৰথ যুধিষ্ঠিৰ এই সকলৰো ৰাজ্যচ্যুত হৈছিলে কিন্তু তাসৰা সকলে উদ্যোগ কৰিয়া ফিৰিয়া লৈলেক নিমিত্তে তাহাৰাৰ অকীৰ্ত্তি না হৈল।..............

আহোম ৰজা শিৱসিংহৰ দিনত লিখা (শক ১৭৫৬) হস্তিবিদ্যাৰ্ণৱ নামৰ এখনি উপাদেয় আৰু মহামূল্য গ্ৰন্থ পোৱা হৈছে। এই পুথি খনিত বহুতো সুন্দৰ প্ৰতিকৃতি আছে— দেখিলে আচৰিত হব লাগে। ইয়াত ১৬৩ প্ৰকাৰ হাতীৰ বিস্তৃত ও সূক্ষ্ম বিৱৰণ আছে। আন কি গ্ৰন্থৰচয়িতাৰ পৰ্য্যবেক্ষণ শক্তিও অতি তীক্ষ্ণ নমুনা স্বৰূপে শ্ৰদ্ধেয় হেমচন্দ্ৰ গোস্বামী দেৱৰ পুথিভঁৰালত থকা পুথিৰ পৰা কেইটামান পংক্তি উদ্ধৃত কৰা হ'ল।

"হাতীৰ জোখাৰ ( measure ) কথা ডাঙৰ জাতিৰ সচ হলে ওপজোতে জুখিব,

জদি একহাত বাৰ আঙ্গুল হয় বড় হলে ওথ সাত হাত হয়। দুহাত দু আঙ্গুল হলে দুবছৰ হয়, দুহাত চয় আঙ্গুল হলে তিনি বছৰ হয়, দুহাত সাত আঙ্গুল হলে চাৰি বছৰ হয়, দুহাত এক বেগত দুই আঙ্গুল হলে পাঁচ বছৰ হয়, দুহাত এক বেগত চয় আঙ্গুল হলে চয় বছৰ হয়, দুহাত এক বেগত সাত আঙ্গুল হলে সাত বছৰ হয়, তিনি হাত দুই আঙ্গুল হলে আঠ বছৰ হয়. তিনি হাত চয় আঙ্গুল হলে ন বছৰ হয়, তিনি হাত দহ আঙ্গুল হলে দহ বছৰ হয়............।"

অসমীয়া গদ্য সাহিত্যৰ প্ৰাচীনত্ব প্ৰতি-পন্ন কৰাই এই প্ৰৱন্ধৰ মুখ্য উদ্দেশ্য। কিন্তু অসমীয়া পদ্য সাহিত্য আৰু প্ৰাচীন। কৃত্তি-বাসৰ জন্মৰ পূৰ্ব্বেই মাধৱকন্দলীয়ে ( প্ৰায় ১২৬০ শক ) সমগ্ৰ ৰামায়ণৰ অনুবাদ কৰি গৈছে। ইয়াৰ দুই এটা পদ নমুনা স্বৰূপে দিয়া হল :—

"প্ৰচণ্ড ধনুক ৰাম হাতে লয় তুলি।
ধাইলন্ত মৃগক যেন প্ৰমত্ত কেশৰী॥
নাই স বুলি ৰাও তেজীলন্ত বীৰবৰ।
সাগৰৰ ঢউ যেন লাগিল কাৰৰ॥
সিংহ যেন শশৰ আগত ভৈল থিৰ।
সয়স্ত ৰাজাৰ যেন উৰি গৈল জিয়॥"

ইংৰাজী প্ৰবাদত আছে –"An ounce of fact is worth more than a ton of arguments"— অৰ্থাৎ এক ছটাক তথ্য শ মোণ তৰ্কতকৈ অধিক মূল্যৱ। ওপৰত যি সকলৰ গদ্য ৰচনাৰ নিদৰ্শন দিয়া হল তাক পঢ়িলেই অসমীয়া ভাষাৰ প্ৰাচীনত্ব আৰু স্বাতন্ত্ৰ্য প্ৰতিপন্ন হব। ভাৰতীয় ভাষাতত্ত্ববিদ পণ্ডিত গ্ৰীয়াৰ্সনৰ উক্তি সমীচীন বুলিয়েই গ্ৰহণ কৰিব লাগিব।

যেনে :— "Assamese language can be proved that it is in its grammer much more nearly connected with the Behari that with standard Bengali which can scarcely be said to have existed as a written language untill the beginning of the present century when the missionaries of Seerampur first moulded it in to a form. On the other hand the Mahabharat and Ramayana were translated in to the Assamese language nearly four centuries ago. Not only that, but many other works on history were then written; Poetry, medicine and religion were also translated in to the Assamese vernacular whice could besides boast of a very pretty indigenous literature of its own." আন এঠাইত তেওঁ কৈছে—"Assamese literature is as old if not older than Bengali and down to the commencement to the present century was as copious."

মূল কথা এই যে অসমীয়া ও বঙালী ভাষা মৈথিলী, প্ৰাকৃত, সংস্কৃত, মাগধী প্ৰভৃতিৰ সংমিশ্ৰণত উদ্ভুত। ইবিলাকৰ ভগ্নীভাষা আৰু সহোদৰা, সেয়েহে সাদৃশ্য আৰু ওচৰ সম্বন্ধ থকা একান্ত স্বাভাবিক; কোনোটোৰ কেনোটোৰ

উপভাষা নহয়। অৱশ্যে বঙ্গ আৰু অসমৰ মাজত পাৰস্পৰিক সম্বন্ধ আছিল আৰু ভাবৰ আদান-প্ৰদান হৈছিল। এক কথাত কবলৈ হলে মাধৱ কন্দলীয়েই (প্ৰায় ১২৬০ শক) অসমীয়া সাহিত্যৰ জন্মদাতা আৰু উন্নতিৰ প্ৰথম পথ-প্ৰদৰ্শক। শঙ্কদেৱেও নিজে তেওঁৰ ৰচিত ৰামায়ণত স্বীকাৰ কৰি গৈছে যে —

"পূৰ্ব্ব কবি অপ্ৰমাদি, মাধৱকন্দলী আদি, তেহেঁ বিৰচিলা কৃষ্ণকথা। তাহান পদক চাই নিবন্ধিলো পদ আমি।"

আমাৰ চণ্ডীদাস ১৩৩৯—১৩৯৯ শকত আবিৰ্ভূত হয়।

মহাৰাজ নৰনাৰায়ণৰ সময়ৰ পৰাই সমস্ত কামৰূপ আৰু বৰ্ত্তমানৰ দৰং জিলা কোচবিহাৰ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল; এই অঞ্চলটোক বাদ দি আহোম ৰজাসকলে হিন্দুধৰ্ম্মত দীক্ষিত হৈ প্ৰজাসমূহৰ লগত একীভূত হৈ গ'ল আৰু অসমীয়া ভাষাক ৰাজভাষা ৰূপে গ্ৰহণ কৰিলে। এই কাৰণেই সৌভাগ্যশালী অসমে স্বাধীন ভাবে সাহিত্যচৰ্চ্চা কৰিবৰ বাবে সুযোগ পাইছিল আৰু ফলত অসমীয়া ভাষাৰ স্বাতন্ত্ৰ্য ৰক্ষিত হয়। ৰাজগৃহৰ পৃষ্ঠ পোষকতা নহলে হস্তি-বিদাৰ্ণবৰ নিচিনা গ্ৰন্থ ৰচিত হোৱা সম্ভৱ নহয়। সঁচা যে হোসেনশাহ প্ৰভৃতি দুই এজন প্ৰজাৰঞ্জক মুছলমান ৰজায়ো বঙালী সাহিত্যৰ প্ৰতি এটি কৃপা দৃষ্টি কৰিছিল। সেয়েহে বিদ্যাপতিয়ে কৃতজ্ঞতাৰ গদগদ হৈ গাইছে যে—"চিৰঞ্জীৱ ৰহুঁ পঞ্চগৌড়েশ্বৰ।" এই কথা নিঃসঙ্কোচে কব পাৰি যে আমাৰ দেশৰ ব্ৰাহ্মণ পণ্ডিত সকলৰ মাজত মাতৃভাষা চিৰকালেই অনাদৃত ও উপেক্ষিত আছিল। পাঠান ৰাজত্ব কালত বঙালী পদ্য সাহিত্য যি বিস্তাৰ আৰু উৎকৰ্ষ লাভ কৰে ই প্ৰধানতঃ বৈষ্ণৱ কৱি আৰু সংস্কৃত অনভিজ্ঞ দেশীয় কবি সকলৰ কীৰ্ত্তি। বঙ্গদেশৰ স্বাধীন পাঠান ৰজাসকলেও বঙালী ভাষাক আদৰ কৰিছিল। দৃষ্টান্ত স্বৰূপে চট্টগ্ৰামৰ পৰাগলখাঁৰ আদেশত কবীন্দ্ৰ পৰমেশ্বৰে আৰু ছুটিখাঁনৰ আদেশত শ্ৰীকৰণ নন্দীয়ে ৰচনা কৰা মহাভাৰতৰ কথা উল্লেখ কৰিব পাৰি।

পুৰণি অসমীয়া গদ্য সাহিত্য অসমীয়াৰ গৌৰৱৰ স্থল। এই বিষয়ত বঙালী অসমীয়াৰ ওচৰত নতশিৰ হবলৈ বাধ্য।

অসমীয়া জাতিৰ কলা কৃষ্টিৰ আৰু ভাষা সংস্কৃতিৰ আদি গুৰু শ্ৰীশ্ৰীশঙ্কৰ দেৱ। তেনে এজন মহান পুৰুষক অসমীয়াই সোঁৱৰা উচিত—।

# গুৰু সোঁৱৰণ

—যতীন শইকীয়া।
( ছাত্ৰ )

"যদিও নহ'ল দেখা
এতিয়াও দেখি আছো
অসমৰ গাৱেঁ ভুয়ে সত্ৰই সৰাহে
যদিও নহ'ল শুনা
এতিয়াও শুনি আছো
কীৰ্ত্তনৰ পদে পদে লুইতৰ বহল দুপাৰে,
যদিও নহল কোৱা
এতিয়াও কৈ লও
দেখা আৰু শুনাবোৰ আছে একেদৰে
জোন চোতালত শুনা সাধুটিৰ দৰে"

সেইজন আছিল কবি, সত্য শিৱ সুন্দৰৰ পুজাৰী। অসমৰ সাহিত্য সংস্কৃতিৰ ফুলনিত তেওঁ এটি ৰঙা গোলাপৰ কলি। তেনে এটি গোলাপৰ কলিৰ সুবাহে এদিন অসমবাসীক কেনেদৰে অনুপ্ৰাণীত কৰিলে ইতিহাসেও কৰিলে তাক লিপিবদ্ধ। তেনে এজন লোকক অসমীয়াই বাৰু কেনেকৈ পাহৰে? পাহৰিব নোৱাৰে বাবেই সেইজন লোকক অসমীয়াই আজিও সোঁৱৰে শ্ৰদ্ধাৰে, ভক্তিৰে। তেখেতৰ সৃষ্টিৰ মজিয়াত আজিও অসমীয়াই প্ৰীতিৰ কৰনিৰে অৰ্ঘ্য যাচি অঙ্গীকাৰ কৰে— "আমি তোমাক নেপাহৰো" যদি পাহৰে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বৃক্ষ হাউলি পৰিব। সেইজন পুৰুষৰ তিৰোভাৱ তিথিত আজি আমি গাওঁ বেদনাৰ গান যাৰ জীৱনৰ মূল্য দিও আমি চকুৰ পানীৰে। কিয়নো তেনে এজন মহান লোকৰ দাম মানুহে কোনো দিন দিবই নোৱাৰে ভিকহুৰ হাতী কিনা দাম। সেইজন লোকেই হৈছে আমাৰ চিৰ আৰাধ্য, চিৰপূজ্য মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। অসমৰ সাহিত্য সংস্কৃতিৰ ফুলনিত তেওঁৰ দান হল কোনোদিন নজহা নপমা চিৰ ৰঙীয়াল ফুল।



কানৈ কলেজ

এনেজন মহাপুৰুষৰ বিষয়ে আচাৰ্য্য বিনোৱা ভাবেয়ে লিখিছে— "শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ প্ৰেৰণাৰ স্থল। যি বস্তুৰেই আপোনা লোকে অনুসন্ধান নকৰক মূল তাত পাবগৈ। সাহিত্যৰ মূল বিচাৰি অসমীয়া সাহিত্যিকে শঙ্কৰদেৱৰ গুৰিলৈ যায়। সমাজ সেৱকেও তেওঁতে অনুপ্ৰেৰণা বিচাৰি পায়। ধৰ্ম্মৰ আলোচনাত তেওঁৰ নাম ওলাবই। আন কি নাট্যমোদীয়ে তেওঁৰ নাটকত অনুপ্ৰেৰণা বিচাৰি যায়। জীৱনৰ বিভিন্ন শাখাত তেওঁৰ কৰ্ম্মধাৰা প্ৰবাহিত হৈছিল। তেওঁ ভাগ্যৰ বলেৰে দীৰ্ঘায়ু লাভ কৰিছিল। সেই কাৰণে এজন মানুহে সংসাৰত যিমানখিনি সাধনা কৰিব পাৰে সেই সকলো সাধনা তেওঁ কৰি গল। তেওঁৰ মনুষ্য জীৱন সাৰ্থক হৈছিল।" অজ্ঞান অন্ধকাৰৰ অৰণ্যত লুকাই থকা সেই সময়ৰ অসমীয়াক তেওঁ সন্ধান দিলে সত্য আৰু সুন্দৰৰ। কবিয়ে বুদ্ধিদীপ্ত জ্ঞানৰ "পোহৰ" লৈ অসভ্য বৰ্ব্বৰহঁতৰ অন্ধকাৰ দেশত সিদিনা পাতিলে দীপাৱলী। প্ৰকৃত সত্য আৰু সুন্দৰক উৎঘাটন কৰিলে অসমীয়াই সিদিনাহে আৰু তেতিয়াৰ পৰা তেওঁলোক অনুপ্ৰাণীত হল সেই মহাপুৰুষজনৰ। তেওঁ এহাতে—

"ভগৱতী ধৰমৰ মহান সান্তনা ৰচি
জন সমাজক দিলে জ্ঞানৰ পোহাৰ"

আৰু আন হাতে ভাষা সাহিত্য দান কৰি অসমীয়া সাহিত্য ভৰাল কৰি গল ধনবান। হেম বৰুৱাই লিখিছে "Sankerdev with the view of propagate his religious docrines and tenets began to compose literary works, poems and dramas." তেনেজন পুৰুষৰ গুণগৰিমা স্মৃতিৰ বেদীত বহি আজিও অসমীয়াই গায়।

"জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
যাকেৰি নাহি উপাম,
তোহাৰি চৰণে ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম"

তেওঁৰ অসমীয়া ভাষালৈ, জাতিলৈ অৱদান সম্বন্ধে আলোচনা কৰিবলৈ যোৱাৰ আগতে সেই সময়সৰ পাৰিপাশ্চিকতা বা আবেষ্টণীৰ বিষয়ে সম্যক জ্ঞান থকাটো একান্ত প্ৰয়োজন। সেয়ে নহলে তেনে আলোচনা ফৰিং ফুটা হোৱা অনিশ্চিত। সেয়েহে তেওঁৰ অবদান সমূহ আলোচনা কৰিবৰ বাবে আমি কিছুদূৰ পিচলৈ উভতি যাওঁ।

তেতিয়া আছিল অসমৰ আকাশ মেঘাচন্ন কলিয়া ডাৱৰে অসমলৈ বলিয়া বাতৰি অনাৰ বতৰ। অসমৰ আকাশত নাছিল আজিৰ নীলাভবোৰ। তৰাবোৰো আছিল যেন তেনেই নিস্পৰ্ভ। কিয়নো পাপ কলুষৰ কলীয়া মেঘে অবিবেষ্টিত কৰি ৰাখিছিল সেই আকাশখন। মানুহৰ মনবোৰত খেলৰ উদ্যান পাতিছিল অন্ধকোপে। হিতাহিত জ্ঞানে বিবেকক পৰিচালনা কৰিব নাজানি মানুহবোৰ হৈ পৰিছিল অন্ধ। সেই সময়কণ হল খৃষ্টীয় পঞ্চাদশ শতিকা। তেতিয়া অসম আছিল শক্তি, শৈৱ, তান্তিক, বৌদ্ধ আদি বহুতো ধৰ্ম্মৰ গেলামালৰ

দোকান। কিন্তু তথাপি জানো মানুহৰ চকু খুলিছিল? অথবা তেওঁলোকে জানো শান্তিৰে বসবাস কৰিব পাৰিছিল? এই ধৰ্ম্মবিলাকে নিজৰ শ্ৰেষ্ঠত্ব প্ৰমান কৰিবৰ বাবে খেলিছিল দবৰা দবৰি। দৰ্শক হৈছিল নিৰ্বাক নিস্পন্দ কিং কৰ্ত্তব্য বিমোঢ়। মানুহৰ মনুষ্যত্বাই সভ্যতাৰ পোহৰ নোপোৱাত অসমত নৰবলি প্ৰথা পুৰাদমে চলি আছিল। গুৱাহাটিৰ কামাখ্যা, শদিয়াৰ কেঁচাইখাটি আদিকে কৰি কেইবাটাও মন্দিৰত বহুতো নৰবলি হ'ল দেৱতাৰ অৰ্ঘ্য, পূজাৰ বেদীত মানুহৰ প্ৰাণ হল ৰক্ত জবা। ইয়াৰেই সভ্যমানি অসভ্য বৰ্ব্বৰ মানুহবোৰে পাইছিল অপাৰ আনন্দ। এনে অসুন্দৰৰ কলুষত সোমাই মানুহে বোজা নাছিল মানুহৰ মৰম, মানুহে চিনা নাছিল পাপ আৰু পুণ্য। অন্ধকূলৰ কুৰুক্ষেত্ৰত তেওঁলোকে মাথো গাইছিল নাচিছিল আৰু নৰবলিৰে পূজাৰ বেদী সুশোভিত কৰি তেওঁলোকে লভিছিল অপাৰ আনন্দ। আনহাতে অসমখন সেই সময়ত আছিল কেইবাটাও ৰাজকীয় শক্তিত বিভক্ত। পূবে চুটিয়াবিলাক, পশ্চিমে কমতা ৰাজ্যৰ কোচ ৰজাসকলে দক্ষিণ পুবে কছাৰীসকলে, চুতীয়াৰ পশ্চিমফালে বাৰভূঞাঁসকলে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত আহোমে ৰাজত্ব কৰিছিল। তেওঁলোকৰ পৰস্পৰৰ মাজত বুজাবুজিৰ অভাৱত কেতিয়াবা মহাৰণ বিননিও তুলিছিল। এনে দুৰ্যোগ্য মুহূৰ্ত্ততেই অসমত হল শঙ্কৰ সূৰ্য্যৰ আগমন। নিজ জ্ঞানগৰিমা আৰু প্ৰতিভাৰে তেওঁ অসমৰ অন্ধকাৰ সিদিনা বিনাশ কৰিলে।

সত্যৰ সন্ধান দি আধ্যাত্মিকতাৰ নৈ বোৱাই তেওঁ অসমীয়াৰ মাজত শান্তিৰ বীজ সিচিলে. এনে দুৰ্ব্বাৰ সংকট পূৰ্ণ সময়তে তেওঁ 'বিষ্ণুঅংশে অবতৰি' মানুহৰ মাজত জ্ঞান আৰু বুজাবুজিৰ ভাৱ আনিলে আৰু সাম্যবাদী সমাজ গঢ়ি অস্পৃশ্যতা দূৰ কৰিলে। শঙ্কৰ সূৰ্য্যৰ কবলত পৰি এইবাৰ অসুন্দৰ, বৰ্ব্বৰতা আৰু অন্যায়ে আত্মহত্যা কৰিলে। এক দেৱ, একসেৱ, এক বিনে নাই কেও মূলমন্ত্ৰেৰে তেওঁলোকৰ মাজত ভগৱতী ধৰ্ম্ম প্ৰচাৰ কৰি সিবিলাকৰ মন প্ৰাণ সকলো হৰিলে। সত্য শিৱ সুন্দৰৰ সন্ধান বিচাৰি সকলো মানুহ হল তেওঁলোকৰ ব্যক্তিত্ব মহত্ব আৰু আদৰ্শতেই অনুপ্ৰাণীত এইদৰে এটি সম্পুৰ্ণ গণতান্ত্ৰিক আদৰ্শৰে ধৰ্ম্ম প্ৰচাৰ কৰি তেওঁ সাৰ্থকতা লভিলে। তেওঁৰ এনে সফল অভিযান দেখি গান্ধীজীয়ে স্বীকাৰ কৰিছে "What Sanker alone was able to do to doy the whole army of English knowing peaple cannot do" অংশো মানুহবোৰক এনেদৰে অনুপ্ৰাণীত কৰিবৰ বাবে তেওঁ বহুতো নতুন সৃষ্টি আৰু এই সৃষ্টিবোৰেই হল তেওঁৰ অসমীয়া ভাষা বা সাহিত্য, সমাজ আৰু সংস্কৃতিৰ বেদীলৈ অনুপম অৰ্ঘ্য। তেন্তে তেওঁৰ সেই পন্থা বা সৃষ্টি কি? কবিয়ে গাইছে—

"বোৱালা ভক্তিৰ সোত দিলা ধৰ্ম্ম, দিলা জ্ঞান
দিলা ভাষা অসমক কৰিলা জীৱন দান"

ভগৱতী ধৰ্ম্ম প্ৰচাৰৰ বাবে এই ধৰ্ম্মৰ উপলক্ষ্য কৰি তেওঁ যি সৃষ্টি কৰিলে সেইবোৰ একোখনহঁক মৌচাক। আজি ই চাৰিশ বছৰৰো

অধিক পুৰণি হলে ও চিৰ দীপ্তিবান চিৰ নতুন। কিয়নো সেইবোৰৰ দ্বাৰাই তেওঁ ভগৱতী ধৰমৰ মহান মন্ত্র সিচি মানুহক জ্ঞানৰ পোহৰ বিলালে। এফালে শঙ্কৰ যেনেকৈ—

"শ্রীমন্ত শঙ্কৰ হৰি ভকতিৰ
জানা যেন কল্পতৰু,
তাহোন্ত বিনাই নাই, নাই নাই
আমাৰ পৰম গুৰু"

আনফালে তেওঁ অসমীয়া সাহিত্যৰ আদিম পূজাৰী। তেওঁৰ আগতে হেমসৰস্বতী হৰিহৰ বিপ্র, মাধৱ কন্দলী আদি অসমৰ কবি সাহিত্যিক আছিল যদিও শঙ্কৰ দেৱকহে অসমীয়া সাহিত্যৰ ভেটি বা গুৰি ধৰোতা বুলি কোৱা হয়। শঙ্কৰে নিজকে—

"পূৰ্ব্ব কবি অপ্রমাদী মাধৱ কন্দলী আদি
বিৰচিলা পাদে ৰাম কথা
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মার্গ
মোৰ ভৈল তেহ্নয় অৱস্থা"

বুলি কলেও আমি তেওঁক তেনেদৰে মানি লব নোৱাৰো। কিয়নো আদি কবি কেইজনৰ ভাবালুকা আৰু কাপৰ শক্তি শঙ্কৰৰ দৰে তীক্ষ্ণ নাছিল। আনহাতে তেওঁলোকৰ সৃষ্টিও আছিল তেনেই বিৰল। অৱশ্যে তেওঁলোক শাস্ত্রজ্ঞ পণ্ডিত নাছিল বুলি কলে ভুল হব। কিন্তু তেওঁলোকৰ প্রতিভা শঙ্কৰৰ দৰে তীক্ষ্ণ নাছিল।

বৈষ্ণৱ যুগ অসমীয়া সাহিত্যৰ সোণালী যুগ। এই যুগতেই বহুতো প্রতিভাশালী লিখকে সাহিত্য অৰ্ঘ্যৰে দেশৰ সাহিত্য ভৰাল উপচাই পেলালে। সেয়েহে বৈষ্ণৱ সাহিত্যক এতিয়াও অসমীয়া সাহিত্যৰ ভেটি বুলি কোৱা হয়। সেই যুগতেই অসমীয়া সাহিত্যই কঁকালত টঙালী বান্ধিলে। বৈষ্ণৱ ধৰ্ম্মৰ সাহিত্যবোৰ সাধাৰণতে শ্রীকৃষ্ণ চৰিত্রৰ ওপৰত আধাৰিত। সেই যুগৰ সাহিত্যিক সকলৰ ভিতৰত শ্রীশঙ্কৰ দেৱৰ দান উল্লেখযোগ্য। হৰিশ্চন্দ্র উপাখ্যান মাৰ্কণ্ডেয় পুৰাণ, গুণমালা, কীৰ্ত্তন ঘোষা, অনাদিপাতন (তৃতীয় স্কন্ধ), ভক্তি প্রদীপ, ৰুক্মিণীহৰণ কাব্য, বলিছলন (অষ্টম স্কন্ধ), ভাগৱতৰ প্রথম দ্বিতীয়, ষষ্ঠ, নৱম, দশম, একাদশ আৰু দ্বাদশ স্কন্ধ লীলা মালা, উত্তৰা কাণ্ড ৰামায়ণ, নিমি নৱসিদ্ধ সম্বাদ, বৃহৎ অজামিল উপাখ্যান, পত্নী-প্রসাদ, কালি দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰামবিজয় নাট, আৰু বৰগীত আদি মূল্যবান গ্রন্থ শ্রীশঙ্কৰ দেৱৰ অসমীয়া সাহিত্যলৈ অনুপম দান। ভগবানৰ ওপৰত অতল বিশ্বাস আৰু ভক্তি তেওঁৰ সকলো সাহিত্যতে অনুৰণিত হৈ আছে। ডঃ বাণীকান্ত কাকতিদেৱে কৈছে "পদৰেণু সেৱা বা দাসৎ ভাৱেৰেই তেওঁলোকৰ সকলো সাহিত্য ডুব গৈ আছে।" শ্রীমন্ত শঙ্কৰদেৱৰ সাহিত্য প্রতিভা উলাহ কৰিব নোৱাৰি। ই চিৰস্মৰণীয়, চিৰ-জাগ্রত, কৃতজ্ঞতাৰ মূৰ দোৱাই তেওঁৰ এই প্রতিভাক তাৰিফ কৰি ডঃ বাণীকান্ত কাকতি দেৱে কৈছে "শঙ্কৰদেৱে অসমক এটা নতুন জীৱন নতুন সাহিত্য আৰু ৰাষ্ট্র দান কৰিলে। কত ৰজা আহিল কত ৰজা গল— কালক্রমে তেওঁলোকৰ ৰাজ্য ধুলিময় হৈ গল। কিন্তু শঙ্কৰদেৱ ৰাষ্ট্র হৈ থাকিল। অসমীয়া সমাজৰ

প্ৰতি মানুহৰ অন্তৰত তেওঁৰ ক্ষমতা অক্ষুন্ন হৈ চলি আছে।” আনকি ভাৰতৰ ৰাষ্ট্ৰপতি সৰ্ব্বপল্লী ৰাধাকৃষ্ণনেও তেওঁৰ সমন্ধে লিখোতে কৈছে In Assam Sankar dev was an apostle of indolarty sacrificial piety and caste structure of society” আগতে কোৱা হৈছে যে শঙ্কৰ দেৱৰ সকলো ৰচনা আছিল ভাগৱতী ধৰ্ম্মৰ উপলক্ষে। তেওঁ এই ধৰ্ম্মৰ বহল প্ৰচাৰৰ বাবে বহুতো ভক্তি মূলক নাট কাব্য, বৰগীত আদি ৰচনা কৰিলে। তেওঁৰ সকলো ৰচনা প্ৰায় শ্ৰীকৃষ্ণ চৰিত্ৰক অৱলম্বন কৰি লিখা। আমি এতিয়া মাত্ৰ তেখেতৰ কেইখনমান গ্ৰন্থৰ বিষয়ে চমুকৈ আলোচনা কৰিম।

শঙ্কৰদেৱে জীৱনৰ আগছোৱাতেই দাস্য ভাৱত প্ৰধান্য দি বিভিন্ন ছন্দ আৰু লয়ৰ সহায়েৰে কিছুমান গীত কাব্য লিখিছিল। সেই বিলাক তেওঁৰ ঐশ্বৰিক প্ৰেমৰ নিদৰ্শন। প্ৰথমে তেওঁৰ এই গীতবোৰ অত তত সিঁচৰিত হৈ আছিল। পিছ'ল তেওঁৰ আদেশত শিষ্য মাধব দেৱে ভাগিনীয়েক ৰামচৰণ ঠাকুৰৰ সহায়ত একগোট কৰি পুথি আকাৰত বান্ধিলে। শ্ৰীশঙ্কৰ দেৱৰ ৰচনাবোৰৰ ভিতৰত ‘কীৰ্ত্তন’ খনকেই আটাইতকৈ ওখ আসন দিয়া হয়। আনহাতে এইখন পুথিয়েই বৈষ্ণৱ সকলৰো মূল পুথি। আজিও অসমীয়াই এই পুথিক জাতীয় মৰ্য্যদা দিছে। ই সাহিত্যৰ সকলো অলঙ্কাৰেৰে অলঙ্কৃত আৰু সকলো ৰসেৰে আপ্লুত। শ্ৰীজ্ঞান নাথ বৰাৰ মতে “কীৰ্ত্তনত কেৱল পদৰ লয় আৰু কৃষ্ণলীলাৰ অদ্ভূত ঘটনায়ে নাই, ইয়াত আৰু এটি বস্তু আছে। ই অতদিন পদবিলাকৰ মাজত লুকাই আছিল। ই সাহিত্য।” তেখেতে আকৌ কৈছে “কীৰ্ত্তন অসমৰ মৌচাক।” অকল আমিয়ে নহয় আমাৰ পিতামহ, প্ৰপিতামহ আৰু প্ৰপিতামহৰ পিতামহে ইয়াৰ ৰস পান কৰিছে আমাৰ কি পৰমসৌভাগ্য যে এই “অমৃতৰ ভাণ্ড অক্ষয়” অসমীয়াই পুথি পঢ়ি পায় মুক্তিৰ সন্ধান পায় বিমল আনন্দ। সেয়েহে অসমীয়া সাহিত্যৰ আন সকলো কিতাপতকৈ ইয়াৰ জনপ্ৰিয়তা বেচি। নুনিহ তিৰোতা উভয়ে লৰাৰ পৰা বুঢ়লৈকে ইয়াৰে সাধু, ৰস, তালমান লয়, আদৰ্শ আৰু ঐশ্বৰিক ভক্তিত বুৰ গৈ আছে। শিশুলীলা, পুতনা বধ, কালিয়দমন অজামিল উপখ্যান গজেন্দ্ৰ উপাখ্যান প্ৰহ্লাদ চৰিত, বলিচলন, স্যমন্তক হৰণ, বকাসুৰ বধ, ওৰেখা বৰ্নন আদি বিভিন্ন বিষয়ৰ এই পুথিৰ অন্তৰ্গত। এই কীৰ্ত্তন ‘ভাষাৰ লালিত্য, ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাবণ্য, ভাৱৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে ৰচিত’ বাবেই ই ইমান জনপ্ৰিয়তা অৰ্জ্জন কৰিব পাৰিছে। এই পুথিত পোৱা যায় বিভিন্ন পদ, দুলড়ী, ছবি, লেছাৰী, ঝুমুৰি কুসুমমালা আদি বিভিন্ন ছন্দ। ইয়াৰ কাব্যিক সৌন্দৰ্য্য আৰু সাহিত্যৰ মাধুৰ্য্য মন কৰিব লগীয়া।

কীৰ্ত্তনত থকা অনুপম বৰ্ণনাই সৌন্দৰ্য্যৰ পাৰ ভাঙি যায়। ইয়াৰ জোৰণি পদে বিষয় বস্তু জীৱন্ত কৰে। ইমানবোৰ গুণৰ অধিকাৰী হোৱাৰ বাবেই ‘কীৰ্ত্তনে’ অসমীয়া

সাহিত্যত সকলোতকৈ ওখ আসন লৈ আছে। ই সকলো অসমীয়াৰ আদৰণীয়। ইয়াৰ তাল মান লয়ত অসমীয়া মানুহ মন্ত্ৰ মুগ্ধ অসমৰ গাওঁ ভুঁই সকলোতে কীৰ্ত্তনৰ সুৰ এতিয়াও নিনাদিতা। পূণ্য শান্তি, মুক্তি আৰু সত্যৰ সন্ধান পায় অসমীয়াই ইয়াৰ বুকুতে। এই কীৰ্ত্তণে অসমীয়াৰ ওপৰত কেনে ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছে — তাকে কথা প্ৰসঙ্গত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই লিখিছে "The next outstanding literary production of Sankerdev is the Kirtana which even to day exercises unique influence upon the mind and thought of Assamese people."

শ্ৰীকৃষ্ণৰ বাল্যকাল বৰ্ণনা কৰি বিৰচিত শঙ্কৰদেৱৰ 'দশম' অসমীয়া সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। এই পুথিত তেওঁ দেখুৱাইছে যে মানুহে কেনেকৈ ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক শিশুলীলাৰ গুণানু কীৰ্ত্তন কৰি ভৱসাগৰ হেলাৰঙে পাৰ হৈ কেনেকৈ পৰম ব্ৰহ্মত বিলীন হব পাৰে। ই অৱশ্যে দশম স্কন্ধৰ ভাঙনীহে। কিন্তু তেওঁ নিজস্ব বৈশিষ্ঠতাৰে ঘৰুৱা ধৰণে ভাঙনি কৰিছে। এই দশম পুথিৰ বিষয়ে শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে লিখিছে "ধৰ্ম্মভাবৰ সোঁত বৈছে যদিও দশমত শিশুজীৱনৰ মাতৃস্নেহ আৰু মাতৃশোকৰ প্ৰকৃতিৰ প্ৰতি উদাৰ দৃষ্টি আৰু মানৱ অন্তৰক চিৰকাল আলোড়িত কৰা ভাব সমূহৰ এটা গাঢ় মানবী আৰু বাস্তৱ চিত্ৰ পোৱা যায়" অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ চাৰিখন বিখ্যাত ধৰ্ম্মপুথিৰ ভিতৰত এই পুথিও অন্যতম।

করুণ, আদি, বীৰ আৰু হাস্যৰসেৰে সন্নিবিষ্ট ৰুক্মিণীহৰণ কাব্য শঙ্কৰদেৱৰ আন এক মহান গ্ৰন্থ। ইয়াত অসমীয়া মানুহৰ চৰিত্ৰ সুন্দৰ ভাৱে পৰিস্ফুট হৈ উঠিছে। এই কাব্যত শঙ্কৰদেৱে শ্ৰীকৃষ্ণ, বলভদ্ৰ, বেদনিধি, দৈব্যকী শশীপ্ৰভা সুমালিনী আৰু ৰুক্মিণীৰ চৰিত্ৰৰ যোগেদি অসমীয়া ঘৰুৱা নীতি নিয়ম আৰু আদৰ্শৰ কথা ধুনীয়াকৈ বৰ্ণনা কৰিছে তেওঁলোকৰ চৰিত্ৰ আৰু কাৰ্য্যকলাপৰ যোগেদি ইয়াত গুৰুদেৱে অসমীয়াৰ ঘৰুৱা আৰু সামাজিক জীৱনৰ এক ধুনীয়া চিত্ৰ অঙ্কণ কৰিছে আৰু কৰিছে অনুপম ছন্দ গাথনি অপূৰ্ব্ব ঘৰুৱা ফকৰা যোজনা সহায়েৰে অসমীয়া সমাজখন প্ৰতিফলিত। বেজবৰুৱাই কৈছে "শঙ্কৰদেৱৰ যতবিলাক সুমধুৰ ললিত ৰসাল ৰচনা আছে তাৰে ভিতৰত ৰুক্মিণীহৰণ শ্ৰেষ্ঠ"।

"গুৰুজনাই প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰাৰ পাচত ভক্তি প্ৰদীপ পুথি ৰচনা কৰিছিল বুলিব পাৰি, কিয়নো প্ৰথম তীৰ্থ শাস্ত্ৰতে তেৰাই যিবিলাক তীৰ্থ পাই গৈছিল সিবিলাকৰ উল্লেখ এই পুথিত পোৱা যায়" (শ্ৰীযতীন গোস্বামী)। এই পুথিৰ আন এটি নাম "গড়ুৰ পুৰাণ কৃষ্ণ অৰ্জ্জুন সংবাদ"। ভক্তি প্ৰদীপৰ দ্বাৰা তেওঁ মানুহৰ আগত শ্ৰীকৃষ্ণক ভগৱান ৰূপে থিয় কৰাইছে আৰু তেওঁলোকক যাগযজ্ঞ, তপ-জপ, পূজা পাতল আদি যে নিৰৰ্থক তাকে বুজাব বিচাৰিছে। অসমীয়া মানুহৰ দেৱ-

দেৱীৰ ওপৰত থকা অন্ধবিশ্বাস ইয়াৰ দ্বাৰাই গুৰুদেৱে দূৰ কৰি তেওঁলোকৰ মাজত শ্ৰীকৃষ্ণক ভগৱান ৰূপে স্থাপন কৰিলে।

কাব্য হিচাবে গুৰুদেৱৰ আন এখন বিখ্যাত গ্ৰন্থৰ নাম হল 'হৰিচন্দ্ৰ উপাখ্যান'। ইয়াত কাব্যৰসৰ সঞ্চাৰ কৰি কবিয়ে বৈষ্ণৱ ধৰ্ম্মৰ মহত্ব বৰ্ণনা কৰিছে। অৱশ্যে 'মাৰ্কণ্ডেয় পুৰাণ'ৰ মূল লৈহে এই পুথি ৰচনা কৰিছে। ইয়াত গুৰুজনাৰ ভগৱানৰ প্ৰতি থকা অতল বিশ্বাস আৰু ভক্তি মন কৰিবলগীয়া।

ইয়াৰ উপৰিও শঙ্কৰদেৱে অষ্টম স্কন্ধ ভাগৱতৰ কাহিনী লৈ বলিছলন, অমৃত মন্থন, তৃতীয় স্কন্ধ ভাগৱতৰ কথাৰে অনাদি পাতন, একাদশ স্কন্ধ, ভাগৱতৰ কথা লৈ নিমি নৱসিদ্ধ সম্বাদ, দ্বাদশ স্কন্ধ ভাগৱতৰ সাৰ বুটলি গুণমালা বা গুণচিন্তামনি আৰু ৰামায়ণৰ উত্তৰা কাণ্ড, উদ্ধৱ সংবাদ, বাৰিষা বৰ্ণনা, লীলা মালা, ভক্তিমা আদি বহুতো পুথি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰিছে।

বৰগীত :— সংখ্যাত মাধৱদেৱতকৈ লঘিষ্ঠ হলেও বৰগীত আদিতে শ্ৰীশঙ্কৰদেৱৰ দ্বাৰা বিৰচিত। আমি তেওঁৰ 'বাৰকুৰি বৰগীত আৰু তেৰকুৰি ফকৰাৰ” নাম শুনিবলৈ পালেও সেই বিলাক সকলো আজি নাই। কিয়নো কমলা বায়ন নামৰ এজন শিষ্যৰ অসাৱধানতাৰ ফলত একগোট কৰি থোৱা শঙ্কৰদেৱৰ বহুতো বৰগীত জুইত জাহ গল। শঙ্কৰদেৱে মনত বৰ আঘাত পাই প্ৰিয় শিষ্য মাধৱক মাই কলে “বঢ়াৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো পুইলে। গীত কিছুকৰা। আমি নকৰো আৰু” বুলি কৈ তেওঁক বৰগীতৰ সকলো ছন্দ লয় তালমান আদি বুজাই দিলে। গুৰুৰ আদেশ আৰু সহযোগ পাই মাধৱদেৱে বহুতো বৰগীত ৰচি পেলালে। শঙ্কৰদেৱে আৰু বৰগীত নিলিখাৰ বাবে তেওঁৰ বৰগীত আজি খুব কম। এই বৰগীতবোৰ তেওঁৰ কৃষ্ণ ভক্তিৰ অন্যতম নিদৰ্শন। গুৰুজনাৰ এই ৰচনাই কৃষ্ণভক্ত বৈষ্ণৱী সকলৰ সাধনাৰ পথ সুগম কৰিছিল। শঙ্কৰদেৱৰ দ্বাৰা বিৰচিত এই “বৰগীতবোৰ কেতিয়াবা ওখ দাৰ্শনিক ভাৱৰ আৰু কেতিয়াবা কৃষ্ণৰ লীলা বৰ্ণোৱা বা গোপীসকলৰ বিৰহ সূচক ৰসাল কবিতা। ই ব্ৰজবলি মিশ্ৰিত অনুপ্ৰাসযুক্ত আৰু লালিত্যপুৰ্ণ। সেই গতিকেই এই বৰগীতবোৰ অসমীয়াৰ প্ৰিয় বস্তু। ইয়াৰ বৈশিষ্ট হৈছে ইয়াৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱ।”

অঙ্কীয়া নাট :— অসমীয়া জাতিৰ পিতা আৰু বৈষ্ণৱ ধৰ্ম্মৰ প্ৰৱৰ্ত্তক শঙ্কৰদেৱৰ কোমল হাতৰ পৰশতেই আমাৰ দেশত প্ৰথম অঙ্কীয়া নাটৰ অৱতাৰণা হৈছিল। ই তেওঁৰ নিজস্ব সৃষ্টি। আন কোনো নাটৰ লগত এই নাট নিমিলে। কিয়নো ইয়াৰ এক নিজস্ব বৈশিষ্ট আছে। বহু ঘটনাৰ সমাবেশ থাকিলেও মাত্ৰ এটি দৃশ্যতে পৰিদৰ্শন কৰা হয় বাবে এই নাটক অঙ্কীয়া নাট বোলা হয়। এই নাটকৰ ভাষা হল ব্ৰজবলি মিশ্ৰিত অসমীয়া। যেনে—“আহে সামাজিক লোক, মহৱ বচন শুনহ। ঐচন

প্ৰবাৰে শ্ৰীকৃষ্ণও গোপীসৱক মনোৰথ পুৰিয়ে নানাবিধ কৌতুক নিত্য কৰিয়া তথি থিক” ইত্যাদি . ইয়াৰ অভিনৱ সৃষ্টি হৈছে সূত্ৰধাৰ। এই সূত্ৰধাৰেই হৈছে অঙ্কীয়া নাটৰ মধ্য বিন্দু বা মূল চৰিত্ৰ। এওঁক কেন্দ্ৰ কৰিয়েই গোটেই নাটখন প্ৰদৰ্শিত হয়। এওঁ হল নাটৰ আৰু দৰ্শকৰ সম্বন্ধৰ যোগচিন। অঙ্কীয়া নাটৰ পোৰা নিক নাম আছিল অঙ্কীয়া ভাওনা। শঙ্কৰ দেৱে বিভিন্ন মতামত, বিভিন্ন সম্পদায়, বিভিন্ন বৰ্ণ একে ভেটিতে গোটাই বৈষ্ণৱ ধৰ্ম্মৰ ৰসামৃত পান কৰাইছিল অঙ্কীয়া ভাওনাৰ যোগেদি সকলো ৰসেৰে সফুৰা ভৰাই পূৰ্ণাঙ্গ নাট ৰচনা কৰি। কাহিনীৰ আৰম্ভণিৰ পৰা শেষলৈকে সূত্ৰধাৰীয়ে কাহিনী আৰু চৰিত্ৰৰ সূত্ৰধাৰাই অঙ্কীয়া নাট ৰছনা কৰি অঙ্কীয়া ভাওনা প্ৰদৰ্শন কৰাই দৰ্শক মণ্ডলীৰ মাজত প্ৰেম মন্দাকিনীৰ ঢল বোৱাইছিল ” গুৰুদেৱৰ এই নাটকত পুৰণি অসমৰ ওজাপালি আৰু দেওধনি নৃত্যৰ আভাস পোৱা যায়। অঙ্কীয়া নাট নৃত্য গীতৰ মঙ্গলিচ ৰাবেই ডঃ বিৰিঞ্চি কুমাৰৰ ভাষাত ই “আকৃতি বিচাৰত নাটক, কিন্তু প্ৰকৃতিৰ বিচাৰত গীতিকাব্য” শ্ৰীকৃষ্ণ চৰিত্ৰক মুখ্য কৰি লিখা এই নাটকো শঙ্কৰদেৱক ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰাত প্ৰভুত সহায় কৰিছিল কিন্তু অভূত পুৰ্ব্বৰ সাফল্য লাভ কৰিছিল যদিও এই নাটকৰ সংখ্যা তেনেই লঘিষ্ঠ। গুৰুজনে পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, আদি মাত্ৰ ছখন অঙ্কীয়া নাট ৰচনা কৰিছিল। তেৰাৰ আন এখনি নাম আছিল চিহ্নযাত্ৰা। এই খনেই শঙ্কৰৰ প্ৰথম নাট আছিল যদিও ই অঙ্কীয়া নাট নাছিল। কেৱল সুকুমাৰ কলা আৰু গীত নৃত্যইহে এই নাটত প্ৰধান্য লাভ কৰিছিল।

এইদৰে এহাতে

> “গীত নাট কবিতাৰ সোণৰ কপালী
> ভাষা জননীক দিলে শঙ্কৰে পিন্ধাই”

আৰু আনহাতে—

> “পাপী, তাপী দুখী দীন ধনী নিধনীক
> সত্যৰ আলোক দিলে ভকতি প্ৰেমৰ
> উচ্চ তুচ্ছ, ভেদাভেদ নাৰাখি অকণো
> সনাতন ধৰ্ম্ম দিলে পৰম ব্ৰহ্মাৰ”
> (গণেশ গগৈ)

শঙ্কৰদেৱে বহুমুখী প্ৰতিভাৰে অসমীয়া ধৰ্ম্ম সাহিত্যত সকলোতে নতুন জীৱন দি সোণৰ কলচী নিৰ্ম্মাণ কৰিলে। অসমীয়া মানুহৰ ওপৰত আজিৰ কৃৰি শতিকাতো শ্ৰীমন্ত শঙ্কৰ দেৱৰ প্ৰতিভাই কেনে ধৰণে বিৰাজ কৰিছে তাক ১৯২০ চনত প্ৰথমবাৰৰ বাবে অসম ভ্ৰমণ কৰিবলৈ আহি ভ্ৰমণ অভিজ্ঞতা সমন্ধে লিখোতে মহাত্মা গান্ধীয়ে লিখিছে “A great Vaishnava revival under Sankerdev is sixteen century has made the Assamese people kindly tolerant and humane” (Young India 1922) গুৰুজনৰ সেই সৃজনী প্ৰতিভাৰ ওচৰত নতশিৰ হৈ অসমৰ এজন অচিনাকী ভাইটি বিচিত নাৰায়ণ দাসৰ সুৰতে সুৰ মিলাই আমিও গাওঁ—

> “হে দৱ!
> দেখুৱালা অসমক জ্ঞানৰ পোহৰ
> জাতি ধৰ্ম্ম ভাষা কৃষ্টিৰ সাধি সংস্কাৰ
> মৃত্যু তিথি আহে আজিও বছৰ ৰাগৰি
> সোঁৱৰো তোমাৰ স্মৃতি সেয়ে বাৰবাৰ।”

# অসমীয়া সাহিত্যত চুটি গল্প

আক্ৰামুল ইছলাম
ছাত্ৰ বিজ্ঞান শাখা

অসমীয়া চুটি গল্প ইংৰাজী সাহিত্যৰ প্ৰভাৱত গঢ়ি উঠা। ইয়াৰ কলা কৌশল পশ্চিমীয়া সাহিত্যৰ লগতে বেছি পৰিমানে জড়িত। যদিও ভাৰতীয় ভাবধাৰাত পেলাই পশ্চিমীয়া ৰীতি-নীতিক গল্পৰ পৰা বাহিৰ কৰি আমাৰ সম্পুৰ্ণ নিজৰ কৰিব খুজিছো, তথাপি চুটি গল্পৰ পৰা এই ভাব ভঙ্গিমা কৰ্পটুৰা লগা দি লাগি আছে। ইউৰোপীয় সভ্যতাই গোটেই পৃথিবীত গা কৰি উঠাই হয়তো ইয়াৰ প্ৰধান কাৰণ। সেই কাৰণে আমাৰ ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, সকলোতে পশ্চিমীয়া সভ্যতাৰ প্ৰতিফলন হৈছে। সেয়েহে চুটি গল্পয়ো ইয়াৰ প্ৰভাৱৰ পৰা মুক্ত হব পৰা নাই। এয়া যুগৰ আহ্বান।

পশ্চিমীয়া সভ্যতাই আমাৰ জীৱনত ক্ৰিয়া নকৰাহেঁতেন আমি হয়তো চুটি গল্পক প্ৰাণৰ কুটুম বুলি সামৰি লবলৈ টান পালোহেঁতেন। কৌটিকলীয়া নিজ সংস্কৃতি সভ্যতাক ৰক্ষা কৰি থকা যেনে কৰ্ত্তব্য— দাঁতি কাষৰীয়া সংস্কৃতি সভ্যতাৰ ভাল অংশ আনি নিজৰ কৰি লব পৰাটোও মহান আদৰ্শ। সেইকাৰণে আমাৰ ভাষাৰ চুটি গল্পটো ভাৰতীয় আৰু ইউৰোপীয় সভ্যতাৰ সংমিশ্ৰনৰ ভাব ধাৰা পৰিলক্ষিত হব লাগে।

আমি নিঃসঙ্কোচে স্বীকাৰ কৰিব লাগিব — আমাৰ চুটি গল্প ইংৰাজী সাহিত্যৰ কোলাত জন্ম। কিন্তু এই কথা অস্বীকাৰ কৰি এদলে হয়তো কব পাৰে, প্ৰাচীন ভাৰতবৰ্ষত গল্প সাহিত্যৰ সৃষ্টি হৈছিল— সংস্কৃতৰ পঞ্চতন্ত্ৰ হিতোপদেশ, কথা সৰিৎসাগৰ তাৰেই যুগমীয়া সাক্ষী। তাৰোপৰি ভাৰতৰ গদ্য সাহিত্য অতি প্ৰাচীন— বুৰঞ্জীয়ে পম খেদিব নোৱাৰা যুগৰ কিন্তু প্ৰাচীন কালৰ ৰূপ কথাৰ লক্ষ্য আছিল বাস্তৱ মানুহৰ বাবে অবাস্তৱ— কল্পলোক ৰূপমংলত ৰূপৰ পৰীয়ে কোনোবা ৰূপ কোঁৱৰৰ সোণৰ কাঠিৰ স্পৰ্শত আত্মহাৰা হোৱা কাহিনীয়ে আজিৰ যুদ্ধৰ পৃথিবীক ৰোমাঞ্চিত কৰিব নোৱাৰে। কল্পনাৰ ডেউকাত ভৰ দি আকাশ কুসুম ৰচনা কৰা কাহিনীয়ে বৰ্ত্তমান শতিকাক ভুৱা দিব নোৱাৰে। এই কাহিনীবোৰৰ আকৰ্ষণীয় গুণ কাহানিবাই লোপ পাইছে।

আজিৰ মানুহৰ বাটৰ যোগান ধৰিবলৈ নতুন প্ৰথা অবলম্বন কৰা হল। কালক্ৰমত চুটি গল্পৰ সৃষ্টি। চুটি গল্পৰ সৃষ্টিৰ আন এটা কাৰণ হল সময়ৰ নাটনি মানৱ জীৱনত নতুন নতুন সমস্যাই দেখা দি জীৱন নিৰ্ব্বাহ জটিল কৰি তুলিলে, লগে লগে মানুহ কঠিন পৰিশ্ৰমৰ সন্মুখীন হল। উপন্যাস হাতত লৈ সাহিত্যৰ সোৱাদ লবলৈ বিচাৰিলে। চুটি গল্পই এই সমস্যা সমাধা কৰিলে।

বহুতো স্বকীয়া ভাবধাৰাৰ সমন্বয়ত চুটি গল্পই প্ৰাণ পাই উঠিছে। প্ৰথম মহাসমৰে গোটেই মানৱজাতিক বিপদৰ অথাই সাগৰত পেলোৱাত চুটি গল্পৰ যোগেদি মানুহে অন্তৰৰ দুখ কষ্ট কিছু পৰিমানে কটাবলৈ চেষ্টা কৰিলে। ফ্ৰয়েড, এডলাৰৰ ভাব-প্ৰৱণ তথ্যই চুটি গল্পৰ ভেটি নিৰ্ম্মাণ কৰে। কাৰ্লমাক্সৰ শ্ৰেণী সংগ্ৰামে এই সাহিত্যত নতুন বৈপ্লৱিক ধাৰা বোৱাই দিলে। এয়ে চুটি গল্পৰ মানস-সৰোবৰ।

চুটি গল্পৰ লক্ষণলৈ আজিও চিন্তাশীল ব্যক্তি শেষ সিদ্ধান্তত উপনীত হব পৰা নাই। এটা শ্ৰেণীৰ মতে চুটি গল্প কেতিয়াও দীঘল হব নোৱাৰে। নামটোৱেই এই কথাকে বুজাই বুলি তেওঁলোকে যুক্তি দৰ্শাই, আন এটা দলে আকৌ আকৃতিৰ কথা পাহৰি গল্পৰ কাহিনীতে বেছি মূল্য দিয়ে। এওঁলোক কেৱল মূল কাহিনীটো ফুটাই তোলাত ব্যস্ত। আন এটা শ্ৰেণীৰ মতে চুটি গল্পৰ কাহিনী লেখত লব লগীয়া নহয়— প্ৰকাশভঙ্গী, বিকাশ, অনুভূতি আৰু ৰস সৃষ্টিয়েহে ঘাই কথা। তাৰ ভাব এটা— সংলগ্নই হওঁক বা অসংলগ্নই হওঁক তাক যদি গল্পৰ আটেৰে ৰূপায়িত কৰিব পাৰি তাকে চুটি গল্পৰ শাৰীত থিয় কৰাব পাৰি। মোপাচাঁ এনে মতাৱলম্বী। এই মতটো বেছি যুক্তি যুক্ত হোৱাৰ কাৰণে চাগৈ মোঁপাচাই গল্প সাহিত্যত বৈ বৈ যোৱা খ্যাতি আৰ্জ্জিলে।

চুটি গল্প মানুহৰ কণ কণ মুহূৰ্ত্তৰ প্ৰতিবিম্ব। হেম বৰুৱাৰ মতে—"জীৱনৰ ক্ষুদ্ৰ মুহূৰ্ত্তবোৰ উপেক্ষণীয় নহয়। এনে মুহূৰ্ত্তবোৰ ক্ষুদ্ৰ যদিও সম্পূৰ্ণ।" এডগাৰ এলেনপোৰ চুটি গল্পৰ সম্পৰ্কে ধাৰণা—"A short story is a piece of fiction dealing with a single incident, material or spiritual, that can be read at on single sitting." চুটি গল্পৰ কৃত কাৰ্য্যতা নিৰ্ভৰ কৰে প্ৰকাশভঙ্গীৰ ওপৰত। ইয়াত শব্দৰ 'ইকনমি' বৰ আপৰিহাৰ্য্য। তাত অনাৱশ্যক এটা বাক্য, এটা শব্দও থাকিব নোৱাৰে। প্ৰথম বাক্যটোৱেই যেন চিত্তাকৰ্ষক হয়, তাৰ কাৰণে অলপ তত্ত্ব, অলপ বিকাশ আৰু অলপ নীৰৱতা থাকিব লাগে। তত্ত্বহীন কাহিনীৰ পৰা মনোৰঞ্জন হলেও মানসিক তৃপ্তি নহয়। কিছুমানে আকৌ গল্পৰ মাজেৰে নীতি-বচন প্ৰচাৰ কৰিব বিচাৰে। এইটো লিখকৰ বৰ দোষ। সাহিত্যৰ উদ্দেশ্য যদি নীতি-বচন প্ৰচাৰ কৰাই হলহেঁতেন তেন্তে বুদ্ধদেৱ যীশু-খৃষ্টৰ জন্মই নহলহেঁতেন। মানসিক তৃপ্তিয়ে চুটি গল্পৰ মুখ্য গুণ এই নিয়ম মানি নচলিলে চুটি গল্প ৰচনাত সফলতা লাভ কৰা টান। জীৱনৰ যি কোনো ঘটনাকে কেন্দ্ৰ কৰি চুটি

গল্প ৰচনা কৰিব পাৰি। লিখকে কি লিখিছে তাক নোসোধে, সুধিব কেনেকৈ লিখিলে। সেই কাৰণে কলা কৌশলেই চুটি গল্পৰ প্ৰধান অঙ্গ।

গছৰ পাত এটা সৰা ঘটনাকে লক্ষ কৰি চকুলোৰে ঢুকি নোপোৱা বেদনাক্লিষ্ট, মৰ্ম্মদহ কাহিনী চুটি গল্পত ৰূপায়িত কৰিব পাৰি। অৱশ্যে তাত এটা বিশেষত্ব থাকিব লাগিব। উদাহৰণ স্বৰূপে সৰল, সহজ, চপলা ষোড়শী গাভৰু এজনী সদায় বাজ পথেৰে অহা যোৱা কৰে। ইয়াত কোনো বিশেষত্ব নাই। এয়া সৃষ্টিৰ দৈনন্দিন ঘটনা। কিন্তু হঠাতে এদিন বিজুলীৰ চমকনিৰ দৰে দুই ওঁঠ ভেদ কৰি পাৰিজাত হাঁহি এটা বাগৰি গ'ল। গল্প লিখকৰ অন্তৰত এই ঘটনাই প্ৰতিক্ৰিয়া কৰিলে। আবেগ বাঢ়ি আহিল। জিজ্ঞাসু সহজাত প্ৰবৃত্তিয়ে ঘটনাৰ মাজলৈ প্ৰবেশ কৰিলে। যুৱতীয়ে কিয় হাঁহিছিল, হাঁহিটো গৌৰৱাত্মক নে বিদ্ৰূপাত্মক নে সহানুভূতিপূৰ্ণ লিখকৰ হেজাৰ প্ৰশ্নৰ জাউৰি উঠে। গল্পৰ মাজত মনস্তাত্ত্বিক ব্যাখ্যা দিয়ে। এইদৰে ক্ষুদ্ৰ ক্ষণটোক আৰ্টৰ মাজেৰে সজাই পৰাই তোলে। তাত যুৱতীৰ পূৰ্ব্বপুৰুষৰ কাহিনী নাইবা অতীতৰ বুকুত হেৰাই যোৱা বহল জীৱনৰ বিৱৰণ দিবলৈ ঠাই নাই। উপন্যাসৰ লগত চুটি গল্পৰ এইটোৱে ডাঙৰ পাৰ্থক্য।

পোনতে ফৰাচী, তাৰাপিচত ৰুচদেশত চুটি গল্পৰ জনপ্ৰিয়তা বাঢ়ি আহিল। ফৰাচীৰ মোঁপাচা চুটি গল্প সাহিত্যৰ অগ্ৰদূত। সেই বুলি ৰুছ দেশৰ চেকভৰ কথা বাদদি চুটি গল্পৰ কথা ভাবিব নোৱাৰি। মোঁপাচাৰ দৰে পৃথিৱীৰ সকলো দেশৰ চহকী সাহিত্যতে চেকভৰ চুটি গল্প ওতঃপ্ৰোত ভাবে জড়িত হৈ আছে।

বিংশ শতিকাৰ প্ৰথম ভাগত আমাৰ অসমত সাহিত্য সম্ৰাট লক্ষীনাথ বেজবৰুৱাই চুটি গল্পৰ পাতনি মেলে। তেওঁৰ অহোপুৰুষাৰ্থ চেষ্টাত চুটি গল্পই নিদ্ধাৰিত পথেৰে অগ্ৰহৰ হয় ব্যঙ্গাত্মক ৰচনা আৰু আকাশত চাংপতা কিছুমান ভৌতিক কাহিনীৰে সংস্কাৰকামী মনোভাৱ লৈ সমাজৰ দোষ গুণ ফহিয়াই দেখুৱাই ছিল। এইদৰে তেওঁ চুটি গল্পৰ মাজেদি উপদেশ ধৰ্ম্মী সাহিত্যৰ সৃষ্টি কৰিছিল। উপদেশধৰ্ম্মী সাহিত্য যদিও আৰ্টৰ প্ৰতিবন্ধক তথাপি বেজবৰুৱাৰ জাতীয়তাবাদৰ সন্মুখত আৰ্টে পৰাজয় বৰণ কৰিছিল। হাস্যৰসেই আছিল তেওঁৰ চুটি গল্পৰ মূল উপাদান। মূখত এমোকোৰা হাঁহিৰে সাহিত্য চৰ্চ্চা কৰি বেজবৰুৱাই অসমীয়াৰ হিয়াত বৰ পৌৰা পাৰি বহিছে। "জগৰা মণ্ডলৰ প্ৰেমাভিনয়, 'মোৰে সৈতে মনাইৰ দন্দ" 'ৰতন মুণ্ডা' আদি অসমীয়া চুটি গল্পৰ মনোৰম চানেকি। বেজবৰুৱাই কিন্তু সাধুকথা আৰু গল্পৰ মাজত ব্যৱধান নাৰাখিছিল। সেয়েহে প্ৰাচীন সাধু গল্পৰ মাজত সোমাই গল্পৰ আৰ্ট হ্ৰাস কৰিছে। আকৌ সকলো ৰচনাতে হাস্যৰস থকাৰ কাৰণে কৰুণ গল্পৰ কৰুণতা বহু পৰিমাণে কমাই দিয়ে। 'পুত্ৰবান পিতাকেই উদাহৰণ স্বৰূপে লব পাৰি। বেজবৰুৱা যুগৰ প্ৰধান পটভূমি আছিল গাৱঁলীয়া খেতিয়ক সমাজ আৰু পাশ্চাত্য শিক্ষাৰ আধা কেচেলুৱা পোহৰ পোৱা

আমোলা শ্ৰেণীৰ কৃত্ৰিম জীৱন। বেজবৰুৱাৰ 'ৰতনমুণ্ডা'ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ বিখ্যাত গল্প 'পোষ্ট মাষ্টাৰ'ৰ ছাঁ পৰিছে।

বেজবৰুৱাই অসমীয়া চুটি গল্পৰ ভেটি বান্ধি থৈ গল। তাৰ পিচত এটা দলে চুটি গল্প ৰচনাত মনোনিবেশ কৰে। তাৰ ভিতৰত শৰৎ চন্দ্ৰ গোস্বামী, নকুলচন্দ্ৰ ভূঞা, হলিৰাম ডেকা, ৰমা দাস, নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ইন্দিবৰ গগৈ উল্লেখযোগ্য। এই লিখক শ্ৰেণী গঢ়ি তোলে 'আৱাহণ' আৰু বাঁহীয়ে। অসমীয়া চুটি গল্পৰ প্ৰাণ প্ৰতিষ্ঠাত আৱাহনৰ বৰঙণি ৰৰ বেছি। আৱাহন যুগক অসমীয়া চুটি গল্পৰ স্বৰ্ণ যুগ বুলিব পাৰি।

আৱাহন যুগৰ সামাজিক বাতাৱৰণৰ ঘাই বৈশিষ্ট্য হল এই যে সেই সময়ত ইংৰাজী শিক্ষাই সমাজত ভালকৈ শিপা ধৰি উঠিছিল। দেশৰ সকলো ঠাইতে এচাম ডেকা মূৰ ডাঙি উঠিছিল। ইংৰাজী শিক্ষা সভ্যতাৰ লগত অপেক্ষাকৃত ঘনিষ্ঠতৰ পৰিচয়ৰ ফলত সৃষ্টি হোৱা এটা কৃত্ৰিম নৱন্যাসিক জীৱনাদৰ্শ ই এওঁলোকৰ দৃষ্টি ভঙ্গীক আচ্ছন্ন কৰি তুলিছিল। দেশৰ সামাজিক দৃষ্টি ভঙ্গীৰ বিবৰ্ত্তনত এই ঘটনাৰ তাৎপৰ্য্য গভীৰ আৰু সুদূৰ প্ৰসাৰী। ঠিক এনে এটা পৰিবেশত সেই সময়ৰ ডেকা লিখক সকলে গল্পৰ বিষয় বস্তুৰ কাৰণে ঘাইকৈ বাছি ললে নৰনাৰীৰ প্ৰণয় ভিত্তিক গাৰ্হস্থ্য জীৱন ৰচনাৰ স্বপ্ন। আৱাহন যুগৰ চুটি গল্পৰ সৰহ ভাগ ঠাই দখল কৰি আছে প্ৰেমৰ গল্পই। বেছিভাগ গল্পৰ উপজীব্য ব্যৰ্থ প্ৰেম। সেই সময়ত লিখক সকলৰ বস্তু-প্ৰতীতি আৰু বাস্তৱতা বোধ অপৰিণত হৈ থকাৰ ফলত এই সামাজিক সংঘাতৰ ট্ৰেজিক ৰূপ তেওঁলোকৰ চকুত নপৰিল আৰু তাক লৈ কোনো উচ্চ-স্তৰৰ গল্প সৃষ্টিও সম্ভৱ নহল তাৰ পৰিবৰ্ত্তে সেই সময়ৰ চুটি গল্পত আমি দেখা পালো প্ৰণয়-ভিত্তিক গাৰ্হস্থ্য জীৱন ৰচনাৰ বাস্তৱ-বিমুখ স্বপ্ন আৰু হতাশাজনিত বিলাসত নায়িকাৰ প্ৰতি পৰীশীলিত মনোবৃত্তিৰ প্ৰকাশ। যি কোনো সাহিত্য সৃষ্টিতে বিষয়বস্তুৰ লগত লিখকৰ আবেগৰ যি একাত্মতাবোধ লাগে সেইটো তেওঁলোকৰ নাছিল।

আৱাহন যুগৰ গল্পৰ অন্যতম ঘাই উপজীব্য আছিল ৰোমান্টিক প্ৰেম। সাম্প্ৰতিক অসমীয়া গল্পত প্ৰেমৰ ৰোমান্টিক আদৰ্শ প্ৰায় অনুপস্থিত। তাৰ ঠাই দখল কৰিছে যৌন নৈতিকতাৰ বিশ্লেষণ আৰু মনোজীৱন নৈতিক সংকটে। আনকি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ বিধবা বামুনৰ ছোৱালী মাকনো এই সংকটৰ পৰা মুক্ত হব পৰা নাই। আজিৰ পৰা কুৰি বছৰৰ আগতেও 'মাকনৰ গোসাই'ৰ যি সংঘাত সামাজিক ক্ষেত্ৰতহে হলহেঁতেন, সেই সংঘাত আজি ঘটিছে তাইৰ মনোজীৱনত। যৌন-নৈতিকতাৰ এই সংকটক উজ্জ্বল ৰূপত প্ৰকট কৰিবলৈ গৈ বহুতো লিখকে তেওঁলোকৰ গল্প লৈ প্ৰচুৰ পৰিমাণে বেশ্যাৰ চৰিত্ৰ আমদানি কৰিছে। যোৱা এটা দশকত অসমীয়া গল্পত বেশ্যাৰ জীৱনক লৈ যিমান চাঞ্চল্যৰ সৃষ্টি হৈছে অসমীয়া সাহিত্যত আৰু কেতিয়াও এনে ঘটনা

হোৱা নাছিল। সদা শইকীয়াই 'অৰণ্য হে অৰণ্য' আৰু 'দুৰ্য্যোধন তুলসীক মই'ত আধুনিক মনোজীৱনৰ ছবি আকিবলৈ গৈ বহুতো বেশ্যাক তেওঁলোকৰ অবচেতন বিক্ষোভৰ প্ৰতীক ৰূপে থিয় কৰাইছে। অৰণ্যে যোগেশ দাসে 'বগা কুঁৱলী' আৰু হোমেন বৰগোঁহায়ে 'অক্টোপাচ'ত নগ্নবাস্তৱৰ ৰূপ দিছে যদিও অশ্লীল কৰি পেলোৱা নাই। যোগেশদাস আৰু হোমেন বৰগোহাঁইৰ গল্পৰ পুৰুষ চৰিত্ৰবোৰ আধুনিক বুদ্ধিজীৱি মনৰ প্ৰতিনিধি। তিৰোতাৰ প্ৰতি বা যৌন আবেগৰ প্ৰতি সিহঁতৰ দৃষ্টিভংগী জড়িত নহয়। আবেগৰ দ্বন্দ চেতনাই সিহঁতৰ দৃষ্টিক সদায় আবিল কৰি ৰাখে।

মহাযুদ্ধৰ লগে লগে আৱাহন যুগৰ সমাপ্তি ঘটিল। যুদ্ধ সাত বছৰ কাল চলিছিল। এই বিক্ষুব্ধ সাতটা বছৰ সাহিত্যক ধোঁৱা চাঙত তুলি থব লগা হল। ১৯৪৫ চনত যুদ্ধ শেষ হলেও স্বাভাৱিক অৱস্থা ঘূৰি আহিবলৈ কিছু দিন লাগিল। যুদ্ধকালীন সঙ্কটৰ সহায়ত সকলো সাহিত্য পত্ৰিকা বন্ধ হৈ যোৱাত প্ৰাক যুদ্ধ কালৰ লিখক সকলে লিখনী একেবাৰে বন্ধ কৰি দিলে। যি দুই চাৰিজন পুৰণি লিখক এতিয়াও লিখাত লাগি আছে তেওঁলোকৰ ৰচনাত চলমান জীৱনৰ কোনো স্পন্দন নাই।

সময়ে আমাৰ জীৱনলৈ পৰিবৰ্ত্তন অনাৰ দৰে সাহিত্যৰ ক্ষেত্ৰতো পৰিবৰ্ত্তন অনা দেখা যায়। কিন্তু এই পৰিবৰ্ত্তনক উপলব্ধি কৰা যায় সাহিত্যৰ উন্নতি আৰু অৱনতিৰ বিবেচনাৰেহে। মানুহে কোনো দিন কালৰ ওচৰত হাৰ মানিবলৈ বিচৰা নাই। নহলে মানুহক খন্তেক থমকি যাবৰ কাৰণে তাজমহলে নেমাতিলে হেঁতেন, মেঘৰ লগত কালিদাসে কথা নেপাতিলে হেঁতেন, ৰাফেলে নিৰ্জীৱ ৰঙ তুলিকাৰে মেডোনাক কালজয়ী কৰি নগলহেঁতেন, মহেঞ্জোদাৰোৰ ভগা শিলে মাটিৰ তলৰ পৰা গা দেখা নিদিলেহেঁতেন।

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ ঘাই মুখপত্ৰ হ'ল ৰামধেনু। ৰামধেনুৰ আটাইবেইজন শ্ৰেষ্ঠ লিখক যুদ্ধোত্তৰ যুগৰ সৃষ্টি। এই লিখক গোষ্ঠীৰ বেছি ভাগৰে কৈশোৰ আৰু যৌৱন অতিবাহিত হৈছিল বিশ্বব্যাপী মহাযুদ্ধৰ মৃত্যু ম্লান ছায়াৰ মাজত। আৱাহন যুগৰ গল্প লিখক সকলে যি বয়সত সহপাঠিনী বান্ধবীৰ লগত প্লেটনিক প্ৰেমৰ পৰাকাষ্ঠা দেখুৱাইছিল বা হাকিমৰ গাদী দখল কৰাৰ স্বপ্নত বিভোৰ আছিল সেই সময়ত এই চাম লিখকে বোমাৰু বিমানৰ গৰ্জ্জনত স্তব্ধ হৈ মাটিত বাগৰি বাতৰি কাগজত মানুহৰ মৃত্যুৰ সংখ্যা গনিছিল যি বয়সত মানুহে জীৱনৰ মধুৰতম স্বপ্ন ৰচনা কৰে সেই সময়ত এই চাম লিখকৰ সমুখত আছিল বিশ্বব্যাপী হতাশা আৰু অন্ধকাৰ।

স্বাধীনতা লাভৰ লগে লগেই ৰাজনৈতিক সংগ্ৰামৰ অন্ত পৰিছিল। সমাজত যি কোনো ব্যাপক ধ্বংসলীলা বা যুদ্ধৰ পাছত মানুহৰ মনলৈ এটা দাৰ্শনিক জীৱন জীজ্ঞাসা প্ৰৱনতা আহে। ই যেন কুৰুক্ষেত্ৰ যুদ্ধৰ পাছত মহাভাৰতৰ শান্তি পৰ্ব্ব। কলিংগ জয়ৰ পাছত অশোকৰ বুদ্ধ শৰণ। এই জীজ্ঞাসাই বেছি ভাগ ক্ষেত্ৰতে আশ্ৰয় কৰিলে আধুনিক মনস্তত্বক

ৰামধেনুৰেই সৃষ্টি কৰিলে আব্দুল মালিক, ৰমা দাস, ভবেন্দ্ৰ নাথ শইকীয়া, চন্দ্ৰ প্ৰসাদ শইকীয়া, স্নেহ দেৱীৰ দৰে সু-সাহিত্যিক সকলক। এওঁলোকৰ হাতত চুটি গল্পই নতুন ৰূপ লয়।

ৰমাদাসৰ গল্পত কল্পনাৰ সংলগ্নতা, প্ৰকাশ-ভঙ্গী, বৰ্ণনাৰ মাধুৰ্য্য নিখুত শব্দ গাথনি, ভাষাৰ সাৱলীলতা, জৈৱিক প্ৰবৃত্তি সমূহৰ অবাধ বিচৰণ আদি পোৱা যায়। বিষয়বস্তুত মালিকতকৈ দাস বেছি চহকী। কিন্তু প্ৰকাশভঙ্গীত মালিক অপ্ৰতিদ্বন্দী। মালিকৰ আন এটা বিশেষকৈ মন কৰিবলগীয়া লক্ষণ চৰিত্ৰবোৰৰ আকস্মিক প্ৰবেশ। 'ৰমাদাসৰ শ্ৰেষ্ঠ গল্প' আৰু মালিকৰ 'পৰশমণি' পঢ়িলে দুয়োৰে পাৰ্থক্য গম পোৱা যায়।

মালিকৰ পৰশমণিৰ পৰশে অসমীয়া চুটি গল্প সাহিত্যলৈ নতুন ঢল আনে। তাত থকা 'কাঠফুলা', 'প্ৰাণ পোৱাৰ পিচত' আদি মনোৰঞ্জক গল্প। ৰামধেনুৰ পাতত মালিকে তেওঁৰ শ্ৰেষ্ঠ গল্প 'লাইফটো আইমীন' প্ৰকাশ হয়। দৰিদ্ৰ সমাজ এখনৰ বাস্তৱ ৰূপ ইমান সুন্দৰকৈ ফুটাই তুলিছে যে পঢ়িলে আমনি নালাগে। কেইটামান গল্পত নগ্ন বাস্তৱৰ চিত্ৰও আঁকিছে। 'বীভৎস বেদনা' আৰু 'শিখৰে শিখৰে'ৰ দৰে নগ্ন সাহিত্যৰ চিত্ৰৰূপ ভাৰতীয় সাহিত্যৰে এক সমালোচনাৰ বস্তু। হেমবৰুৱাই এই নগ্নতাৰ বিষয়ে লিখিছে—"চুটি গল্প আৰ্ট, ই চিত্ৰধৰ্মী, ফটোগ্ৰাফ ধৰ্মী নহয়।" নগ্ন কাহিনীক আৰ্টৰ সাজ পিন্ধালেহে মনোগ্ৰাহী হয়।

চন্দ্ৰ প্ৰসাদ শইকীয়াই আন এলানি নাৰী চিত্ৰ আমাৰ আগত দাঙি ধৰিছে। নৈতিক সংকট আৰু আৰ্থিক পীড়নৰ দ্বাৰা অবিকৃত আৰামাপুষ্ট জীৱনৰ পক্ষ-পুটত লালিত এইবোৰ ছোৱালীৰ ৰোমান্টিক বেদনা, দেহ আৰু মনৰ সৌন্দৰ্য্যৰ মাধুৰী আৰু শুচি স্নিগ্ধ আকাঙ্ক্ষাৰ কাহিনীয়ে পাঠকৰ কল্পনাক বৰ্ণাঢ্য ভাববিলাসেৰে ৰঞ্জিত কৰে। 'অপেক্ষা' শইকীয়াৰ শ্ৰেষ্ঠ গল্প। তেখেতৰ গল্পত ৰোমান্টিক ঐতিহ্যৰ স্পন্দন অনুভৱ কৰা যায়। গাৱঁলীয়া জীৱনৰ পটভূমিত যিসকলে গল্প লিখিছে তেওঁলোকৰ মনোযোগ ঘাইকৈ আকৃষ্ট হৈছে ব্যক্তি জীৱনৰ নিয়ামক মনোবৃত্তিৰ বিচাৰ বিশ্লেষণৰ প্ৰতি। ভবেন্দ্ৰ নাথ শইকীয়া, লক্ষ্মীনন্দন বৰা আদিৰ গল্প এই শ্ৰেণীত পৰে। শইকীয়াৰ গল্প 'প্ৰহৰী'ৰ দৰে বৰ্ণনা মধুৰ গল্প অসমীয়া সাহিত্যত নতুন এটা দুৰ্গৰ অঙ্কৰে আৰম্ভ কৰি শেষত ৰজনী মাষ্টৰ পালসাৰা ছবিখন ফুটাই তুলিছে। লক্ষ্মীনন্দন বৰাই 'ভাওনা'ত গাৱঁলীয়া জীৱনৰ চিত্ৰ আঁকিছে।

হোমেন বৰগোহাঞিৰ গল্পই চুটি গল্প সাহিত্যত নতুন ভাৱ ধাৰাৰ অৱতাৰনা কৰিলে। আমাৰ সাহিত্যত ইয়াৰ আগতে তেওঁৰ দৰে বলীষ্ঠ দৃষ্টি ভঙ্গীৰে কোনেও গল্প লেখিবলৈ সাহস কৰা নাই। 'মহাশ্বেতাৰ বিয়া' পঢ়িলে অনুমান হয় যেন তেওঁ ফ্ৰয়েডৰ তত্ব প্ৰমান কৰিবৰ অভিপ্ৰায়ে গল্প লেখিছে। আমাৰ অসমত বহুতো লিখক চুটি গল্প ৰচনাত উঠি পৰি লাগিছে। অৱশ্যে কিছুমানে 'টিজন' ফুলৰ দৰে এবাৰ মাত্ৰ বছৰত একোটা গল্প লিখে।

সৈয়েহে তেওঁলোকক আলোচনাত বাদ দিয়া হৈছে। প্রতুল শৰ্ম্মাৰ 'দ্বিজ' মেদিনী চৌধুৰীৰ 'বলীয়াহাতী' ৰোহিণী কুমাৰ কাকতিৰ 'কুকুৰ' মহিম বৰাৰ 'কাঠনি বাৰী ঘাট' আদি যুগবিজয়ী গল্প।

চুটি গল্পৰ উন্নতিৰ বাবে দেশত অধিক সংখ্যক আলোচনীৰ প্ৰয়োজন। আলোচনীয়ে ন-লিখকক উৎসাহ আৰু প্ৰেৰণা যোগায়। আজি আলোচনীৰ পাতত যি কেইজন লিখকৰ গল্প প্ৰায়ে পোৱা যায় আৰু অতি কম সময়ৰ ভিতৰত খুব প্ৰিয়তা অৰ্জন কৰিছে—সেই সকলৰ শ্ৰেষ্ঠ গল্প সম্ভাৱেৰে এই আলোচনাৰ সামৰনি মৰা হব। ৰামধেনু, প্ৰতিনিধি, নৱযুগ আদিত এওঁলোকৰ গল্প প্ৰায়ে পোৱা যায়। সেই সকল হৈছে—নিৰোদ চৌধুৰী ইমৰান শ্বাহ, অমূল্য বৰুৱা, মামনি ৰয়চম গোস্বামী, অনিমা ভৰালী, ছাঈদুল ইছলাম, প্ৰদীপ শইকীয়া, বিজু হাজৰিকা আদিয়ে প্ৰধান। চৌধুৰীৰ গল্পবোৰ বৰ্ণনা বহুল (অঙ্গে অঙ্গে শোভা), শ্বাহৰ গল্পত ফ্ৰয়ডৰ সূত্ৰ (প্ৰিয়ামুখচন্দা), বৰুৱাৰ গল্পত অন্নসমস্যা (স্বেদদাহ), গোস্বামীৰ গল্পত কলেজীয়া জীৱনৰ চিত্ৰ (কইনা), ভৰালীৰ গল্পত অবিচাৰৰ চিত্ৰ (ভুল ঘাটৰ নাও), ইছলামৰ গল্পত ভগনীয়া সংস্থা (কোবাছ), আৰু শইকীয়াৰ গল্পত দৰিদ্ৰতা (মাটিৰ মৰম) ভালকৈ পৰিলক্ষিত হৈছে। হাজৰিকাৰ গল্পত গাওঁলীয়া চিত্ৰ ফুটি উঠিছে। এই গল্পলিখক সকলৰ গল্পত উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনা দেখা যায়।



# আদিম পৃথিৱী

## আৰু জীৱৰ ক্ৰমোন্নতি

কুণ্ডিল কুমাৰ চুতীয়া।
( প্ৰাক্তন ছাত্ৰ )

আমি জানো যে বৰ্ত্তমান জীৱ জগতে আশ্ৰয় লৈ থকা এই বিৰাট পৃথিৱীখন সূৰ্য্যটোৰ পৰা ফাটি অহা এটা অংশ মাথোন। আদিম অৱস্থাত এই পৃথিৱীখন যে অত্যন্ত গৰম অৱস্থাত আছিল তাৰ প্ৰমাণ আজি আমি জ্বলামুখীৰ আগ্নেয়োৎপাতৰ সময়ত ওলোৱা গলিত আৰু অগ্নীময় পদাৰ্থবোৰৰ পৰা পাওঁ। ভূ-গৰ্ভ যে এযিয়াও অত্যন্ত গৰম অৱস্থাত আছে তাৰ প্ৰমানো আমাক পদাৰ্থবোৰে দিয়ে। গতিকে আমি যদি এই পৃথিৱীখনৰ উৎপত্তিৰ আদিম অৱস্থালৈ ওলটি চাওঁ তেনেহলে আমি বুজিম যে এই উৎতপ্ত পৃথিৱীখনে আদিম অৱস্থাৰ পৰা তাপ বিকিৰণ কৰি কৰি কালক্ৰমত চেঁচা হৈ বৰ্ত্তমান অৱস্থা পাইছেহি।

জ্যোতিৰ্বীদ সকলৰ মতে আদিম পৃথিৱীখন এক শক্তিশালী জোৱাৰ আৰু প্ৰৱল সোঁতৰ চাকনৈয়া আছিল। সেই সময়ত পানীবোৰ গলিত ধাতু আৰু গন্ধক আদিৰ উৎতপ্ত তাপত পৰি সদায় গেচীয় অৱস্থাত আছিল। সেই সন্ধিক্ষণত চন্দ্ৰ আৰু সূৰ্য্য উভয়ে উৎতপ্ত ডাৱৰেৰে আবৃত এখন উজ্জ্বল আকাশত একোটা প্ৰকাণ্ড জুই শিখাৰ দৰে বিচৰণ কৰি ফুৰিছিল। এইদৰেই কোটি কোটি বছৰ অতিক্ৰম কৰাৰ পিচত পৃথিৱীখনে লাহে লাহে নিজৰ উৎতপ্ত গুণ হেৰুৱাবলৈ ধৰিলে আৰু ফলত আকাশত বিচৰণ কৰি ফুৰা উৎতপ্ত বাষ্পবোৰ লাহে লাহে তললৈ খহি আহি ঘনিভূত হবলৈ ধৰিলে। কালক্ৰমত গলিত সাগৰৰ পিঠিত কিছুমান প্ৰকাণ্ড শিল দেখা গল। পৃথিৱীখনে এই অৱস্থা পোৱাৰ সময়খিনিত চন্দ্ৰ আৰু সূৰ্য্যৰ দূৰত্ব আগতকৈ বহুতগুণে বেচি হল আৰু আকাৰতো লাহে লাহে সৰু হৈ আহিবলৈ ধৰিলে। চন্দ্ৰটোৰ আকৃতি সূৰ্য্যৰ তোলনাত সৰু হোৱাৰ হেতুকে ই সূৰ্য্যতকৈ আগতে চেঁচা হৈ গোট মাৰিলে। এনেকৈয়ে কোটি কোটি বছৰ পাৰ হল আৰু অৱশেষত পৃথিৱীখনে সেই ভয়াবহ ৰূপ সলনি কৰি বৰ্ত্তমান আমি বাস কৰি থকা এই সুন্দৰ পৃথিৱীখনৰ ৰূপ ললে। তাহানিৰ সেই বাষ্পীয় বতাহবোৰ গোটমাৰি

ভাৱৰৰ আকাৰ ললে আৰু সাগৰত প্ৰথম সৃষ্টি হোৱা প্ৰকাণ্ড শিলবোৰৰ ওপৰত বৰ্ষাৰ সূত্ৰপাত হল। লাহে লাহে পৃথিৱীখনৰ বয়স বেচি হৈ আহিবলৈ ধৰিলে আৰু সূৰ্যটোৰ দূৰত্বও আগতকৈ বহুত গুণে বেচি হল। ফলত ইয়াৰ গতি আগতকৈ কিছু ধীৰ হল। চন্দ্ৰটোৰ গতিও আগতকৈ বহুত ধীৰ হল আৰু পৃথিৱীত বৰষুণ আৰু ধুমুহাৰ প্ৰবলতা কমিল। কালক্ৰমত প্ৰথম সৃষ্টি হোৱা সাগৰ বোৰত পানীৰ পৰিমাণ বেচি হৈ মহাসাগৰলৈ বৈ যাবলৈ ধৰিলে। তেতিয়াৰ পৰাই আমাৰ গ্ৰহটো ক্ষয়প্ৰাপ্ত হবলৈ ধৰিলে। কিন্তু তেতিয়ালৈকে পৃথিৱীত জীৱৰ কোনো চিন মুকামকে নাছিল। লগতে সাগৰবোৰো জীৰ্ণ হীন আৰু শিলবোৰো বন্ধ্যা অবস্থাত আছিল।

মনুষ্য জাতিৰ জ্ঞান বিস্তাৰৰ পূৰ্ব্বে এই পৃথিৱীত জীৱৰ সন্ধানৰ বিষয়ে বহুতো তথ্য কিছুমান পুৰণি কলিয়া শিলত স্তৰিভূত হৈ থকা ফছিলৰ ( fossil ) পৰা বৰ্ত্তমান উদ্ধাৰ কৰিছে। আজিলৈকে আবিস্কাৰ হোৱা ফছিলৰ ( fossil ) ভিতৰত প্ৰথম ফছিল ( fossil ) টো আছিল এটা প্ৰকাণ্ড চৰাই ( Archaeopteryx ) এই ফছিল ( fossil ) টো ইং ১৮৬১ চনত এনশিড়আচ ওৱেগনাৰ নামৰ এজন মানুহে জাৰ্মেনিৰ চলেন্‌হফেন নামৰ ঠাইত আবিস্কাৰ কৰে। বৰ্ত্তমান এই ফছিলটো বৃটিচ মিউজিয়ামত সুন্দৰকৈ ৰখা হৈছে। দ্বিতীয় ফছিল টো সেই একে ডোখৰ ঠাইতে ইং ১৮৭৭ চনত আবিস্কাৰ কৰিছিল। বৰ্ত্তমান সেই ফছিলটো ব্ৰালিন্ মিউজিয়ামত ৰখা হৈছে।

প্ৰথম অৱস্থাত সৃষ্টি হোৱা সেই শিলবোৰ ভূতত্ব বিদ সকলে এজয়িক ( Azoic ) শিল বুলি আখ্যা দিছে। কিন্তু সেই শিলবিলাকে আমাক জীৱৰ কোনো সন্ধান দিব নোৱাৰিলে। সেই শিল বিলাকত পানীৰ সোঁত আৰু বৰষুণৰ চিন আজিও স্পষ্ট ৰূপে বিদ্যমান। কিন্তু জীৱ থকা প্ৰাণীৰ কোনো চিন মুকাম পোৱা নেযায়। বৈজ্ঞানীক সকলৰ মতে এটা সামান্য চিহ্নৰূপে পানীত প্ৰথম জীৱৰ বিকাশ হয়। কিন্তু ইয়াৰ উৎপত্তিৰ সঠিক বিবৰণ আজি কুপটি কোনেও দিব পৰা নাই আৰু ই বৰ্ত্তমান জীৱজগতৰ মাজত এটা জটিল সাথৰ হৈয়েই ৰল। এই সামান্য চিহ্নৰূপেই শ-শ বছৰ অতিবাহিত হৈ গল। তাৰ পিচত দেখা দিলে এক নতুন প্ৰাণী যি পানীবিলাকে বৰ্ত্তমান গছবিলাকৰ দৰে লৰচৰ কৰিব পাৰিছিল। কেই লাখ বছৰৰ পিচত পৃথিৱীলৈ এই প্ৰাণীবিলাকতকৈ শক্তিশালী আৰু উত্তেজিত আন এবিধ প্ৰাণীৰ আগমন হল। সেইবিলাক আছিল সাগৰীয় বিছা। সেই বিছাবোৰ দীঘলে প্ৰায় ৯ ফুট মান আছিল। সেই সময়ৰলৈকে ভূপৃষ্ঠত কোনো উদ্ভিদ বা প্ৰাণীৰ চিন মূকাম নাছিল আৰু তেতিয়ালৈকে কোনো মাছ নাইবা তেনে মেৰুদণ্ডী প্ৰাণীৰ আগমন হোৱা নাছিল।

জৈবিক ক্ৰমবিকাশৰ (Organic evolution ) সূত্ৰ মতে বৰ্ত্তমান অৱস্থিত সকলো ধৰণৰ প্ৰাণী আৰু উদ্ভিদ কিছুমান সামান্য চিহ্নৰূপ বংশগতৰ পৰা উদ্ভৱ হৈছে আৰু কালৰ গতিত নিজৰ নিজৰ দেহৰ গঠন আৰু

পৰিপুষ্টি আদিৰ পৰিবৰ্ত্তন হৈ বৰ্ত্তমান অৱস্থাত পূৰ্ণাঙ্গৰূপ লৈছে। উদ্ভিদ আৰু প্ৰাণীজগতৰ বৰ্ত্তমান যি শাৰিৰীক গঠন আৰু পৰিপুষ্টি, কালৰ গতিত সেইবোৰ যে আকৌ এদিন পৰিবৰ্ত্তন নহব তাৰ কোনো মানে নাই। পৃথিবীত জীৱ হঠাতে আবিৰ্ভাব হোৱা নাই। ইয়াৰ এবাৰ উৎপত্তি হল যেতিয়া ক্ৰমবিকাশ আৰু ক্ৰমবৰ্দ্ধমান হৈয়েই আছে ও হৈয়েই থাকিব। বৰ্ত্তমান অৱস্থিত জীৱজগতে পাৰি-পাৰ্শ্বিকতাৰ লগত নিজকে খাপ খোৱাই লবলৈ ইজনে সিজনৰ লগত যুদ্ধ বিগ্ৰহ কৰিব লগীয়া হৈছে। এই যুদ্ধত বলী বিলাকৰ জয় আৰু নিৰ্ব্বলী বিলাকৰ পৰাজয় হৈছে। ফলত এই পৃথিবীত বলীবিলাকৰ অস্তিত্ব ৰৈ গৈছে আৰু নিৰ্ব্বলী বিলাকৰ অস্তিত্ব নাইকিয়া হৈ যাবলৈ ধৰিছে।

সাগৰীয় বিছা বিলাকেই যি বিলাকৰ কথা আগেয়ে উল্লেখ কৰি অহা হৈছে, তেতিয়াৰ জীৱনৰ ভিতৰত উচ্চখাপৰ আছিল। বহুতো ভূতত্ত্ববিদে বিশ্বাস কৰে যে ৫০,০০০,০০০ বছৰৰ আগতে আমাৰ পৃথিবীখনত পানীত সাতুৰিব পৰা আৰু নাগতে চকু দাঁত আদি থকা এবিধ নতুন জীৱৰ প্ৰাদুভাব হৈছিল। সেই বোৰকেই প্ৰথম বাঙ্কহাড় থকা মাছ আৰু মেৰুদণ্ডী প্ৰাণী বুলি জনা যায়। সেই মাছবোৰ বৰ্ত্তমান আমাৰ হাঙৰ ( Shark ) আৰু সাগৰত থকা ষ্টাৰজিয়নচ ( Sturgeons ) বোৰৰ নিচিনা আছিল সেই মাছবোৰে পানীত নিৰ্ভয় মনে বিচৰণ কৰি ফুৰিব পাৰিছিল, ওপৰলৈ জপিয়াবও পাৰিছিল আৰু সাগৰত থকা আন নিম্নশ্ৰেণীৰ জীৱবোৰ খাই জীৱন ধাৰণ কৰিছিল। সেই মাছবোৰ দীঘলে প্ৰায় দুফুটৰ পৰা তিনিফুট আৰু কিছুমান বাৰফুট পৰ্য্যন্ত আছিল। পৃথিবীৰ সেই কাল ছোৱাক মাছৰ যুগ বুলি জনা যায়।

তেতিয়ালৈকে জীৱ কেৱল পানীতহে আছিল আৰু আমাৰ ভূপৃষ্ঠত ইয়াৰ নাম গোন্ধো নাছিল। সেই কাল ছোৱাত ভূপৃষ্ঠত কিছুমান ওখৰা মুখৰা শিলৰ পাহাৰৰ বাহিৰে একোৱেই নাছিল। লাহে লাহে পৃথিবীখনৰ আকৃতি, অৱস্থা গতিপথ, কক্ষপথ, জলবায়ু আদিৰ পৰিবৰ্ত্তন হৈ আহিবলৈ ধৰিলে লগতে সভান্তৰ ভাগতো ধহুতো উত্থান পতনৰ আৰম্ভ হল। ইয়াৰ ফলত পৃথিবীৰ কিছুমান ঠাই উপৰলৈ উঠি গল আৰু বিৰাট বিৰাট পৰ্ব্বতৰ সৃষ্টি হল, কিছুমান ঠাই তললৈ বহি গৈ দ হল।

ভূপৃষ্ঠত বংশ বিস্তাৰৰ ক্ষেত্ৰত উদ্ভিদ জগতে প্ৰাণীজগতত‌কৈ আগ বাঢ়িছিল আৰু এই ক্ষেত্ৰত প্ৰাণীজগতে উদ্ভিদ জগতক নিৰ্ভয় আৰু অনুসৰণ কৰিব লগীয়া হৈছিল। যেতিয়া ভূপৃষ্ঠত লঘু পানীৰ পৰিমান কমি আহিছিল তেতিয়া উদ্ভিদ জগতৰ প্ৰথম সমস্যাটো হৈছিল আহাৰ সংগ্ৰহ কৰা। এই সমস্যাটো ওৰ পেলোৱা অতি সহজ কাম নাছিল কাৰণ এজোপা গছক যিখিনি পানীৰ প্ৰয়োজন সেই খিনি পানী ভূপৃষ্ঠত থকা জলছুৰা মাটিৰ পৰা সংগ্ৰহ কৰিব লগীয়া হৈছিল। যেতিয়া গছৰ দেহত উদি টিচু ( Woody tissue ) গঠন হল তেতিয়া

পানী সংগ্ৰহ কৰা সমস্যাটো ওৰ পৰিল। এই উদ্‌দি টিচু ( Woody tissue ) বিলাকে গছ-জোপাক লালন পালন কৰাৰ উপৰিও গছৰ বিভিন্ন অংশলৈ পানী কঢ়িয়াই নিব পৰা হল। এই কাল ছোৱাতেই পানীৰ পৰা বহুতো ধৰণৰ প্ৰানীৰ প্ৰাদুৰ্ভাব হবলৈ ধৰিলে। সেই প্ৰাণী বিলাকৰ দেহত ঠেঙৰ তাৰতম্য আছিল। তাৰে কিছুমানৰ সংখ্যাত কম আৰু কিছুমানৰ বেছি আছিল। সেই প্ৰাণীবিলাকৰ পৰাই আদিম কীট পতঙ্গৰ সৃষ্টি হল। সেই প্ৰাণী বিলাকৰ কিছুমান দেহৰ গঠন আগতে উল্লেখ কৰি অহা বিছাবিলাকৰ লগত প্ৰায়েই মিল আছিল। সেইবোৰেই আছিল আদিম মকৰা আৰু বিছা জাতিয় প্ৰাণী আৰু বৰ্ত্তমান সেই বোৰেই হল মেৰুদণ্ডী প্ৰাণী।

সেই প্ৰাণীবিলাকে শ্বাস - প্ৰশ্বাসৰ সুবিধাৰ কাৰণে নিজকে উপযোগী কৰি লবলৈ ধাৰলে। এই শ্বাস-প্ৰশ্বাসৰ কাম কিছুমান ফুল ( gill )ৰ দ্বাৰা সমাধা কৰিছিল। সেই আদিম অৱস্থাৰ প্ৰাণীবোৰৰ গাত থকা ফুল (gill) বোৰ বৰ্ত্তমান মেৰুদণ্ডী প্ৰাণীৰ গাত থকা ফুল ( gill ) বোৰতকৈ বেলেগ আছিল। বাষ্পীকৰণৰ পৰা ৰক্ষা কৰিবৰ কাৰণে সেই ফুল ( gill ) বোৰৰ ওপৰত এখন ঢাকনি আছিল আৰু সেই ফুল ( gill ) বোৰ কেৱল স্থল ভাগত থকা প্ৰাণীৰ কাৰণেহে উপযোগী আছিল। এনে ধৰণৰ প্ৰাণীৰ গাত থকা বায়ুৰ মোনাবোৰেই কালৰ গতিত ৰূপান্তৰীত হৈ হাওঁ ফাওঁৰ সৃষ্টি হল। সেই প্ৰাণী বিলাকে কেৱল বায়ুমণ্ডলতহে বাস কৰিব পাৰিছিল। কিন্তু কণি পাৰি নিজৰ বংশ বিস্তাৰ কৰিবৰ কাৰণে মাজে মাজে পানীত প্ৰবেশ কৰিব লগীয়া হল আৰু ফলত সিহঁতৰ দেহটো জল আৰু স্থল দুয়ো ঠাইতে বাসৰ উপযোগী হল। সেই কাল ছোৱাত বায়ুৰে উশাহ-নিশাহ লব পৰা সকলো প্ৰাণী উভচৰ শ্ৰেণীত পৰে।

জীৱৰ ক্ৰমবিকাশ আৰু ক্ৰমবৰ্দ্ধমানৰ লগে লগে পৃথিবীখনো লাহে লাহে পৰিবৰ্ত্তণ হবলৈ ধৰিলে। লাহে লাহে পৃথিবীখনৰ উত্তাপ বৰ বেচি ধৰণে উঠা নমা কৰিবলৈ ফলত আগৰ জলহোৱা ঠাইবোৰত গছ-গছনি গজিবলৈ এৰিলে আৰু কালৰ গতিত সেই গছ গছ-গছনিবোৰ ভূপৃষ্ঠতেই জাহ গল। এনেকৈয়ে বহুতো বছৰ অতিক্ৰম হোৱাৰ পিছত সেই জাহ যোৱা গছ-গছনি বোৰৰ ওপৰত নতুন গছ-গছনি গজিল, সেইবোৰো কালৰ গতিত আকৌ ভূপৃষ্ঠত জাহ গল। এইদৰেই ইটোৰ পিছত সিটোকৈ ভূপৃষ্ঠত গছ-গছনিৰ বহুতো তৰপৰ সৃষ্টি হল। সেই তৰপবোৰৰ মাজত থকা গছ-গছনি বোৰেই ভূগৰ্ভৰ নানা ৰাসায়নিক পৰিবৰ্ত্তনৰ ফলত ৰূপান্তৰিত হৈ কয়লাৰ ৰূপ ললে। যিবোৰ প্ৰাণীয়ে লালুকীৰ অৱস্থা নোপোৱাকৈ পোনে পোনেই পুনাঙ্গ অৱস্থালৈ আহিব পৰা হল সেইবোৰেই বৰ্ত্তমান মাটিত বগাই ফুৰা প্ৰাণী ( Reptile )। সেই একে সময়তে ভূপৃষ্ঠত গুটি লগা গছৰো আবিৰ্ভাৱ হবলৈ ধৰিলে আৰু বহুতো সংখ্যক ঢেকীয়া জাতীয় গছৰো আবিৰ্ভাব হল। এই যুগটোৱেই

ভূপৃষ্ঠত নতুন নতুন জীৱ-জন্তু আৰু গছ-গছনিৰ আৱিৰ্ভাৱ হল। সেইকাল ছোৱাত আমাৰ পৃথিৱীখনে অগনণ গতিত ঘূৰিয়েই আছিল। সেই যুগটো ২০০,০০০,০০০ বছৰৰো আগৰ যুগ বুলি বৈজ্ঞানিক সকলে আখ্যা দিছে। সেই যুগটোক মেচজয়িক (Mesozoic) যুগ নাইবা সৰ্পযুগ বুলি কোৱা হয়। আমি বৰ্ত্তমান সাপ, কাছ, তেজপিয়া ঘৰিয়াল আদিকে কৰি কিমানবোৰ সৰীসৃপ দেখিবলৈ পাইছো এই সকলোবোৰ সেই যুগতেই আৰ্বিভাৱ হৈছিল। সেই যুগত এই সৰীসৃপ বোৰৰ ওপৰিও এক আচৰিত ধৰণৰ প্ৰাণীৰ আবিৰ্ভাৱ হল, সেই প্ৰাণীটো হল ডাইনচাউৰ।

শীতৰ পৰা ৰক্ষা পাবৰ কাৰণে প্ৰাণীবিলাকৰ দেহত যিখিনি কৌশলৰ প্ৰয়োজন সেই সকলোখিনি সিহঁতে প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰি ললে আৰু লগতে পাৰিপাশ্বিক অৱস্থাৰ লগত নিজক খাপ খুৱাই লবলৈ আন আন উপযোগী কৌশলবোৰো সংগ্ৰহ কৰি ললে। ফলস্বৰূপে আদিম চৰাই বিলাকৰ গাৰ তেজ গৰম হল আৰু অনায়াসে সূৰ্য্যৰ প্ৰখৰ তাপ সহ্য কৰিব পৰা হল। আদিম চৰাই বিলাক আছিল সাগৰীয় চৰাই আৰু সিহঁতে মাছ খাই জীৱন ধাৰণ কৰিছিল। সিহঁতৰ ঠেংবিলাক দেউকা নাছিল কেৱল পানীত সাতুৰিবলৈ বঠা ৰূপেহে ব্যৱহাৰ কৰিব পাৰিছিল। আদিম স্তন্যপায়ী (Mammal) বিলাকো চৰাইবিলাকৰ দৰে জীৱনৰ কাৰণে সংগ্ৰাম কৰিব লগিয়া হৈছিল আৰু পাৰিপাশ্বিক অৱস্থাৰ লগত খাপ খুৱাই লবলৈ বহুতো ধৰণৰ কৌশল সংগ্ৰহ কৰিব লগিয়া হৈছিল। ফল স্বৰূপে সূৰ্য্যৰ তাপৰ পৰা ৰক্ষা পাবৰ নিমিত্তে সিহঁতৰ গাত পাখিৰ পৰিবৰ্ত্তে চাল আৰু চালৰ ওপৰত নোমৰ সৃষ্টি হল। শীতৰ পৰা ৰক্ষা পাবৰ কাৰণে প্ৰকৃতিৰ পৰা কোনো ধৰণৰ কৌশল সংগ্ৰহ কৰিব নোৱাৰাত ডাইনচাউৰ জাতীয় জন্তুবোৰৰ অস্তিত্ব এই পৃথিবীৰ পৰা লোপ পালে। পাৰিপাশ্চিক অৱস্থাৰ এনে এটা ভয়ানক পৰিস্থিতিত পৰি সৰ্পযুগৰ জীৱন লাহে লাহে ধ্বংস হবলৈ ধৰিলে।

তাৰ পিছত আহিল চিনজয়ীক (Cainozoic) যুগ। সেই যুগত পৃথিবীত অগ্ন্যুৎপাত আদি খুব ঘনাই হৈছিল, কাজেই সেই যুগটো সৰ্পযুগতকৈ বেচি ভয়ানক আছিল। সেই যুগটো আৰম্ভ হোৱাৰ লগে লগে ভূপৃষ্ঠত সেউজীয়া ঘাঁহ-বনৰ সৃষ্টি হবলৈ ধৰিলে আৰু মনুষ্য জাতীৰ বংশধৰ স্তন্যপায়ী জাতীয় জন্তুৰ প্ৰাদুৰ্ভাব হল। সেই যুগটো অন্ততঃ ৪০,০০০,০০০ বছৰ আগৰ যুগ বুলি বৈজ্ঞানীক সকলে আখ্যা দিছে। মনুষ্য জাতীৰ বংশধৰ বোৰ হল বান্দৰ হলো আদি। অৱশেষত ক্ৰমবিকাশ আৰু ক্ৰমবৰ্দ্ধমানৰ ফলত এই বান্দৰ হলো আদিৰ পৰাই গৰিলা বনমানুহ, উৰাং উটাং আদিৰ উৎপতি হল আৰু স্বয়ং মনুষ্য জাতীৰো বংশধৰ এইবোৰেই বুলি বিখ্যাত প্ৰকৃতিবিদ চাৰ্লচ্ ডাৰউইনে আখ্যা দি গৈছে।

এইটোৱেই সেই আদিম পৃথিবী আৰু জীৱজগতৰ ক্ৰমোন্নতিৰ এটা চমু আখ্যা। এসময়ত এটা বিৰাট জুইৰ ভাটিৰ দৰে সেই আদিম পৃথিবীখন কোটি কোটি বছৰৰ পিছত আজি সেউজীয়া পৃথিবীলৈ পৰিবৰ্ত্তন হল আৰু আমি আজি জল আৰু স্থল উভয়তে নানা জাতীয় উদ্ভিদ আৰু প্ৰাণী দেখিবলৈ পাইছো।



"জ্ঞান আহৰণ আৰু সংৰক্ষণৰ লগে লগে জ্ঞানৰ বিকাশ বা বৃদ্ধি সাধনো উচ্চ শিক্ষাৰ উদ্দেশ্য। অৰ্থাৎ কলা বিজ্ঞানৰ উন্নতি সধাও শিক্ষক ছাত্ৰ সকলৰ কৰ্ত্তব্য। কলেজীয়া জীৱনৰে পৰা অনুসন্ধান গৱেষণা আৰু স্বাধীন চিন্তাৰ কাৰণে ছাত্ৰ সকলক অনুপ্ৰানিত কৰিব লাগে।"

—ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা।

# ডাইনচাউৰ

অধ্যাপক—ডিম্বেশ্বৰ চলিহা।

আমি দেখাত আৰু আমাৰ তুলনাত হাতীটোৱেই ডাঙৰ জন্তু। তাতোকৈ ডাঙৰ জন্তু আৰু এই পৃথিবীত কিবা আছিল বা আছে বুলি আমাৰ বিশ্বাস নহয়। কিন্তু জানিব পৰা গৈছে যে তাতোকৈও বহুতো ডাঙৰ জন্তু হেনো এই পৃথিবীত আছিল। অৱশ্যে সেই জন্তু আৰু আজি জীৱিত অৱস্থাত নাই কিন্তু চিনচাব হলে আছে। এই প্ৰাণী জাতৰ নাম হল— ডাইনচাউৰ। আজি যেনেকৈ এই পৃথিবীত মানুহৰ ৰাজত্ব চলিছে ঠিক তেনেকৈ এটা সময় আছিল যেতিয়া সেই ৰাজত্ব আছিল এই ডাইনচাউৰ বিলাকৰ। ইহঁতৰ গোষ্ঠী হল সৰীসৃপ (Reptiles)। ৬৫ ফুট দীঘল আৰু ৩০ টন ওজনেৰে ব্ৰণ্টচাউৰাচ নামৰ প্ৰাণীটি ডাইনচাউৰৰে এটা জাত। প্ৰত্যেকটো ডাইনচাউৰেই আছিল একো একোটা সৰু সুৰা পাহাৰ। অথচ শৰীৰৰ তুলনাত মগজু আছিল তেনেই কম আৰু অনুন্নত। কম মগজুৰে ইমান এটা ডাঙৰ শৰীৰ চলোৱা অসম্ভৱ হৈ পৰিল। তদুপৰি থকা খোৱাৰ সমস্যাই দেখা দিলে। গাৰ নোমেই শত্ৰু হোৱাদি বৃহৎ কায় টোৱেই হৈ পৰিল প্ৰাণীটোৰ কাৰণে প্ৰধান শত্ৰু। ফলত সৃষ্টিৰ এটি প্ৰাণী পৃথিবীৰ পৰা চিৰকাললৈ লুপ্ত পাব লগা হ'ল।

পশ্চিম যুক্তৰাষ্ট্ৰ আৰু পূব আফ্ৰিকা এসময়ত ডাইনচাউৰৰে ৰাজ্য আছিল। ডাঙৰ বিলাক ১০০ ফুট পৰ্য্যন্ত দীঘল আৰু সৰু বিলাকো একোটা মূৰ্গীতকৈও সৰু নাছিল। তাৰে কিছুমান তৃণভোজী আৰু বাকীবিলাক মাংসভোজী আছিল। কিছুমান জলচৰ আৰু কিছুমান স্থলচৰ। কিছুমানে দুটা ভৰিত ভিৰ দি খোজ কাঢ়িছিল আৰু অন্য কিছুমানে চাৰি-ওটা ঠেং ব্যৱহাৰ কৰিছিল। পৃথিবীত এনে অকন ঠাই নাছিল যত সিহঁতৰ দখল নাছিল। ২০ কোটি বছৰ কাল মহাপয়োভৰেৰে থাকি এই প্ৰাণীজাতে পৃথিবীৰ পৰা চিৰকালৰ কাৰণে মেলানি মাগিলে।

এই প্ৰাণীসমূহ পৃথিৱীৰ পৰা লুপ্ত হোৱা সম্বন্ধে বহুজনৰ বহু মতবাদ। তাৰে এটি মতবাদ হল— ব্ৰণ্টচাউৰাছ আৰু দিপ্লদকাছ নামৰ ডাইনচাউৰ দুবিধ তৃণভোজী আছিল আৰু হ্ৰদবিলাকৰ কাষে কাষে চৰিছিল। শৰীৰৰ পুষ্টিসাধনৰ হেতু প্ৰত্যেকটো ডাইনচাউৰকে নিতৌ কেইবাশ মোনো ঘাঁহ পানীৰ আৱশ্যক হৈছিল। হ্ৰদবিলাক শুকাই যোৱাৰ লগে লগে ঘাঁহৰ নাটনি পৰিল। অকনমাণ মূৰটো আৰু কোমল দাঁতকেইতাৰে সৈতে ডাইনচাউৰ বিলাকে প্ৰকৃতিৰ পৰিবৰ্ত্তনৰ লগত নিজক খাপ খুৱাই লবলৈ অসমৰ্থ হল।

অন্য এটি মতবাদ হ'ল যে ডাইনচাউৰ বিলাকে নিজৰ মৃত্যু নিজেই ওচৰ চপাই আনিলে। গোবি মৰুভূমিৰ বালিৰ মাজত কিছুমান ডাইনচাউৰৰ কণী পোৱা গৈছিল। আচৰিত কথা যে কণীবিলাক থকা বাহটোৰ ওপৰতে মুখ দি থকা এটা ডাইনচাউৰৰ জকাও তাৰ পৰা উদ্ধাৰ কৰা হৈছিল। অনুমাম হয় যে এই দন্তবিহীন ডাইনচাউৰটোৱে কণী খাব খোজোতেই ধুমুহা বতাহত বালিৰে পোতখাই খাদক আৰু খাদ্য তেনেভাবেই ৰল। যদি সেয়ে সঁচা হয় তেন্তে দন্তবিহীন ডাইনাচাউৰ জাতটোৱে সকলো ডাইনচাউৰৰে কণীবিলাক খাই জাতিটোক মৃত্যুৰ মুখত পেলোৱাটো একো আচৰিত নহয়।

জানিব পৰা গৈছে যে এই কণীবিলাক পোৱা ঠাইত কিছুমান সৰু সৰু স্তন্যপায়ী জন্তুৰ জকাও পোৱা গৈছিল এই বিলাক প্ৰাণীয়েও বোধ হয় ডাইনচাউৰৰ কণীবিলাক নিশ্চয় আহাৰ হিচাবে লৈছিল।

সু-সংৰক্ষিত ডাইনচাউৰৰ জকাবিলাকৰ পৰা ডাইনচাউৰৰ আকাৰ সমন্ধে বিশেষজ্ঞ সকলে কিছু আভাস পাইছে। ২৫ ফুট দীঘল ট্ৰেকডন নামৰ ডাইনচাউৰ এটাক চালৰ অৱশিষ্ট পৰ্য্যন্ত মণ্টানাৰ বালিৰ মাজৰ পৰা উদ্ধাৰ কৰা হৈছে। এই প্ৰাণী বিলাক মৃত্যুৰ পাচত গেলি পচিবলৈ নৌ পাওঁতেই বতাহে কঢ়িয়াই অনা বালিৰে ঢাক খাই পৰে। সেই বিলাকেই শেষলৈ জীৱাশ্মলৈ ( fossil ) পৰিবৰ্ত্তিত হয়। আজি আমি এই প্ৰাণী সমূহৰ সম্বন্ধে আহৰণ কৰা জ্ঞান কনো এই জীৱাশ্ম সমূহৰ পৰাহে পাইছো। নাতিশীতোষ্ণ মণ্ডলত অৱস্থিত এছিয়া আৰু আমেৰিকাৰ ডাইনচাউৰ সমূহ যাইকৈ তৃণভোজী আছিল। সেই অঞ্চলৰ ডাইনচাউৰ সমূহৰ জীৱাশ্মৰ লগতে উদ্ভিদ জগতৰ জীৱাশ্ম সমূহে এই কথা ভালকৈয়ে প্ৰমান কৰিছে।

ডঃ বাৰণমি ব্ৰাউনে ডাইনচাউৰৰ এটা লাওখোলা আৰু এটা জকা উদ্ধাৰ কৰিছিল। লাওখোলা আৰু জকা বৰ্ত্তমান নিউইয়ৰ্ক মহানগৰীৰ নেচাৰেল হিছটৰীৰ মিউজিয়ামত ৰখা হৈছে। এই লাওখোলা আৰু জকা বহন কৰা ডাইনচাউৰ জাতৰ নাম ৰখা হল টিৰানচাউৰাচ। পাচভৰি দুটাৰ ওপৰত ভিৰ দি ঠিয় হলে প্ৰাণীটি ওখই হব ১৮ ফুটমান। আগভৰি দুখন যথেষ্ট চুটী। মুখখন মেলিলে ১ গজমান বহল। দুয়োটা কোৱাৰীতে

দীঘল দীঘল দাঁত আছিল। দাঁত বিলাক কমেও ৬ ইঞ্চিমান দীঘল হব। ইয়াৰ আহাৰ আছিল লগৰ সৰু সৰু ডাইনচাউৰ বিলাক।

ডাইনচাউৰৰ অন্য এটা জাতৰ নাম হ'ল ট্ৰাইচিৰাটপচ। ইহঁতৰ তিনিটাকৈ শিং আছিল। দীঘলে আছিল ২০ ফুটমান আৰু ওজনও প্ৰায় ১০ টন মান। লাওখোলাটো গলধনৰ ওপৰেদি পাচফালে জোঙা হৈ গৈছিল। অন্য প্ৰাণীৰ লগত যুঁজ কৰিব লগা হলে তিনিটাকৈ শিং আৰু গলধনৰ ওপৰত থকা লাওখোলাৰ জোঙা অংশক অস্ত্ৰৰ দৰে ব্যৱহাৰ কৰিছিল।

বহুতে ভাবে যে বিজ্ঞানী সকলে একোডাল হাড়ৰ জীৱাশ্ম পালেই একোটা জন্তুৰ পৰিকল্পনা কৰিব পাৰে। এনে পৰিকল্পনা কোনোবাই কৰিলেও সি একেবাৰে নিখুট নহয়। কিন্তু ডাইনচউৰৰ ক্ষেত্ৰত যেতিয়া বিভিন্ন জাতৰ সম্পুৰ্ণ জকাৰ জীৱাশ্ম পোৱা গল—ডাইনচাউৰৰ হুবহু চিত্ৰ এটা আমাৰ আগত দাঙি ধৰিবলৈ বৈজ্ঞানিক সকলৰ সহজ হৈ পৰিল।

চি, ফৰষ্টাৰ কুপাৰে ১৯১১ চনত বেলুচিস্থানত কিছুমান জীৱাশ্ম উদ্ধাৰ কৰিলে। তাৰ ভিতৰত এডাল আছিল ভৰিৰ হাড় আৰু দুডাল ডিঙিৰ ককেৰুশ ( Vertibra )। এই কেইডাল হাড় অধ্যয়ন কৰিয়েই তেওঁ অনুমান কৰিলে যে এই কেইডাল হাড় নিশ্চয় এটি ডাঙৰ প্ৰাণীৰে হব আৰু খুব সম্ভৱ এবিধ গড় জাতীয় প্ৰাণীৰে। তাৰ ১১ বছৰৰ পাছত ৰয় চেপমেন এনড্ৰুজৰ তত্বাৱধানত মঙ্গোলয়াত একেধৰণৰ অন্য এটি লাওখোলা আৰু জকাৰ কিছু অংশ উদ্ধাৰ কৰা হল। লাওখোলাটো ভাগি ৬০০ টুকুৰা হৈ আছিল। চেপমেনৰ দলৰ এজনৰ সেই হাড়খিনি জোৰা লগাই এটা সম্পূৰ্ণ লাওখোলা তৈয়াৰ কৰিবলৈ ৭ মাহ লাগিল। এনে লাওখোলাৰ জীৱাশ্ম পাছতো উদ্ধাৰ কৰা হল। চেপমেন আৰু কুপাৰৰ পৰিকল্পিত প্ৰাণীটি একেই হ'ল। গতিকে তিনিডাল মাত্ৰ হাড়ৰ পৰা প্ৰাণী এটিৰ পৰিকল্পনা কৰাত কুপাৰৰ একো ভুল নাছিল।

কেতিয়াবা দুই একোডাল হাড়ৰ জীৱাশ্মই আমাক বহুতো সন্ধান দিয়ে। যদি ভৰিৰ হাড় ডাল গোটা হয় আৰু ভিতৰত কোনো বিন্ধা নাথাকে তেন্তে বুজিব লাগিব যে প্ৰাণীটি অলপ গাধা আৰু হয়তো জলচৰ। যদি ভৰিৰ হাড়ডাল ফোপোলা হয় অৰ্থাৎ ভিতৰত বিন্ধা থাকে তেন্তে বুজিব লাগিব যে প্ৰাণীটি খুব কৰ্ম্মী আৰু স্থলচৰ। ভৰিৰ হাড় কেইডাল খুব দীঘল হলে বুজিব লাগিব যে প্ৰাণীটি ঠিয় হৈ দুটা ভৰিৰ ওপৰত ভিৰ দি খোজ কাঢ়িছিল। জোঙাদাঁত থকাৰ অৰ্থই হল মাংসহাৰী আৰু ভোটাদাঁত দেখিলেই বুজিব লাগিব তৃনভোজী। হাত ভৰিৰ নখ বা হাঁতোৰা জোঙা হলেই প্ৰাণীটি মাংসহাৰী বুলি অনুমান কৰিব পাৰি। তৃণভোজী প্ৰাণীৰ হাতোঁৰা নখ ইত্যাদি হয়তো নাথাকিবই আৰু থাকিলেও ভোটা হব।

ডাইনচাউৰ বিলাক অহাযোৱা কৰা বাট আৰু সিহঁতৰ দুই এটা খোজবো চিন-চাব পোৱা গৈছে। আমেৰিকাৰ কানেক্টিকাট উপত্যকাত ডাইনচাউৰৰ খোজ পোৱা গৈছে। খোজবিলাকৰ পৰা বুজা গৈছে যে কাঙ্গাৰুৰ দৰে ডাইনচাউৰ বিলাকেও আগঠেং দুখন মাত্র মাটিত লগাই হে গৈছিল। শৰীৰৰ বাকী সমস্ত ভৰ পাছ ঠেং দুখনৰ ওপৰতে পৰিছিল। বেলজিয়ামত পোৱা বেলেগ জাতৰ ডাইনচাউৰৰ খোজ অধ্যয়ন কৰি পোৱা গৈছে যে সিহঁতে চৰাইৰ দৰে মাত্র আঙুলিৰ ওপৰত ভৰদিহে খোজ কাঢ়িছিল।

বৰ্ত্তমান পৃথিৱীত থকা সকলো প্রাণীকে প্রাণী শাস্ত্রই চুব পৰা নাই। বিজ্ঞান সম্মত ভাবে অধ্যয়ন কৰি সকলো প্রাণীকে প্রাণী জগত বিজ্ঞানত সুমুৱাবলৈ হয়তো আৰু বহুতো বছৰ লাগিব। ইতিমধ্যে বহুতো প্রাণী আমাৰ জ্ঞাতে বা অজ্ঞাতে লুপ্ত হবও ধৰিছে। তাৰে যিবিলাকৰ জীৱাশ্ম পাইছো বা পাম তেওঁলোকৰ ওপৰত হয়তো কিছু অধ্যয়ন হৈছে আৰু হবও, কিন্তু যিবিলাকৰ জীৱাশ্মও নাপাম তেওঁলোকৰ কাৰণে হয়তো প্রাণীবিজ্ঞানৰ কেই খিলামান পাত অনন্ত কাললৈকে খালী হৈয়েই পাৰ ৰব।



## চাহ বনুৱাৰ জীৱন-কথা

# তুচু পূজা

অধ্যাপক শ্ৰীপ্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য্য।
( অসমীয়া বিভাগ )

তুচু পূজা চাহ বনুৱাৰ জীৱনৰ এটি মহান উৎসৱ। একোটি গোষ্ঠীৰ বা জাতিৰ ৰীতি-নীতি, ভাৱভঙ্গী, আশা আকাঙ্ক্ষা মানসিক পৰিধি প্ৰকাশিত হয় সেই জাতিৰ জাতীয় উৎসৱ নৃত্য গীত আদিৰ যোগেদি। তুচু পূজা উৎসৱৰ যোগেদি চাহ বনুৱাৰ সাংস্কৃতিক জীৱনৰ এটি আভাস পাব পাৰি। অসমীয়া জাতীয় সংস্কৃতিৰ লগত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ পৰা অহা চাহ বনুৱা সকলৰ কেনেদৰে সাংস্কৃতিক বিনিময় ঘটি অসমীয়া সংস্কৃতিৰে পৰিপুষ্ট হৈ কেনেকৈ অসমীয়া হৈ পৰিছে তাৰ প্ৰমাণ এওঁলোকৰ গীত মাত, ভাবভঙ্গী, নৃত্যানুস্থান আদিৰ যোগেদি সুন্দৰ ভাবে প্ৰকট হৈ উঠা দেখা যায়। অসমীয়া বিহু নৃত্য-গীত, আনকি ষোড়শ শতিকাৰ পাঁচালী কবি দুৰ্গাবৰৰ গীতৰ প্ৰভাৱ বা গীতৰ লগত থকা সাদৃশ্য দেখি তবধ মানিব লাগে। এই বিষয়ে এই প্ৰবন্ধৰে শেষৰ ফালে আলোচনা কৰা হৈছে।

তুচু শব্দটোৰ মুল বিচাৰি সংস্কৃত তুষ্ ধাতুলৈ আঙুলিয়াব পাৰি। দেৱীক সেৱা প্ৰাৰ্থনাৰে তুষা বা তুষ্ট কৰা— এই ভাৱৰ পৰাই গৈ দেৱীৰ নাম তুচু হোৱা যেন লাগে। এনেয়ে দেৱীক 'কমলা' বুলিহে কোৱা হৈছে। গীতৰ এঠাইত আছে— "তুচুৰে তুচুৰে মাই কমলা।" লক্ষ্মীৰেই আন এটি নাম কমলা। এই পূজা কৰা হয় পুহ মাহত যেতিয়া ধান বা লখিমীক আদৰি আনি ভৰালত ভৰোৱা হয়। গোটেই মাহটো পূজা হয়। আৰু মাঘ বিহুৰ উৰুকাৰ দিনাহে মুৰ্ত্তি গাওঁত ঘূৰাই নৈত বিসৰ্জ্জন দি পূজাৰ সমাপ্তি কৰা হয়। লখিমীক আদৰা সময়ৰ লগত এই পূজাৰ সম্বন্ধ দেখা যায়। গীতযাৰেও "কমলা দেৱীক তুষ্ট কৰোঁ" এই অৰ্থ প্ৰকাশ কৰিছে। সেয়ে অনুমান কৰিব পাৰি যে তুষু শব্দৰ পৰাই গৈ এই পূজাৰ নাম "তুচু" হল। 'ষ'ৰ 'চ' উচ্চাৰণেই হয়তো ইয়াৰ মুল কাৰণ।

পূজা প্ৰকৰণ:— তুচু পূজা পুহ মাহৰ এক তাৰিখৰ পৰা আৰম্ভ হয়। সেইদিনাখনেই এটা মাটিৰ চৰুত কেইটামান নাৰ্জ্জী ফুল, কেইটামান সুমথিৰা টেঙা আৰু পঞ্চামৃত লোৱা হয়।

চাউলৰ গুৰি সানি চৰুটোত লেৱ দিয়া হয়। লেৱৰ ওপৰত তিনিটা সিন্দুৰৰ ফোঁট দিয়া হয়। তাৰ পিচত এখন থাপনাৰ ওপৰত চৰুটো প্ৰতিষ্ঠা কৰা হয়। সেইদিনাখনেই কোনো এজনা অকুমাৰী ছোৱালীয়ে ব্ৰত গ্ৰহণ কৰে। বিয়া নোহোৱা ডাঙৰ ছোৱালীয়েও ব্ৰত গ্ৰহণ কৰিব পাৰে। কেৱল স্ত্ৰীয়েহে নোৱাৰে। এই ছোৱালী জনীয়ে নিতৌ উপবাসে থাকি এমাহ ধৰি পুহ মাহটো পূজা কৰিব লাগে। ছোৱালীজনীক 'তুচুৰ মা' বোলা হয়। তুচুৰ মাক সকলোৱে সন্মান কৰে, সেৱা সৎকাৰ কৰে। তেওঁৰ কথাকেই সমাজে মানি লয়। পুহ মাহটো ঘটৰ কাষত বহি গীত গোৱা হয় প্ৰতি নিশাতে। নৃত্য নহয়। তুচু পূজাত কোনো বলিৰ বিধান নাই। এইদৰে গীত মাত আৰু তুচুৰ মাৰ ঘট পুজাৰ পাচত মাঘ বিহুৰ উৰুকাৰ আগদিনা পূজা হয়। এঠাইত মুকলিভাবে এটা মাটিৰ ঢাপ তৈয়াৰ কৰা হয়। ঢাপটোত তিনিটা খলপা থাকে। আটাইতকৈ ওপৰৰ খলপাৰ চাৰিচুকত ৰঙা কাপোৰ বান্ধি চাৰি দাল চাট পোঁতা হয়। তাৰ মাজত সেই এমাহ আগৰ পৰা পূজা কৰি অহা মাটিৰ চৰুটো প্ৰতিষ্ঠা কৰা হয়। চৰুটোৰ সন্মুখত মূৰ্ত্তি ৰখা হয়। বাৰ ৰঙীয়া কাগজেৰে এখনি আসন গঢ়ি তাত কাগজৰ মূৰ্ত্তি সাজি বহুৱা হয়। কিছুমানে আকৌ মাটিৰ মূৰ্ত্তিও সাজে। মাটিৰ মুৰ্ত্তিৰ লগত আমাৰ লক্ষ্মী মুৰ্ত্তিৰ সাদৃশ্য আছে হাতত লক্ষ্মীৰ দৰে কলহ থাকে। কেৱল ফেঁচাহে নাই।

মাঘ বিহুৰ উৰুকাৰ দিনা পূজা শেষ হয়। সিদিনা নৃত্য—গীত চলে। তাৰ পিচত মূৰ্ত্তি আসনেৰে সৈতে বিভিন্ন অঞ্চলত ফুৰাবলৈ নিয়ে। এনেদৰে ফুৰাওঁতে আন অঞ্চলৰ তুচু মূৰ্ত্তিৰ লগত ভেটা-ভেটি হলে দুয়ো দলৰ তুচুৰ মাই নিজৰ নিজৰ মালা সলনি কৰে আৰু বান্ধৈ পাতে। আমাৰ বিয়া বোৰতো দুটি দৰা ভেটা-ভেটি হলে সখী পতা নিয়ম প্ৰচলিত আছে। মূৰ্ত্তি ফুৰোৱা শেষ হোৱাত নৈত উটাই দি লোকসকলে হাঁহি আনন্দৰে নৈত গা-পা ধুই ঘৰলৈ উভতি আহে। তাতেই পূজাৰ সমাপ্তি ঘটে।

চাহবনুৱাৰ সকলো উপজাতিয়ে তুচু পূজা নকৰে। এই পূজাটো বিশেষকৈ কামা, দম, বাউৰি, কুমাৰ, হাৰি, কেওঁট, মুচি, তাতি, ৰাজোৱাৰ, তুৰি, পান্‌কা, কুৰমী, অহিৰ, ভূইয়া, কোল, ভুমিজ, ঘাটোৱাল আদি উপজাতিয়ে কৰে। গোৱালা বিলাকৰ কিছুমানে তুচু পূজা কৰে আৰু কিছুমানে নকৰে। ওৰাং, মুণ্ডাৰি আদি জাতিৰ মাজত তুচু পূজাৰ প্ৰচলন নাই।

সমাজত চলা বিশ্বাসমতে কোনোৱে তুচু পূজা কেৱল এবছৰ কৰি এৰিব নোৱাৰে অন্ততঃ কম পক্ষেও একেৰাহে তিনিবছৰ কৰিহে এৰিব পাৰিব। নহলে ইয়াৰ ফলত দেশত হেনো অকাল হয়।

নৃত্যগীত :— গোটেই পুহ মাহটো থাপনা কৰা মাটিৰ চৰুটোৰ কাষত বহি গাৱৰ গাভৰুইতে গীত গায়। এই গীতৰ লগত নৃত্যানুষ্ঠান নাই। এই গীত সাধাৰণতে ৰামায়নী

গীত। কিছুমান গীতত কমলা বা লক্ষ্মীৰ নাম পোৱা যায়। তেনে গীতবোৰ ধন, ঐশ্বৰ্য্য, সম্পদৰ বাবে প্ৰাৰ্থনা সূচক। ৰামায়ণৰ গীতবোৰত মূল ৰামায়ণত নথকা অথচ দুৰ্গাবৰৰ "গীতি ৰামায়ণ"ত থকা কাহিনী দেখা যায়। উদাহৰণ স্বৰূপে সীতাৰ দশৰথক বালিৰ পিণ্ডদান। ডঃ মহেশ্বৰ নেওগে তেখেতে সম্পাদনা কৰা "গীতি ৰামায়ণৰ" পাতনিত লিখিছে যে মানভূমক কেন্দ্ৰ কৰি বৰ্দ্ধমান বাকুৰা বীৰভূম শাওতাল পৰাগনাত প্ৰচলিত ভাদু পূজাৰ অনুস্থানত গোৱা গীতত ফল্গু নদীৰ তীৰত সীতাই দশৰথক বালিৰ পিণ্ডদিয়া কথা আছে। অসমৰ চাহ বনুৱা সকলো সেই অঞ্চলৰে। সম্ভৱতঃ অসমৰ পৰাহে এই কাহিনী তালৈ গৈছে অসমৰ পৰা উভতি যোৱা বনুৱা সকলৰ যোগেদি। এই কথা অনুমান কৰাৰ যথেষ্ঠ যুক্তিসঙ্গত থল আছে।

চাহবনুৱা সকলৰ মাজত প্ৰচলিত ৰামায়ণী গীতপদত দূৰ্গাৱৰৰ প্ৰভাৱ অসীম। কবি শ্ৰীযুতা নলিনী বালা দেৱীৰ নিজ পিতামহী সোমেশ্বৰী দেৱীৰ হাতৰ আখৰেৰে নকল কৰি থোৱা দুৰ্গাবৰী গীতৰ ফটাছিটা টোকা বহীত পোৱা ওপৰঞ্চি হিচাবে থকা তিনিটা গীতৰ "মৱো বনে যাওঁ স্বামী" এই গীতটো কবি নলিনী বালা দেৱীয়ে দুৰ্গাবৰী গীত বুলি কৈছে।* এই গীত দুৰ্গাবৰীয়েই হওক বা মুখপৰম্পৰা গত ভাৱে চলি অহা লোক গীতেই হওঁক এই গীতৰ লগত চাহ বনুৱাৰ ভুচু পূজাৰ গীতৰ মিল দেখা যায়।

যেনে :—

" চান্দে সুৰুযেৰ আলো
তলে তাতা বালি,
চলিতে নাপাৰে সীতা
কৰছে বিকলি।"

দুৰ্গাবৰত :—

"উপৰে সুৰুযৰ চাতা
তলে তপ্ত বালি,
কেনমতে যাবা সীতা
সুকোমল নাৰী।"

আকৌ ভুচু পূজাৰ গীতত :—

" হনু ধৰে তনু ডালে
লখণ ধৰে শিৰে,
তাহাৰ ছাহিৰে[১] ও সীতা
চলে ধীৰে ধীৰে।"

দুৰ্গাবৰত :—

"ৰামে ভাঙে বৃক্ষ ডালি
লক্ষণে ধৰে শিৰে,
তাৰ ছাওঁতে সীতা শান্তি
চলে ধীৰে ধীৰে।"

ইয়াৰ উপৰিও ৰামায়ণৰ বহুতো গীত পোৱা যায়। সেই গীতবোৰত লৌকিকতা সুন্দৰ ভাৱে প্ৰকাশ পাইছে। উদাহৰণ স্বৰূপে দুটি স্তবক তুলি দিয়া হল।

[ ' দুৰ্গাবৰী গীতি ৰামায়ণৰ ' পাতনি—ডঃ মহেশ্বৰ নেওগ সম্পাদিত (প্ৰথম প্ৰকাশ)। ]*

১ ছাহিৰে = 'ছাঁ'ত।

" ৰাম চাড়েছে যগেৰ ঘোড়া
ভপো বনেৰ কান্দনে ২
লৱ কুশ ধৰেছে ঘোড়া
সীতা বোলে দেও চেড়ে ."

আকৌ :—

"আমৰা দুই ভাই লৱ-কুশ
ঘুৰি বনে বনে
মা চিনিনা বাপ চিনিনা
চাৰবো না যোগেৰ ঘোড়া।"

লৱ কুশ সাধাৰণ গাৱলীয়া লৰা যাৰ গোৱৰামী আছে। মাকে ঘোড়া এৰি দিবলৈ কোৱাত বাপ-মা নিচিনো আৰু ঘোৰাওঁ এৰি নিদিওঁ বুলি আকোৰ গোজালিকৈ ধৰিছে—

আকৌ :—

"ৰামেৰ মায়ে ৰামকে মাৰে
ৰাম কান্দে ধুলায় পৰে,
চোট ভায়েৰ এত্ না মৰম
ধুলা জাৰে লে কোলে।"

মাকে পুত্তেকক মৰা, পুতেকে ধুলিত বাগৰি বাগৰি কন্দা আৰু সৰু ভায়েকে মৰমতে 'ধুলা জাৰি' কোলাত লোৱা আদি সাধাৰণ মানৱ শিশু—জীৱনৰ চিত্ৰ। এইদৰে দেখা যায় যে এই গীতবোৰৰ মাজত লৌকিক চিত্ৰ সুন্দৰ ভাবে অঙ্কিত হৈছে।

নৃত্য গীতৰ আন ধাৰাটো হল ডেকা গাভৰুৰ প্ৰেম অনুৰাগ মূলক গীত। ই আমাৰ বিহু গীতৰ সম পৰ্য্যায়ৰ। অৱশ্যে এই গীত বোৰ যুমুৰ নৃত্যৰ লগত গোৱা হয়। কিন্তু এই যুমুৰ নৃত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে ই প্ৰকৃত যুমুৰ নৃত্যতকৈ স্বকীয়া। যুমুৰৰ ছন্দৰ লগত বিহু নৃত্যৰ দেহ ভঙ্গিমাৰ সমিল-মিল ঘটি অভিনৱ এক নৃত্য-সৃষ্টি এই নৃত্য।

গীতবোৰৰ লগত বিহুগীতৰ সুন্দৰ সাদৃশ্য পৰিলক্ষিত হয়। এই গীতবোৰৰ মূলবস্তু সাধাৰণতে প্ৰেম, অনুৰাগ, বিৰহ—বিচ্ছেদ ইত্যাদি। ঠায়ে ঠায়ে ডেকা গাভৰুৰ গোপন মিলনৰ ইঙ্গিতো আছে। সাধাৰণতে এই গীত বোৰ ডেকা গাভৰুৱে গায় আৰু গীতবোৰৰ মাজেৰে কথাৰ বিনিময় ঘটে। প্ৰতিদ্বন্দ্বিতাও হয়। গীতৰ মাজেৰে পৰাস্ত কৰিব পৰাত যেন এটি সাৰ্থকতা আছে। এই গীতবোৰত প্ৰেম চাতুৰী, অভিমান আৰু যৌন আকাঙ্ক্ষা ফুটি উঠা দেখা যায়। ঠায়ে ঠায়ে শ্লীলতা অতিক্ৰম কৰি অশ্লীলতালৈ আগবঢ়াও পৰিলক্ষিত হয়। কেইটামান গীতৰ নমুনা দিয়া হল।

ছোৱালী :— অড়ে অড়ে কালো চড়া
তুইতো পিৰিত বঢ়ালি
স্বৰ্গেৰ চানটা হাতে লৈ
ৰাস্তায় বসায় কান্দালি।

লৰা— "তুইনো কিলো, তুইনো কিলো
তুইনো কিলো ৰূপসী,
এক শ টাকাৰ বাশ কাটালি
কই দেখালি চঁখেৰ ঘৰ॥"

বাগিছাৰ চাহৰ সকলৰ বঙলাত কাম কৰা ছোৱালী বোৰক সাধাৰণতে বস্তিত থকা

২ কান্দনে = কাষত।

ডেকা গাভৰুৱে অকনমান হেয় দৃষ্টিৰে চায়। সেয়ে তেওঁলোকক খং তুলিবৰ বাবে কয়—

"অৰে অৰে কালো চড়ী
তইতো বাংলা টানালি
বাংলা ভিতৰ ফুল বাগিছা
চাহেবেৰ মন ভুলালি॥"

এই গীতৰ লগত বিহু গীতৰ ভাব ভাষাৰ সাদৃশ্য সুন্দৰৰূপে পৰিলক্ষিত হোৱা দেখা যায়।

"অৰে গনা তামোল বেনা
তোৰ কানে কাচা সোনা
কি তামোল বেনালে গনা
ঘৰ যাতে মন কৰেনা॥"

বিহুগীতত— "কিনো তামোলখনি দিলা ঐ লাহৰা
অতি চেনেহৰে খালো
সেইনো তামোলখনি খাবৰে পৰা
তোমাৰ লগত চিনাকী হলো।

আমাৰ বিহুগীতৰ দৰে এই গীতৰ প্ৰতিযোগিতা হয়। ভালকৈ গীত গাব নোৱাৰা লৰা বা ছোৱালীক গীতেৰেই হানি থকা সৰকা কৰে।

"গুৱা গুৱা গুৱা বুলি
আৰ বোলি গুৱা,
ঔ চড়িৰা গান নাই জানে
কৰে হুৱা হুৱা।"

চাহবনুৱাৰ মাজত এনে গীতমাত অসংখ্য সিচৰিত হৈ পৰি আছে। সিবোৰৰ সংগ্ৰহ এতিয়াও হোৱা নাই। এই বিলাকৰ মাজেৰে অসমীয়া সমাজৰ লগত এওঁলোক কেনে গভীৰ ভাৱে জড়িত হৈ পৰি হাড়ে হিমজুৱে অসমীয়া হৈ পৰিছে অথবা ইবিলাকৰ সৈতে সাংস্কৃতিক বিনিময় ঘটি কিদৰে এটি নতুন জীৱন ধাৰা প্ৰচলিত হৈছে তাৰ অধ্যয়নৰ বহল পথাৰ এথনি এই গীতমাতৰ মাজত আছে। অনিসন্ধিতসু আৰু উৎসাহী কলেজীয়া ছাত্ৰসকলে ইয়াৰ সংগ্ৰহ কাৰ্য্যত ব্ৰতী হব এই আশাৰে এই চমু প্ৰৱন্ধটি লিখা হল।

গীত আৰু পূজা প্ৰকৰণৰ কথাখিনি আনন্দপুৰ বাগিছাৰ বনুৱাৰ পৰা সংগ্ৰহ কৰা।

[ ৰম্য-ৰচনা ]

# চকু

শ্ৰীজগন্নাথ বৰুৱা।
(কলা বিভাগ)

..........“তোমাৰ চকুত প্ৰিয়া সাগৰৰ এচামুচ নীলা” ............. বোধহয় গমপাইছেই কবি বৰুৱাদেৱে কাৰ চকুতনো কি বিচাৰি পাইছে? আপুনিও পাব – নেপাব কিয়? মাত্ৰ ভালকৈ দৃষ্টি পেলাওক না; চাব তাৰ পাচত কি হৈ গৈছে! সেই বুলি অলপ চাইচিটি আক' দেই। আমাৰ হেৰিব নিচিনাকৈ গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়া ছোৱালী জনীক যি দৰে চকুৰে ইচাৰা দিছিল সেইদৰে দিলে হ'লেই আৰু বেচেৰাৰ নিচিনাকৈ 'বাইদেউ ভুল হৈ গ'ল বেয়া নেপাব' আৰু বুলি কৈ থৎমৎ খাই নুফুটিলেহে ৰক্ষা। এই বহুমূলীয়া চকু দুটাই যাক য'লৈ টানিলৈ গৈছে সেই ফালেদিয়েই একান্তমনে গৈ আছে। আপুনি ডাঙৰ মানুহ হৈছে, ছোৱালী জোকাই গালি খাইছে, মাক-দেউতাকক চিনি পাইছে, দুজন বন্ধুৰ সৈতে ৰেলৰে ক্ৰছিংত ঠিয় হৈ নিজৰ প্ৰেমিকালৈ চাই চকুৰে ইচাৰা দি দুই একাষাৰ মহলা মাৰিছে, আপুনি গাৰ্লফেণ্ড লৈ মজা কৰিছে, ছোৱালীবোৰৰ লগত বহি চিনেমা চাইছে—টুইষ্ট মাৰিছে আৰু সংসাৰত যিমান খিনি জঘন্য কাম মানুহে কৰিছে বা কৰিব এই সকলোবোৰৰ মূলতেই হ'ল 'চকু।' আপুনি নিজেই ভাবকছোন চকু নেথাকিলে আপোনাৰ অৱস্থা কি হ'ব? গতিকে চকুৰ বিষয়ে দুআষাৰ লিখোঁতে দুই এটা খোচ আপোনাৰ গাতো পৰিব পাৰে। সেইবুলি আক' বেয়া নেপাব। ক্ষমা খুজি থৈছো দেই।

ভাল বেয়া, সৎ-অসৎ, আৰু উপকাৰী-অপকাৰী পৃথিৱীৰ সকলোবোৰ বস্তু এই দুটা চকুৰে দৰ্শন কৰে। চকুৰে ভালতকৈ বেয়াটো সোনকালে দেখা পায়, সৎতকৈ অসৎটো সোনকালে চায় আৰু উপকাৰীত কৈ অপকাৰীটো ততাতৈয়াকৈ দৰ্শন কৰে। মোৰ দুজন বন্ধুৱে চিনেমা চাবলৈ গৈছিল। টিকেট লৈ নিজ নিজ আসনত বহিল। তিনটা চিট খালি আছিল। সিহঁতৰ ওচৰতে বহিল এজন লগৰ লৰা। বাকী দুটা চিটত বহিলহি দুজনী ছোৱালী। এখন চিনেমা আৰম্ভ হোৱাৰ লগে লগে আনখন চিনেমাও চলিল। এতিয়া কথা হ'ল বন্ধুদুজনে কোনখন চিনেমা চাব। এখনো এৰিব লগা নহয়। পিছে সিহঁতে কি কৰিলে অচলি বাদ দি নকলিত ধৰিলে। পিছত কোৱা শুনিলো এটা টিকেটত দুটা শ্বো চালে বালে। বেয়া নেপাব দেই কথাত কথা ওলাল কাৰণেহে

লিখিলো। চকু আছে কাৰণেহে আপুনি কৰিব পাৰিছে এইবোৰ।

এইবাৰ আহক আমাৰ চেঙেলিয়া ডেকা-চামলৈ। ইয়াতে মাৰিলে টিপা, গড়গাওঁ পালেগৈ শিপা। এনেকুৱা বিধৰ হ'ল আজিকালি লৰা। কুৰবাত কিবা এটা ফাংচন হ'বলৈহে পালে, মাৰিলে তিনটা জাপ। কয় কি ডাও আহিল। আৰু আমাৰ এই ছোৱালী কেইজনী তেওঁলোক জানো কম। বহিব কিদৰে চুকিয়া চুকিকৈ তেতিয়া আকৌ বেটেৰী ভিৰাব পাৰিব। বেটেৰী ভিৰাব বুইছে। বেটেৰী ভিৰাই কিছু কাম নকৰিলে 'শ্ব' চাবলৈ অহাই দেখোন অসাথক। আপুনি চকুৰ ইচাৰা জানেনে নেজানে? নেজানে যদি ফাংচন চাবলৈ আহিব বুইছে, একেদিনাই ফাষ্টগ্ৰেড পাই যাব, ভয় নাই মাত্ৰ চকুৰ দাইনা বায়াহে লাগে।

কিছুমান সাংঘাটিক বস্তুবোৰৰ ভিতৰত ই ও এটা। এবাৰ কেনেবাকৈ এই চকুৰ পাল্লাত পৰিলে হৈ গল আৰু; সাচতীয়াৰ ঘৰত শূন্য বহাওক আৰু। হোষ্টেলবাসী হলেতো কথাই নাই তিনিজন নতুন মিতিৰে আপোনাক আদৰণি জনাব। আৰু সেই আদৰণিৰ বান্ধোন নিকপ্‌কপীয়া কৰিবলে ঘৰত দুই এটা গাজা নুফুটালেও নহয়; গতিকে মা-দেউতাক দুই/তিনি বাৰ সেৱা জনাই খুব নম্ৰভাবে আপুনি আৰম্ভ কৰিব লাগিব যে চাৰৰ তলত ৬০ টকাৰ এটা টিউচন লৈছে সেই হেতুকে অহামাহৰ পৰা যেন ১৩০ টকাৰ লগত আৰু ৬০ টকা বেলেগ পঠায়। হোলাৰ ভাই মোলা আই-বোপাই এ ভাৱিব লৰাই খুউব পঢ়ে কিজানি, মতি গতি ভাল হৈছে হব পায়, নহলেনো টিউচন লয়নে চাৰৰ তলত। লৰাই বাপেক মাকৰ ওপৰত টেক্কা মাৰি সেই টকাৰে বেলেগ টিউচনি আৰম্ভ কৰি দিয়ে। এবাৰ এনেকুৱা চকুৰ পাল্লাত পৰিলে আপোনাৰ ফালে হল আৰু। গাধই গিৰিহঁতৰ বোজা কঢ়িয়াই লৈ যোৱাৰ দৰে সেই দুটা চকুৱে আপোনাৰ নাকিত ধৰি ঘূৰাই লৈ ফুৰাব। তেনেকুৱা পাল্লাত নুঠিবলৈ বুঢ়া-বুঢ়ীসকলৰ উপদেশ। একেবাৰে নিমাখিত হৈ থকাটোও ভাল নহয় আৰু' দেই। একে দিনাই নিবোকা চামোন গু খোৱা যম হৈ সকলোৰে নজৰত পৰিলেহে বেয়া লাগিব।

চকু দেখিয়েই গম পাব কোন কেনেকুৱা বিধৰ। বিয়াত দৰাৰ লগত গৈছেতো? যদি গৈছে মন কৰিছেনে কাণ্ডকাৰখনা বিলাক! যদি মন কৰা নাই মন কৰিবছোন কাৰ চকু কত কত থাকে। ভয় নাই, এই বয়সত আপোনাক কোনেও সন্দেহ নকৰে। প্ৰথমে চকু দিব বামুনজনলৈ। চাব বাপুৰ চকুদুটা ক'ত ক'ত থাকে। ( বাপু মানে ক্ৰিয়া সমৰ্পণ কৰা জনহে আৰু' ) দ্বিতীয়তে চকু দিব দৰা কইনাৰ ফালে। বেচেৰা দৰাই যদিও কেচাঁ আম খৰিৰ ধোৱাঁত তৰাণ নেপায়, তথাপি দুই এবাৰ চকু হালে "হনেৱালী বিবি"ৰ ওপৰত ভিৰায়। যদি কেনেবাকৈ সিহঁত হালৰ আগতে মিলামিছা থাকে তেতিয়া হ'লেতো আৰু কথাই নাই। লাগিল চিকুটা চিকুটিখন। আপুনি মাত্ৰ দুইখন হাতৰ কাৰবাৰহে দেখিব। তৃতীয়তে চকু দিব

দৰা ঘৰৰ লৰা-ছোৱালী (বুজন) সকললৈ। চতুৰ্থত চকু দিব কইনা ঘৰৰ লৰা-ছোৱালী সবলৈ। চাবচোন কাৰ চকুৰে কলৈ টানে। এফালে হোম পুৰিব, এফালে বিয়া নামৰ জাউৰি উঠিব আৰু আনফালে তাৰ লগে লগে দেখিব চকুবোৰ এটা এটা বিন্দুত নিৰ্দিষ্ট হৈ কাম-দেৱৰ তপস্যাত নিমগ্ন হৈ আছে। উদাহৰণ লাগে নেকি? নিদিওঁ দিয়ক। দিলে আৰু' আপোনাৰ গাতে পৰিব খোচাটো। আপুনি জানো কমখন কৰিছিল আমাৰ সেই পেহিটিৰ বিয়া খনত। সেইয়া আপোনাৰ আমাৰ গাত জগৰ নহয়। সেইয়া হ'ল চকু—এজুৰি চকু।

আপুনি বাৰু আবেলিৰ বতাহ খাবলৈ ওলায় নে নোলায়?— নোলায়? তেনেহলে আপোনাৰ ওচৰত আৰু কি কম। মাত্ৰ ইয়াকে কওঁ—এবাৰ বৃন্দাবনত লীলা কৰি ফুৰা গোপ-গোপী সকলৰ দৰ্শন লাভ কৰিবহিছোন, চাব আপোনাৰ চকু জোৰৰ সদগতি কেনেকৈ হ'ব ধৰিছে। বতাহ খাবলৈ জাৰৰ দিনত ৰঙা চুৰেটাৰ পিন্ধি ওলাব দেই। নজৰত তেতিয়াহে আহিব পাৰিব আৰু'। কিবা এটা উৎসৱ হলে নিজকে আনতকৈ বেলেগভাবে সজাবলৈ চাবচোন। দেখিব আপুনি নিজে নজনাকৈ সকলোৰে নজৰত পৰি গৈছে। যোৱাবাৰ জানো আমাৰ ভণী জনীৰ বিয়াত সেই তেজপুৰৰ ফাইলটো আহি কমখন শ্ব' দিলেহি। এবাৰ দেখিব, গোটেই-খন বগা, দুঘণ্টামানৰ পিছত দেখিব গোটেই-খন ক'লা, অলপ পৰ কাম বন কৰাৰ পিছত (কাম মানে আমাৰ লৰাকেইটাৰ আগেদি চুইঁট চুইঁট কৰি যোৱা) দেখিব গোটেইখন ৰঙা। এটা লৰাই গায়েই দিলে "লাল ও শাৰী মৈদানো খৰি"………। দিনে দিনে যে ইমান বোৰৰ সালসলনি হৈছে, বিয়াখনত ৬–৭ বাৰকৈ কাপোৰ সলাই মানুহৰ নজৰত পৰে কিহৰ কাৰণে? উত্তৰত আপুনি চকুযুটালৈকে আঙু-লিয়াব লাগিব। আমাৰ চকু আছে কাৰণেই ইমানবোৰ ৰঙ বিৰঙ দেখুৱাব পাৰিছে। অন্ধ মানুহ এজনক জানো দেখুৱাবলৈ যাব? আজি চকু আছে কাৰণেই ভাবি পত্নীৰ লগত বহি গল্প কৰিব পাৰিছে, চিনেমা চাই স্ফূৰ্ত্তি কৰিব পাৰিছে, ভৰ আবেলি মহাবিদ্যালয় বিশ্ববিদ্যালয়ৰ আগেদি দুই তিনিবাৰকৈ চক্কৰ মাৰিব পাৰিছে, ফুলনিত বহি নাম জপ কৰিবলৈ শিকিছে আৰু চিনেমা হলৰ সম্মুখত ঠিয় হৈ মানুহৰ গতিবিধি লক্ষ কৰিবলৈ পাৰ্গত হৈছে। আজি এই সকলোবোৰ দেখিছে কিহৰ ফেৰৎ, চিনেমা চাই আহি "ইহ…হি…হিই" মাৰিছেহি কিহৰ বলত, ফাংচন চাওঁতে নিজৰ মানুহজনীলৈ মৰমৰ দুই এটি চকুটিপ মাৰে কিহৰ জোৰত? এই সকলোবোৰৰ মূলতেই হ'ল আপোনাৰ চকুজোৰ। আপুনি খঙত আছেনে স্ফূৰ্ত্তিত আছে চকু দেখিয়েই ধৰিব পাৰি। আপোনালৈ যদি কোনোবাই অলপ বেলেগ ধৰণে চায় বা পেন্দূৱাকৈ চায় বা চকুপকাই চায়, তেতিয়া ধৰি ল'ব মাজত কিবা গণ্ডগোল সোমই গ'ল বা কিবা এটা হ'ব। সময়ে সময়ে চকুৱে বেলেগ বেলেগ ৰূপ ধাৰণ কৰে আৰু পৰিস্থিতি বুজি সেই ৰূপ প্ৰকাশ কৰে।

চকুৰ দোষগুণ এই সকলো বাৰতো আপোনাক কলোঁৱেই। তাকে চাই আপুনি চকুৰ লগত মিলাপ্ৰীতি কৰে, অহিত চিন্তে সেইটো আপোনাৰ কথা। তাত মই কবলৈ একো নাই। কিন্তু ঘঁহি থাকিলে শিলো ক্ষয় যায়। অনবৰত গাড়ীখন চলাই থাকিলে তেল পানী নিদিলে অচল হৈ পৰিব; ঠিক সেইদৰে চকুকো অলপ জিৰনী দিয়া উচিত; নহলে একেদিনাই কি কৰে ঠিক নাই। মুখেদি দুই এবাৰ হামি আহিলে আৰু চকুদুটা ৰম্‌ৰমৰ্কৈ পুৰিলে জানিব চকুৰ জিৰণীৰ সময় পাইছেহি মোৰো চকুদুটা পুৰিছে গতিকে সামৰোহে। সামৰো বুলিছোহে হয় আকৌ মনত পৰিল দেখোন মিচেচ বৰুৱাৰ চকুদুটা। চকুনে জুইৰ ফিৰিঙতি ? এটা পাক পৰিলেই আপুনি ত্ৰাহি ত্ৰাহি দেখি যাব নহয়। মাত্ৰ আপুনি খণ্ড উঠাৰ সময়ত গৈ বেৰৰ ফুটাই দি চাই আহিবছোন। যোৱাকালি মোৰ সেই ঘোৰ চকু দেখাৰ সৌভাগ্যকন ঘটিল বাবেই আপোনাৰ লোকৰ আগত কলো। কাকো নকব দেই। আপোনা-আপুনি এদিনাখন নজৰত আহি যাব খালি অলপ ধৈৰ্য্য ধৰক। সাৱৰণি মাৰিছো দেই।



# কবিতা। কুঞ্জ ॥

"এখনি—
অজান অময়া
পুৰীৰ কাৰণে মানৱাত্মাৰ
যি আকুলতা, সেই আকুলতাৰ
চঞ্চল পৰশ পাই উজ্জ্বল হৈ উঠা জীৱনৰ
উচ্ছাসেই কবিতা।"
—চাৰ হেনৰী নিউবোল্ট—

"কাব্য
সৌন্দৰ্য্যৰ প্ৰতি
অনুৰাগ। ইয়াৰ কাম
আনন্দৰ সহায়েৰে মন পৰিস্কাৰ
আৰু উন্নত কৰা— কাৰণ সৌন্দৰ্য্য
আনন্দৰ মনোহাৰী ৰূপত বাহিৰে আন
একো নহয়।"
—লী হাণ্ট—

# অনাহুত

"আমিতো নেপালো হায় পৃথিৱীৰ প্ৰথম যৌৱন,
অৰণ্যৰ সেউজী সুৰতি।"

অক্ষম যৌৱনৰ এক অগলিত মাংসপিণ্ড হৈ
জন্ম ললো ন্যুব্জ গৰ্ভকোষত অকুলীন পুত্ৰ হৈ মই।
মইয়োতো আহিলো ছুই জন্মৰ বিশাল নদী
জৰায়ুৰ তপ্ত বেদনাৰে মাতৃৰ অমৃত গৰ্ভৰ।
মোকোতো গঢ়িলা তুমি বিন্দু বিন্দু ৰক্ত কনিকাৰে
তোমাৰ দেহৰ কোষেৰে ধাৰণ কৰিলা মোক
সীমন্তিনী মাতৃৰ দেহৰ কক্ষত।
হব পাৰো অকাল-কুস্মাণ্ড মই তোমাৰ কুলৰ,
তথাপিও সনাতন সৃষ্টিৰ লহমাত স্থিতি মোৰ
তোমাৰ গৰ্ভত।
মইতো অনঘ তোমাৰ অনূঢ়া সবাৰ
তোমাৰ যৌৱন দেহৰ একেটি ভুলৰ বাবে,
মই কিয় বলি যাব লাগে জীৱনৰ নিসন্ধি কক্ষত!
মহিয়সী মৰমৰ অমৰাৱতীত চাৰণ কৰিও
কিয় মই পাৰিজাত নাম নেপালো;
মই হলো অনাদৃত মন্দাৰ সৌৰভ।
মোক তুমি ঠাই দিলা অন্ধকাৰ অৰণ্যত
মই হলো মন্দিৰৰ কাপালিক, শ্মশানৰ উলঙ্গ চণ্ডাল
তথাপিও—
তথাপিও, তোমাক সোঁৱৰো মই মাতৃ বুলি, আই বুলি
তোমাৰ গৰ্ভজাত একোটি আকৃতিৰে
দূৰে দূৰে বৈ যাম অনাহুত পুত্ৰ হৈ মই।

ৰমেশ ৰাজখোৱা
(কলা বিভাগ)

# মৰত যাত্ৰাৰ গান ঃ

## অঘৰী দলৰ

গুণেশ্বৰ সোনোৱাল।
( কলা বিভাগ )

ৱাৱন বধৰ আশাৰে
যুগৰ দাশৰথী
তুমি আজি নিৰ্ব্বিকাৰ
তোমাৰ শৰ-ধনু
অনৈক্যৰ ঘূণেৰে ঘূণাক্ৰান্ত।
যুগৰ কাঙাল পথত
অঘৰীৰ দল
লক্ষ্য, যাৰ এপলক উততি চোৱাৰ
তৃষ্ণা, যাৰ মৃগতৃষ্ণা
শুকান মৰুৰ!
ছুটি এটি শ্ল'গান—
"হে মৃত্যু, আমাক মাতা,
হে ভগবান, আমাক সহায় কৰা
আমি সিপুৰীলৈ যাওঁ
এই পুৰীত মানৱতাৰ শেষ।"
ৰত্নমণি ডুৱৰাৰ পদুলিত
নাহৰ ফুটুকী এজাক বাঘ
ৰহুত দামুৰীৰ ডাক শলমাৰী
বিলৰ পাৰত হেনো
কালিলৈ পুৱাতেই হব!
সেইজনী হৰিণী
সেইজনী অন্তঃসত্বা হৰিণীলৈ
এবাৰ চোৱা। তাইক মনে মনে চোঁৱা
তাইৰ চকুহাল কঁপে
অলপ পিছতে তাইও
নদীত নামিব।
গন্ধমাধন পৰ্ব্বতত বিশল্যকৰণিৰ
বহুত দাম— দাম বহুত!
হনুমান! পবন তনয় হনুমান!!
তোমাৰ কাষলতিত আজি
সূৰ্য্য ক'ত? ক'ত সূৰ্য্য!!
সূৰ্য্যৰ পলায়ন—
পৃথিবীত আজি ভীৰু সূৰ্য্যৰ
পলায়ন!
এদল যাত্ৰীয়ে এন্ধাৰ
সিচিছে এই পৃথিবীত।

—— ঃ০ঃ ——

# আৱৰ্ত্ত

আমাৰ ভৱিত লাগি চ'তৰ সৰাপাতত
হয়তো উঠিব পাৰে উদাস সঙ্গীত
হয়তো সেইবোৰ হব পাৰে
পথ-বিস্মৃত নাবিকৰ বিৱৰ্ণ যান্ত্রনা।
আকাশৰ মোহনাত ডাৱৰ দেখি
হয়তো হব পাৰে ভ্রান্ত ধাৰণাৰ ভ্রান্ত প্রতিচ্ছবি
আকাশৰ নীলাভ বুকুৰ ছুটা এটা উল্কা
হয়তো খহিব পাৰে খেলি-মেলি লাগি ।
দূৰাণৰ সুৰ ভাহি আহি সংগোপনে
ছুই যাব পাৰে হয়তো মনৰ প্রান্তৰ,
এন্ধাৰৰ অচিনাকি ফুলৰ সুবাসে
বিভ্রান্ত কৰিব পাৰে হয়তো উদভ্রান্ত কল্পনা
তথাপি মানুহৰ বিলাসী পখী-মন
উৰি উৰি বান্ধিবহি মনৰ নীড় এই নিৰলাত।
শিশুৰ হাঁহিৰ জ্যোতিৰে সমুজ্জ্বল এখন পৃথিৱী
সেয়ে যদি হয় আমাৰ স্বপ্ন দুখনি হিয়াৰ
অকণি আমাৰ আকাশ প্রেম আৰু ভালপোৱা
সুৰভিয়ে হওঁক তেন্তে শাশ্বত মধুৰ ।

শ্রীমিঠা বৰুৱা।
( কলা বিভাগ )

# সংগোপন

(মিচ্)
প্ৰমীলা খাক্লাৰী
(কলা বিভাগ।

এজাক পথীৰ গান এই মাত্ৰ শেষ হল
বননিত সিচি দিয়া টুকুৰা গানৰ সুৰ
ৰাজি ৰাজি এইমাত্ৰ নিস্তব্ধ হল!
এই প্ৰান্তৰ লাগি ৰ'ল বিঙা বিঙা উদাসী প্ৰাণৰ
সৰু এটি স্মৃতিৰ সুৰ।
এতিয়া নিৰৱ হ'ল পলাশ বননি
ফাগুন-মধুৰ বিহগী-কাকলি আৰু ভ্ৰমৰৰ গুণ গুণ
মাৰ গল দূৰণিৰ নদীৰ বুকুত।
এতিয়া ৰাতিৰ আকাশে কান্দে
আত্মাৰ সুশুপ্তি গান বেদুইনৰ দল হৈ
কেনিবা উধাও হ'ল— কোনে তাৰ ৰাখিছে খবৰ?
আকাশী স্বপ্নৰ ফুল সৰি সৰি শেষ হল—
কোনে তাৰ দিব খতিয়ান
আৰু বন্ধ ঘৰত মোৰ সৰু এটি প্ৰাৰ্থনাই কান্দে
এই পথ, এই সুৰ, এই স্বপ্ন-মিছিল অন্তত
সমুজ্জ্বল হৈ চিৰন্তন হোৱাৰ আশাত।
এতিয়া শুনিছো মই নিৰ্জ্জন প্ৰান্তত ৰৈ
দূৰণিত মৰমৰ চিৰায়ত সঙ্কেত আৰু
এক শিশু মানসৰ বন্ধুত্বৰ মিঠা চাৰমন।
সাতুৰি হলোহি পাৰ যদিওবা সময়ৰ সোনোৱালী নদী
সেই নদী, সেই স্মৃতি, সেই চাৰমন
বন্দী হৈ ৰ'ল মোৰ হৃদয়ৰ গোপন প্ৰান্তত।

---

# পথ

নাজানো মোৰ হৃদয়ত কিহৰ বিনানি উঠিছিল,
অযুগ্ম, নিঃসঙ্গ মোৰ মনে হাঁহাঁকাৰ কৰিছিল
জীয়াই থকাৰ হেতু।
আমাৰ জীৱন এইয়া যৌৱনবোৰ জ্বলি জ্বলি শেষ হোৱা
মৃত্যুকামী কাবোবাৰ জিজ্ঞাসা— মাৰ্গ বিচাৰি
এইয়া মাথো উপক্ৰমনিকা আৰু আছে বহুতো বাকী।
আমাৰ পঙ্কিল জীৱনৰ মৃন্ময় সাধুবোৰ— যাৰ শেষ নাই।
মানুহজনীয়ে মোৰ বান্দিছিল, উবুপি উবুপি
অকনি আশ্ৰয় বিচাৰি,
মইয়ো ওলাই আহিছিলো পিছ দূৱাৰেদি
শেৱালি ফুলৰ মালাডাল লৈ।
দিগন্তলৈ চাইছিলো, কাউৰীজাক উৰি গৈছিল— বিক্তাকাশেদি
পদূলিমুখৰ দুবৰি জাকেও হাঁহিছিল মোলৈ চাই
মই ছাগৈ পগলা— ক্ষনিকৰ বাবে -
জীয়াই থকাৰ হেতু।

চন্দ্ৰ কুমাৰ গগৈ।
( বিজ্ঞান শাখা )

———:o:———

" এটি এটি জুই ফিৰি উতি
দূৰতেহে দেখি বিতোপন,
কাষ চাপি আহিল যেতিয়া—
আঁতৰিল সুখৰ সপোন।"

—যতীন্দ্ৰ নাথ দুৱৰা।

# স্নিগ্ধ পৰশ

কিহে যেন সানি দিলে
হিম চেঁচা স্নিগ্ধ স্পৰ্শ এটি
ক্লান্তি মধুৰ মোৰ চকুৰ পতাত।
কিযে শান্তি, নিৰুপমা ;
কিযে তৃপ্তি, তুমি নুবুজিবা।
তন্দ্ৰা নামে আজি মোৰ
চকুৰ পতাত ..... .. ..
মধুৰ তন্দ্ৰা।
ক্লান্তি নাই ক্লান্তি মোৰ শেষ হল।
মাথো এটি স্বপ্ন স্বপ্ন লগা—
মধুৰ স্পৰ্শত।
(ক্লান্তিয়ে মোৰ চকুৰ পতাত সানিছিল এক মধুৰ প্ৰলেপ)।
আৰু এতিয়া।
এতিয়া মুক্ত মই ক্লান্তি আৰু ভাগৰৰ
মধুৰ হেঁচাৰ পৰা......... !
দুচকুত মধুৰ তন্দ্ৰা নামে—
পৃথিৱী যেন স্বপ্ন স্বপ্ন কিবা এটা।

( মিচ ) মায়া গগৈ।
( কলা বিভাগ )

× 

" কবিতাৰ সমল প্ৰাক্তন আৰু গতানু গতিক—আহাৰৰ ক্ষুধা, কামিনীৰ প্ৰেম, গচ্ছল্য স্নেহ, অমৰ জীৱনৰ আকাঙ্ক্ষ্যা।"

— জি, কে, চেষ্টাৰ্টন—

# বলিয়ালি মোৰ ঃ

**ভুল,**
**ফুল**
**আৰু**
**ৰঙৰ**

এটা আমেজ সনা সন্ধিয়া
জীৱনৰ সকলো বলিয়ালিৰে
শুনিছিলো স্পন্দন নিবিড় ভাবে
ছন্দায়িত বুকুৰ—বিনীতা তোমাৰ।
বতাহত বৈ গ'ল যাৰ শেৱালি শেৱালি গোন্ধ
আৰু—আৰু বৈ গল স্বপ্ন স্বপ্ন লগা এপৃথিৱী
জীয়া মৰমৰ মৃত্যুৰ বাতৰি মনৰ এটি কোণত।
জীৱনৰ সকলো ভুলেৰে
গঢ়িছিলো কৃষ্ণচূড়াৰ ৰঙেৰে তাজমহল—ভাল পোৱাৰ।
কিয় জানো বৈ গল স্মৃতি তাৰ
মোৰ ড্ৰইং ৰুমৰ নীলা পৰ্দাৰ সিপাৰে
বিভৎস এক আদিম বাসনাৰে।
জীৱনৰ সকলো ফুলেৰে
গাথিছিলো এডাল গাথো মালা টুকুৰা স্বপ্নৰ
মৰহাৰ পাছত সুৰভি যাৰ বৈ গল
মৃত-ম্লান কুঁৱলী-কুঁৱলী নিৰন্ধ্ৰ আৱেষ্টনীত
এক অমৰ তৃষ্ণাৰে।
জীৱনৰ সকলো ৰঙেৰে
আঁকিছিলো এখন ছবি
বিনীতা তুমি জানো জানা
বৈ গল কিয় সেই ছবিৰ টুকুৰা মনৰ দাস্তবিনত
এক কৰ্কশ দুঃস্বপ্ন হৈ বহুত জাবৰেৰে সৈতে ?


ইফ্‌টিখাৰ ৰবা।
( বিজ্ঞান বিভাগ )

# নতুন পৃথিবীত

অনিল কুমাৰ বৰুৱা
(কলা বিভা)

স্ৰোতস্বিনী সময়ৰ কদৰ্য্য প্ৰচ্ছদ ভাঙি
আহি আছো এই পথেদি
এয়া সূৰ্য্যোদয়—
তৰাবছা, বহুত নীলাৰে ভৰা,
এখন নীলাকাশ;
এটি পপীয়া তৰা।
বদালিৰ চুমাৰে চুমিত
বগা বালি-বলুকাত—
বুঢ়ী আইৰ সাধু
আৰু
ধনশিৰী, ডিগাৰু, ভৰলাইঁতৰ
বুৰঞ্জী কলীয়া প্ৰেমৰ সাথৰ
সভ্যতা ঃ সংস্কৃতি ।
এইখন পৃথিবীত পাথৰেৰে চেং খেলি
দিনান্তত মই যামগৈ।
কিন্তু
মই যে মানুহ ………;
বহুত কল্পনা, অ:লেথ আ:বগ … … …
তাত কিয় ধ্বংসৰ ধোঁৱা ?
তথাপিও
জীয়াই থকাৰ মোৰ অসীম আক্ৰোশ
"মৰিতে চাহিনা আমি সুন্দৰ ভূৱনে"—
সভ্যতাৰ বাৰুদত … … …
ধূলিত ধুৰলী কুৰলী হোঁৱা
ধ্বংসান্বেষা মেঘৰ মাজত
নীৰিহ কপৌজাক উৰিছে।
সিহঁতে পাহৰি গল, 'মচজিচৰ' প্ৰস্তাৱৰ দৰে

এইখন পৃথিবী, এইখন সমাজ।
চোকা চোকা কাড়লৈ
ৰক্তাভ লুলোপ আশাৰে
এইদল চিকাৰীৰ কথা।
ৰক্তাক্ত মনৰ পখিলাটিয়ে
পাহৰিলে নাৰদৰ 'ঢেকীৰথ'
আৰু কুবেৰৰ পুষ্পকত শতিকাই ৰাগৰ সলোৱাৰ ইতিহাস।
সিহঁতে পাহৰি গল—
বিজ্ঞানৰ 'মেচিন গান' আৰু 'পেট্রনৰ' 'টুইষ্টত'
কৰ্ম্মঠ মানুহবোৰে সাৰপালে কুকুৰা ডাকত
উদয়াচলৰ ৰক্তিম আভাৰে
মচজিদত কামানৰ আজান পৰিল।
এইখন কাশ্মীৰত ... ... .... হাজাৰ কাশ্মীৰী প্ৰাণৰ কান্দোনত
চাহাৰাৰ চিমুনৰ দৰে ধোৱাঁৰ লগত,
আটা আৰু ডাইলৰ গুৰিবোৰ ... ... ..
উৰিব লাগিছে ... ... ... !
"কাশ্মীৰ আমাৰ"
লাডাখে সপোন দেখে
এইদল সীমান্তৰ সজাগ প্ৰহৰী, আৰু এজাক সজাগ চিকাৰী
মানৱত্বঃ জীৱ প্ৰেম
নেতাৰ হাতত দি
মঞ্চৰ বিযুগ্ম মানুহ সিহঁত
যাৰ নগ্ন কাম নাই
হোৱাংহো ইয়াংচিকিয়াঙৰ পাৰৰ
প্ৰেমাতুৰ এদল মানুহে স্নান কৰে শোনিত ধাৰাত।
প্ৰহৰীৰ শিৰাই শিৰাই ৰক্তৰ প্লাৱন—
জীৱাশ্মত 'অহিংসা পৰম ধৰ্ম্ম'।
নিয়ৰ গধুৰ এক অনামী নিশাৰ
ছুৰবীৰ আদৰনী
'ট্রিগাৰ'ত আঙুলিৰ অনিজ্ঞ ৰজনী

হে কাশ্মীৰ, হে শিয়ালকোট,
ডুচকুৰ ডুটোপ চকুলো এবাৰ মচিবা ?
আৰু এদল সজাগ প্ৰহৰী
অকলশৰীয়া ঃ চাকৈ চকোৱা
স্মৃতিৰ চুমাৰে গধুৰ হোৱা
গাৰু ঢাকনিক
আঁকি আঁকি
ফচিলৰ পাণ্ডুলিপি মৰ জীৱনৰ।
এইজনী অহল্যা —
ইয়াত কাশ্মীৰ, ইয়াত লাডাখ
আৰু ভিয়েটনামৰ অমিল সাথৰ
প্ৰাণৰ কাৰণে যত লেকান্দে প্ৰাণে
কান্দে তাত শিবৰ সেন্দূৰে।
কান্দে তাত বন্দী বিহঙ্গমে
মন অগ্নেয়ত শত শত বিচুৰিয়াচৰ উদ্গীৰণ
ধোঁৱাৰ লগত উৰা ডুটোপ অক্সিজেন আৰু হাইড্ৰোজেন—
হাজাৰ নাবিকে যত নাওবোৰ
একেটি ভাহাৰে, একেটি পথেৰে .... ... ।
পাৰৰ বন্দৰ ... .... ... এখন নতুন পৃথিবীত
নতুন নীলাত
পবিত্ৰ কোৰাণ, গীতা আৰু বাইবেলৰ গীতেৰে
এজাক কপৌ নীলাত মিলিব।
জোনাকীয়ে গীত গাব
আবেগৰ সুৰ ঢালি
'মৰহা অতীতবোৰ'
অহল্যাৰ বিদায়ৰ বেলা
হাতত চেতাৰ লৈ ডুটি মানুহে
জুৰিব নতুন গীত
আদামৰ ছবি আঁকি ছন্দিত তনুৰ।

——o——

"হিংস্ৰ জন্তু বোলা হয়—
হিংসা কৰা স্বভাবেই তাৰ !
দেৱতুল্য মানুহেনো
হিংসা কৰে কিয়, য'ত
প্ৰয়োজন নাই।"

— নীলমনি ফুকন—

# আঘোনৰ ৰাতিপুৱা

এয়া এটি আঘোনৰ কেঁচা ৰাতিপুৱা
চোতালত সোণ্জাক মিঠা মিঠা ৰ'দ
অকণমানি ছোৱালী জনীৰ উচ্ছল হাঁহিবোৰ
মদাৰৰ ফুল হল কেচুৱাৰ মিঠা মাত
মুঠি মুঠি জেতুকাৰ ৰঙ।
সময়ৰ পানী ঘুৰলিত বালি মাহী চৰাই এজাক
আঘোনৰ পথাৰত উৰি উৰি
মিলি গল সোণগুটি মুকুতা ডৰাত
একাচি মৰম সেই বকুল বানত
লাৱনি হাতেৰে ছতিয়াই দিলে যেন এজাকি বতাহ
অঘৰী পখিলাজাক ৰঙা, নীলা, হালধীয়া
দিগন্তত শেতেলি পাতিলে।
এয়া এটি আঘোনৰ ৰাতিপুৱা
মিঠা মিঠা বদ হল গাভৰুৰ হাঁহি
স্মৃতি আৰু কল্পনাৰ হাঁহিৰে ৰাঙলী হল
পুৱাৰ আকাশ। মনৰ বনত সেই শিমলুৰ ৰঙা ৰং
হিয়াত ফুলিল যেন পলাশৰ ফুল।
সোণ তৰাৰ মাকজনাৰ দুচকুত দুঃস্বপ্নৰ ভীৰ
ওঁঠৰ পোৱাল মণি গাল-মুখ দুবাহুত আবেগৰ জুই
মনৰ মাজত কাৰ চিনাকী স্বপ্নৰ ভীৰ
ঢৌ উঠা বুকুখনিত ফুলি উঠিল ন-কৈ এটি যেন
তৰাৰ গজালি।
আঘোনৰ ৰাতিপুৱা
বাৰিষাৰ সঞ্চিত আশাৰ মদিৰাবোৰ
বহাগৰ ফুল হল, ৰংমন ডালিমীৰ জোনাকৰ সাধুবোৰ
সঁচা হল বহাগৰ বিহুৱতী চৰাই।
এতিয়া আঘোণ হল
নীলাকাশ সোন বৰণীয়া
ৰৈ ৰৈ উটি আহে টিহিটি পেপাৰ মাত
কাঁহী বাটি মেখেলাৰ উখল মাখল
অ'ত ত'ত ঘাটে ঘাটে হাঁহিৰ মূৰ্চ্ছনা
অচিনাকি দুটি পখী আকাশেদি উৰি গল
পাখিৰ পোহৰ যাৰ ধোৱা ধূসৰিত
কুঁৱলী কুঁৱলী মাত স্বপ্নৰ আমেজে যাৰ।
গতিপথ কৰিছে উন্মনা

তৰুণ চেনচোৱা বৰুৱা
( ছাত্ৰ বিজ্ঞান শাখা )

# মেঘ-বন্যা

ৰঞ্জিত সিংহ চৌধুৰী।
( কলা ৰিভাগ )

অনামিকা এজনী যুৱতী
যৌৱনৰ পয়োভৰা .... ... ...
দেহৰ ওখ চাপৰ বোৰত
নামিছে যৌৱনৰ বন্যা;
দেহাৰ ৰং যেন—

সদ্য পুষ্পিত ভেট ফুল এপাহ।
পাতল শুভ্র বস্ত্র পৰিহিতা
তাৰ মাজে ওলাইছে তাইৰ
অৰ্দ্ধ নগ্ন দেহা !!

তাইৰ যৌৱন আবেদনময়ী ৰূপে
গছ-গছনি— গিৰি-গুহাক উন্মাদ কৰিছে,
সূৰ্য্যৰ শেষ ৰঙাখিনি
তাইৰ গোলাপী গালত পৰিছে—
সমীৰণে লাজ লগাকৈ
তাইৰ দেহা পৰশিছে।

চকুত নাচিছে তাইৰঃ বিজুলি
কোমল মিঠা হাঁহিয়ে
চৌদিশে প্ৰতিধ্বনিত হৈ
গৰজনি তুলিছে।
হঠাৎ তাইৰ খোপা খুলি গ'ল
কেশমালা হৈ পৰিল
আউলি-বাউলি
কেশ মালাই লগে সমগ্ৰ
দেহা আকোৱালী।—
লাহে লাহে অনামিকাৰ শুভ্র দেহা
গগন মাজত হ'ল লীন ;
প্ৰৱল বেগেৰে নামি আহিল বাৰিধাৰা
গিৰি গুহাৰ নিবাৰিবলৈ তৃষ্ণা,—
অনামিকাৰ পালো পৰিচয়
নহয় তাই নামবিহীনা !!
নাম তাইৰ মেঘ বন্যা !!



একেৰাহে দুবছৰ ধৰি "মিষ্টাৰ কানৈ"
উপাধি লাভ কৰা ব্যায়াম বীৰ
এইয়া শ্ৰীৰঞ্জিত দত্ত।



আজি দুবছৰ একেৰাহে কলেজৰ
একাঙ্কিয়া-নাট প্ৰতিযোগীতাত শ্ৰেষ্ঠ
অভিনেতা (নায়ক) হিচাবে খ্যাতি
অৰ্জ্জন কৰা হেমন্ত কুমাৰ
দত্ত এইয়া।



কলেজ সপ্তাহৰ সাহিত্য প্ৰতিযোগীতাৰ
তৃতীয়া শ্ৰেষ্ঠ প্ৰতিযোগী
আক্ৰামূল ইছলাম।



এইবাৰ আমাৰ কলেজৰ শ্ৰেষ্ঠ
অভিনেত্ৰী এইয়া শ্ৰীমতী
ৰুখচানা বেগম।



ছেৰেকীয়া কলেজ খেল-ধেমালীৰ
প্ৰতিযোগীতাত প্ৰথম স্থান লাভ কৰা
ামী প্ৰতিযোগী শ্ৰীমতী ইল্‌চি মাৰাক।



এইয়া আমাৰ N. C. C. (U. O.) বিদ্যোত কুমাৰ চক্ৰৱৰ্ত্তী যি জনে 'ৰাণীখাট' কুমাৰন'ত অনুষ্ঠিত হোৱা সৰ্ব্বভাৰতীয় Advanced Leadership Course' ত যোগ দি খ্যাতি অৰ্জ্জন কৰিছিল।



এইয়া আমাৰ কলেজৰ আলোচনী সম্পাদক শ্ৰীৰজনী কান্ত চুতীয়া।



অসমৰ আন্তঃ কলেজ ক্ৰীড়া প্ৰতিযোগীতাত জেভেলিন থ্ৰ'ত প্ৰথম স্থান অধিকাৰ কৰা ছোৱালী প্ৰতিযোগী শ্ৰীমতী অন্নপূৰ্ণা গগৈ।

# গল্পৰ

"আধা ঘণ্টাৰ পৰা এঘণ্টা বা দুঘণ্টাৰ ভিতৰত পঢ়ি অটাব পৰা গল্পহে চুটি গল্প"।

—এডগাৰ এলান পো—

"চুটি-গল্প বুলিলে আমি এনেবিধ গল্প ৰচনাকে বুজাওঁ —যি বিধত সাধুকথা বা উপকথা বা শুনাৰ প্ৰবৃত্তি বা আগ্ৰহ নিহিত আছে।"

— প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য—

"আধুনিক চুটি-গল্প হৈছে কল্পনাৰ আঁৰে আঁৰে বোমন্সৰ বোকোচাত বাস্তৱতাৰ ৰূপায়ণ। একোটা বিশেষ মুহূৰ্ত্ত বা অৱস্থাত মানৱ মনৰ যি প্ৰতিক্ৰিয়া হয়, তাকে ভিত্তি কৰি চুটি-গল্পৰ ৰূপ-সজ্জা গঢ়ি উঠে।"

— অসমীয়া প্ৰবন্ধ মঞ্জৰী—

"জোখত চুটি হলেও চুটি গল্প নহব পাৰে। যদি তাত আছে বহু চৰিত্ৰৰ ভীৰ, বিচিত্ৰ পৰিবেশৰ দৃশ্য পৰিবৰ্ত্তন আৰু নৈসংগিক সৌন্দৰ্য্যৰ লালায়িত বৰ্ণনা।"

—শ্ৰীমহেন্দ্ৰ বৰা—

"জীৱনৰ কোনো এক মুহূৰ্ত্তৰ ওপৰত উজ্জ্বল আলোকপাত কৰি তাক সুস্পষ্টকৈ দেখুৱাই চুটি গল্পৰ বৈশিষ্ট। ইয়াৰ কাৰণে ঘটনা বৈশিষ্ট আকৰ্ষণীয় পৰিবেশ, চাৰিত্ৰিক বিকাশ, বস্তুতান্ত্ৰিক আৰু মনস্তাত্বিক সংঘাত সকলোৰে আৱশ্যক হব পাৰে।"

— সাহিত্য সমীক্ষা—

"ঐক্য, সমাহাৰ আৰু ঘটনাৰ কেন্দ্ৰীকৰণ চুটি-গল্পৰ ঘাই লক্ষণ।"

— ব্ৰেণ্ডাৰ মেথিউজ—

— ৰহঘৰা —

> অভিমন্যুৰ মৃত্যুৰ দৰে চক্রবেহুত সোমালে যে তাৰো মৃত্যু অনিবাৰ্য্য সেই কথা জানিও অৱশেষত পুৰনমলৰ পেটত ছুৰীখন সুমুৱাই বিকাশে জেল-চক্রবেহুত সোমাই পৰিল। কাৰণ কেতিয়াও সি সহ্য কৰিব নোৱাৰে সেই ব্যভিচাৰ, অত্যাচাৰ, অপবিত্ৰতা আৰু অমানুষিক অত্যাচাৰ সমাজৰ।...... ..

# চক্র বেহু

নগেন্দ্ৰ নাথ সোনোৱাল।
( ছাত্ৰ, বিজ্ঞান শাখা )

আজি তাৰ বিচাৰৰ দিন।
অভিমন্যুই চক্র বেহুত সোমাই ওলাব নোৱাৰিলে।
বিকাশেও এক আধুনিক চক্রবেহুত সোমালে; সি জানো ওলাব পাৰিব নে নোৱাৰে, ভগবানে জানে।

কাছাৰীত আজি বিকাশৰ ভাগ্য নিৰ্ণয় হ'ব।
জীৱন-মৃত্যুৰ নিৰ্ণয় হ'ব।
কাছাৰীত এমুঠি মানুহে বিকাশৰ অপৰাধ বিচাৰ কৰিব। উকীলে তৰ্ক কৰিব, জেৰা কৰিব।
সি কাঠৰ গড়াত সোমাই উত্তৰ দি যাব উকীলৰ জেৰা বোৰৰ। ঘটনাটোৰ সকলো কথা বিবৰি কব লাগিব ....।
হঠাৎ বিকাশৰ মনটো অনিশ্চিত ভয়ত শঙ্কিত হৈ উঠিল।

: কিহৰ ভয়?
: হাকিমৰ বিচাৰ? মৃত্যু? জেল?
: নহয়।
ওঁহো,—একেবাৰেই নহয়।

তেনেহলে কিয় তাৰ মনটো ইমান ভয়াতুৰ হৈ পৰিছে। সি এইবোৰ বাজে কথা মনলৈ নানিবলৈ চেষ্টা কৰিলে। বিনীদ্ৰ ৰজনী। পুৱতি নিশা হৈছে। ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। তথাপিও যেন সি শুই শুই ভাগৰি পৰিছে আৰু বহু সময় আছে সূৰ্য্যোদয় হবলৈ। বিকাশে লাহেকৈ বিচনাৰ পৰা উঠি খিৰিকিখন খুলি দিলে। এছাতি মিঠা আৰু শীতল মলয়া বতাহে পুৱাৰ জাননী অবুজ ভাষাৰে যেন দি গ'ল. বেৰত আৰি থোৱা "গল্ড ফ্লেক চিগাৰেট" কোম্পানীৰ বিজ্ঞা-

পন কেলেণ্ডাৰখন ৰত্নাহুজ্জাকে লৰাই দিলে। কেলেণ্ডাৰখনে যেন তাকেই বিদ্রূপ কৰিছে।

বিকাশে একেথৰে কেলেণ্ডাৰ খনলৈ চাই ৰল। ছিঃ কেলেণ্ডাৰ খনৰ দৃশ্যটো যে কিমান নগ্ন! এজনী ইউৰোপীয় ৰমনী। স্নান কৰা অৱস্থাৰ। ককাঁলত এটি জাঙিয়া আৰু বুকুৰ উন্নত স্তন যুগলৰ ওপৰত আধা-ভুখৰীয়াকৈ এটি বক্ষ-আবৰণী। কামিনী নয়ন জুৰিয়ে যেন এটি লোভনীয় চাৱনি আৰু লিপ্ষ্টিক ঘহাঁ ওঁঠ জুৰিয়ে এটি মৰম লগা হাঁহি মাৰি আছে।

এই ছবি খনকেই সি এদিন খুউব ভাল পাইছিল আৰু আজি ইয়েই ঘিন লগা হৈছে। আজি সি উপলব্ধি কৰিব পাৰিছে যে এইবোৰে আমাৰ সমাজত কি প্ৰতিক্ৰিয়া কৰিছে। কেলেণ্ডাৰখন চাই তাৰ মনত হাজাৰ প্ৰশ্নৰ উদয় হ'ল। চতুৰ ব্যৱসায়ী এ টকাৰ লোভত এনে উলঙ্গ চিত্ৰ তাৰকাৰ যোগেদি নিজৰ ব্যৱসায়ৰ ভাননী দি গ্ৰাহকৰ দৃষ্টি আকৰ্ষণ কৰিছে। তাৰ আদৰ্শ লৈয়েই আমি গাত লিপিট খাই থকা 'ড্ৰেইন পাইপ' পিন্ধিছো। নানা ধৰনৰ পাতল কাপোৰ পিন্ধি আমাৰ গুপ্তাঙ্গ বিলাক ফুটাই তুলিছো। আমাৰ যে কিমান ভুল হৈছে! আৰু এই ব্যৱসায়ীবোৰ যে কিমান দুষ্ট, নিলাজ। ব্যৱসায়ীবোৰ দুষ্ট, বোলা কথাযাৰ মনত পৰাৰ লগে লগেই তাৰ মনৰ ভাবটো পূৰা দুটা বছৰৰ পিছলৈ মনত পৰিল।

সেই দিনা আউসী ৰাতি আছিল। সি এইখন বিছনাত পৰিয়েই ইকাতি সিকাতি কৰি বাগৰি আছিল। বহুত কথা ভাবিছিল। নিজৰ, মাকৰ কথা আৰু ......। সি আৰু ৰব নোৱাৰিলে অৱশেষত সি আনি থোৱা দীঘল ছুৰী কটাৰীখন জেপত ভৰাই ললে। ৰাস্তা আলিত এটি জন প্ৰাণীও সি লগ নেপালে। দূৰৈত অৰণ্যে শিয়ালৰ মাত শুনিছিল। যেতিয়া সি পূৰণমল ভাৰতীয়াৰ গোলাত উপস্থিত হয় তেতিয়া গোলাত কোনো নাছিল। এই অঞ্চলৰ সিয়েই খ্যাতনামা ব্যৱসায়ী। চাহ-বাগান আছে তথাপিও গেলামালৰ দোকানো আছে আৰু তাৰ তদাৰক স্বয়ং পূৰণমলেই কৰে। গাদীত বহি মহাজনে কিবা কিবি হিচাব কৰি আছে। দুৱাৰ খোলা আছিল। বিকাশে ভিতৰ সোমালে।

পূৰনমলৰ দুটা গুণ্ডা প্ৰকৃতিৰ বিহাৰী চকীদাৰ আছে। ভাত পানীও সিহঁতেই বান্ধে পূৰনমলৰ পৰিবাৰ নাই; আছে যদিও বিকাশে ক'ব নোৱাৰে।

বিকাশক দেখি পুনৰমল আচৰিত নহল। বিকাশে প্ৰায় ৰাতিহে বিৰি চিগাৰেট লয়। কামৰ আজৰি নেপালে মাল-বস্তুও ৰাতিয়েই নিয়ে।

চশমা খনৰ ওপৰেদি বিকাশলৈ চাই জয়ঢোল যেন পেটতো মোহাৰি আধা ভঙা অসমীয়াৰে কলে, বহক বিকাশ বাবু।

ইমান ৰাতিমে আহিলে, জৰুৰ কিবা লাগিব বুলি কৈ বিকাশে নোখোজা স্বত্বেও নম্বৰ টেন

চিগাৰেটৰ পেটি এটা দলিয়াই দি কয়— আৰু কি…? ক্যা আউৰ পেটী চাহিগা? এক পেটী লে জাইয়ে। ফিন ভোৰ মে দৌৰ নে নহী পাৰেগা'।

বিকাশে কথাষৈ কান নেপাতি সুধিলে-- ৰামলাল কহাঁ হে?

ঃ তিনচুকীয়ামে গিয়া। কোই কাম থা?

বিকাশে উত্তৰ নিদি কলে—

ভগতসিং?

ঃ বস্তুই ঘৰমে। বোলৱা ছুঁ?

বিকাশে আৰু ৰব নোৱাৰিলে। তাৰ মনত লুকাই থকা জোৱাৰবোৰে হেন্দোলনি তুলিলে। তাৰ পিছত বিকাশে ছুৰীখন পুৰনমলৰ ওলোমা পেটতে ভৰাই দিলে। 'ৰামলাল' বুলি বিকট চিঞঁৰ মাৰি পূৰনমল গাদীত ঢলি পৰিল। বিকাশে এটা মূহূৰ্ত্তও পলম নকৰি দৌৰ মাৰি ঘৰৰ পৰা ওলাই আহিল। ঘৰ পাই লেমৰ পোহৰত তেজৰ দাগ লাগিছে নেকি চালে। দাগবোৰ ধুই পেলালে। বেছি দাগ কাপোৰত লগা নাছিল।

বিকাশে সেই নিশা শুব নোৱাৰিলে। নানা চিন্তাই তাৰ মনত ভুমুকি মাৰি থাকিল।

*　　　*　　　*

ৰাতিপুৱা হ'ল। হত্যাকাণ্ডৰ কথা লুকাই নেথাকিল। অলপ সময়ৰ ভিতৰতে গোটেই অঞ্চল জুৰি ঘটনাটো ৰাষ্ট্ৰ হৈ গ'ল। পুৰনমলৰ হত্যাকাণ্ডত কোনোৱে ভাল পালে কোনোৱে বেজাৰ কৰিলে এই বেজাৰ প্ৰকৃত নে কৃত্ৰিম ধৰিব নোৱাৰি। যিবিলাকে হয়তো তেওঁৰ লগত বিশেষ কামত (ইংৰাজীত ব্লেক মাৰ্কেত) লিপ্ত আছিল তেওঁলোকে বেজাৰ কৰিলে। যিবিলাকৰ হয়তো টকা ধাৰ আছিল দিব পৰা নাছিল, তেওঁলোকে ভগৱানক দোহাই দি ধন্য মানিলে।

পুলিচে বহুতো মানুহক সন্দেহ কৰি লৈ গ'ল। চাকৰ এটাকো হাজোতত থলে। এই সচাঁ-মিছাৰ লগত তুমুল সংগ্ৰাম কৰি সত্য উদ্ধাৰ কৰিব খোজা বিকাশে কিন্তু এই দৃশ্য সহ্য কৰিব নোৱাৰিলে। সি নিজেই উপযাচি নিজৰ দোষ স্বীকাৰ কৰিলে। পুলিচৰ আগত হত্যাকাৰী বুলি গণিত হ'ল। মাকে হুৰাওৱাৰে কান্দিলে এক মাত্ৰ পুতেকৰ অৱস্থা দেখি। দুখুনী বাৰীৰ আৰু দুখৰ সাগৰৰ পাৰ আছে জানো?

হাতৰ কানৰ অলঙ্কাৰ বেছি আৰু সাঁচতীয়া পইচা খৰছ কৰি বিকাশক জামিনত লোৱা হল। মোকৰ্দ্দমা চলি গ'ল। তাৰিখৰ পিছত তাৰিখ হ'ল। বিকাশৰ অৱস্থা শোচনীয় হৈ আহিল। এই দৰে পাৰ হৈ গল দুটা বছৰ। পাখি লগা কাড়ৰ দৰেই বছৰ দুটা উৰি গ'ল। আৰু আজিয়েই তাৰ হত্যাকাণ্ড শেষ বিছাৰৰ দিন। হাকিমে ৰায় দিব ফাটেক নতুবা……।

সি কিয় এনে এটা জঘন্য কাম কৰিলে? তাৰ নিজকে নিজে চিঞৰি সুধিবৰ ইচ্ছা যায়। তাৰ মাকৰ অৱস্থা কি হৈছে আৰু কি হব? সি ভাবি অন্ত নেপায়। পিচ মূহূৰ্ত্ততে তাৰ মনলৈ আহে, নাই সি ঠিক কামেই কৰিলে। সি কেতিয়াও তাৰ চকুৰ আগত তাৰ ওচৰ চুবুৰীয়াৰ,

বাই-ভনীৰ অধঃপতন সহ্য কৰিব নোৱাৰে। মানুহৰ এনে নৈতিক অধঃপতনক সি ইতিকিং কৰে। নেখাই মৰিব, তথাপি, তথাপি সি নিজৰ সত্ত্বাক, আনৰ ওচৰত বিক্ৰী কৰিব নোখোজে। প্ৰকৃত মানুহ হ'ব বিচাৰে সি। সেই দিনাৰ ঘটনাটো তাৰ আজিও মনত আছে— সম্পূৰ্ণৰূপে।

নিশা। সি তাৰ বন্ধুৱেক ৰবীনহঁতৰ ঘৰৰ পৰা ঘূৰি আহিছিল। ৰাতি ১২ টা বাজি পাৰ হৈছে। সি পুৰনমল আগৰৱালাৰ 'গোলা' পাওঁতে দেখা পালে অনতি দূৰত এটি অস্পষ্ট ছায়ামূৰ্ত্তি আন্ধাৰৰ খোপ লৈ লৈ ওলাই আহিছে গোলাৰ পৰা। সি চক খাই উঠিল। এটি নাৰীৰ ছায়ামূৰ্ত্তি যেন অনুমান হ'ল। সি ভাবিলে ভূত নেকি ? নাই, সি ভূত পিশাচ বিশ্বাস নকৰে। ইমান দিন ইমান নিশা এই বাটেদি আহিছে, কিন্তু সি কোনোদিনে এনে ছায়া দেখা নাই ? বাটৰ কাষৰ আঁহত পুলিটোৰ আঁৰ লৈ ভালকৈ ছায়া মূৰ্ত্তিক নিৰীক্ষণ কৰিলে। আৰু সন্দেহ ক্ৰমে অনুসৰনো কৰিলে। নাৰী মূৰ্ত্তিয়ে গম পালে, তাইক পিছত কোনোবাই অনুসৰন কৰিছে। তাই খোজ বেগাই দিবলৈ লাগিল। বিকাশেও খৰকৈ গৈ নাৰী মূৰ্ত্তিৰ কাষ চাপি কলে — "কোন ? ইমান নিশা ?"

প্ৰথমে নাৰী মূৰ্ত্তিয়ে মাত দিয়া নাছিল। কিছুপৰৰ পিছত উচুপনি সুৰেৰে কলে— 'মই'
ঃ 'তুমি ! অৰুন্ধতী ! তোমাৰ ই কি হ'ল" ?
অৰুন্ধতীয়ে উচুপি উচুপি কলে—

'বিকাশদা, মোক আৰু নুচুবা। মই আৰু এই পাৰ্থিব সংসাৰত মানুহ হৈ থকা নাই। মোৰ দেহা অপবিত্ৰ। মই সমাজৰ আবৰ্জ্জনা। মোৰ সতীত্ব নষ্ট হৈছে — যিটো তিৰোতাৰ পৰম সম্পদ। মোক যাবলৈ দিয়া। মোক এই সংসাৰৰ জ্বালা যন্ত্ৰণাৰ পৰা নীৰৱে বিদায় লবলৈ দিয়া"। বিকাশে সহানুভূতিৰ সুৰেৰে কলে--

"মই জানো অৰু, তোমালোকৰ নিচিনা ৰূপৱতী গাভৰুবোৰক দৰিদ্ৰতাৰ সুযোগ লৈ তোমালোকৰ পবিত্ৰ দেহাবোৰ সমাজৰ এটি 'বিশিষ্ট' দলে অপবিত্ৰ কৰিছে। নিজৰ বাসনা পূৰণ কৰিছে সমাজৰ এদল ক্ষমতা শালীলোকে আৰু ব্যৱসায়ীবোৰে। এইবোৰেই নৰ-পিশাচ যি অন্য ঠাইৰ পৰা ব্যৱসায়ৰ বাবে আহি সমাজ কলূষিত কৰে। নিজকে মেলে-দোৱানে বৰ মানুহ বোলাই বক্তৃতাৰ ফুলজাৰি মাৰি ফুৰে। ৰাতি আন্ধাৰৰ আঁৰে আঁৰে কুমাৰী ছোৱালীৰ সতীত্ব নষ্ট, ক'লা বজাৰ, খাদ্যত ভেজাল, খাদ্যৰ কৃত্ৰিম অনাটন আদিৰ সৃষ্টি কৰে। নৰ খাদক। "পূৰণমল তোৰ মূৰ নিচিওঁ মানে নেৰো। তই এই পৃথিৱী ত্যাগ কৰিব লাগিব।" উত্তেজনাত বিকাশে কৈ উঠে।

ঃ বিকাশদা— পূৰনমলৰ অজস্ৰ টকা আছে। অন্যহাতে আমাৰ বৰুৱা ও আছে — তেওঁৰ সৌহাত স্বৰূপে। গতিকে তেওঁৰ বিৰুদ্ধে উঠা কঠিন হ'ব। আৰু মোকতো সিয়েই আজি প্ৰবঞ্চনা কৰি এই অৱস্থা কৰিলে। কৈ পুনৰ উচুপে।

ঃ বৰুৱা। এই অনুৰাধা বৰুৱাটো। ইলেকচনৰ সময়ত টকা হাত কৰিলে কাৰোবাৰ পৰাঃ চিনেমা হ'ল সাজিলে। বহুত মাটি কিনিলেঃ সমাজৰ এজন প্ৰতিপত্তিশীল ব্যক্তি হ'ল। সিয়েই আকৌ নিজৰ জী-বোৱাৰীৰ ওপৰত এনে অত্যাচৰ কৰে। এৰা আমাৰ দেশৰ এই সকলেই ভাল মানুহ। ভদ্ৰলোক। দেশসেৱকঃ এই বোৰেই 'দেশসেৱক' দানবীৰ আদি বিশেষ-নেৰে বিভূষিত হয়। এইখন দেশ বিৰলাৰ জামচেদজীৰ, অশোক লে'লেণ্ডজীৰ। কৃষক বনুৱাৰ দেশ নহয়। তেওঁলোকে সমাজত সন্মানৰ বাহিৰে পায় ইতিকিং। জীৱন নিৰ্ব্বাহৰ বাবে তুমুল সংগ্ৰাম কৰিব লাগে।

* * * *

আজি আদালতত বিকাশৰ বিচাৰ হ'ব। শেষ হুকুম শুনাব হাকিমে। বিকাশে একো ভয় কৰা নাই। তাৰ বাবে মনত দুখো লগা নাই। মাত্ৰ তাৰ বাৰী দুখুনী মাকক হে সুখ দিব নোৱাৰিলে অকনো। তাৰ জেল হৈ গলে তাইৰ কিমান…… ……।

ক্ৰমান্বয়ে পোহৰ হৈ আহিল। কেলেণ্ডাৰখন তেতিয়াও বতাহত লৰি আছিল।

প্ৰকৃত প্ৰণয় যে অখণ্ড, অবিভাজ্য—এইয়া তাৰ নিদৰ্শণ দাঙি ধৰিছে –শ্ৰীউত্তম কুমাৰ গগৈ দেৱে। হঠাতে মৃত্যুই ভূমুকি মাৰি অতনুক লৈ গৈ তাহাঁতৰ প্ৰেমক অপূৰক কৰি দিয়াৰ বাবে সৰযু হতাশ হৈ যোৱাতো অস্বাভাবিক নহয়।......... ...

# ম ন জা ক্ক ৰী

— উত্তম কুমাৰ গগৈ —
(ছাত্ৰ, কলা বিভাগ)

......সৰযুৱে কান্দিছিল। নিঃশব্দে; মনে মনে। কোনেও শুনিব নোৱাৰাকৈ। বিছনাত দীঘল দি পৰি সৰযুৱে মাত্ৰ কান্দিছিল। গালেদি বাগৰি অহা চকুপানীবোৰ টপৰ টপৰকৈ পৰি বিছনা চাদৰ খন সেমেকি গৈছিল। বিচনাখনত খেলি মেলি হৈ পৰি আছিল এজাপ চিঠি। এজাপ ইনলেণ্ড লেটাৰ, এজাপ এনভেলপ। সেইবোৰ চিঠি অতনুৰ, যাৰ আজি চাৰিদিনমানৰ আগতে মৃত্যু হৈছে; শ্বিলংত। টি, বি, হৈ। সৰযুৱে গালখনত হাত দি চালে। চকুৰ পানীৰে গালখন এঠা এঠা লগা হৈছে। সৰযু বিছনাৰ পৰা নামি আহিল। খেলি মেলি হৈ পৰি থকা চিঠিবোৰ জাপি জাপি তাই তাইৰ ট্ৰাঙ্কটোত পুনৰ ভৰাই থলে। ট্ৰাঙ্কটো শব্দ নোহোৱাকৈ বন্ধ কৰি তাই তাইৰ ৰূমটোৰ ডাঙৰ 'লাইফ চাইজ মিৰৰ' খনৰ সমুখত

থিয় হলগৈ। আইনা খনত প্ৰতিফলিত হোৱা তাই তাইৰ নিজৰ ৰূপটো দেখি নিজেই আচৰিত হ'ল। এই চাৰিদিনতে তাই বহুত খিনি ক্ষীনাই গৈছে। চকুৰ নিম্ন অংশত ক'লা ক'লা প্ৰলেপ পৰিছে। কান্দি থকাৰ বাবে তাইৰ চকুযোৰ ৰঙা পৰি উখহি গৈছে সৰযুৱে আইনাখনৰ সমুখতে বহুতপৰ থিয় হৈ ৰ'ল। তাৰ পাছত শান্তখোজেৰে বাহিৰলৈ ওলাই আহিল। বাৰান্দাৰ ৰেলিঙত ধৰি সৰযুৱে বাহিৰলৈ চাই ৰ'ল। আবেলিৰ শান্ত ৰ'দৰ অকনমান পোহৰ তাইৰ মুখত পৰিলহি। ঝিৰ ঝিৰকৈ বলা শান্ত এজাক বতাহে তাইৰ অবিন্যস্ত হৈ থকা চুলিখিনি লৰাই দিলে সামান্য ভাৱে। বাৰান্দাৰ একোনত বেতৰ চকীখনত বহি কিতাপ পঢ়ি থকা মাকে তাইৰ অৱস্থিতিৰ গম পাই ঘূৰি চাই পুনৰ দৃষ্টি অৱনত কৰিলে। তাইক এই কেইদিন ঘৰৰ কোনেও ভালদৰে মাতবোল কৰা নাই। যি দুই এষাৰ কথা কৈছে সেয়া মাকেহে। অৱশ্যে প্ৰয়োজন বশতঃ। তাইৰ লগত হোৱাই নোহোৱাই কথা পাতি আমনি কৰি থকা ভায়েকটোৱেও এইকেদিন আঁতৰি আঁতৰি ফুৰিছে।

দুদিনৰ আগতে দেউতাকে তাইক তেওঁৰ ৰূমলৈ মতাই নিছিল। বহুতো বুজাইছিল দেউতাকে। পকা চুলিবোৰ আঁজুৰি আঁজুৰি দেউতাকে তাইক কৈছিল—

"সেইবোৰ যি হব লগা আছিল হৈ গ'ল সৰযু। মিছাতে কান্দি কাটি দেহাটোক কষ্ট নিদিবি। সকলো ভগৱানৰ ইচ্ছা। তই অতনুক পাহৰি যাবলৈ চেষ্টা কৰ। অতনু গ'ল কি হ'ল আৰু বহুতো অতনু তোৰ কাৰণে আহিব। তই ......

দেউতাকৰ কথাৰ মাজতেই সৰযু তাৰ পৰা আঁতৰি আহিছিল। প্ৰায় দৌৰি অহাৰ দৰেই আহি তাইৰ বিছনাত বাগৰি পৰিছিলহি। ধাৰাসাৰে নামি আহিছিল চকুলোৰ ঢল। অতনুক পাহৰি যাব? কিন্তু কেনেকৈ? পাহৰি যোৱাটো জানো সহজ! যাক গোটেই জীৱনৰে সঙগী কৰি আকোৱালী লব বিচাৰিছিল তেওঁক পাহৰি যোৱাটোতো সহজ নহয়! সৰযুৱে হুকহুকাই কান্দিছিল। তাৰ পিছত কিবা এটা মনত পৰাৰ দৰে সৰযুৱে কান্দোন বন্ধ কৰি বিচনাৰ পৰা নামি তাইৰ কাপোৰ-কানি আৰু আৱশ্যকীয় বস্তু ভৰাই থোৱা ডাঙৰ ট্ৰাঙ্কটো খুলিছিল। বাকচৰ তলিত থোৱা অতনুৱে তাইলৈ দিয়া চিঠিবোৰ উলিয়াই আনি পঢ়ি পঢ়ি তাই বেদনাত ভাগি পৰিছিল বেছিভাগ চিঠিয়েই শ্বিলঙৰ টি, বি, হস্পিতালৰ পৰা লিখা। চকুৰ পানী পৰি দুই এখন চিঠিৰ আখৰবোৰ অস্পষ্ট হৈ পঢ়িব নোৱাৰা হৈ গৈছিল। আৰু তাই সেই ৰাতি চিঠিজাপ বুকুত সাৱটিয়ে কান্দি কান্দি তাই শুই পৰিছিল। সৰযুৱে এই দুদিনে একেজাপ চিঠিকে বাৰে বাৰে পঢ়ি মাত্ৰ কান্দিছে। চিঠিজাপৰ মাজতেই তাই যেন বিচাৰি পায় অতনুক।

অতনু। চাবিবশ বছৰীয়া অতনুৰ মুখত শিশুসুলভ কোমলতাখিনি তাইৰ খুব ভাল

লাগিছিল। অলপ কথাতে অভিমান কৰা, আৰু অলপ ফুচুলালেই অভিমান এৰি আকৌ আগদৰে হৈ পৰা অতনুটোক জোকাই তাই ভাল পাইছিল বেছি। অতনুৰ লগত তাইৰ চিনাকি বেছিদিনৰ নহয়। মাত্র দুবছৰৰ। অতনুৰ ভনীয়েক কৰবী আছিল সৰযুৰ নলে গলে লগা বান্ধৱী। এদিন সৰযুৱে কৰবীহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈ আবিষ্কাৰ কৰিছিল অতনুক। অতনুৰ নাম দুবাৰ এবাৰ আগেয়ে কৰবীৰ মুখত শুনিলেও তাই তাত সিমান বেছি গুৰুত্ব দিয়া নাছিল। কিন্তু সেইদিনা বিশ্ববিদ্যালয়ৰ শেষ পৰীক্ষা দি অহা অতনুক দেখি তাইৰ এনেয়ে খুব ভাল লাগি গৈছিল। অতনুৰ লগত কথা-পতাৰ এটা অদম্য বাসনা জাগি উঠিছিল তাইৰ অন্তৰত। কৰবীৰ লগত কথা পাতি থাকোতেও তাই বাৰে বাৰে আনমনা হৈ গৈছিল। তাইৰ মনোভাব লক্ষ্য কৰিয়েই কৰবীয়ে তাইক অতনুৰ সৈতে চিনাকি কৰি দিছিল।

"সৰযু, এয়া অতনু দাদা। এইবাৰ য়ুনিভাৰসিটিৰ ফাইনেল পৰীক্ষা দিছে।"

: আৰু দাদা, এয়াই সেই সৰযু। মোৰ লগতে পঢ়ে। খুব সুন্দৰ গান গাব জানে।

বিশেষণটো লগাই দিয়াৰ বাবে সৰযু লাজত ৰঙা পৰিছিল। কৃত্রিম খঙত তাই কৰবীক 'ধ্যা' বুলি ঠেলা এটা মাৰি দিছিল। নমস্কাৰ বিনিময় হৈছিল উভয়েৰে। অতনুৰ মুখলৈ চাই সৰযু সামান্য ভাৱে কঁপি গৈছিল। অতনুৱেও সৰযুৰ কোমল, সুন্দৰ মুখখন কিছুপৰ চাই পুনৰ দৃষ্টি নমাই দিছিল। কৰবীয়ে ইতিমধ্যে দুয়োকে এৰি চাহ কৰাৰ চলেৰে আঁতৰি গৈছিল। নীৰৱতা ভঙ্গ কৰি তাই কপা মাতেৰে অতনুক প্রশ্ন কৰিছিল।

"আপোনাৰ চাবজেক্ট কি কি ?

: ফিলচফি। 'তুমি কিহত অনাৰ্চ লৈছা ? অ' তুমি বুলি কলে বেয়া নেপাবা ! কৰবীৰ বন্ধু যেতিয়া তুমি বুলি কলে মোৰ কিবা অন্যায় হব জানো ?

সৰযুয়ে অলপ স্পন্দিত ভাষাৰে কৈছিল।

"নাই নাই, কিয় অন্যায় হব। তুমি বুলিলেহে মোৰ ভাল লাগে। অ' আপুনি কি কৈছিল ······ অনাৰ্চৰ কথা। মোৰ অনাৰ্চ ফিলছফিতেই। আপুনি থাকিব যেতিয়া কিবা নুবুজিলে আহি আপোনাক আমনি কৰিম কিন্তু।"

হাঁহি অতনুৱে কৈছিল—

: বাৰু যিমান পাৰা কৰিবা। কিন্তু কেতিয়াবা দুই এটা গান শুনাব লাগিব হলেদেই।

সৰযুৰ গাল-মুখ লাজত ৰঙা পৰি গৈছিল; আৰু দুই এটা সাধাৰণ কথা পাতি অতনুৰ পৰা তাই বিদায় লৈছিল। ঘৰলৈ আহিবৰ সময়ত কৰবীয়ে তাইক ঠাট্টা কৰি সুধিছিল।

"কেনেকুৱা লাগিল অতনু দাদাক ?"

'ধ্যাঃ' পাগলীজনী বুলি তাই চিকোট এটা মাৰি দিছিল কৰবীক।

ঘৰলৈ আহিও তাই বাৰে বাৰে অন্য-মনস্ক হৈ গৈছিল।

মাকৰ লগত কথা পাতোতেও তাইৰ কথাবোৰ ভুল হৈ গৈছিল। ৰাতি বিছনাত

ৰাগৰোতেও তাইৰ মনত পৰিছিল অতনুলৈ। অতনুৰ মুখখন, কথাকোৱাৰ ভংগী এই সকলো তাইৰ চকুৰ আগত ভাহি উঠিছিল। তাই ভাবিলে, কিয় এদিন দেখোতেই তাই ইমান দুৰ্ব্বল হৈ পৰিছে অতনুৰ প্ৰতি! ইমান দিনে তাই বহুতো যুবকক পাইছে, কথাও পাতিছে কিন্তু কাৰো প্ৰতিতো ইমান দুৰ্ব্বল হৈ পৰাৰ তাইৰ মনত পৰা নাই!

দিনবোৰ গতানুগতিকভাবেই পাৰ হৈ গৈছিল। দিনে দিনে তাই অতনুৰ মনৰ ওচৰলৈ আৰু অতনুৰেও তাইৰ মনৰ ওচৰলৈ কাষচাপি গৈছিল। সৰযুৱে বুজি নোপোৱা ফিলছফিৰ কিবা এটা 'চেপ্টাৰ' বুজাই দিবলৈ গৈ অতনুৱে তাইৰ চকুলৈ চাই ৰৈ গৈছিল বহুতোপৰ। অতনুৰ স্থিৰ চাৱনীৰ ভাষা তাই বুজি পাইছিল। অকনো সময় অপব্যয় নকৰাকৈ অতনুৱে তাইক নিজৰ মনৰ কথা কৈ দিছিল। আৰু তাইও মুখেৰে নহলেও লাজমনা চকুহালেৰেই তাৰ প্ৰত্যোত্তৰ দিছিল।

সময় বাগৰিছিল। কেলেণ্ডাৰৰ বুকুৰ পৰা কেইবাখনো পাত খহি পৰিছিল। অতনু আৰু তাইৰ সম্বন্ধ দিনে দিনে হৈ পৰিছিল বেছি নিবিড়। কথাটো ইতিমধ্যে সকলোতে জনাজানি হৈ গৈছিল। ঘৰৰ কাৰোৰ পৰা বাধা নেপাই তাই বুজিছিল এই বিষয়ত কাৰো অমত নাই। অতনুৰ ঘৰতো ইয়াৰ বিৰোধিতা কোনেও কৰা নাছিল। বৰঞ্চ, অতনুৰ মাক সৰযুহঁতৰ ঘৰলৈ গৈ সম্বন্ধ বেছি দৃঢ় কৰি তুলিছিল। কৰবীয়েতো তাইক 'নবৌ' বুলি জোকাই হাৰাশাস্তি কৰিছিলেই। অতনুৱে ইতিমধ্যে 'ফিলছফি'ত ফাষ্ট ক্লাচ পাই ওঁৰেৰ কলেজখনতেই অধ্যাপনা আৰম্ভ কৰি দিছিল। এনে সময়তেই দুয়োৰে জীৱনত হৈছিল ট্ৰেজেডীৰ সুত্ৰপাত। দিনে দিনে খীন হৈ যোৱা, আনমনা হৈ পৰা অতনুক সৰযুৱে সুধি পেলাইছিল—

আপোনাৰ কি হৈছে অতনুদা। আপোনাৰ বহুতো পৰিবৰ্ত্তন মই লক্ষ্য কৰিছো।

ঃ মই নিজেই কব নোৱাৰো সৰযু। মোৰ কি হৈছে। মোৰ শৰীৰটো অকনো ভাল নাই। খুব দুৰ্ব্বল লাগে নিজকে;

তেতিয়াও সৰযুৱে বুজিব পৰা নাছিল অতনুৰ কি হৈছে। সাধাৰণ কিবা অসুখ বুলিয়েই সৰযুৱে মনক প্ৰবোধ দিছিল। কিন্তু অতনুৰ দৰে সৰল সু শ্ৰী এজন যুবকৰ দেহাতো যে টি, বি, ৰ বীজ সোমাই আছে তাক কোনোৱেই ভাবিব পৰা নাছিল। এদিন কলেজৰ পৰা সোনকালে ঘূৰি আহিছিল অতনু। ৰাবান্দাত বহি কথা পাতি থকা মাক আৰু কৰবীয়ে অতনুৰ বিবৰ্ণ মুখ দেখি আচৰিত হৈছিল। কাকো একো নোকোৱাকৈ অতনু নিজৰ ৰুমৰ ভিতৰত সোমাই পৰিছিল। পাছে পাছে যোৱা কৰবী আৰু মাকে ৰুমৰ ভিতৰ সোমায়েই আতঙ্কত চিঞৰি উঠিছিল। বিছনাত অজ্ঞান হৈ পৰি থকা অতনুৰ দেহটো দেখি মাক আৰু কৰবী দুয়ো কান্দি দিছিল ভয়ত। ডাক্তৰ আহিছিল। পৰীক্ষাৰ অন্তত যি কথা ডাক্তৰে কৈছিল—শুনি সকলো হতবাক হৈ গৈছিল। সৰযুৱে গম পাইছিল বহুতো

পলমকৈ। শ্বিলংলৈ যোৱাৰ আগমুহূৰ্ত্তত সৰযু অতনুৰ ওচৰ পাইছিলগৈ। অতনুৱে সৰযুৰ হাত এখনত ধৰি কৈছিল—

"চোৱা সৰযু, ভগৱানে আমাৰ এইকন সুখ সহ্য কৰিব নোৱাৰিলে।"

: ছিঃ তেনেকৈ কিয় কৈছে। ভগৱানৰ ওপৰত আস্থা ৰাখক। নিশ্চয় ভাল হব।" অতনুক সান্ত্বনা দি তেনেকৈ কৈছিল যদিও সৰযু ভিতৰি ভিতৰি অকনো সহজ হব পৰা নাছিল।

সেইদিনাই ৰাতি অতনু শ্বিলংলৈ গৈ টি, বি, হস্পিতেলত ভৰ্ত্তি হৈছিল। লগত গৈছিল মাক আৰু দেউতাক। যোৱাৰ আগতে অতনুৱে সৰযুক কৈছিল এই বুলি।

"সৰযু, যাওঁ। তোমাক এৰি থৈ তাত কেনেকৈযে থাকিম ভাবিবই পৰা নাই।"

চকুৰপানীবোৰ কোনোমতে সম্বৰণ কৰি সৰযুৱে কৈছিল "যাওক অতনুদা, ভাল হৈ আহঁক। মই আপোনাকেই অপেক্ষা কৰি থাকিম। সপ্তাহত এখনকৈ চিঠি দিবলৈ নাপাহৰিব।"

চিঠি দিবলৈ পাহৰা নাছিল অতনুৱে। সপ্তাহে সপ্তাহে সৰযুৱে অতনুৰ পৰা চিঠি পাইছিল। এই আটাইবোৰ চিঠিবেই ভাব-বোৰ আছিল করুণ। পঢ়ি সৰযুৰ চকুপানী ওলাই যায়। খং উঠি সৰযুৱে অতনুলৈ লিখিছিল তেনেবোৰ কথা নিলিখিবলৈ। কিন্তু অতনুৰ চিঠিৰ করুণ ভাব অব্যাহত হৈয়েই ৰল। দিনবোৰ পাৰ হৈ গৈছিল। একেটা দিনকে এযুগ যেন অনুমান হৈছিল অতনুৰ। অতনুৰ চিঠিৰে সৰযুৰ মেজ ভৰি গৈছিল। সৰযুলৈ লিখা অতনুৰ শেষখন চিঠি পঢ়ি সৰযু হতাশ হৈ গৈছিল। অতনুৱে লিখিছিল—

"সৰযু, জানা, মই কেতিয়াবা ভাবো মই মৰি যাওঁ। কিন্তু তোমাৰ কথা মনত পৰিলেই মই ভাবো, মই জীয়াই থাকিম।"

কিন্তু জীয়াই নাথাকিল অতনু। দুদিন পিছতেই আহিছিল অতনুৰ মৃত্যুৰ খবৰ। তাই যেন বিশ্বাস কৰিবই পৰা নাছিল। বজ্ৰাঘাত হোৱা মানুহৰ দৰে তাই থৰ হৈ আছিল। আৰু পিছ মুহূৰ্ত্ততেই তাই অজ্ঞান হৈ মাটিত পৰি গৈছিল ………।

সেয়া আজি মাত্ৰ চাৰিদিনৰ আগৰ কথা।……………সৰযুৱে বাৰান্দাৰ ৰেলিঙত ধৰি একদৃষ্টিৰে বাহিৰলৈ চাই ৰল। ইতিমধ্যে সন্ধিয়াৰ আন্ধাৰবোৰ দ্ৰুত গতিৰে পৃথিবীলৈ নামি আহিছে। ইমান সময়ে একেডোখৰ ঠাইতে থিয় হৈ থাকি তাই নিজেই আচৰিত হ'ল। ইতিমধ্যে, মাকো উঠি ভিতৰলৈ গৈছে। তাই তাৰ পৰা ভিতৰলৈ যাব খুজোতেই শুনিলে চেপা মাতেৰে দেউতাক মাকে ওচৰৰ কমটোত কিবা গভীৰ আলোচনাত ব্যস্ত। তাই খোজৰ শব্দ নকৰাকৈ কমটোৰ ওচৰলৈ আগবাঢ়ি গ'ল। বন্ধ দুৱাৰখনৰ ওচৰত থিয় হৈ তাই স্পষ্টকৈ শুনিলে দেউতাকৰ কথা।

"...... তুমি তাইক বুজাবা। অতনু মৰিল যেতিয়া তাৰ স্মৃতিকে বুকুত সাৱটি জীৱনটো ধ্বংস কৰাৰ পৰা লাভ কি। কান্দিলে কাটিলেতো অতনু পুনৰ ঘূৰি নাহে। অতনুক তাই পাহৰি যোৱাটো উচিত হব।"

মাকে সামান্য বিৰক্তিৰে উত্তৰ দিছে— "মই তাইক কি বুজাম। কি উচিত কি অনুচিত নুবুজিবলৈ এতিয়া তাইতো অবুজ ছোৱালী নহয়। এইকেইদিন কান্দি-কাটি তাই যি অৱস্থা কৰি আছে, কবলৈকে বেয়া লাগিছে। পাহৰি যাব পৰাতো ওতো সহজ নহয়। গতিকে পাছে পৰেও .........

সৰযু পুনৰ আগৰ ঠাইলৈ ঘুৰি আহিল। দেউতাকৰ কথাবোৰে তাইৰ মনত আউল লগাই দিলে। তেওঁলোকে ভাবিছে, সৰযুৱে অতনুক পাহৰি যক। পাহৰি গৈ অন্য কোনোৰ লগত নতুন জীৱন এটা যাপন কৰক। কিন্তু তাই অতনুক পাহৰি যায় কেনেকৈ! অতনুৰ স্মৃতিবোৰ তাইৰ মনত এতিয়াও সজীৱ হৈ আছে। তাইৰ মনৰ চোকে কোনে সেই স্মৃতিবোৰ সিচৰিত হৈ আছে। সেইবোৰতো ধূলিৰ দৰে নহয়যে জোকাৰি পেলালেই সৰি পৰিব। সেইবোৰ তাই কেনেকৈ নাইকীয়া কৰি দিব। কিন্তু পিছ মুহুৰ্ত্ততে সৰযুৰ মন কঠিন হৈ পৰিল। নাই, তাই অতনুক পাহৰি যাব। মৃত জনৰ স্মৃতিক সাৱটি লৈ থকাৰ পৰাটো একো লাভ নাই। অতনুৰ কথা ভাবি থাকিলেতো অতনু আকৌ ঘুৰি নাহে। তেনেহলে ?? তাইৰ এটা বিৰাট জীৱন আগত পৰি আছে। অতনুৰ স্মৃতিক লৈ তাই তাইৰ জীৱনটো কিয় ধ্বংস কৰিব? তাই অতনুক পাহৰি পেলাব। অতনুৰ স্মৃতিক তাই তাইৰ মনৰ পৰা মচিমূৰ কৰি পেলাব। তাই নতুন জীৱন যাপন কৰিব।

দ্রুত খোজেৰে সৰযু পুনৰ তাইৰ কোঠালৈ ঘুৰি আহিল। বৰ ভাগৰ লগাৰ দৰে সৰযু ফোপাইছিল। নাকৰ আগত বিন্দু বিন্দু ঘামৰ কণিকাই দেখা দিছিল। কিবা এটা মনত পৰাৰ দৰে তাই ট্রাঙ্কটো খুলিলে সযতনে জাপি থোৱা অতনুৰ চিঠিবোৰ তাই জোৰেৰে উলিয়াই আনিলে। এইবোৰ তাই পুৰি পেলাব। অতনুৰ সকলোবোৰ স্মৃতিকে তাই ছাৰখাৰ কৰি পেলাব। অতনুৰ এটি অস্তিত্বও তাই থাকিবলৈ নিদিয়ে। পিছমুহুৰ্ত্ততে তাইৰ চকু পৰিল টেবুলত সজাই থোৱা অতনুৰ কোৱাটাৰ চাইজ ফটোখনলৈ। ফটোৰ অতনুৱে যেন সৰযুক কৈছে।

"সৰযু পাৰিবা জানো তুমি মোক পাহৰি যাব। তুমি পাৰিবা ইমান নিষ্ঠুৰ হব?

সৰযুৰ দুচকুলৈ চকুলোৰ ধল নামি আহিল। ইমানপৰে চেপি ৰখা কান্দোনটো এইবাৰ পাৰভাঙি নামি আহিল ...............

আপুনি মোক ক্ষমা কৰক অতনুদা। ক্ষনিকৰ উত্তেজনাই মোক নিষ্ঠুৰ কৰি তুলিছিল। মই আপোনাক পাহৰিব নোৱাৰো। আপুনি মোক কিবা এটা উপায় দিয়ক। মোক আপুনি পথ দেখুৱাই দিয়ক। মই যে বৰ অসহায়।......

খোলা ট্রাঙ্কটো আগতলৈ সৰযু অসহ্য বেদনাত ভাগি পৰিল। তেতিয়া বাহিৰত এন্ধাৰ নামিছিল।

—o—

"নাৰীয়ে হৃদয়েৰে প্ৰত্যেকটো কথা বিবেচনা কৰে, সেই কাৰণে সেই বিবেচনা প্ৰাইয়ে ভুল হয়।"

— বালজাক —

........নাৰীৰ সঙ্গ সুখ কণ কোন যুৱকে নিবিচাৰে ? পৃথিৱীৰ প্ৰতিজন যুৱকেই সেই আনন্দ কন বিচাৰে। সেয়েহে, যুৱক হিচাবে অশান্ত তামুলীয়ে ও নিবিচৰাকৈ নাছিল। তেওঁ তিলোমণি বৰুৱাক জীৱন সংগী হিচাবে পাবলৈ বহুতেই আশা কৰিছিল। কিন্তু লয় কেনেকৈ ? তেওঁ যে আন যুৱকতকৈ এপদ অঙ্গ কম পালে..............

# অপাৰগ


ৰজনীকান্ত চুতীয়া

কলা বিভাগ


অশান্ত তামুলীয়ে সিহঁতৰ ভাড়া ঘৰটো এৰি গুচি যোৱাৰ কথা ভাবি তিলোমণি বৰুৱা হতাশ হৈ যায়। যোৱা পৰহি হঠাতে অশান্তই কিয় তাহাঁতৰ ভাড়া ঘৰটো এৰি গুচি গল— তাৰে আদ্যোপান্ত বিচাৰি ৰিচাৰি তাই ভাগৰি পৰিছে। বিছনাখনত দীঘল দি পৰি বহুবাৰ তাই নিজকেই প্ৰশ্ন কৰিছে— "কিয় গুচি গল বাৰু অশান্তটো ?" কিবা জগৰ -- অপৰাধ ? ক'তা সিহঁতেতো তাক আমনি কৰা নাই! তাৰ পৰিবৰ্ত্তে, সিহঁতে তাক বহুত উপকাৰ হে কৰি আহিছে—আজি দুটা বছৰে। তেনেহলে গুচি গল কিয় ? হঠাতে এইদৰে কোনো কাৰণ নেদেখুৱাই গুচি যোৱাৰ কথা ভাবি ভাবি হতবাক হৈ গৈছে আজি তিলোমণি বৰুৱা। অশান্ত তামুলী গুচি যোৱাৰ কাৰণ বিচাৰি ফুৰোতে অতীতৰ বহুত কথাই মনত পৰি যায়। তাইৰ মনত পৰি যায়, কেনেকৈ তাই অশান্ত টোক ভাল পাই পেলাইছিল। ভাল পায়ে জানো ক্ষান্ত আছিল। তাই তাক জীৱনৰ আপোন কৰি লবলৈ বহুত আশাই মনৰ গুপুত কোনত আজি দুবছৰে পোষণ কৰি আহিছে। তাইৰ বাপেক উমা বৰুৱাৰো বহুত আশা তাক তিলোমনিৰ বৰ হিচাবে পাবলৈ। কিন্তু অশান্তৰ পৰহিৰ পলায়নে তাইৰ মনৰ সকলো আশা চুৰমাৰ কৰি দিয়া যেন লাগিছে। তাই আজি উচপ খাই উঠিছে— হয়তো অশান্তটোৱে তাইৰ জীৱন—কল্পনাৰ আচনি ওলট পালট কৰি একেবাৰে আতৰি গৈছে। সেয়েহে তাই গাৰু-টোক সাৱট মাৰি ধৰি খুউব বেগাই ভাবি যায় তাৰ কথাবোৰ। কিন্তু স্মৃতিৰ প্লাবনত উটি ফুৰোতে তাইৰ বহুত কথাই মনৰ ৰূপালী পৰ্দাত ভাহি উঠে।

তাইৰ মনত পৰি যায়। আজি দুটা বচৰৰ আগৰ কথা। শনিবাৰৰ কোনোবা এটা আবেলিত ৰঙা-চঙা পৰি অশান্ত তামুলিটো তিলোমণিহঁতৰ ঘৰ ওলাইছিলহি। বাপেক উমা বৰুৱাই যেতিয়া আগমনৰ কথা সুধিছিল,— অশান্তই একে বাৰতেহ কৈ পেলাইছিল এই বুলি;— "বৰুৱা, আপোনালোকৰ স্থানীয় কলেজ খনত শিক্ষকতাৰ বাব এটা পাইছো। কিন্তু থাকিবলৈ তেনে সুবিধা নাপাইহে এইয়া আপোনাৰ কাষলৈ দৌৰি আহিব লগীয়াত পৰিলো। শুনিছো, বৰুৱা, আপোনাৰ বোলে ভাড়াত দিব লগীয়া ঘৰ এটা আছে। বৰুৱা, যদি আছে, ঘৰটো মোকেই দিলে জানো বেয়া হব?" কথা কেইষাৰ কোৱাৰ পাচত সহানুভূতি পোৱাৰ এচাৱনি চাৱনি লৈ চাই আছিল সি উমা বৰুৱালৈ। কিন্তু বিনা প্ৰতি-বাদেই যেতিয়া উমা বৰুৱাই ঘৰটো তাকে দিব বুলি কথা দিছিল— তেতিয়া তাৰ চকুযুগল আনন্দত নাচি উঠিছিল আৰু তাৰ মুখ মণ্ডলত আহ্লাদৰ এটি ঢৌ বাগৰি গৈছিল।

তিলোমনিহঁতৰ এই ঘৰটোতেই অশান্তই আজি দুটা বছৰ পাৰ কৰি দিছিল। বেচেৰাটো গোটেই দিনটো দীঘল দীঘল লেক্‌চাৰ দি দি ক্লান্ত হৈ গৈছিল। প্ৰতি আবেলি হতাশ আৰু নিৰানন্দৰ এখন মুখলৈ ঘৰটোলৈ উভতিছিল। ঘৰলৈ আহিও জানো সুখ পাইছিল! আবেলি চাহকণ কৰা, ৰাতিৰ ভাত সাজৰ বাবে থৰি পাত জোগোৱা, এই সকলো বোৰ নিজেই কৰিব লাগিছিল। পুৱা শুই উঠি চাহ জলপান কৰা, ঘৰ লিপা এইবোৰ নকৰি জানো কৰিবলৈ আন মানুহ আছিল। তাৰ লগে লগে পিচ দিনাৰ বাবে "প্ৰিপাৰে-চনো" কৰিব লাগে। নহলে জানো লৰা-ছোৱালীবোৰে সুখে এৰিব! এনে বেমেজালিত পৰি কেতিয়াবা ভাবি পেলায় তাৰ বিয়া খনকে কৰি পেলোৱাৰ কথা। কিন্তু বিয়াৰ কথা মনত পৰিলেই তাৰ অন্তৰাত্মা কঁপি উঠে অজানিতে। হঠাৎ তাৰ কিবা এট মনত পৰি যায়। নাই, সি জীৱনত কেতিয়াও বিয়াত নোসোমায়। বিয়া চিয়া কৰি সি আনক অসুখী কৰিব নোখোজে আৰু সি নিজকে……। আৰু ভাবিব নোৱাৰা হৈ যায় সি।

দিনৰ দিনটো কলেজত লেক্‌চাৰ দি দি অত্যান্ত বেয়া লাগিলে কেতিয়াবা দুই এষাৰ কথা পাতিবৰ বাবেই আহিছিল তিলোমণি হঁতৰ ঘৰলৈ। নতুন কলেজখনত শিক্ষকতা কৰি তাৰ কেনে লাগিছে, আজি কালি কলেজৰ ছাত্ৰ-ছাত্ৰীহঁতে পঢ়া শুনাতকৈ কিদৰে লাস-বিলাসত বেচি মন দিব লাগিছে, আজিৰ সংসাৰ খনত দিনক দিনে কেনেকৈ মানুহৰ সংখ্যা বঢ়াৰ লগে লগে বস্ত্ৰ-বস্তুবো দাম জুই চাইৰ দৰে বাঢ়ি আহিব লাগিছে: কিদৰে শত্ৰুহঁতে ফৰকাটিং, লামডিং ডিফু আদি ষ্টেচনত যাত্ৰীবাহী ট্ৰেইন ব'মাৰে ধ্বংস কৰি আমাৰ মানুহবোৰ মাৰিব লাগিছে, এইবোৰেই আছিল তেওঁলোকৰ কথাৰ বিষয় বস্তু। এইদৰে কথা পাতোতে পাতোতে কেতিয়াবা বহুত ৰাতি হৈ গৈছিল। দেশ বিদেশৰ কথা

পাতিবলৈকে উমা বৰুৱাই ও সদায় মাতিছিল অশান্তক। তামুলী, 'এইদৰে গধূলী সদায় আহিবচোন। অকলে অকলে সেই ঘৰটোত জানো থাকি ভাল লাগে?' মোৰো কথা বতৰা হবলৈকে মানুহ নোহোৱা হৈছে। তাতে মোৰ এটি ছোৱালী আছে—এইবাৰ "পলিটিক্সত" এম, এ, দিব। দুই এটা তাইকো পৰামৰ্শ দিব। এইবুলি কৈ জীয়েক—তিলোমণিক অশান্তৰ লগত চিনাকি কৰি-দিছিল। এইজনীয়েই মোৰ ছোৱালী, নাম তিলোমণি। অশান্তই তিলোমণিলৈ চালে। বেচ ধুনীয়া ছোৱালী। মুখ মণ্ডলৰ পৰা চকুশাল নমাই আনি সুধিছিল 'মাষ্টাৰ ডিগ্ৰী' লোৱাৰ পিচত আৰু কি কৰিম বুলি ভাবিছে বৰুৱা? ভৱিষ্যত ভবাতকৈ ও টান হৈ পৰিছে পাচ কৰি যোৱাটোহে, এটা হাঁহি মাৰি তিলোমণিয়ে কলে। "চেষ্টাৰ অসাধ্য জানো কিবা আছে?" তিলোমণি নিমাতে ৰয়। ইয়েই আছিল তিলোমণি আৰু অশান্তৰ প্ৰথম পৰিচয়। কিন্তু দিনবোৰ পূৰণি স্মৃতিৰ প্লাৱনত উটি যোৱাৰ লগে লগে তেওঁলোকৰ পৰিচয়, বন্ধুত্ব গঢ়ি উঠে অতি অল্প দিনৰ ভিতৰতে। এতিয়া তিলোমনিয়েও তেওঁ-তেওঁলোকৰ লগত কথাৰ ভাগ লবলৈ ধৰিলে। ৰাপেক, উমা বৰুৱাই ও একো প্ৰতিবাদ বা বাধা দিয়া নাছিল। মাত্ৰ ভাবিছিল শিক্ষিত, জ্ঞানী সকলৰ লগত আলাপ আলোচনা কৰিলে নজনা বহুত কথাই শুনিব আৰু শিকিব পৰা যায়। তাতকৈও উমা বৰুৱাৰ এক প্ৰবল হেপাহ আছিল অশান্তক তিলোমণিৰ বৰ হিচাবে পাবলৈ। এৰা, আজিই জগতৰ নীতি হৈ পৰিছে ধনী অথবা ডাঙৰ সম্প্ৰদায়ৰ মানুহ পালে মনে মনে অকনমান সুযোগ দি হাত কৰি লোৱাটো। উমা বৰুৱাই ও তাৰ পৰা বিৰত বব পৰা নাছিল। সেয়েহে তিলোমণিক কথা পাতিবলৈ সুবিধা দিছিল। আৰু শেষলৈ বৰুৱাই একেবাৰেই তেওঁলোকৰ লগত কথা পাতিবলৈ এৰি দিছিল নানা অসুবিধাৰ আজুহাত দেখুৱাই। অশান্তই কিন্তু বুজিব পৰা নাছিল। সি মাত্ৰ আহিছিল, কথা পাতিছিল খুউব শান্ত শিষ্ট স্বভাৱেৰে। দিনবোৰ বাগৰি গৈ থাকিল।

বছৰে বাগৰ সলালে। গছ লতাই পূৰণা সাজ এৰি কুঁহি পাত পালে॥ মানুহে ও নতুন উদ্দিপনা নৰোল্লাসে কাম কৰিবলৈ হাতত ললে। মূঠতে চুম্বক কৈ কব পাৰি প্ৰকৃতি অপ্ৰকৃতি সকলোৱেই। পুৰনিক এৰি নতুনক আদৰি ললে। তিলোমনিৰ প্ৰাণতো নতুনৰ জোৱাৰ উঠিল। সেয়েহে তাইৰ প্ৰাণত পুৰণি বন্ধু অশান্তৰ প্ৰতিচ্ছবিয়ে নতুনৰ ৰূপ পালে। তাই তাক ভাল পাই পেলালে। সেইবাবেই তাই আজি কালি কথা বতৰা বোৰত দুৰ্ব্বলতা প্ৰকাশ পোৱাবলৈ ধৰিলে। কিন্তু তাইৰ খং উঠি গৈছিল অশান্তৰ শান্ত সুস্থিৰ আৰু গধুৰ ভাব ভঙ্গিবোৰ দেখিহে। কাৰণ অশান্তই খুউব লাহে লাহে আৰু গহীন গম্ভীৰেৰে কথাবোৰ পাতি গৈছিল। তেওঁৰ কথাত, ভাবত প্ৰেমৰ অথবা দুৰ্ব্বলতাৰ ভাব অকনো ফুতি উঠা নাছিল কোনোদিনে। কেতিয়াবা তিলোমনিয়ে কথাবোৰ জতিলতাকৈ বগৰালেও তেওঁ পুনৰ সৰলতালৈ লৈ আহিছিল। আৰু কেতিয়াবা তাই তাইৰ

কথাত প্ৰেমৰ ভাব ফুতাই তুলালেও অশান্তই যপকৰে কথাৰ ঢাল বগৰাই অন্য কথালৈ ঘূৰাই আনিছিল। এইবোৰৰ বাবে তিলোমনিৰ খুউব খং উঠি গৈছিল— অশান্তৰ উপৰত। কেতিয়াবা ভাবি পেলাইছিল ঃ এই অশান্তটো পুৰুষ নহয় নেকি? পুৰুষৰ পুৰুষত্ব বীজ তাৰ নাই নেকি? — আৰু ....., বেচি ভাবিবলৈ তাইৰ নিজৰেই লাজ লাগি গৈছিল।

সেই দেও বাৰটোৰ কথা মনত পৰিলে তিলোমণি বৰুৱাই অশান্ত তামুলীক পুৰুষ বুলি ভাবিবলৈকে টান পাইছিল। কাৰণ, এটা দেওবাৰৰ আবেলি। তিলোমণিৰ বাদে ঘৰত কোনো নাছিল। ঘৰত কাম বন কৰা বুঢ়া লগুৱাটোও— তেতিয়া বাৰীত কিবা কিবি কামবনবোৰ কৰি আছিল। আৰু সি ঘৰত থাকিলেও তাইৰ কোঠালৈ কেতিয়াও নগৈছিল। তিলোমণিয়ে তাই তাইৰ বিচনাখনত শুই শুই অশান্তৰ কথাকেই ভাবি আছিল। "কিযে এই অশান্তটো! এজন 'কমিউনিষ্ট' যেনেই লাগে। আজিৰ জগত খনক সি কিয় ভাল নাপাই বাৰু। মানুহৰ সকলো কামতে আসোৱাহ ধৰে। তাইৰ মনত পৰি যায় এদিন সি কোৱা কথা কিছুমানলৈ। "বৰুৱা! আপুনি বাৰু এই যুগটোক উন্নতিৰ যুগ বুলি ভাবে নে অধোন্নতিৰ যুগ বুলি ভাবে? '— যান্ত্ৰীক যুগটোক আৰু' আপুনি কেনেকৈ অধোন্নতি যুগ বুলিব— তামুলী? আপুনি যিয়েই নাভাবক — বৰুৱা, মোৰ মতে কিন্তু অন্যৰ নহলেও ভাৰতৰ অধোন্নতিৰ যুগ। চাওক, যান্ত্ৰীক যুগে আমাক কিটো দিছে? — অৱশ্যে এই বিজ্ঞান যুগে আমাক কিছুমান ধুনীয়া অট্টালিকাৰে খচিত কেইখন মান নগৰ দিছে, ৰেল, মটৰ গাড়ী দিছে আৰু যাত্ৰাপথ সুচলু কৰিছে। আৰু তাৰ লগতে নজনা বস্তু কেইটামানৰ সন্ধান দিছে। কিন্তু তাৰ পৰিবৰ্ত্তে যে নাগা-চাকি, 'শিৰোছিমা' ধংশ কৰা, ভিয়েটনাম কঙ্গো, লাডাখ, বমডিলাৰ জন গন ধূলিসাৎ কৰা তাহানি ৰামায়ণ মহাভাৰত যুগৰ পাশু-পাত অস্ত্ৰ পাত যে যান্ত্ৰীক যুগেই তৈয়াৰ কৰিছে— আপুনি বুজিব পাৰিছেনে নাই?" আনহাতেদি মানুহৰ জাতীয় কৃষ্টিক যে এই বিজ্ঞানে ধ্বংশ কৰি দিছে, লোপ কৰাই পেলাইছে, আপোনাৰ ই অবিদিত নহয়।— চাওক, আজি আমি কি কৰিব লাগিছো? আমাৰ সাজ পাৰ গ'ল, ক'লা কৃষ্টি হেৰাল। আমি পঙ্গু হৈ পৰিছো। আমাৰ জাতীয় কৃষ্টি বুলিবলৈ কিটো আছে? আমাৰ মাত কথা আধা বিদেশী, সাজ পাৰ বিদেশীৰ, চোলা চুৰিয়া, ৰিহা মেখেলাৰ পৰিবৰ্ত্তে আমি লংপেণ্ট শাৰী. চালোৱাৰ পিন্ধিছো। আমাৰ নাৰী সকলৰ কাণৰ থুৰীয়া, নাকৰ নাক ফুলী, ডিঙিৰ হাৰমনি, হাতৰ গাম খাৰু হেৰাল। আমি বিহুৰ নাচৰ পৰিবৰ্ত্তে বিদেশীৰ বল-দেন্স আৰু টুইষ্ট শিকিছো। — এইয়া জানো আমাৰ উন্নতি বুলিব পাৰি? আমাৰ ডেকা সমাজেও শিক্ষা লৈ তাকে কৰিছে। —মই দেখিছো, ছাত্ৰ-ছাত্ৰী বোৰেহে বিদেশীৰ এই সাজ পাৰ অনুসৰণ কৰাত পাকৈত হৈ পৰিছে।

মই কাম কৰি অহা প্ৰতিখন কলেজতে এইবোৰ দেখি আহিছো। আমাৰ এই কলেজতো একেই কথা। আমাৰ ছাত্ৰ সকল কি হব ধৰিছে জানো? জানে, কেতিয়াবা কোঁতিয়াবা আমাৰ কলেজৰ সেই জৰিদা, বিউতী নীতিমা, লেখনাইঁতে ফেমিনা ষ্টাইলেৰে সাজি কাচি আহি হাই শিলৰ চেণ্ডোল বোৰেৰে চালোৱাৰ পিন্ধা সেই আধানাঙঠি এংলো ইণ্ডিয়া মেৰী নাইট, জ্যানি, বেবি নামৰ ছোৱালী কেই জনীৰ সৈতে ৰুমৰ কৰিদৰ ওচৰে ওচৰে ঘূৰি ফুৰে— তেতিয়া সিহঁতক ডিভি টেপি হত্যা কৰিবৰ মন যায়। অশান্তৰ এই বিদ্ৰোহী বিদ্ৰোহা কথাবোৰ শুনি তিলোমনিয়ে হাঁহি দিছিল জোৰকৈয়ে।

—এইবোৰ কথা ভাবি থাকোতেই হঠাৎ সেই দিনা অশান্তটো আহিছিল তাঁহাতৰ ঘৰলৈ।

—কি ভাবিছে বৰুৱা? অ' তামূলী! বহক! চকীখনত বহি হাঁহি এটা মাৰি অশান্তই সুধিলে

—কি ভাবিছিল বৰুৱা? আপোনাৰ কথাকে ভাবি আছিলো জানে? এহ' আপুনিও কি কথাবোৰ কয়? কি কলো নো' বাৰু? বাৰু বাৰু বাদ দিয়ক এইবোৰ: পিচে মিঃ বৰুৱা আছেনে? নাইকীয়া, আজি ঘৰত কোনোৱেই নাই। মইহে অকলে। ভাবিব লগীয়া একো নাই। বাৰু হব, পিচে কওক চোন —অকলে অকলে অতপৰে আপুনি বাৰু কি ভাবি আছিল? ভাবিব লগীয়া তেনে কোনো বিষয় নাছিল যদিও এবাৰ এই মানৱ জীৱনটোৰ কথাকেই সুৱৰিছিলো। তাৰ মানে? তাৰমানে এই সংসাৰত আমাৰ জীৱনৰ দাম, মূল্য মই নাই বুলি ভাবো। কিয় নহব? ধৰক, আজি এই বিচনাতেই যদি মই মৰি যাওঁ তেতিয়া কাবোবাৰ জানো ক্ষতি সাধন হব—? কিয় আমাৰ? আমাৰ মানে? মিঃ, মিচেচ বৰুৱাৰ আৰু মোৰ। আপোনাবো ক্ষতি সাধন হব? অপুনিও জানো মোৰ জীৱনৰ মুল্য আছে বুলি ভাবে? প্ৰমাণ? কিয় আপুনি মৰি গলে দেখো এইদৰে কথা পাতিবলৈকে মানুহ লগ নোহোৱা হব, এটা উপলুঙা কৰা হাঁহি মাৰি অশান্তই কলে। তামূলী আপুনি জানো মোক এইদৰে সদায় পাব? কলৈ যাব? যাবলৈ যে নিদিওঁ? তাৰ মানে আপুনি মোক আপোন কৰি লব বিচাৰে? এই প্ৰশ্নত দুয়োটাই ৰঙা চঙা পৰি যায়। অশান্তই একো উত্তৰ দিব নোৱাৰিলে। মাথো মুক্‌ মৌনৰে চাই ৰ'ল তিলোমণিলৈ। তায়ো চাই আছিল অশান্তলৈ এযোৰি সহানুভূতিৰ নয়নেৰে। কিন্তু অশান্ত ভয় খাই উঠিল। তাৰ অন্তৰখন কঁপি উঠিল। যিহেতু সি বুজি পালে তিলোমণিৰ কাৰবাৰ বেলেগ। তাই চাই আছে এহাল প্ৰেম ভৰা চকুৰে তাৰ অকণমান মৰম বিচাৰি। আৰু দেখিলে তাইৰ চকুৰ পতাই পতাই কাম তৃষ্ণাৰ ভাব আৰু তাইৰ চাৱনিত প্ৰেমৰ আহ্বান। তাই যেন ইঙ্গিত দিছিল এইয়া তাই ঘৰত অকলে আৰু এই মুহুৰ্ত্ততেই তাই পাব বিচাৰে তাৰ বহল বক্ষৰ এবুকু মৰম। কিন্তু অশান্ত ভয়ত নৈৰাশ্য হৈ পৰিল। বহুত পৰ হতবাক্‌ হৈ শেষত 'যাওঁ বৰুৱা' বুলি থৰক্‌ বৰক্‌ খোজেৰে সি ওলাই আহিছিল। আৰু তাই পৰি আছিল বিচনাখনত এসাৱট কাম ভাবৰ আশালৈ। তাই

ভাবিছিল তেতিয়া ; কি বুৰ্ব্বক এই অশান্তটো ! যি নাৰী-সঙ্গ সুখৰ বাবে পতিকুল বলীয়া, যাৰ বাবে ভয়া ময়া ৰণ হব ধৰিছে, যি কন সুখৰ বাবে কলিকতাৰ 'সোনাগাছী' ডিমাপুৰৰ চিনেমা-পতি আদি ঠাইত গৈ টকা কড়ি পানী কৰি দিছে,—সেই নাৰীৰ কোমলতা খিনিকে আজি অশান্তই দলিয়াই দিলে। —অশান্ত তেনেহলে পুৰুষ নহয় নেকি ? —নপুংসক নহয়তো ! সেই দিনা তাই নিজেই পৰাজয় হৈ গৈছিল। এই দেওবাৰটোৰ ঘটনাটো মনত পৰিলে তিলোমনিয়ে অশান্তক পুৰুষ বুলি মানিবলৈ খুউব টান পাইছিল।

এই অশান্তটোৱেই যোৱা পৰহি গুচি গল। আজি কেইদিনমানৰ আগতে উমা বৰুৱাই বিয়াৰ প্ৰস্তাব উঠাইছিল। বৰুৱাই কৈছিল, যদি ইচ্ছা কৰে তেওঁ তিলোমনিক বিয়া কৰিব পাৰে। যৌতুক হিচাবে ৫ হাজাৰ টকা আৰু এখন 'এম্বেসেদৰ' লগত দিব তাইৰ। ইয়াৰ বিষয়ে বৰুৱাই অশান্তৰ দাদাকলৈ লিখিছে। মাত্ৰ অশান্ত মান্তি হব লাগে। ইয়াৰ উত্তৰত অশান্তই কৈছিল— এক গহীন গম্ভীৰ ভাবেৰে। "মোক আমনি নকৰিব, বৰুৱা। অকলেই থাকি মোৰ বেচ ভাল লাগিছে।" তাৰ মানে আপোনাৰ ছোৱালী পছন্দ হোৱা নাই ? বৰুৱাৰ প্ৰশ্ন। মিচ, বৰুৱাক বেয়া বুলি কলে মোৰ ভুল হব বৰুৱা। তাতে তেওঁ এম এ, পাচ। আমাৰ ভবিষ্যত উজ্জ্বল হব, জানো? 'কিন্তু' বুলি অশান্ত ৰৈ যায়। ইয়াত 'কিন্তু' বুলিবলৈ কিতো আছে ? যদি আপোনাৰ মত আছে মাত্ৰ কাম কণ সাংহে কৰিব লাগে। ছোৱালীৰো মত আছে। অশান্তৰ মাত হেৰায় গল। কি কব, কি নকৰ বুলি ভাবি থাকে সি। সি কঁপি উঠিল। ওঠ দুটা কঁপা বৰুৱাই দেখিলে। কিন্তু একো নকলে। হয়তো লাজ কৰিছে বুলি ভাবিয়েই বৰুৱা আঁতৰি আহিছিল কাষৰ পৰা।

কিন্তু ইয়াৰ পাচত ঘৰটোৰ দিব লগীয়া ভাড়াখিনি (যদিও বৰুৱাই লবলৈ অমান্তি হ'ল) দি এদিন ৰাতি হাতত সাৰে ভৰিত সাৰে বিচনা পাতিলৈ গুচি গল অশান্তটো।

এই অশান্তই হঠাতে কিয় এই দৰে গুচি গ'ল তাৰে কথা ভাবি আজি তিলোমনি বৰুৱাই বিচনাখনত দীঘল দি পৰি চটফটাই আছে। ভাবনাত বিভোল হৈ থকা অৱস্থাতে সৰু ভনীয়েক জনীয়ে দি গ'লহি অশান্তৰ নামৰ এখন চিঠি। আগতে দি যোৱাৰ দৰে আজিও অশান্তক ঘৰত নাপাই তাঁহাতৰ ঘৰতে চিঠি খন দি গলহি পিয়ন জনে। কোনেনো দিছে, এই ভাবি লেফাফাটো ফালি চিঠিখন পঢ়ি তাই হতবাক হৈ যায়। কাৰণ, তাই যেন অতপৰে ভাবি থকা কথা বোৰৰ প্ৰত্যোত্তৰ চিঠিখনেই দিলে। তাই বুজিব পাৰিলে অশান্তৰ গুচি যোৱাৰ কাৰণ, আৰু বুজিলে—সেইদিনা কিয় তাই পৰাজয় হব লগীয়া হৈছিল। তাই চিঞৰি দিবৰ মন গৈছিল "অশান্তৰ ভুল হোৱা নাই, সি তাইক প্ৰাণভৰি ভাল পাইছিল, কিন্তু বিয়াহে কৰিব নোৱাৰে। কাৰণ এইয়া অশান্তৰ দাদাকে তালৈ লিখিছে—

অশান্ত……'তোমাৰ বিয়াৰ বাবে শ্ৰীযুত উমা বৰুৱাই বৰ জোৰ দিছে। ছোৱালীৰো মত আছে বুলিছে। বৰুৱাৰ দৰে আৰু বহুতেই ঘৰতে ছোৱালী যাচিছেহি। কিন্তু তুমি যে বিয়া পাতিব নোৱাৰা। এই বিয়াৰ ভয়তে চাৰি পাঁচখন কলেজ এৰিব লগাত পৰিছা। এইবাৰো যে সেইখন কলেজ এৰি আহিবৰ তোমাৰ সময় আহি পৰিছে মই বুজিছো! কি কৰিবা ভাই। মানুহে বিয়া-বাৰু কৰে—ভৱিষ্যতৰ একোখন ঘৰৰ বাবে, অকনমান আনন্দৰ বাবে আৰু নিজৰ বংশাৱলী পৃথিবীত চিন ৰাখি যাবৰ বাবে। কিন্তু তুমি যে অনুপায়। তোমাক দেখোন ভগৱানে এই সকলোৰ পৰাই বিৰত ৰাখিলে।" উঃ তোমাৰ যে……….. ..

"এগৰাকী সুশ্ৰী, সুকণ্ঠি আৰু সুচৰিত্ৰা
নাৰীৰ হাতৰ পৰশ যি পুৰুষে পোৱা নাই,
তেওঁৰ সমান দুভৰ্গীয়া নাই।"

—কালিদাস—

……মানুহৰ প্ৰতি থকা মানুহৰ হিংসাই মানুহৰ জীৱন গতিপথ যে ৰুদ্ধ কৰি আন্ধাৰ কৰি তুলিব পাৰে, তাৰে দৃষ্টান্ত দৰ্শাবলৈ প্ৰয়াস কৰিছে এই গল্পটিত—শ্ৰীমতী আৰাধনা দত্তই।…

# এন্ধাৰ

## দিগন্ত

আৰাধনা দত্ত।
(কলা বিভাগ)

ৰীতাই উচুপিছে। সদায় চিৰ গৰৱিনী হৈ থাকিবলৈ বিচৰা, আনৰ আগত কন্দাটো চৰম দুৰ্ব্বলতা বুলি ভৱা, ৰীতাই আজি মাক ককায়েক, নবৌৱেক সকলোৱে জনাকৈ কান্দিছে। মাক-নবৌৱেকৰ বিৰামহীন মৰমী শান্ত্বনাই তাইক একো কৰিব পৰা নাই। এৰা, এয়া যে তাইৰ অসহনীয় পৰাজয়।

……ভাগ্যক ৰীতাই কোনোদিনেই বিশ্বাস কৰা নাছিল। এতিয়াও নকৰে। তাই সদায়েই ভাৱে জীৱনলৈ আহি পৰা সকলো সৰু-ডাঙৰ বিপৰ্য্যয়ৰে মূল কাৰণ হল তাই নিজেই। তাইৰ কিছুমান ভুল, যিবোৰৰ কাৰণে তাই নিজকেই সদায় দোষ দি আহিছে।

এইবাৰো তাই নিজকে দোষ দিলে। ঘৰখনলৈ নামি অহা এই গোমা পৰিবেশ, তাইৰ নিজৰ মানসিক অশান্তি এই সকলোবোৰৰ মূলতে হয়তো তাই নিজেই। এই কথা ৰীতাৰ খুব বেছিকৈয়ে অনুভৱ হ'ল। সচাকৈয়ে তাই কিজানি ভুল কৰিলে ছোৱালী হাইস্কুল খনত শিক্ষয়ত্ৰী ৰূপে সোমাই। বি, এ, পাচ কৰাৰ পিচত মাক-দেউতাক, ককায়েক সকলোৱে কৈছিল ভালকৈ পাচ কৰিছে যেতিয়া তাইৰ পছন্দ মতে কোনোবা এখন বিশ্ববিদ্যালয়ত তাই এম, এ, পঢ়ক।……সৰুৰে পৰা অসম্ভৱ জেদী বুলি ৰীতাৰ নাম আছিল। সেই জেদৰে পুনৰাবৃত্তি কৰি মাকহঁতক কলে—"মোক তোমালোকে কোনেও এম, এ, পঢ়াৰ কথা নকবা মা। এম, এ, পঢ়াৰ ইচ্ছা মোৰ নাই। ৰত্নাই সিদিনা কৈছে সিহঁতৰ স্কুলত কাম এটা খালি হৈছে বুলি। মই তাতে কাম কৰিম।"

ৰীতাই জানে ইয়াৰ পিছত কোনেও তাইৰ কথা প্ৰতিবাদ কৰাৰ প্ৰশ্নই নুঠে। মাক-দেউতাক, ইঞ্জিনিয়াৰিং পঢ়ি থকা সৰু ককায়েক তুল, অসমৰ বাহিৰৰ কলেজ এখনত অধ্যাপনা কৰি থকা ডাঙৰ ককায়েক ৰানা সকলোৱে ভিতৰি ভিতৰি ক্ষুন্ন হল তাইৰ কাৰ্য্যত। কিন্তু মুখ খুলি প্ৰতিবাদ কোনেও নকৰিলে। আদৰুৱা ছোৱালীজনীৰ এইবোৰ কামক সকলোৱে খাম খেৱালী বুলি ধৰি লৈ সহজ হবৰ চেষ্টা কৰিলে। কিন্তু মাকে সগকৈয়ে বেয়া পালে। তেওঁ নিৰ্বিচাৰিছিল তেওঁৰ একমাত্ৰ ছোৱালী ৰীতাই স্কুলত কাম কৰক টকাৰ বিনিময়ত - যিদৰে কৰে হাজৰীকাৰ ঘৰৰ ছোৱালী ৰত্নাই, স্বামীৰ লগত ঘৰ কৰিব নোৱাৰি মাকৰ ঘৰলৈ গুচি অহা বৰুৱানীৰ ছোৱালী অমলাই।

......কিন্তু তেওঁ ভাল নেপালেও ৰীতা হাইস্কুল এখনৰ ৰীতা বাইদেউ হৈ গল। স্কুললৈ প্ৰথম যাবলৈ ওলোৱা দিনটোৰ কথা মনত পৰিলে ৰীতাৰ এনেয়ে ভাল লাগে। সেইদিনা তাই আন দিনাতকৈ বহুত সোনকালে উঠি গা ধুলে। তাৰ পিচত একেকোবেই ড্ৰেচিং আইনা খনৰ সমুখত ঠিয় হৈ তাই অকমমান সময় ভাবিলে চুলিখিনি কেনেকৈ বান্ধিব। কলেজত পঢ়ি থকাৰ সময়ত তাই বিভিন্ন ধৰণৰ নতুন নতুন কেশবিন্যাস কৰিছিল। সেইবোৰ কথা তাই এবাৰ মনত পেলাবলৈ চেষ্টা কৰিলে। কোনোটোৱে তাইৰ পছন্দ নহল। স্কুলত ছাত্ৰীবোৰে প্ৰথম দিনাই হয়তো নতুন বাইদেউৰ পিন্ধন উৰন, খোজ কাটল কেনে লক্ষ্য কৰিব। যেনেকৈ এসময়ত ৰীতাহঁতেও কৰিছিল। সিহঁতে যদি কয় আমাৰ নতুন বাইদেউ জনী ফেস্যন মেগাজিনৰ মডেল মডেল লাগিছে ...... ওহোঁ তাই যে ছাত্ৰীবোৰৰ আদৰ্শনীয়া হব লাগিব। তাইৰ কেশ বিন্যাস, আচৰণ সকলোতে থাকিব সুষ্ঠ ৰুচিৰ পৰিচয় .... কান দুখন সামান্য ভাবে ঢাকি দীঘল কলা চুলিখিনিৰে তাই এডলীয়া বেণী গুঠিলে। শুধ বগা শুৱালকুচীয়া পাটৰ মেখেলা খনৰ ওপৰত মিহি পাৰিৰ কপাহী চাদৰ এখন ললে। চাদৰৰ পাৰিৰ ৰঙৰ লগত মিলাই এজাৰ বুলিয়া ব্লাউজ এটাও উলিয়ালে। ....সামান্য প্ৰসাধন কৰি তাই আইনা খনত নিজকে এবাৰ ভালকৈ চালে, আইনাত প্ৰতিবিম্বিত হোৱা শান্ত-স্নিগ্ধ ৰূপটোক তাইৰ বেয়া নেলাগিল। এবা কলেজত থাকোতে তাইৰ বান্ধৱীবোৰে কৈছিল, সাধাৰণ সাজ সজ্জাই তাইক হেনো অপৰূপা কৰি তোলে।

.......... সময়ত তুল দাদাকে নিজেই গাড়ীখন চলাই তাইক স্কুলৰ গেটত নমাই থৈ আহেগৈ। সেয়া মাকৰ আদেশ। তাইক যেন কেতিয়াও খোজ কাঢ়ি বা ৰিক্সাত পঠোৱা নহয়। বন্ধত ঘৰত থকা দিন কেইটাত তুলে নহলে ড্ৰাইভাৰে তাইক স্কুললৈ অনা নিয়া কৰিব।

.......স্কুলখন ৰীতাৰ ভবাতকৈও ভাল লাগি গল। প্ৰশ্নৰ উত্তৰ কব নোৱাৰিলে সেতা পৰি যোৱা, পাৰিলে আনন্দত উজ্জলি উঠা শিশু সুলভ কমনীয়তা আতৰি নোযোৱা

মুখবোৰ তাইৰ মৰম লাগিল। ছাত্ৰীহঁতেও সোনকালেই কোৱা মেলা কৰিলে ৰীতা বাইদেউ জনীযে ভাই ইমান ভাল।

.. .... প্ৰথমতে থকা সামান্য ভয় ভয় ভাৱবোৰ ৰীতাৰ আঁতৰি গ'ল। তাই নিজকে অপৰিসীম সুখী বুলি ভাবিলে। কিন্তু গতিপথৰ ধূমকেতু উদয় হবলৈ বেচিদিন নেলাগিল। দিন যোৱাৰ লগে লগে ৰীতাৰ অনুভৱ হ'ল স্কুলখনত যেন তাই সামান্য অকলশৰীয়া। প্ৰথমৰ পৰাই ৰীতাই তাইৰ মনৰ লগত মিলা এগৰাকী সহ-শিক্ষয়ত্ৰীৰ অভাৱ অনুভৱ কৰিছিল। অফ্ পিৰিয়ডত ষ্টাফ ৰুমত থকা সময়খিনিত সেই নিসঁঙ্গতাবোধে তাইক বাৰুকৈয়ে চুই গৈছিল। ...... ষ্টাফ ৰুমত যেতিয়া আটাই কেইগৰাকী শিক্ষয়ত্ৰী একেলগ হয়, তেওঁলোকে ছাত্ৰীসকলৰ বিষয়ে উগ্ৰ সমালোচনা আৰম্ভ কৰি দিয়ে। তাত আগভাগ লয় অলকা কাকতি, অমলা, বিনীতা, মিনাক্ষী আদি কেইগৰাকীমান শিক্ষয়ত্ৰীয়ে। শিক্ষয়ত্ৰী হিচাবে ছাত্ৰীক সমালোচনা কৰাৰ অধিকাৰ নিশ্চয় আছে। কিন্তু সেই সমালোচনাই যেতিয়া ছাত্ৰীৰ কেশ বিনাশ, হাতকটা ব্লাউজৰ ফালে গতি কৰে ৰীতাৰ অসহ্য লাগি যায়।

.......অমলা বাইদেৱে মিনাক্ষীৰ ফালে চাই কয় আজিকালি কম বয়সীয়া ছোৱালীবোৰ যে কি হৈ গল। বাহিৰৰ আৰ্কষণ ইমান বেছি যেতিয়া স্কুল এৰি দিয়াই ভাল।

বাইদেৱে অসীম ক্ষোভেৰে কথা খিনি কৈ শেষ কৰে। সেই মুহূৰ্ত্ততে ৰীতাৰ চকু যায় বাইদেউৰ ব্লাউজৰ পশ্চাৎ অংশলৈ। পিঠিটোৰ প্ৰায় বুজন অংশ উদং। তাৰ পিছত তাইৰ চকু যায় বাইদেউৰ সেউতালৈ, কপাললৈ। উকা কপাল আৰু সীমন্তই যেন গোটেই মানুহজনীক শুহি খায় পেলাইছে। সেই মুহূৰ্ত্ততে ৰীতাৰ ওঁঠত এটা ক্ষীণ হাঁহিৰ ৰেখা বিয়পি পৰে। তাৰ পিছত ভাবিবলৈ চেষ্টা কৰে জীৱিত স্বামীৰ ঘৰ চিৰ-জীৱনৰ বাবে এৰি অহা অমলা বাইদেউৰ মুখত ছাত্ৰীৰ বিষয়ে এইবোৰ অৰুচিকৰ সমালোচনা কিয়? তেওঁৰ তিনটা ফুল-কুমলীয়া অকন অকন লৰা ছোৱালী মানুহ কৰাৰ অকলশৰীয়া দায়িত্ব আছে।

......... অমলা বাইদেৱে মিনাক্ষীলৈ চাই কোৱা কথা খিনিৰ উত্তৰ দিয়ে ওপৰ শ্ৰেণীৰ ইংৰাজীৰ শিক্ষয়ত্ৰী বিনীতাই। তাইৰ মতে আজি-কালিৰ তিন এজ্ঞাৰবোৰ একেবাৰে অধঃপতনৰ ফালে নামি গৈছে।......বিনীতাৰ বয়স হৈছে। অবিবাহিতা। তাই বিয়া নোহোৱাকৈ থকা কাৰণৰ লগত জড়িত বিভিন্ন প্ৰেমজনিত ঘটনা ৰীতাই শুনিছে। সেইবোৰত তাই কোনো দিনেই গুৰুত্ব দিয়া নাই; কিন্তু এটা কথা ৰীতাই মন কৰিছে বয়স চাই বিনীতা মানুহ জনী যথেষ্ট ধুনীয়া হৈ আছে। নিজকে সুন্দৰী কৰি ৰাখিবলৈ তাই কৰা অপ্ৰাণ প্ৰয়াস খিনিলৈ ৰীতাৰ কেতিয়াবা পুতৌ জন্মে। চুলিখিনিৰ পৰা ভৰিৰ নখ কেইটালৈকে সকলোতে তাই সমান যত্ন। কেতিয়াবা অফ্ পিৰিয়ডত বিনীতাৰ লগত ৰীতা বজাৰলৈ যায়। বজাৰৰ বিভিন্ন দোকানবোৰত ঘূৰি পকি বিনীতাই যিবোৰ প্ৰসাধনৰ, সামগ্ৰী বিচাৰি ফুৰে

সেইবোৰৰ প্ৰয়োজনীয়তা কোনখিনিত ৰীতাই কাহানিও ভবা নাই। সাধাৰণ স্ন-পাউদাৰ আৰু এডাল সেতা ৰঙৰ লিপষ্টিকেই ৰীতাৰ প্ৰসাধনৰ বাবে যথেষ্ট। ……সেইবোৰ যিয়েই নহওক, আন কেইগৰাকী শিক্ষয়ত্ৰীতকৈ ৰীতাৰ বিনীতাক বেচি ভাল লাগিছিল। তাৰ অন্য এটা কাৰণ আছে। বিনীতাৰ মুখশ্ৰীৰ লগত সামান্য মিল আছে ৰীতাৰ কলেজীয়া জীৱনৰ একমাত্ৰ প্ৰিয় বান্ধৱী অঞ্জলীৰ চাহানিৰ। বাবেই বিনীতাকে তাই অঞ্জলী যেন লাগিছিল।

……. অঞ্জলীৰ কথা মনত পৰিলে ৰীতাৰ মনটো সামান্য উদাস হৈ যায়। সচাকৈয়ে এই সময়ত অঞ্জলী ওচৰত থকা হলে তাইৰ বেদনা জৰ্জ্জৰিত মনটোৱে অকনমান সান্তনা পালেহেঁতেন। হোষ্টেলত থকাৰ সময়ত যি মুহূৰ্ত্ততে ৰীতাৰ মন কোনো বুজা নুবুজা বেদনাত ভাৰাক্ৰান্ত কৰি তোলে, তেতিয়াই তাই শৰনাপন্ন হয় অঞ্জলীৰ। অঞ্জলীৰ সান্নিধ্যই অঞ্জলীৰ মিঠা মিঠা কথাই তাইক পুনৰ সহজ কৰি তোলে। সচাকৈয়ে অদ্ভুদ ছোৱালী আছিল অঞ্জলী। পঢ়া-শুনাত যথেষ্ট ভাল। ইংৰাজীত অনাৰ্চ আছিল। কিন্তু ৰাতিপুৱা গধুলী এদিনো তাই নিয়মিত ভাবে পঢ়ে বুলি ৰীতাই কব নোৱাৰে। নগৰ খনত সঘনে হৈ থকা সাংস্কৃতিক অনুষ্ঠানবোৰ তাই কমেইহে বাদ দিয়ে। যেতিয়া ৰীতা আৰু আন দুজনী ৰূমমেট বিজয়া আৰু নাজমা পঢ়িবলৈ বহে, সেই সময়ত হয়তো চিনেমাৰ গান, নহলে ফেইজৰ গজলেৰে ৰূমটো মুখৰিত কৰি টানি টানি শাৰীখন পিন্ধে। তাৰ পিছত খোপাত কাটা কেইডাল গুজি দিবলৈ নাইবা চেইনৰ হুক লগাবলৈ নহলে, ব্লাউজৰ পিচ বুটাম কেইটা মাৰি দিবলৈ তাই বিজয়া নাইবা নাজমাৰ ওচৰলৈ যায়। পঢ়া-শুনাত অনুৰাগী ছোৱালী নাজমাই পঢ়িথকা পদাৰ্থ বিদ্যাৰ বিৰাট কিতাপখন মেলা ভাবেই সামান্য আতৰাই বিৰক্তিত ভোৰভোৰাই অঞ্জলীৰ কৰিব লগীয়াখিনি কৰি দিয়ে। তাৰ পাচত অঞ্জলীয়ে সিহঁত তিনিওজনীকে ইমান বেছি পঢ়া-শুনা কৰাৰ কাৰণে ইচ্ছা মতে গালি পাৰি কোঠাৰ বাহিৰ হয়। তাই ওলাই যোৱাৰ পিছত ৰীতা বিজয়া-নাজমা তিনিওজনীয়ে হাঁহে। সিহঁতে জানে অঞ্জলী হয়তো এতিয়া গৈছে নগৰৰ এক অভিজাত আঢ্যৱন্ত পৰিয়াললৈ. যি পৰিয়ালৰ একমাত্ৰ সন্তান বিনোদৰ লগত তাইৰ বিয়া ঠিক হৈ আছে। তাৰ পিছত বিনোদ আৰু তাই যাব বিভিন্ন প্ৰমোদ ৰেষ্টুৰেণ্টলৈ, চিনেমা হললৈ নহলে উপকণ্ঠৰ কোনোবা নিৰ্জ্জন ঠাইলৈ।

……কিন্তু অসম্ভৱ উদাৰমনা অঞ্জলীৰ লগত থকা চেহেৰাৰ সামান্য মিলখিনিৰ বাহিৰে বিনীতাৰ আন একো সামঞ্জস্য নাই। কিন্তু ৰীতাই সেই সামান্য মোহকনৰ বাবেই বিনীতাই তাইৰ আত্মীয় স্কুল চেক্ৰেটৰীক তাইৰ বিৰুদ্ধে লগোৱা বিভিন্ন কথাবোৰ ক্ৰমাগত শুনি যোৱা স্বত্বেও মুখ খুলি কোনোদিন প্ৰতি-বাদ কৰা নাই। বৰঞ্চ একো নজনাৰ নিচিনা হৈয়ে থাকে। ৰীতাই জানে সুশ্ৰী চেহেৰা গঢ়ি তোলা কৃত্ৰিম ব্যক্তিত্ব, পঢ়া বুজোৱাৰ

অগণ্য ভঙ্গীৰে বিনীতাৰ স্কুলত যি অধিপত্য আছিল, সেইয়া ৰীতা অহাৰ লগে লগে বহুত ধূৰলৈ আতৰি গৈছে। সেইবাবে বিনীতা যথেষ্ট ক্ষুন্ন ৰীতাৰ ওপৰত।

……কিন্তু অলকা কাকতিক যে ৰীতাই কোনোমতেই ক্ষমা কৰিব নোৱাৰে। পৰহিলৈকে মুখৰিত হৈ থকা প্ৰাণপ্ৰাচুৰ্য্যৰে ভৰা ঘৰখনৰ এই ভয়াবহ নিস্তব্ধতা, মাকৰ ভাঙি পৰা মুখ এইবোৰৰ কাৰণেতো অলকাই প্ৰত্যক্ষ ভাবে দোষী।

……অলকা কাকতিয়ে স্কুলৰ ওপৰ শ্ৰেণীত অঙ্ক শিকাই। পাৰ হৈ যোৱা যৌৱন, অঙ্কৰ দৰে নিৰস বিষয় এটাৰ লগত অহৰহ সংযোগ, এই সকলোবোৰ মিলি মানুহজনী কিবা হৈ পৰিছে……সুবিধা পালেই তাই কৰ বিচাৰে বিয়া নামৰ অনুষ্ঠানটোকে তাই মনে প্ৰানে ঘিন কৰে। তাইৰ মতে লালসাক অনুষ্ঠান মোকাচাৰ এইবোৰ আঁৰবেৰৰ মাজত ভৰাই থোৱাৰ মানেই নহয়। …দুটা অচিনাকি অথচ, চিৰ চিনাকি আত্মাৰ একীভূত এইবোৰতো বাজে কথা। অন্য ছোৱালীৰ বিয়াৰ কথা শুনিলে অলকাই এনে ধৰণে কবলৈ ধৰে যে বিয়া হ'বলৈ ওলোৱাৰ দৰে চৰম মূৰ্খামি আন একোৱেই নাই।

……ৰীতা আজিৰ যুগৰ ছোৱালী। তায়ো নাৰী জীৱনৰ তিনি স্তৰৰ ত্ৰিআশ্ৰয়ৰ প্ৰয়োজনীয়তাক উপলুঙা কৰি আহিছে। জোৰ আত্ম বিশ্বাসেৰে অঞ্জলীৰ আগত তাই বহুবাৰ দোহাৰিছিল পৃথিৱীৰ গতিৰ দৰে এটা সুশৃঙ্খল, সুন্দৰ, স্নিগ্ধ জীৱন-যাপনৰ বাবে তাইৰ কোনো পুৰুষৰ প্ৰয়োজন নাই।…কিন্তু প্ৰেমক অকলঙ্কিত কৰি চিৰস্থায়ী মৰ্য্যদা দিয়াৰ একমাত্ৰ উপায় ৰীতাই জানে। বিয়াৰ প্ৰয়োজনীয়তা তাইৰ ওচৰত সেয়াই। কিন্তু অলকাৰ দৃষ্টিভঙ্গীত তায়ো আচৰিত নোহোৱাকৈ থকা নাই।

সেয়া যিয়েই নহওক অলকাৰ ক্ৰোধ বিৰক্তিৰ বিকাৰ যে এদিন তায়ে হৈ যাব মূঠ কথা ৰীতাই সপোনতো ভৰা নাছিল। কিন্তু নভবা বহুত কথাও যে জীৱনত সম্ভৱপৰ হৈ যায়। ৰীতাৰ ক্ষেত্ৰতো সেয়ে হল।

……ৰীতাই ডায়েৰী নেলেখে। সেইদিনা কি তাৰিখ আছিল তাইৰ মনত নাই, হয়তো সিদিনা সূৰ্য্যৰ সোণ সোণ লগা ৰেখাবোৰ পৃথিৱীৰ বুকুত পাৰ ভাঙি বাগৰি গৈছিল। হয়তো পৃথিৱীখনে সিদিনা সদ্য স্বামীহাৰা কোনোবা যুৱতী নাৰীৰ দৰে অবিৰাম উচুপি আছিল। নাইবা পৃথিৱীয়ে সিদিনা প্ৰাচীন কায়াৰ কোনোবা মোহময়ী নায়িকাই একান্ত প্ৰিয়জনৰ ওচৰত কৰাৰ দৰে অভিমান কৰি আছিল। সেইবোৰ ৰীতাৰ একোৱেই মনত নাই। মাথো মনত আছে তাই সিদিনা আন দিনাতকৈ যথেষ্ট জাক-জমক সজসজ্জা কৰি স্কুললৈ গৈছিল। কোমল বগা পাটৰ সোনোৱালী ফুল থকা মেখেলা চাদৰ, মূৰৰ সুন্দৰ খোপাটোত গুজিছিল এপাহ বগা সতেজ গোলাপ। সদাই উকাকৈ ৰখা ডিঙিত পিন্ধিছিল মুক্তাৰ এডাল হাৰ…… সেই দিনা নিজকে

সজাই চাবৰ মন গৈছিল তাইৰ।

তাইৰ আনন্দ উজ্জ্বল মুখ, সোনালী বুটা দিয়া কাপোৰ জোৰে উজ্জ্বলাই তোলা তাইৰ ৰূপক সকলো শিক্ষয়ত্ৰীয়ে অবাক দৃষ্টিৰে চালে। ... এসময়ত ৰীতাই কলে বিলাতৰ পৰা উচ্চ ডিগ্ৰী লৈ ঘূৰি অহা সুদৰ্শন ডাক্তৰ অৰূপ চৌধুৰীক তাইৰ ভাল লাগি যোৱাৰ কথা, মাক-দেউতাকে অৰূপৰ লগত তাইৰ বিয়া ঠিক কৰাৰ কথা ...... তাৰ পিচত তাই আটাই কেই গৰাকী শিক্ষয়ত্ৰীৰ মুখলৈ তাঁৰ চকুৰে এবাৰ চাই পঠিয়ালে। অমলা বাইদেৱে স্বভাৱ সুলভ ভঙ্গীৰে কলে এইবাৰ তেনেহলে তোমাৰ বোৱাৰী হবৰ মন গল ৰীতা; তাৰ পিচত অলকাই বিয়াৰ কথা সেয়া সাধাৰণ ৰুচিবোধৰ পৰা কিমান দূৰ আতৰি গৈছে ৰীতাই ভাবিবলৈ চেষ্টা নকৰিলে। বিনীতাই হাঁহি হাঁহি কলে ইচ তোমাৰ বিয়া পাতিছা নেকি ৰীতা, ডাক্তৰ চৌধুৰীৰ লগত; খুব ভাল লাগিল ভাই শুনি। বিয়াৰ দিনা ৰাতিপুৱাই যাম কিন্তু মই। ৰীতাই হাঁহি কলে যাব কিয় নেযাব। ৰাতিপুৱাই গলেতো খুবেই ভাল পাম মই। তাৰ পিছত তাই এবাৰ অলকাৰ ফালে চালে. তাই লক্ষ্য কৰিলে অলকাৰ মুখখন যেন সামান্য সেতা পৰি গৈছে। তাইলৈ এবাৰ চাই একো নোকোৱাকৈ হাতত খোলাপেনটো লৈ অলকাই অসীম ব্যস্ততাৰে সমুখৰ বহী জাপলৈ চকু দিলে। ৰীতাৰ এনে লাগিল যেন পৃথিবীখন তললৈ খহি গলেও সেই মুহূৰ্ত্তত অলকাৰ বহীজাপ চোৱাতকৈ ডাঙৰ কাম একো-ৱেই নাই। ........

...... তাৰ পিছত ৰীতাই ব্যস্তহৈ পৰিল ডাঙৰ ককায়েক ৰানা, নবৌয়েক দীপাৰ লগত কলিকতাৰ বিভিন্ন জুয়েলাৰী দোকানত অলঙ্কাৰ কিনাত, কাপোৰ কিনাত, লগৰ অজস্ৰ বন্ধু-বান্ধৱীলৈ চিঠি দিয়াত। .... ..আৰু তেতিয়া অলকা কাকতি ব্যস্ত হল অৰূপৰ ওচৰলৈ অসুখ দেখুৱাবলৈ নিয়মিত অহা যোৱা কৰাত। কি অসুখ ৰীতাই নেজানে। মাথোন এসময়ত তাই শুনিলে অৰূপৰ চিকিৎসাত অলকা সুস্থ হৈছে। সুস্থ অলকা আকৌ এদিন গল অৰূপৰ ক্লিনিকলৈ।

...... অৰূপে আগবঢ়াই দিয়া চকীখনত সুন্দৰ ভঙ্গীৰে বহিল অলকা, ছোৱালী হাইস্কুলৰ শিক্ষয়ত্ৰী অলকা কাকতি।

কি খবৰ কাকতি? কেনেকুৱা পাইছে আপুনি এতিয়া? অৰূপৰ প্ৰশ্নত ধুনীয়াকৈ হাঁহিলে অলকাই। তাৰ পাছত তাই অৰূপৰ চকুলৈ চাই কলে মই এতিয়া সম্পূৰ্ণ সুস্থ ডক্তৰ চৌধুৰী। অৱশ্যে এই কথা মই আগেয়ে জানো চিকিৎসাত আপোনাৰ হাত অসম্ভৱ পটু বুলি। কিন্তু অলপ দিনৰ আগলৈকে নেজানিছিলো আপোনাৰ মনটোও ইমান উদাৰ বুলি।

মানে? অলকাৰ মুখলৈ চাই সামান্য হাঁহি সুধিছিল অৰূপে।

মানে আৰু কি? এইবাৰ অলকাই হাঁহি দিছিল সশব্দে, ঠিক এজনী কোমল বয়সীয়া ছোৱালীৰ দৰে।

উজ্জ্বল হাঁহিত কপি উঠা অলকালৈ এবাৰ চাই অৰূপে সুধিলে "আপুনি যে কি কৰ খোজিছে কাকতি, মই একেবাৰে ধৰিব পৰা নাই।"

এইবাৰ অলকাই অৰূপৰ মুখলৈ এবাৰ ভালকৈ চালে। তাৰ পাছত তাই শান্তি স্বাভাবিক স্বৰত কলে নাই, একো কব খোজা নাই চৌধুৰী। মাত্র এটা কথা ভাবিছো মই, আপোনাৰ দৰে চৰিত্ৰবান, উচ্চ শিক্ষিত যুৱক এজনে ৰীতাৰ দৰে ছোৱালী জনীএক বিয়া কৰাবলৈ আগবাঢ়িল কেনেকৈ!

আহি পৰা বিৰক্তিখিনি চেপি অৰূপে সুধিলে, কিয় কাকতি, ৰীতাক বিয়া কৰিবলৈ ওলোৱাত আপোনাৰ কিবা আপত্তি আছে নেকি? বুজিছে কাকতি মোৰ জীৱনলৈ আহি পৰা বহুত ছোৱালীৰ ভিতৰত ৰীতাকে মোৰ ভাল লাগিল; কেৱল তাইৰ ৰূপৰ বাবেই নহয় তেওঁৰ আকৰ্ষণীয় ব্যক্তিত্বই মোক সচাকৈয়ে মোগ্ধ কৰিছে।

হয়তো আপোনাৰ কথা সচা চৌধুৰী কিন্তু? ........ অলপ সময় অলকা বৈ গল। তাৰ পিছত তাই কলে। আপুনি ৰীতাক বোধহয় এতিয়াও সম্পূৰ্ণ কৈ জনা নাই। আপুনি নেজানে নেকি ৰীতাৰ জীৱনৰ এটা কলঙ্কিত অধ্যায় আছে যি অধ্যায়ৰ লগত জড়িত আছিল মোৰ নিৰোদ্দেশ হৈ যোৱা একমাত্র ককাইদেউ অলকেশ, শিল্পী অলকেশ কাকতি; অৱশ্যে এইবোৰ পুৰণা কথা নগৰৰ সকলো মানুহে নেজানে। আৰু যদি আপুনি সচাঁকৈয়ে মোৰ মুখৰ পৰাই এই কথা প্ৰথম শুনিছে তাৰ বাবে মই দুঃখিত। নিতান্ত বাধ্যত পৰিহে মই এইবোৰ কথা আপোনাক কৈছো। ৰীতা সুন্দৰী, বুদ্ধিমতী তাইক লৈ আপুনি সুখী হ'ব পাৰিব, কিন্তু আচল কথা কি জানে মোৰ এটা নিৰৱ আশা আছে অলকেশ ককাই-দেউ যদি এতিয়াও জীৱিত আছে ৰীতাৰ বাবেই হয়তো এদিন ঘূৰি আহিব—

বজ্ৰাহত মানুহৰ দৰে চকীখনত বহি থকা অৰূপৰ সুদৰ্শন মুখখনলৈ চাই সৰুকৈ এটা নমস্কাৰ জনাই অলকা কাকতি ওলাই আহিছিল, কৃতকাৰ্য্যতাৰ গৌৰৱত তাইৰ মুখৰ অভিব্যক্তি হৈছিল প্ৰাচীন যুগৰ কোনোবা দিগ্বীজয়ী বীৰৰ দৰে।

....... তাৰ পিছত উদভ্ৰান্ত বলিয়া মানুহৰ ৰূপ লৈ অৰূপ সিহঁতৰ ঘৰ পাইছিলগৈ অনাঘ্ৰাট ফুলৰ দৰে কালিমা সনা ছোৱালী-জনী তাৰ জীৱনলৈ আগবঢ়াই দিয়াৰ বাবে; অৰূপে তাইৰ মাক-দেউতাকক দোষ দিলে। ৰীতাকো কলে "তোমাৰ এটা ভয়ঙ্কৰ অতীত আছে বুলি মই নেজানিছিলো। ৰীতা তোমাক মোৰ ভাল লাগিছিল। সেই ভাল লগা মোৰ সদায় থাকিব। কিন্তু অলকা কাকতিৰ মূখত তোমাৰ অতীত শুনাৰ পিছত তোমাক নিজৰ কৰি লোৱাৰ প্ৰশ্নই নুঠে।" তাৰ পিছত সিহঁতৰ কোনো কথা নুশুনাকৈয়ে অৰূপ পুনৰ গুচি গৈছিল সেইঠাই কেতিয়াও ভৰি নিদিয়াৰ প্ৰতিশ্ৰুতিৰে।



কানৈ কলেজ

............ বহুসময় একেবাহে খোজকাঢ়ি অহা মানুহৰ দৰে অৱস পদখেপেৰে ৰীতা বিছনাত পৰিছিল গৈ। উচুপি উচুপি তাই কান্দিছিল। তাই জানে মাক-দেউতাকে যদি অৰূপক বুজাবলৈ যায় অৰূপে হয়তো সকলো কথা বুজিব। কিন্তু সেয়া কৰিবলৈ তাই কেতিয়াও নিদিয়ে। অলকাকো তাই নকয়গৈ। জানো, অলকা বাইদেউ নিজৰ জীৱনৰ ওপৰত তোমাৰ অসীম লোভ আছে কিন্তু সেইবাবে আনৰ জীৱনত জুই জ্বলাবলৈ একো অধিকাৰ তোমাৰ নাই। আৰু ইমান এটা জঘন্য মিছা কথা অৰূপৰ আগত সাজি কবলৈ তুমি প্ৰেৰণা পালা কেনেকৈ ?" নাই নাই, তাই অলকাহঁতক একো অভিযোগ নকৰে। তাতকৈ তাই কাইলৈয়ে দিল্লীত থকা অঞ্জলীলৈ লিখিব দিল্লী বিশ্ববিদ্যালয়ত তাইৰ বাবে এটা চীট যোগাৰ কৰিবলৈ। অঞ্জলীৰ উত্তৰ পোৱাৰ পিচ দিনাই তাই দিল্লীলৈ যাবগৈ, আৰু তাই উকা অন্তৰত আঁকি লোৱা অৰূপৰ ছৱিখন ধুই মচি পেলাবলৈ তাই অপ্ৰাণ চেষ্টা কৰিব। হয়তো নেযায়. ক্ষতি নাই। তাইৰ জীৱন আছে, যৌৱন আছে, ভৱিষ্যত আছে, তাই জীয়াই থাকিব পাৰিব।

---

"আজিৰ যুগ সন্ধিক্ষণত আটাইতকৈ ডাঙৰ বিপ্লৱ হৈছে মানুহৰ মনৰ ৰাজ্যত। সেয়েহে মনে-ৰাজ্যৰ বিশুদ্ধতা ৰক্ষাৰ বাবে চেষ্টা চলালেহে বাহিৰৰ পৃথিবীত আপোনা-আপোনি সুন্দৰ হৈ উঠিব বুলি মোৰ বিশ্বাস।"

— পোপ —

ডেকা-গাভৰুৰ মাজত হোৱা প্ৰেম, ইজনে সিজনক ভালপোৱা, মৰম কৰা, ছল আৰু সুবিধা পালে অবৈধ প্ৰেম কৰা, আৰু এই অবৈধ প্ৰেমত অন্তঃসত্বা হৈ কেতিয়াবা গাভৰুৱে লাজ-অপমান সহ্য কৰি জীৱন কলঙ্কিত কৰা, এইবোৰ ঘটনা আজিৰ নহয় ই তাহানিৰ ৰামায়ণ, মহাভাৰত, বেদ. উপনিষদৰ যুগৰ পৰাই চলি আহিছে। তাৰ ছাঁ লৈ, এই অবৈধ প্ৰেমৰ বাবে কেতিয়াবা নৰ-নাৰীয়ে জীৱনো যে আহুতি দিব লগীয়া হয়, তাৰে এটি উদাহৰণ দাঙি ধৰিছে এই গল্পত— মঃ অলিউৰ ৰহমান দেৱে।

# মৌন—জোৱাৰ

অলিউৰ ৰহমান ( ছাত্ৰ—কলা বিভাগ )

: মেৰী, ইমান খৰ খেদাকৈ কলৈ যাৱ ? অলপ শুনচোন।

: No Mammy, please। আৰু মাত্ৰ দুই মিনিটৰ ভিতৰত মই মৃদুলক লগ কৰিব লাগে। তেওঁ মোৰ বাবে অপেক্ষা কৰি থাকিব। মই যাওঁ।

: মেৰী! কেৱল মৃদুল, মৃদুল আৰু মৃদুল। তই ইমান চঞ্চল হোৱাতো মই অলপো ভাল দেখা নাই!

: মামী তোমাৰ কি হল ? আজি কিয় এনেকৈ কৈছা ? মই মৃদুলক লগ কৰাতো সম্ভৱ তুমি পচন্দ কৰা নাই নহয় ?

: ওঁ, ময়ো তাকে কব খুজিছো। তই মৃদুলৰ ওচৰলৈ যাব নোৱাৰ।

এনেতে মিঃ ৰবাৰ্ট ধীৰ পদক্ষেপেৰে ভিতৰ সোমাই আহে। মেৰী সৰু ছোৱালীটিৰ দৰে বাপেকক আবদাৰ ধৰি কয়—

: ডেদী, আজি মামীৰ কি হৈছে ? মোক ফুৰিবলৈ যাবলৈ মানা কৰিছে।

: Oh, my child, কিয় মানা কৰিব, যোৱা। গাড়ীখন বাহিৰতে আছে লৈ যোৱা। Go and invite your briend Mridul Barua to have a dinner to night.

আনন্দত মতলীয়া হৈ মেৰী দৌৰ মাৰে আৰু সৰু 'ফিয়েট' খন লৈ বাগানৰ মাজৰ ৰাষ্টাইদি ছলাই নিয়ে। সিফালৰ পৰা মৃদুল বৰুৱা আহি আছিল। মেৰীয়ে গাড়ী ৰখাই তেওঁক তুলি ললে।

ঃ মেৰী, ইমান পলম কৰিলা কিয় ? তুমিয়েই আকৌ কোৱা, 'অসমীয়া মানুহবোৰ Punctual নহয়।'—মৃদুলে কৃত্রিম খং দেখুৱাই কয় আৰু মেৰীৰ কাষত বহি পৰে।

: আজি মাফ কৰা Dear। এতিয়াও এঘণ্টা সময় আমি ফুৰিব পাৰিম। সৌ চাহ গছ বোৰলৈ চোৱাচোন। কুঁহি পাত মেলি কেনেকৈ এখন দলিচা পাৰি থোৱাৰ দৰে লাগিছে, নহয় নে ? অসমৰ দৰে এনে এখন ঠাইত Wordsworth ৰ দৰে কবিৰ জন্ম হোৱা হলে কি কৰিলেহেতেঁন জানা ?

ঃ নাজানো মেৰী, কিন্তু মই কি কৰিলোহেঁতেন জানা ? তোমাৰ কোলাত মূৰ থৈ সেই দলিচাত শুই থাকিলোহেঁতেন।

ঃ থোৱা থোৱা: তোমাৰ সেই কথাবোৰ শুনিলে গাড়ী গৈ খালত সোমাব বুজিছা ? অ' এটা কথা, আজি নিশা সাজৰ বাবে আমাৰ ঘৰত তোমাৰ নিমন্ত্রণ থাকিল। যাবাতো ?— গাড়ী ৰখাই দুয়ো হাতত ধৰা-ধৰি কৈ নামি যায়। দুয়ো হাঁহি-ধেমালি কৰি নানা কথা পাতে। এবাৰ মেৰীয়ে মৃদুলৰ বাহু বন্ধনৰ পৰা নিজকে মুক্ত কৰি কয়—

ঃ বাৰু মৃদুল, যদি মামীয়ে আমাৰ এই মিলনত মত নিদিয়ে তেতিয়া কি হব ? মামীয়ে বাধা দিব যেন লাগিছে।

ঃ মেৰী, প্রকৃত প্রেমক কোনেও বাধা দিব নোৱাৰে। তাৰোপৰি তোমাৰ ডেদী আৰু মোৰ দেউতাই বন্দোবস্ত এক প্রকাৰ কৰিয়ে পেলালে বুলি শুনিছো। জানিবা মেৰী, কোনেও আমাৰ এই মিলনত বিঘিনি ঘটাব নোৱাৰে।

ঃ বাৰু মৃদুল, যাওঁ বলা, নহলে মামীৰ খং উঠিব।

* * * *

মিছেচ ৰবাৰ্টে চোফাত বহি উলৰ কাম কৰি থাকে। মিঃ ৰবাৰ্ট গৈ কাষতে বহে। তেওঁ উল গুঠিছে, কিন্তু বাৰে বাৰে কেণা লাগিছে আৰু বাৰে বাৰে খুলিব লগা হৈছে। তেওঁৰ মন যেন কৰবাত ঘূৰি ফুৰিছে। মিঃ ৰবাৰ্টে সকলো লক্ষ্য কৰি থাকে। তেওঁ ভাবিব ধৰে ; এই মানুহ গৰাকী ইমান উদাস হৈ থাকে কিয় ? তেওঁ ভাবিব নোৱাৰে যে, এই গৰাকী মানুহেই বিশ বছৰৰ আগতে সেই মনিদীপা নামৰ বাংঢালী-চঞ্চল ছোৱালীজনী। সেই মনিদীপা, যাৰ নাম আৰু সৌন্দৰ্য্যৰ বৰ্ণনা সকলোৰে মুখে মুখে এদিন শুনিবলৈ পোৱা গৈছিল। মিঃ ৰবাৰ্টে মেনেজাৰী কৰা বাগান খনৰ ওচৰৰে টাউনৰ কলেজত পঢ়িছিল মনিদীপা। প্রথম দিনাই ছোৱালী জাকৰ মাজত হাঁহি-ধেমালি কৰি থোৱা মনিদীপাক দেখি মিঃ ৰবাৰ্টৰ মৰম লাগি গৈছিল। তাৰ পিছত, তাৰ পিছতে কেইবাদিনো নিজৰ মটৰত তুলি কলেজত থৈ আহিছিলগৈ। লাহে লাহে কব নোৱাৰাকৈ মনিদীপাইও ভাল পাই পেলাইছিল স্বাস্থ্যবান ধুনীয়া ৰবাৰ্টক। আৰু এই ভাল পোৱাৰ ফলস্বৰূপে এদিন মনিদীপা ঘৰৰ পৰা ৰবাৰ্টৰ লগত গুছি আহিছিল, বিধবা মাকৰ শত বাধা আৰু চকুলো আওকান কৰি। এজনী অসমীয়া ছোৱালী হৈয়ো

মিঃ ৰবাৰ্টক আপোন কৰি লব পাৰিছিল। কিন্তু আজি-কালি ইমান চিন্তান্বিত হৈ থাকে কিয় ? মিঃ ৰবাৰ্টে মধম মিহলি মাতেৰে মাতে—

ঃ দীপা !

ঃ কিবা কবা ৰবাৰ্ট ?

ঃ মেৰীক পঠোৱাৰ বাবে তুমি খং খাইছা ? গোৱা দীপা, মেৰী সৰু ছোৱালী নহয়। তাইক জানো এটা Boy friend ৰ আৱশ্যক হোৱা নাই ? তুমি বাধা দিছা কিয় দীপা ?

ঃ তাই সৰু ছোৱালী নহয় বাবেই মোৰ চিন্তা, ৰবাৰ্ট । তাৰোপৰি, অসম দেশৰ নিয়ম কাৰণবোৰ তুমি ভালকৈ জানা। আমাৰ অসমীয়া মানুহবোৰে তেনেকৈ Boy friend ৰ লগত ছোৱালী ঘূৰি ফুৰাটো পচন্দ নকৰে।— গহীনাই উত্তৰ দিয়ে মিচেছ ৰবাৰ্টে।

ঃ নহয় দীপা । তুমি মোৰ পৰা কিবা লুকুৱাব খুজিছা। সিহঁতৰ বিয়া হোৱাত তুমি মত দিয়া নাই। কিয় ? তুমি জানা দীপা, আমি মত নিদিলেও সিহঁতৰ বিয়া হব। আমালৈকে মন নকৰা কিয় ? তোমাৰ মাবাই জানো আমাৰ এই মিলনত মত দিছিল ? কিন্তু আমাৰ জানো বিয়া নহল ? তাৰোপৰি সময়ে সকলো পৰিবৰ্ত্তন কৰি দিয়ে দীপা। মৃদুলে মেনেজাৰি পাচ কৰি থৈছে। দুনিদৰ পাচতে সিও কোনোবা এখন বাগানত সুযোগ পাব । সিহঁতক মিচাতে নিৰাশ নকৰিবা ? হব পাৰে সি অসমীয়া লৰা । তুমিও জানো অসমীয়া ছোৱালী নাছিলা ?

মিচেচ ৰবাৰ্ট নিৰবে বহি থাকে। হাতৰ কাম হাততে থাকে। তেওঁ ভাবে, ৰবাৰ্টক নো কেনেকৈ বুজাব যে এই বিয়া হব নোৱাৰে। তথাপি কয় মিচেচ ৰবাৰ্টে অৰ্থাত মনিদীপাই—

ঃ নহয় ৰবাৰ্ট, এইবোৰ বহুত কথা। তুমি নাজানা আৰু জানিবলৈ চেষ্টা কৰাটোও মই অনৰ্থক বুলি ভাবো।

ঃ জানো দীপা. মই সকলো জানো। তুমি লৰাটোৰ বিষয়ে কৈছা নহয় ? তাৰ বিষয়ে মই সকলো জানো।

ঃ জানা ? কি জানা তুমি ?— আচৰিত হৈ সুধে মিছেচ ৰবাৰ্টে।

ঃ তুমি আচৰিত নহবা দীপা। মই জানো যে, মৃদুল সঞ্জীব বৰুৱাৰ পুত্ৰ নহয়। মোক বৰুৱাই নিজে কৈছে যে, এদিন তেওঁ দোক-মোকালীতে আলিত ফুৰি থাকোতে, আলিৰ কাষত এটা ধূনীয়া বাকচৰ ভিতৰত দেখা পাইছিল এটি কেচুৱা সন্তান। গৰাকী নথকা সেই সন্তানটোক আনি নিজৰ লৰাৰ দৰে তুলি-তালি ডাঙৰ-দীঘল কৰিলে কেৰেণী সঞ্জীব বৰুৱাই আৰু সিয়েই হল মৃদুল বৰুৱা আজি। কোনোবা মাতৃয়ে নিজৰ কলঙ্ক ঢাকিবলৈ তাক পেলাই দিব পাৰে, কিন্তু তাৰ বাবে তুমি মৃদুলক দোষী কৰিবা নেকি দীপা ? তুমি বাধা দিয়াৰ মই একো কাৰণ নেদেখো। মই যাওঁ, সিহঁতৰ বন্দোবস্তটো একেবাৰে পকা কৰি থৈ আহোঁগৈ। কেৰেণীয়ে মোৰ বাবে অপেক্ষা কৰি থাকিব। যাওঁ দেই দীপা। Bye Bye !—

মিঃ ৰবাৰ্ট ওলায় যায়। মিছেচ ৰবাৰ্ট নিৰবে বহি থাকে। এটা কথা কবলৈও যেন তেওঁৰ গাত শক্তি নাই। তেওঁ ভাবিব ধৰে, কি কৰিব তেওঁ এতিয়া ? তেওঁৰ বাদে সকলোৰে মত আছে এই মিলনত। নাথাকিবৰই বা কিয় ? হব পাৰে মৃদুল বাপেক-মাক নথকা লৰা, হব পাৰে সি এটা অবৈধ ভাবে জন্ম হোৱা সন্তান। তথাপি, তথাপি,— মিছেচ ৰবাৰ্টৰ মূৰটো বিষায় যায়। পানী এগিলাচ খাই পুনৰ ভাবিব ধৰে তেওঁ,— মিঃ ৰবাৰ্টে সকলো জানে। কিন্তু জানে জানো এটা কথা যিটো কথা স্বয়ং মৃদুলেও নাজানে ? জানে কেৱল মিছেচ ৰবাৰ্টে। কিন্তু প্ৰকাশ কৰিব জানো পাৰি এই কথা ? তেওঁৰ মনত পৰে বহু বছৰৰ আগতে মতৰ দুৰ্ঘটনাত মৃত্যু হোৱা সমৰেশ কাকতিলৈ। মৃদুল হল সমৰেশ কাকতিৰ পুত্ৰ। কাকতি আৰু মিছেচ ৰবাৰ্ট অৰ্থাত মনিদীপাৰ অবৈধ প্ৰেমৰ চিন স্বৰূপে থাকি গল এই মৃদুল, যাক মনিদীপাৰ মাকে গ্ৰহণ কৰিব নোৱাৰি পেলাই দিছিল আলিৰ কাষত। আজি সেই কথা জানে কেৱল মনিদীপাই অৰ্থাত আজিৰ মিছেচ ৰবাৰ্টে। তেওঁ জানে মৃদুল তেওঁৰেই গৰ্ভজাত সন্তান আৰু মেৰীও তেওঁৰেই সন্তান। তেন্তে, তেন্তে এই মিলন জানো সম্ভৱ ? তেওঁৰ জীৱিত কালত কেতিয়াও সম্ভৱ হব নোৱাৰে। কিন্তু পাৰিব জানো মিছেচ ৰবাৰ্টে এই মিলনত বাধা দিব ? তেওঁৰ মনটো খেলি-মেলি হৈ যায়। এফালে এই মিলনত কিমান ডাঙৰ প্ৰতিবন্ধক আছে আৰু আনফালে এই মিলনত বাধা দিবলৈ যোৱা মানে, নিজৰ কলঙ্ক প্ৰকাশ কৰা আৰু দুটা জীৱনৰ অৱসান ঘটোৱা। তেন্তে উপায় ? আছে, কেৱল মাত্ৰ এটা উপায় আছে।

মিছেচ ৰবাৰ্ট উঠি এখুজি দুখুজিকৈ আগবাঢ়ি যায় ড্ৰয়াৰটোৰ পিনে। তাৰ পিছত উলিয়াই আনে Sleeping tablets ৰ এটা বটল। বিছনাত বহি একেথৰে চাই থাকে বটলটোৰ পিনে। হঠাতে তেওঁৰ চকু পৰে বেৰত ওলোমাই থোৱা মেৰীৰ ফটোখনিলৈ। তাৰ পিছত এটা দুটাকৈ গোটেই বটল পিল খাই শেষ কৰি পেলায়। বুজিব নোৱাৰা এটা হাঁহি বাগৰি যায় তেওঁৰ ওঁঠৰ ওপৰেদি। এটি অস্ফুট স্বৰ তেওঁৰ মুখৰ পৰা ওলায় আহে "তহঁত কুশলে থাক, মেৰী, মৃ-দু-ল!"

" মানুহৰ সমস্যা মানুহৰেই সৃষ্টি। সেই বাবে এই সমস্যাবোৰ মানুহেই সমাধান কৰিব পাৰে। মানুহে ইচ্ছা কৰিলে তেওঁৰ আকাঙ্ক্ষিত মহত্ব অৰ্জন কৰিব পাৰে। মই বিশ্বাস কৰো মানুহে ইচ্ছা কৰিলে পৃথিবীক যুদ্ধৰ ধ্বংসলীলাৰ পৰা মুক্ত কৰি বিশ্বশান্তি প্ৰতিস্থা কৰিব পাৰে।"

—জন কেনেডী—

বহুতে বহুত আশা কৰে ভবিষ্যতৰ বাবে। এই কল্পিত বস্তুক পাবৰ বাবে কেতিয়াবা নিজকো দুৰ্ব্বল কৰে বহুতে। কিন্তু এই আশা জানো-বাস্তৱত আহি পৰে ? নাহে। বাবেই এই গল্পত শ্ৰীমতী শ্যামীম ৰাফিয়া বেগমেও আনন্দৰ বুকুৰ মাজলৈ তেওঁৰ কল্পিত প্ৰাণৰ দেৱীক আনি দিব নোৱাৰিলে। বাবেই আনন্দৰ মনত বহু আক্ষেপ ৰৈ গ'ল ..........

# বুজিও যেতিয়া নুবুজিলে

শ্যামীম ৰাফিয়া বেগম।
ছাত্ৰী—
(বিজ্ঞান শাখা)

বাহিৰত কিন্‌কিনিয়া বৰষুণ। মাজে মাজে এচাটি দুচাটি বতাহ। শীতৰ পুৱাটো গহীন হৈ পৰিছে। তেতিয়া পুৱাৰ প্ৰথম প্ৰহৰ। চৰাই চিৰ্‌কতি আদি সাৰ পাই উঠি নিজ নিজ কলৰৱে পুৱাটো খন্তেকৰ বাবে হলেও মুখৰিত কৰি তুলিছে। ব্যস্ত জগতৰ ব্যস্ত মানুহবোৰ তেতিয়াও উঠা নাই। আনন্দই কিন্তু সেই পুৱাতেই ব্যস্ত হৈ পৰিছে। সি তাৰ বস্তু বাহানিবোৰ সামৰাত ব্যস্ত। আগদিনাই সকলো বন্ধা মেলা হৈ গৈছিল যদিও আজি সি আকৌ সকলোবোৰ এবাৰ চকু ফুৰাই লৈছে। ইতিমধ্যে তাৰ সকলো কাম শেষ হৈ আহিছিল। সি চকি এখনত বহি বাহিৰলৈ চালে। এনেয়ে। বৰষুণ দিয়ে আছে। মাত্ৰ Bedding খন বান্ধিবলৈহে বাকী আছে। খগেনবো আজৰি হওক। দুয়োটাই ধৰাধৰিকৈ বান্ধিব পাৰিব। সৰু সুৰা বস্তু কেইটামানো Bedding তে লব লাগিব। বহুত বস্তু। সি ইয়াৰ পৰা একেবাৰেই যাবগৈ। গতিকে সৰুৰ পৰা ডাঙৰলৈকে সকলো বস্তুকেই সামৰিব লগা হৈছে। বহি বহিয়ে সি ভাবিলে, আনদিনা ইমান পৰে সি মূৰে গাৰে লেপলৈ শুই থাকিলহেঁতেন। সি সদায় দেৰিকৈ উঠে। তাতে এই জাৰৰ দিন কেইটাত শুবলৈ কিমান আৰাম লাগে।

খগেন অৰ্থাৎ কাম কৰা লৰাটোৱে চাহ কৰিছে। ষ্টোভ, কাপপ্লেট সেইবোৰো সোমোৱাব আছে দেখোন। ইমান বস্তু। সংসাৰখনত খাই ৰৈ থাকিবলৈকে বহুত বস্তুৰ দৰকাৰ। আনন্দই ভাবিলে। বহুত কথাই ভাবিব

লাগে সি। এইবাৰ তেওঁ এই সকলোবোৰ কথাবোৰ চিন্তা কৰাৰ পৰা আজৰি পাব; সি ভাবিলে। অজানিতে তাৰ মনটো কিছুমান ধুনীয়া পৰিবেশৰ চিন্তাৰে ভৰি পৰিল। তাৰ হাঁহি উঠি গল অজানিতে। ধেৎ কিযে ভাবিছে সি....।

সি এই সকলো চহৰ খনৰ পৰা যাবগৈ আজি। চাৰিটা বছৰ থাকি গুচি যাবলৈ তাৰ সচাই বেয়া লাগিছে। সি বদলি হৈছে ইয়াৰ পৰা। এই সকলো চহৰখন তাৰ ভাল লাগিছিল। খুব ভাল লাগিছিল। সি এতিয়া এমাহ ছুটি লৈছে। ঘৰলৈ যাব। তাৰ দাদাক নবৌৱেকে বিয়া পাতিছে তাৰ। ছোৱালী সকলো পথাৰৰ খনিকৰ গাঁৱৰ। বিয়া পাতিবলৈ মত সুধি তালৈ জনাইছিল। লগতে ছোৱালী জনীৰ ফটো একপিও পঠাইছিল। ছোৱালী জনীৰ নাম হেনো অনামিকা চলিহা। এখন ধুনীয়া মুখ ফটোত সি দেখিছে। বেয়া লগা নাই ফটো খনত ছোৱালী জনী তাৰ। বিয়াৰ বিষয়ে নিজৰ মতৰ আৱশ্যক বোধ নকৰি সি দাদাক-নবৌয়েকহঁতে যি ভালদেখে তাকে কৰিবলৈ জনাই দিছিল। সেইমতে দাদাকহঁতে বিয়া পাতিছে। সি সদায় দাদাকক মানি আহিছে আৰু এই ক্ষেত্ৰতো অবাধ্য হোৱা উচিত নহব বুলিয়েই ভাবিলে। অৱশ্যে বিয়াৰ বিষয়ত যদিও তাৰ নিজৰ মতৰ উপৰত নিৰ্ভৰ কৰিব লাগিছিল।

জপাই থোৱা দুৱাৰখন মেলি কোনোবা সোমাই আহিল। মীনাক্ষীহে। সোমায়ে মীনাক্ষীয়ে কলে—"আনন্দদা দেখোন বহিয়ে আছে, যাবৰ সময় হোৱা নাই জানো?" আঁহা আঁহা বুলি আনন্দই চকি খনৰ পৰা উঠি টেবুলৰ ওপৰত থোৱা ঘড়ীটোলৈ চালে। পাঁচ বাজিবলৈ বিশ মিনিটমানহে আছে। লৰা লৰি কৰিব লাগিব। সি বিচনা খন বান্ধিব ধৰিলে পুনৰ। মীনাক্ষীয়ে ধৰি মেলি দিলে। খগেনে দুয়োটালৈ চাহ আনি মেজত থলে। সি মীনাক্ষী অহা গম পাইছিল। গতিকে একেবাৰতে দুয়োটালৈকে আনিলে। মীনাক্ষীয়ে তাইলৈকো চাহ অনা দেখি কৈ উঠিল "খগেন মোলৈ কিয় চাহ আনিলি? মই ঘৰত খালো নহয়।" "খোৱা আজি দুবাৰ খালে একো নহয়, একেলগে আজিহে খাবা।" কলে আনন্দই। মীনাক্ষীয়ে হাঁহিলে আৰু কলে—"সেই কাৰণেতো নাখাওঁ বুলিছো। বিদায়ৰ শেষ মূহুৰ্ত্তত এইকণ স্মৃতিক সজীৱ কৰি থবৰ ইচ্ছা নাই আনন্দদা।" "এই যাবৰ সময়ত চাহকণ একেলগে নাখালেও তোমাৰ স্মৃতি মোৰ পৰা কাহানিও হেৰাই নাযায় মীনা।"

"কিয় আনন্দদা?"

আনন্দই মীনাৰ এই প্ৰশ্নৰ উত্তৰ দিবৰ ইচ্ছা নগ'ল। কিয় সি নিজেই হয়তো নেজানে। কলে—"খোৱা চাহ চেচা হ'ল। মীনাক্ষীয়ে চাহ খায় উঠি কাপ-প্লেট কিটা পাকঘৰত খগেনৰ ওচৰত দি আহিল। ঘৰটোৰ দুটা কোঠা। এটা কোঠা আনটোতকৈ যথেষ্ট ডাঙৰ। ডাঙৰ কোঠাটো পাৰ্টিশ্যন দি দুটা কৰি লৈছে। সৰু কোঠাটোত খগেন শুৱে।

খগেনৰো সকলো কাম শেষ হৈছিল। কাপ প্লেট আদি সকলো সৰু সুৰা বস্তু সি সামৰিলে। খগেনো আনন্দৰ লগত যাব। সি আনন্দৰ লগত থকাও চাৰিবছৰ হল। সি ইয়ালৈ আহোতে মীনাক্ষীৰ দেউতাকে বিছাৰি আনিছিল খগেনক। মাহী মাকৰ অত্যাচাৰত ঘৰত থাকিব নোৱাৰি অনাই-বনাই ঘূৰি ফুৰোতেই মীনাক্ষীৰ দেউতাকে পাই আনন্দৰ ওচৰত দি গৈছিল। তেতিয়াৰ পৰাই আছে সি। সি খুব ভাল লৰা। কাম কাজতো ফাকি নিদিয়ে। আনন্দক নিজৰ ককায়েকৰ দৰে ভক্তি কৰে। আনন্দই যাব ওলোৱাত সিও যাবলৈ ওলাল। আনন্দইয়ো মানা কৰা নাই। ইমান ভাল লৰা এটা এৰি দিবৰ তাৰো মন নাই। আজিকালি এনে লৰা পোৱাটো টান।

বাহিৰত তেতিয়া বৰষুণ এৰিছিল। 'বাবু' 'বাবু' কৈ ৰিক্সাৱলাটোৱে বাহিৰত চিঞৰিলে। ৰিক্সা এখনহে আহিলে। খগেনে আগদিনাই দুখন মাতি থৈছিল। ইমানবোৰ বস্তু; এখন ৰিক্সাই কেনেকৈ নিব। খগেনে আৰু এখন ৰিক্সা আনিবলৈ লৰালৰিকৈ ওলাই গল।

মীনাক্ষীৰ দেউতাক সোমাই আহিল এনেতে। "সকলো ঠিক-থাক হলগৈনে আনন্দ বোপা? "এই হৈছেগে আৰু খুড়া"

"ময়ো অলপ আগতেহে শুই উঠিছো। বুঢ়া হলো আৰু নহয় বোপা; আগৰ দৰে সোনকালে শুই উঠা নহয়। তাতে যিহে জাৰ পৰিছে। অ' তোমাৰ যাবৰ সময় হৈছেগৈ হব পাই?" হয় খুড়া, পাঁচটা বাজি গলেই; ৬-৩০ত বাচ এৰে। মীনা অহাত দুয়ো ধৰা ধৰিকৈ বিচনাখন বান্ধি কাম শেষ কৰিলো। খগেনো ভিতৰৰ কামবোৰত লাগি থাকিব লগা হৈছে।" "মই তোমাৰ দৰকাৰ হব বুলি ভাবিয়েই উঠিয়েই মীনাক পঠাই দিছো।" "বৰ ভাল কৰিলে খুড়া।"

খগেনে ৰিক্সাত বস্তুবোৰ ৰিক্সাৱলাৰ লগত ধৰা-ধৰিকৈ তুলিছিল। সকলো তোলা হলত খগেনে মাতিলে—" ককাইদেউ সকলো তোলা হল, আহক।"

ঘৰখন শূন্য শূন্য লাগিছিল। উদং বিচনাখন, উদং ঘৰটো এবাৰ চকুফুৰাই চালে আনন্দই। বেয়া লাগি গল তাৰ। তাৰ চাৰিটা বছৰৰ স্মৃতি হা-হুমুনিয়াহ আদি জড়িত এই ঘৰখন এৰি যাবলৈ তাৰ সচাই বেয়া লাগিল।

মীনাক্ষীৰ দেউতাক আৰু মীনাক্ষীক মাত লগাই আনন্দইঁত ৰিক্সাত উঠিল। মীনাক্ষীৰ দেউতাকে কলে— "বোপা চিঠি পত্ৰ দিবাগৈ দেই।" "আনন্দদা যাওক তেনেহলে। বিয়াৰ নিমন্ত্ৰণলৈ বাট চালো" বুলি কোৱা কথাষাৰো তাৰ কাণত পৰিল মীনাক্ষীৰ। তাৰ চকুকিটা চলচলীয়া হৈ পৰিল চকুলোৰে। সি একো কব নোৱাৰিলে। মাথো এবাৰ চালে সিহঁতলৈ। ৰিক্সাখন তেতিয়াচলিছিল। মীনাক্ষীৰ খুব বেয়া লাগিল।

আনন্দক তাই বহুত সৰুৰে পৰা পাইছে। নিজৰ ককায়েকৰ দৰে তাই সদায় আনন্দক ভক্তি কৰি আহিছে। আনন্দ যাব ওলোৱাত বেয়া লগাতো স্বাভাৱিক। * * *

বাচখন চলিবলৈ আৰম্ভ কৰিছিল। আনন্দই চিগাৰেট এটা জ্বলাই ললে। মনটো তাৰ বিষাদেৰে ভৰি পৰিছিল। এৰি অহা ঠাইখনলৈ খুব মনত পৰিল। সি থকা ঠাই খনৰ কথা, অফিচৰ কথা, সিদিনা অফিচৰ পৰা তাক দিয়া Fair-wellৰ কথা, তাৰ ঘৰখনৰ ওচৰত থকা মানুহবোৰৰ কথা এই সকলোবোৰ এটা এটাকৈ তাৰ মনত পৰিব ধৰিছিল। খুব বেচিকৈ মনত পৰিল মীনাক্ষীহঁতৰ কথা। 'মীনাক্ষী'— সি যিটো ঘৰত আছিল সেইটো মীনাক্ষীহঁতৰ ভাৰা ঘৰ। মীনাক্ষীহঁতৰ ঘৰটো সি থকা ঘৰটোৰ কাষতে। মীনাক্ষীৰ দেউতাকৰ যথেষ্ট মাটি-বাৰী আছে। লৰাটোৱে নেফাত চাকৰী কৰে। ছোৱালী এজনী—'মীনাক্ষী'। মীনাক্ষীৰ মাক সৰুতেই ঢুকাল। ঘৰত মাত্ৰ মীনাক্ষী, দেউতাক আৰু বুঢ়া লগুৱা ভদাই-কাই। সি যেতিয়া সেই ঠাই খনলৈ আহে তেতিয়া মীনাক্ষী সৰু ছোৱালী - ক্লাচ চেভেনত পঢ়ে। সেই সৰু ছোৱালী জনীৰ লগত তাৰ বন্ধুত্ব গঢ়ি উঠিছিল। মীনাক্ষী তাৰ ওচৰলৈ আহি তাৰ ওচৰত মৰম মৰম লগা দাবীবোৰ আব্দাৰবোৰ আৰু কেতিয়াবা অভিমানবোৰ জনাই তাক ব্যতিব্যস্ত কৰি তুলিছিল। সি তাইৰ প্ৰত্যেকটো কথা এটা এটাকৈ মানিলৈ সকলো। মান অভিমান ভাঙিব লগা হৈছিল। তেতিয়াৰ পৰাই সি মিনাক্ষীক পাই আহিছে। এতিয়া মীনাক্ষী এজনী মৰম লগা ধুনীয়া গাভৰু। এইবাৰ মেট্ৰিক দিছে। পঢ়া-শুনাত ভাল ছোৱালীজনী। মীনাক্ষীক তাৰ খুব ভাল লাগে কিয় জানো? মীনাক্ষীক তাৰ ওচৰত পাবলৈ খুব ইচ্ছা হয়। মীনাক্ষীয়ে তাক খুব মৰম কৰে। কিন্তু ককায়েকক কৰাৰ দৰেহে সেই মৰম। এদিনাখনৰ কথা তাৰ স্পষ্ট মনত আছে। কথাই কথাই সি কৈছিল— "মীনাক্ষী তোমাক মোৰ খুব ভাল লাগে জানা।"

"কিমান আৰু কেনেকুৱা ভাল লাগে আনন্দদা, মোৰো কিন্তু আপোনাক ভাল লাগে জানে।" "এটা লৰাই এজনী ছোৱালীক যিমান ভাল পাই সিমান।" "কি ?" মীনাক্ষী খঙত, লাজত ৰঙা পৰিছিল। মীনাক্ষীৰ চকুকিটালৈ সেই সময়ত চাবলৈ ভয় লাগিছিল আনন্দৰ। ছিঃ! আনন্দদা আপোনাৰ মুখত এনে কথা শুনিম বুলি কাহানিও আশা কৰা নাছিলো। জানে আপোনাক মই খুব মৰম কৰো। খুব ভাল পাওঁ। আৰু মোৰ সেয়া ভালপোৱা, সেৱা মৰম আপোনাৰ প্ৰতি নিজ দাদাৰ নিচিনাহে। খঙতে মীনাক্ষী তাৰ পৰা গুচি গৈছিল। কেইবাদিনো তাক নমতাকৈ আছিল। আৰু যেতিয়া পিছত মাতিলে তেতিয়াৰ পৰা সি তেনেকথা কেতিয়াও উল্লেখ কৰা নাই।

এয়া সি ঘৰলৈ বুলি গৈ আছে। পোন্ধৰ দিনৰ পাছত তাৰ বিয়া। সি একান্ত বাধ্যৰ দৰে মত দিছে সেই বিয়াত। সি

ককায়েকৰ ইচ্ছা বিৰোধা কাহানিও হোৱা নাই। তাৰ মাক-দেউতাক ঢুকুৱাৰ পাছত ককায়েকেই তাৰ সকলো। দাদাক নবৌয়েকে তাক খুব মৰম কৰে সকৰে পৰাই। সি বি-এ, পাছ কৰিয়েই কাম পাই সৰু চহৰ খনলৈ গুচি আহিছিল।

সি দাদাক নবৌয়েকক মত দিছে বিয়াত। তাৰ বিয়া। ছোৱালীজনা বা কোন এনেয়ে ভাবিলে সি। অচিনাকী ছোৱালী এজনীক কল্পনা কৰিবৰ সেই সময়ত ইচ্ছা নগল তাৰ। কিয় জানো গাটো সিঞৰি উঠিল তাৰ। মীনাক্ষীলৈ তাৰ আকৌ মনত পৰিল। মীনাক্ষীয়ে তাক ককায়েকৰ দৰেহে ভক্তি কৰিব আৰু মৰম কৰিব জানে। তাতোতকৈ আৰু একো বেছি দিব নোৱাৰে তাক। তাৰ উপাই নাই। সি নিজে কৰিব লগীয়া একো নাই; মীনাক্ষীয়ে যেতিয়া তাক বুজিও নুবুজিলে।

শেষ হৈ যোৱা চিগাৰেটটোৱে তাৰ আঙুলিটো অকনমান পুৰিলে। সেইটো পেলাই আন এটা জ্বলাই ললে সি। পুৰণি চিগাৰেটটো পেলাই নতুন এটা জ্বলাই লোৱাৰ দৰে—পুৰনি মীনাক্ষীক এৰি দাদাকহঁতে যোগাৰ কৰা সেই অচিনাকী ছোৱালী জনীক নতুন হিচাবে কাষ চপাই লব লাগিব সি—সি ভাবিলে।



অন্নপূর্ণা গগৈ।

ছাত্ৰী—

( কলা বিভাগ )

# জীৱন সংগ্ৰাম

এইটো সকলোৰে জনা কথা যে আয়তকৈ যেতিয়া ব্যয়ৰ মাত্ৰা বাঢ়ে তেতিয়া তাত অশান্তি আহি পৰে আপোনা-আপুনি। এই গল্পত শ্ৰীমতী অন্নপূৰ্ণা গগৈয়েও তাকে প্ৰকাশ কৰিব বিচাৰিছে। হেমহৰিৰ উপাৰ্জ্জনত কৈ যেতিয়া খাওঁতাৰ সংখ্যা বাঢ়িল তেতিয়া তেওঁৰ ঘৰখনত অশান্তি আহি পৰাতো স্বাভাবিক। সংসাৰত জীয়াই থাকিবলৈ সংগ্ৰাম কৰিব লাগিবই। বাবেই হেমহৰিবো ভুল হোৱা নাই তেওঁৰ জীৱন সংগ্ৰামৰ বাবে।............

হেমহৰিয়ে বিচনাৰ পৰাই শুনিলে পাক ঘৰৰ কোঠালখন। "মা মোকো আৰু এখন ৰুটি দিয়া। মিণ্টুৱে দেখুন ৰুটি আনি খাইছে।" ডাঙৰ লৰা পিকুৰ আপত্তি মাকৰ কাণত পৰাৰ লগে লগে দুটা বাঘঢকা মিণ্টুৰ পিঠিত লগাই কলে—"হেৰ আপদীয়াটো! তোৰ না আজি কি থকে ধৰিলে? সেইখন ৰুটি যে দেউতাৰলৈ বুলি থৈছিলো। আটা, ময়দা, ঘী এতিয়া যে একো নাই, দেউতাৰক বাতিপুৱা চাহৰ লগত কি দিওঁ? উঃ তহঁতে খালি আৰু মোক।" লগে লগে আৰু এটা ঢকা তাৰ পিঠিত পৰিল আৰু তাৰ কান্দোন আহি হেমহৰিৰ কাণত পৰিলহি—!

হেমহৰিয়ে বিচনাৰ পৰা উঠিবলৈ অকনো চেষ্টা নকৰি নিশ্চল হৈ পৰি থাকিল। এখন ৰুটিৰ বাবে মিণ্টুৱে খোৱা ঢকা কেইটাৰ বাবে যেন সিয়েই দায়ী। পিতৃ হৈ সন্তানৰ দায়িত্ব পালন কৰিব পৰা নাই, উপযুক্ত আহাৰ দিব পৰা নাই। শুকান ৰুটি খাই জীৱন নিৰ্ব্বাস কৰা পিকুহঁতৰ বাৰু মগজ হব কৰপৰা? হেমহৰিৰ অন্তৰলৈ অহৰহ চিন্তাৰ জোৱাৰ আহিল।

পিকু এতিয়াও পঢ়িবলৈ যোৱা নাই? তহঁতে কেৱল খোৱাতেই লাগি থাকিবি নেকি? বকি বকি শোৱা কোঠালৈ সোমাই অহা অপৰাক দেখি হেমহৰিয়ে টোপনিৰ ভাও ধৰি চকু কেইটা

মুদি দিলে— যেন হৈ যোৱা খণ্ড যুদ্ধৰ বিষয়ে একো গমেই পোৱা নাই সি। হেমহৰিয়ে বুজিলে মাহৰ শেষৰ দিন কেইটাই অপৰাক এই মূৰ্ত্তি ধাৰণ কৰিবলৈ বাধ্য কৰিছে। সি এটা সাধাৰণ কেৰেণী। আজিৰ এই অৰ্থ সংকটৰ দিনত তাৰ সেই সাধাৰণ দৰমহা কেইটাই পাচোটাকৈ প্ৰাণীৰ ভৰণ-পোষনৰ ভাৰ বোৱা যে দিনে দিনে অসম্ভৱ হৈ আহিছে। তাৰোপৰি গাঁৱৰ ঘৰত আছে বিধবা মাক, দুজনীকৈ গাভৰু ভনীয়েক আৰু এটা ভায়েক। সিহঁত'লৈও স্কুলৰ মাচুল আৰু সাজ পাৰৰ বাবে টকা পঠিয়াব লাগে। দুদিন টকা পঠোৱা পলম হলেই ভায়েকৰ চিঠি, নতু সি নিজেই আহি উপস্থিত হয়হি। সিহঁতে হয়তো নুবুজে সিহঁতৰ ককায়েকে কিমান ডাঙৰ চাকৰি কৰে। কিলোত ডেৰ টকা, দুটকা দি শিলগুটি মিহলোৱা চাউল, আঢ়ৈ টকা, তিনি-টকাৰ কিলোৰ চেনী আৰু কাঠ আৰু অন্যান্য ভেজাল বস্তু মিহলোৱা আটা খাওঁতেই দৰমহাৰ সকলো খিনি শেষ হৈ যায়। দৰমহা পোৱাৰ দুদিন পিচতে হাতত ফুটা কড়ি এটাও নাথাকে। মাছ মাংস উৎসৱ আদি নহলে — হেমহৰিয়ে দেখোন কোনো দিনেই খাই পোৱা নাই।

দূৰৰ কাৰখানাৰ পৰা ভাহি অহা ৭ বজাৰ সংকেতটোৱে তাৰ চিন্তাৰ তন্ময়তা ভাঙি দিয়ে। সি বাস্তবলৈ ঘূৰি আহে। ইতিমধ্যে পিকুয়ে পঢ়া আৰম্ভ কৰিছিল। ওচৰৰ আভা-ইহঁতৰ ঘৰৰ ৰেডিঅত পূৰাৰ বাতৰি আহিছিল— হয়তো কোনোবা বৰমূৰীয়াই আশ্বাসবাণী শুনাইছে বক্তৃতাৰ ফুলজাৰিৰে। "দেশবাসী শান্তিৰে থাকক আমি অনতিপলমে দেশৰ এই খাদ্য সমস্যা দূৰ কৰিম।" নতু দুদিনৰ আগতে খাদ্য সমস্যালৈ যি বিক্ষোভ হৈ গল তাৰ ফলত কেইটা নিৰিহ ছাত্ৰৰ প্ৰাণবায়ু উৰি গল তাৰ হিচাব.................হেমহৰিয়ে কাণ থিয় কৰি শুনিবলৈ চেষ্টা কৰিলে। কিন্তু পিকুৱে পাক ঘৰত মাকে শুনাকৈ পুৰণৰ সক নেওতা আঁওৰা-বলৈ ধৰাত আৰু কেচুৱাটোৰ কান্দোনত সকলো তল পৰিল। সিহঁতৰ ঘৰৰ কাষৰ মাৰোৱাৰী মহাজনৰ ঘৰৰ পৰা অহা পূজাৰ আৰতিৰ শঙ্খধ্বনীয়ে তাৰ দমিত খংটো জাগ্ৰত কৰি তুলিলে। এই ভেজালকাৰী লাভখোৰ বিলাকেই দেশখন খুলি খুলি খাইছে। পেটুৱা পেট আৰু খাঁটি গৰুঘিউৰ চাকি আদি পূজাৰ সামগ্ৰীলৈ হয়তো ভগবানক প্ৰাৰ্থনা কৰিছে— লুকাই ৰখা চাউল, আটা-ময়দা আৰু চেনীৰ বস্তাবোৰ আৰু চাউলত মিহলাবলৈ থোৱা শিলগুটিৰ বস্তাবোৰ যেন কাৰো চকুত নপৰাকৈ ভগবানে ৰক্ষা কৰে। ধনী সম্প্ৰদায়টোলৈ হেম-হৰিৰ বিতৃষ্ণা জন্মে। যি সময়ত দুটা টকাৰ ঔষধ কিনিব নোৱাৰি বুধুৱে পুতেকক বচাব নোৱাৰাৰ বেজাৰত হিয়াধুনি কান্দে—ভলাইৰ পৰিয়াল-টোৱে ভোকত কচু নতু পচলা খাই জীয়াই থাকে সেইসময়ত কোনোবাই সৰু পুতেকৰ জন্মোৎসৱ পাতি শ শ টকা ভাঙে, পুতলা কিনে, শ দেৰশ টকা খৰছ কৰে এযোৰ কাপোৰত, এয়ে জানো ধনী সম্প্ৰদায় নহয়? সি ভাবিব নোৱাৰা হৈ যায়।

গাৰুৰ তলৰ পৰা চিগ বেট এটা উলিয়াবলৈ

লৈ খালিপেকেটটো পাই সি দলিয়াই পেলাই দিলে। আগদিনা পোৱা চিঠিখন গাৰুৰ তলতে থকাত সি আকৌ এবাৰ পঢ়িবলৈ উলিয়াই ললে। বিকাশ আছিল তাৰ কলেজীয়া জীৱনৰ সহপাঠী। বি, এ, ভালদৰে পাচ কৰিও এম, এ, নপঢ়ি কোনোবা এখন এইদেড স্কুলত কাম কৰি আছে। তাৰ বোলে বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰীৰ প্ৰতি অকনো মোহ নাই। সেই বাবেই কোনোবা এখন পিছপৰা অঞ্চলৰ এইদেড স্কুলৰ কামটো পাই সোমাই আছে। বিকাশহঁতে উলিয়াব খোজা নতুন আলোচনী খন হেমহৰিৰ গল্প কবিতাই শোভা বৃদ্ধি কৰি তুলিব বুলি বিশেষ আশা ৰাখি তালৈ লিখিছে। তাৰ চিঠিখন পঢ়ি হেমহৰিৰ হাঁহি উঠি গল। তাৰ শিল্পী মনৰ মানুহটো কোনোবা কাহানিবাই মৰি ভূত হৈ গল— বিকাশে হয়তো গমেই পোৱা নাই। যি দেশৰ মানুহে দুই কিলো শিলগুটি মিহলোৱা চাউলৰ বাবে দোকানৰ সন্মুখত তিনি চাৰি ঘণ্টা বোন্দাপৰ দিও উদং মোনালৈ ঘৰলৈ ঘূৰি আহিব লগীয়া হয়; এটুকুৰা কাপোৰ, এসাজ ভাতৰ বাবে সংগ্ৰাম কৰোতে পুলিচৰ গুলিত প্ৰাণ বিসৰ্জ্জন দিব লগীয়া হয়, সেইখন দেশৰ মানুহৰ ৰোমান্সৰ কাহিনী লিখিবলৈ ধৈৰ্য্য ক'ত? আৰু পঢ়িবলৈয়ে বা সময় হব কাৰ? সি সেই বাবে বাদ দিলে সকলো। সস্তীয়া প্ৰেমৰ পেনপেননিয়ে সি কোনো সাহিত্যৰ ভৰাল চহকী কৰিব নোখোজে। অফিচ, ঘৰ আৰু লৰা-ছোৱালী লৈয়ে ব্যস্ত থাকে সি। তথাপি সিহঁতক পেটভৰাই এসাজ খোৱাব নোৱাৰে। তাৰ মনটো বিদ্ৰোহী হৈ উঠে হঠাতে তেতিয়া।

বিকাশৰ চিঠিখনে কঢ়িয়াই আনে বিগত দিনৰ এটা স্মৃতি। তাৰ চকুৰ আগত ভাহি উঠিল কলেজীয়া জীৱনৰ কেইটামান ৰঙীন দিনৰ প্ৰতিছবি। তাৰ মন পখী উৰি গল বহুত দিনৰ আগলৈ। কলেজীয়া জীৱনত তাৰ খ্যাতি আছিল প্ৰচুৰ। সি আছিল কবি, গায়ক, শিল্পী আৰু সাহিত্যিক। তাৰ গল্প কবিতাই চাঞ্চল্য সৃষ্টি কৰিছিল বিশেষকৈ ছোৱালী মহলৰ মাজত। সি আছিল অত্যন্ত অমায়িক। আৰু সেইবাবেই হয়তো সি প্ৰিয়প্ৰাত্ৰী হব পাৰিছিল অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো। তাৰ গীতৰ সুৰে বহুতৰ অন্তৰ কঁপাই তুলিছিল। ভায়েলীনৰ মৃদু ঝংকাৰৰ মাজত বহুতেই নিজক হেৰুৱাই পেলাইছিল। হয়তো অপৰাজিতাইও। আৰু তাৰেই স্বাক্ষৰ হিচাবে হথাতে আহি পৰিছিল অপৰা। ই ও এক অন্য কাহিনী।

সদৌ অসম আন্তঃকলেজ সংগীত প্ৰতিযোগিতা হৈছিল গোৱাহাটীত। বহুতো শিল্পীৰ সমাবেশত সংগীত প্ৰতিযোগিতাৰ মঞ্চ মুখৰিত হৈ পৰিছিল। হেমহৰিহঁতৰ কলেজৰ বহুতো প্ৰতিযোগিতাৰ ভিতৰত সিও আছিল এজন। কণ্ঠত প্ৰাণৰ সকলো আবেগ ঢালি হেমহৰি কাকতিয়ে গীত গাইছিল। শ্ৰোতা তন্ময় হৈ পৰিছিল। গীতৰ তানত, ভায়েলীনৰ মৃদু ঝংকাৰত গোটেই ৰভাঘৰ স্তব্ধ হৈ পৰিছিল আৰু এসময়ত ভূৰি ভূৰি প্ৰশংসাৰে সি শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান অৰ্জ্জন কৰিছিল। বহুতো

লৰা ছোৱালীয়ে তাক অভিনন্দন জনাইছিল।

"কংগ্ৰেচুলেচন' হৰিদা" তাক দেখি হাঁহি হাঁহি তাৰ সমন্ধীয় ভনীয়েক সুজাতাই কৈছিল, আৰু লগত অহা ছোৱালীজনীক দেখুৱাই কৈছিল "হৰিদা এইয়া মোৰ বন্ধু, তোমাৰ কবিতাৰ ভক্ত অপৰাজিতা চৌধুৰী।"

"নমস্কাৰ"

হেমহৰিয়ে প্ৰতিনমস্কাৰ জনাইছিল।

সেইকেইদিন বহুত ছোৱালীয়েই চিনাকী হৈছিল তাৰ লগত। সাধাৰণতে কবি সাহিত্যিক নতু গায়ক সকলৰ প্ৰতি ছোৱালীবিলাকৰ দুৰ্ব্বলতা বেছি নেকি? অৱশ্যে সি কাৰো প্ৰতি দুৰ্ব্বল হোৱা নাই। সি সহজ ভাবেই চিনাকী হৈছিল সকলোৰে লগত।

অপৰাই প্ৰথমতে আৰম্ভ কৰিছিল— আপোনাৰ গল্প কবিতা প'ঢ়িছো বহুত দিনৰ পৰাই আৰু আজি স্বয়ং আপোনাৰ লগত চিনাকী হবলৈ পাই খুউব সুখী হৈছো। ইমান ভাল লিখে আপুনি"—

সি কি কব ভাবি পোৱা নাছিল। "নাই এনেয়ে সময় কটাবলৈ কেতিয়াবা কিবা কিবিবোৰ লিখো বিশেষ একো ভাল নহয়"— কোনোবাই তাক সন্মুখতে প্ৰশংসা কৰিলে সি অপ্ৰস্তুত হৈ পৰিছিল— সেইবাবে সামান্য ভাবে হাঁহি সি কৈছিল সেইদৰে।

—"আপোনালোক কেতিয়া যাব?—

—"কালিলৈ"—

—মোৰ এটা অনুৰোধ ৰাখিব?"

হেমহৰি কাকতি আচৰিত হৈ পৰিছিল— কি অনুৰোধ ৰক্ষা কৰিব লাগে এই ছোৱালী জনীৰ। অপৰাই আকৌ কৈছিল বিশেষ একো ভয় কৰিব নালাগে। কালিলৈ দুপৰীয়া সাজৰ বাবে নিমন্ত্ৰণ ৰল আমাৰ ঘৰলৈ। হেমহৰিয়ে আপত্তি কৰিছিল— কিন্তু কোনো আপত্তি আৰু নাখাটিছিল। পিছদিনা নিৰ্দ্দিষ্ট সময়ত অপৰাজিতাৰ গাড়ী আহি হেমহৰিক লৈ গৈছিল। লগত গৈছিল সুজাতা। অপৰাই মাক-দেউতাকৰ লগত চিনাকী কৰি দিছিল। আকৌ এবাৰ হেমহৰিৰ গীতৰ সুৰে অপৰাহঁতৰ বিৰাট ঘৰটো মুখৰিত কৰি তুলিছিল। খোৱা বোৱাৰ শেষত অপৰাজিতাই নিজে গাড়ী চলাই হেমহৰিক থৈ গৈছিল। আৰু হয়তো কোনেও গম নোপোৱাকৈ এখন অন্তৰৰ মৰমবোৰ অপৰাজিতাই ধৰি ৰাখিব খুজিছিল। হেমহৰিহঁতৰ দলটো গুচি আহিছিল। অপৰাজিতাৰ অন্তৰখন কান্দি উঠিছিল।

কল কাৰখানাৰে পৰিপূৰ্ণ চহৰৰ হুলস্থুলীয়া পৰিবেশটো তাৰ অকনো ভাল নালাগিছিল। আৰু সেইবাবেই চহৰৰ কোলাহলৰ আঁতৰত এটা সৰু ঘৰ ভাৰা কৰি আছিল সি। কোনোবা এটা মে মাহৰ আবেলি। বাৰটো কি আছিল তাৰ আজি মনত নাই। কলেজ বন্ধ আছিল। হেমহৰি ব্যস্ত আছিল সন্মুখত ৰং আৰু তুলিকালৈ কোনো এক নাৰীমূৰ্ত্তিক জীৱন্ত ৰূপ দিয়াৰ প্ৰয়াসেৰে। হঠাৎ চিনাকী চিনাকী এক নাৰী কণ্ঠই তাক মূৰ তুলি চাবলৈ বাধ্য কৰাইছিল। সি সন্মুখত দেখিছিল অপৰাজিতাক। লগত এজনী সৰু ছোৱালী।

"মোৰ অনুমান নিৰ্ভুল হৰিদা। আজি নৈৰ পাৰলৈ ফুৰিবলৈ বুলি ওলাই আহি আপুনি এইফালে কোনোবা নিৰ্জন কুটীৰত থাকে বুলি গম পাই ঠিক এই আপোনাৰ ঘৰতে ওলাইছোহি। ইমান ঘোকত যে সোমাই আছে আপুনি! অ' কবিবিলাক নিৰ্জ্জনতা প্ৰিয় নহয় পাহৰি গৈছো" অপৰাজ্বিতাই অৰ্নগত কথা বিলাক কৈ গৈছিল—

হেমহৰিয়ে একমাত্ৰ চকীখন আগবঢ়াই— অ'ত ত'ত পৰি সিচৰিত হৈ থকা ৰং তুলিকা আৰু কিতাপ-পত্ৰ বিলাক ঠিক কৰি কৰি কৈছিল বহা অপৰা, ইমান ভগা ঘৰলৈ বাৰু কিয় আহিছা? সি অসস্তি বোধ কৰি মনে মনে যেন লাজ পাইছিল। ইমান অপৰিপাটি সি! বহিবলৈ অকনো চেষ্টা নকৰি অপৰাই কৈছিল "কলেজ বন্ধ বাবে মামাহঁতৰ ঘৰলৈ গুছি আহিলো। আজি কেইবাদিনো হল। ফুৰিবলৈ লগ নাই। অকলে অকলে ইমান বেয়া লাগিছে; বলক না হৰিদা সউ নৈৰ পাৰত অকনমান ফুৰি আহোঁগৈ। হেমহৰিয়ে বাধ্য লৰাৰ দৰে ফুৰিবলৈ ওলাই গৈছিল। — অপৰাই কথা কৈছিল বেছি। বহুত দিন সিহঁতে নৈৰ পাৰত ফুৰিছিল আৰু সম্পূৰ্ণ দুটা মাহ থকাৰ পাচত অপৰাই ঘৰলৈ যাবলৈ ওলাইছিল। যোৱাৰ আগদিনা সিহঁত দুয়োটা গৈ গৈ প্ৰকাণ্ড শিলদমৰ কাষত বহিছিল। দুখন অন্তৰৰ বহুত কথা যেন কোনোৰে কাকো কোৱা হোৱা নাছিল। মৌন সময়বোৰে দুয়োৰে মনৰ গহনলৈ হাজাৰ বেদনাৰ ঢল বোৱাই আনিছিল। সিহঁতৰ সম্মুখত আছিল বুঢ়া লুইতখন। লুইতৰ সীপাৰে থকা অস্তগামী সূৰুজটো আৰু দুই এজাক ঘৰমূৱা পখীৰ মাজত নিজকে আৱদ্ধ ৰাখি হেমহৰিয়ে ভাবিছিল বহুত কথা। ধন ঐশ্বৰ্য্য আৰু সুখ সম্ভোগৰ মাজত ডাঙৰ হোৱা এইজনী অপৰা বাৰু কিয় তাৰ জীৱনলৈ হঠাতে আহি পৰিছে!

অপৰাই হয়তো ভাবিছিল এইহাল বুদ্ধিদীপ্ত চকুৰ মাজত তাই যে জায়াই থকাৰ সন্দেহ বিচাৰি পাইছে। দেউতাকে ঠিক কৰা বিখ্যাত ব্যৱসায়ী ৰমেন্দ্ৰ বৰুৱাৰ লগত জানো তাই সুখী হব পাৰিব— ?

— অপৰাই লক্ষ্য কৰিছিল কিবা যেন গভীৰ ভাবত হেমহৰিও মগ্ন হৈ আছে।

— হৰিদা—

—"হু"—

কি ভাবিছে?

"ভাবিছো অপৰা তোমাৰ মা-দেউতাৰৰ অবাধ্য হোৱা জানো তোমাৰ ভাল হব? আৰু ধন ঐশ্বৰ্য্যৰ মাজত ডাঙৰ হোৱা তুমি জানো মোৰ লগত সুখী হব পাৰিবা?

"ছিঃ হৰিদা আপুনিযে ইমান নিষ্ঠুৰ! ধন ঐশ্বৰ্য্য লৈ জানো মই কেতিয়াবা গৰ্ব্ব কৰিছো? ধন ঐশ্বৰ্য্যই জানো মানুহক প্ৰকৃত সুখী কৰিব পাৰে?"

অপৰাৰ চকু হাল চলচলিয়া হৈ পৰিছিল। হেমহৰিয়ে অপৰালৈ চাইছিল— সেইযুৰি আকুল

নয়নত যেন বহুত যুগৰ সঞ্চিত মৰমৰ আহ্বান লুকাই আছিল।

সি অপৰাজিতাৰ ওচৰত পৰাজয় বৰণ কৰিবলৈ বাধ্য হৈছিল।

অপৰাজিতা গুচি গৈছিল—

আৰু এদিন সচাকৈ তাৰ জীৱনলৈ গুচি আহিছিল মাক-দেউতাকৰ বাধা নেমানি বিখ্যাত উকীল বসন্ত চৌধুৰীৰ নমলীয়া জীয়েক অপৰাজিতাই আদালতৰ সহায়ত।

সেইবাৰ সি বি-এ পৰীক্ষা দিব পৰা নাছিল হঠাৎ দেউতাকৰ অকাল মৃত্যু হোৱাৰ বাবে। আৰু শেষত জীৱনত কোনো কালেই বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী সি লব পৰা নাছিল। বহুতো ছোৱালীৰ দৰে অপৰাজিতাই সচাকৈ গিৰীয়েকৰ নামৰ শেষত বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী, এখন গাড়ী আৰু বহুতো কিবা কিবি কামনা কৰিছিল নে নাই সি নাজানে; কিন্তু সি কামনা কৰিছিল অভাৱ অনাটনৰ আঁৰত এখন ধুনীয়া সংসাৰ; কিন্তু বাস্তৱৰ নিষ্ঠুৰতাই তাক হবলৈ দিয়া নাছিল। সি নিযুক্ত হৈছিল সামান্য কলম পিষা চাকৰিত। আৰু বহুতো কলম চালকৰ জীৱনলৈ নামি অহা বিপৰ্য্য অভাৱ অনাটন তাৰ জীৱনত ও ব্যতিক্ৰম হোৱা নাছিল।

মুগাৰ মেখেলাৰ খমখমনিত চকু কেইটা ঘূৰাই হেমহৰিয়ে দেখিলে সমুখত অপৰাজিতা। "কি আজি কুম্ভকৰ্ণ শুৱন দিয়েই থাকে নেকি? আজি দুদিনে লৰা ছোৱালী কেইতাৰ মুখত ভাত দুটামান দিব পৰা নাই—কৰবাৰ পৰা চাউল অলপ বিচাৰি আনো তাৰ খবৰ নাই কেবল শুৱাটোকেই ভাল চিনি পালে" হেমহৰিৰ চকুৰে চকুৰে পৰাত অপৰাজিতাই কৈ উঠিছিল আৰু সি আগদিনা খঙাল অঙ্ক মাষ্টৰ জনে কৰিবলৈ দিয়া অঙ্ক কেইটা কৰি নিনি পলাই হাৰিবলৈ চেষ্টা কৰোতে যেন হাতে হাতে ধৰা পৰি বাক্-ৰুদ্ধ হৈ সন্মুখত ঠিয় দি যি শাস্তি দিয়ে তাকে লবলৈ সাজু হোৱাৰ দৰে লৰালৰিকৈ বিচনাৰ পৰা নামি পৰিল। সন্মুখৰ খিৰিকিখন খুলি দিয়াত এজাক পোহৰ সোমাই আহিল আৰু খিৰিকিৰ কাষত ফুলি থকা খৰিকাজাই জোপাৰ এটা তীব্ৰ গোন্ধ তাৰ নাকত লাগিল। মুখ হাত ধুই সি আকৌ খিৰিকিখনৰ কাষত বহিল। আগদিনা আধা পঢ়াকৈ এৰা আৰ্নেষ্ট হেমিংৱৰ 'দি অল মেন এন্দ দি চি' খন ওলিয়াই ললে। হাতত একাপ চাহ আৰু এটা মোনা লৈ অপৰাজিতা সোমাই আহিল। হেমহৰিয়ে মূৰ তুলি চলে— এখা অপৰাজনী বয়সৰ আঁচোৰ পৰাৰ বহু আগতেই যেন বুঢ়ী হৈ গল—। নিজকে অপৰাধী অপৰাধী লাগিল তাৰ। হাতত মোনাটো লৈ হেমহৰি পদূলি মুখলৈ ওলাই গৈছিল দোকানলৈ বুলি। মনত চিন্তা 'দোকানীয়ে যোৱাকালিৰ দৰে ধাৰলৈ মাল বস্তু নিদিয়ে বুলি কৈ ঘূৰাই নপঠালেই ৰক্ষা।' —এইদৰে ভাবি পদূলিৰ পৰা দুনলমান হৈ গৈছে হঠাৎ পাব্লিক চিটিৰ মাইকটোৰ কেইষাৰমান কথাই তাক ৰখাই দিলে। তাৰ কাণত পৰিল: ৰাইজসকল! এই মুহূৰ্ত্তৰ পৰা ডিব্ৰুগড় চহৰত সন্ধ্যা আইন জাৰি কৰা হ'ল। ৰাইজ যাতে ঘৰৰ পৰা বাহিৰলৈ নোলায়। লগতে সকলো দোকান পোহাৰ সন্ধ্যা ৫ বজালৈকে বন্ধ ৰাখিবলৈ অনুৰোধ কৰা হ'ল। যি সকলে এই আইন ভঙ্গ কৰিব তেওঁলোকক গ্ৰেপ্তাৰ কৰা হব।" —হেমহৰি ৰৈ গল। সি আৰু এখোজো আগ বাঢ়িব নোৱাৰিলে। তাৰ চকুৰ আগত তেতিয়া পৃথিবীখন ঘূৰা যেন দেখিলে।